GCM (S6) 01
Exam Code : EDSBM

উদ্যমিতা বিকাশ আৰু ক্ষুদ্ৰ ব্যৱসায় পৰিচালনা

ষষ্ঠ ষাণ্মাসিক

বাণিজ্য

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক হেমচন্দ্র গৌতম, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নয়ন বৰুৱা, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
সন্তোষ কুমাৰ মহাপাত্র, সহযোগী অধ্যাপক, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° দেৱজিৎ গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২, ৪ আৰু ১৩	শ্রী মানিক চন্দ্র কালৰাৰ, গৌহাটী কর্মাচ কলেজ	শ্রীগিৰীন্দ্র শইকীয়া, কার্যবাহী সম্পাদক দৈনিক গণ অধিকাৰ (অধ্যায় ১, ২, ৩, ৪, ৫ আৰু ৭)
৩ আৰু ৬	শ্রী হেমন্ত কুমাৰ ডেকা, গৌহাটী কর্মাচ কলেজ	
৫, ৭, ৮, ৯ আৰু ১০	ড° দেৱজিৎ গোস্বামী, কৃঃ কাঃ সঃ ৰাঃ মুঃবিশ্ববিঃ	শ্রীকার্তিক কলিতা, (অধ্যায় ৬)
১১	ড° চয়নিকা সেনাপতি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	অধ্যাপক ৰবিতা ৰৰা মহন্ত, বিশ্বনাথ কলেজ (অধ্যায় ১৩)
১২, ১৪ আৰু ১৫	শ্রী কৰিস্মা চৰকাৰ, অইল ইণ্ডিয়া লিমিটেড	শ্রী প্রীতি শর্মা, (অধ্যায় ৯ আৰু ১৫)
		শ্রী নিৱেদিতা চক্রৱর্তী, বিবেকানন্দ বিদ্যা ভাৰতী কলেজ, (অধ্যায় ১০, ১১ আৰু ১৪)
		শ্রী অর্ণব শর্মা, এম. ফিল ৰিচার্ছ স্কলাৰ (অধ্যায় ৮ আৰু ১২)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক ইউ. আৰ. ধৰ. অৱসৰপ্রাপ্ত অধ্যাপক গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১, ২, ৩, ৪, ৫, ১১, ১২, ১৩, ১৪ আৰু ১৫)
ড° স্মৃতিশিখা চৌধাৰী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৫, ৭, ৮, ৯ আৰু ১০)

গাঁথনি সম্পাদনা ঃ ড° দেৱজিৎ গোস্বামী, (অধ্যায় ৭, ৮, ১১, ১২, ১৩ আৰু ১৪)

প্রথম প্রকাশ ঃ জানুৱাৰী, ২০২০

ISBN: 978-93-89955-36-1

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web: www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **দূ�ৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগ**ৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

স্নাতক বাণিজ্য

উদ্যমিতা বিকাশ আৰু ক্ষুদ্ৰ ব্যৱসায় পৰিচালনা

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ উদ্যমিতাৰ মৌলিক বিষয়সমূহ ৭-১৯

উদ্যমিতাৰ প্ৰকৃতি আৰু বৈশিষ্ট্য; উদ্যমিতা সম্পৰ্কীয় শ্ৰেণীৰ প্ৰয়োজনীয়তা; উদ্যমিতাৰ সৈতে জড়িত হৈ থকা আশংকাবিলাক আৰু ইয়াৰ বাধাসমূহ; উদ্যমিতাৰ বিকাশত প্ৰভাৱান্বিত কৰা কাৰকসমূহ

অধ্যায় ২ ঃ উদ্যমিতাৰ তত্ব ২০-২৫

উদ্যমিতাৰ অৰ্থনৈতিক তত্ব; উদ্যমিতাৰ সমাজ বিজ্ঞানৰ তত্ব; উদ্যমিতাৰ লেইবেনষ্টেইনৰ ‘এক্স এফিচিয়েঞ্চী’ তত্ব; মুনাফাৰ তত্ব

অধ্যায় ৩ ঃ উদ্যমিতা বিকাশ কাৰ্যক্ৰম ২৬-৩৫

উদ্যমিতা বিকাশ কাৰ্যক্ৰম ঃ অৰ্থ আৰু গুৰুত্ব; উদ্যমিতা বিকাশ কাৰ্যক্ৰমৰ পাঠ্যক্ৰম সূচী আৰু পাঠ্যপুথি; উত্তৰ-পূৰ্বাঞ্চলৰ পৰিপ্ৰেক্ষিতত উদ্যমিতা বিকাশ কাৰ্যক্ৰমৰ ভূমিকা; ভাৰতত উদ্যমিতা বিকাশ কাৰ্যক্ৰম আগবঢ়োৱা প্ৰতিষ্ঠান

অধ্যায় ৪ ঃ উদ্যোগী ৩৬-৪২

উদ্যোগীৰ অৰ্থ; উদ্যোগীৰ বৈশিষ্ট্য আৰু গুণাৱলী; অৰ্থনৈতিক অগ্ৰগতিৰ বাবে উদ্যোগীৰ কাম-কাজ

অধ্যায় ৫ ঃ উদ্যোগী আৰু পৰিচালক ৪৩-৫৩

বৃত্তিৰ ধাৰণা; ব্যৱসায়ৰ মালিকীস্বত্বৰ ধাৰণা; বৃত্তিধাৰী পৰিচালক; উদ্যোগী আৰু পৰিচালকৰ মাজৰ পাৰ্থক্য আৰু বৈশিষ্ট্য

অধ্যায় ৬ ঃ উদ্যোগ/প্ৰতিষ্ঠানৰ প্ৰৱৰ্তন ৫৪-৭৩

উদ্যাগ প্ৰতিষ্ঠান এটা স্থাপনৰ অৰ্থ; ব্যৱসায়ৰ ধাৰণাসমূহৰ উৎস; ব্যৱসায়ৰ সুযোগ চিনাক্তকৰণৰ পদক্ষেপবোৰ; বাহ্যিক পাৰিবেশিক বিশ্লেষণ- অৰ্থ আৰু গুৰুত্ব; নতুন ব্যৱসায় এটাৰ প্ৰতিষ্ঠা - আইনগত প্ৰয়োজনীয়তা; ভেঞ্চাৰ মূলধনৰ অৰ্থ, গুৰুত্ব আৰু উৎসসমূহ; ভেঞ্চাৰ মূলধন লাভ কৰাৰ বাবে প্ৰয়োজন হোৱা নথিপত্ৰসমূহ

অধ্যায় ৭ ঃ ব্যৱসায়ৰ প্ৰস্তাৱ প্ৰস্তুতকৰণ ৭৪-৭৯

ব্যৱসায়ৰ প্ৰস্তাৱ প্ৰস্তুতকৰণৰ গুৰুত্ব; ব্যৱসায়ৰ প্ৰস্তাৱৰ সূচী; ব্যৱসায়ৰ প্ৰস্তাৱৰ আৰ্হি

অধ্যায় ৮ ঃ ঔদ্যোগিক মূলধন ৮০-৮৬

ঔদ্যোগিক মূলধনৰ ধাৰণা; ঔদ্যোগিক মূলধনৰ গুৰুত্ব; ঔদ্যোগিক পুঁজিপতিসকলৰ কার্যাৱলী; ঔদ্যোগিক মূলধনৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য; ঔদ্যোগিক মূলধনৰ সুবিধা আৰু আহিলা; বেংক আৰু ঔদ্যোগিক মূলধন

অধ্যায় ৯ ঃ সম্পদসমূহৰ একত্রীকৰণ ৮৭-৯৩

সম্পদ একত্রীকৰণৰ অর্থ; প্রাৰম্ভিক গোটসমূহৰ বাবে সম্পদ একত্রীকৰণ; বিক্রেতাসকলৰ লগত প্রাৰম্ভিক চুক্তিসমূহ; উদ্যোক্তাসকলে সন্মুখীন হোৱা প্রাৰম্ভণিক সমস্যাসমূহ; প্রাৰম্ভিক গোটসমূহৰ সমস্যাসমূহ সমাধানৰ পদ্ধতিসমূহ

অধ্যায় ১০ ঃ মহিলা উদ্যমিতা ৯৪-১০০

মহিলা উদ্যমিতাৰ ধাৰণা; মহিলা উদ্যমিতাৰ গুৰুত্ব; মহিলা উদ্যমিতাৰ অসুবিধাসমূহ; মহিলা উদ্যমিতাৰ উদগনি

অধ্যায় ১১ ঃ ক্ষুদ্র ব্যৱসায় ১০১-১০৮

ক্ষুদ্র ব্যৱসায়ৰ সংজ্ঞা; ক্ষুদ্র ব্যৱসায়ৰ বৈশিষ্ট্য; ক্ষুদ্র আৰু বৃহৎ প্রতিষ্ঠানৰ সম্পর্ক; ক্ষুদ্র প্রতিষ্ঠানসমূহৰ উদ্দেশ্য আৰু সম্ভাৱনা; অর্থনৈতিক উন্নয়নে ক্ষুদ্র প্রতিষ্ঠানসমূহৰ ভূমিকা; ক্ষুদ্র প্রতিষ্ঠানসমূহৰ সমস্যা

অধ্যায় ১২ ঃ মালিকীস্বত্বৰ গাঁথনি ১০৯-১২২

এক মালিকীস্বত্বৰ ধাৰণা; অংশীদাৰিত্বৰ আৰু কোম্পানীৰ ধাৰণা; ব্যক্তিগত খণ্ডৰ কোম্পানী আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীৰ মাজৰ
পার্থক্য; কোম্পানীৰ সুফল আৰু কুফল; সমবায়ৰ ধাৰণা; সঠিক মালিকীস্বত্বৰ গাঁথনিৰ চিহ্নিতকৰণ

অধ্যায় ১৩ ঃ ব্যৱসায়িক গোটৰ আকাৰ আৰু অৱস্থান ১২৩-১৩৩

ব্যৱসায়িক গোটৰ আকাৰ নিৰূপণত প্রভাৱ পেলোৱা মানকসমূহ আৰু প্রভাৱ বিস্তাৰ কৰা উৎপাদনসমূহ; ব্যৱসায় গোটৰ স্থান নির্বাচনৰ নীতি; উত্তৰ-পূব ভাৰতৰ উদ্যোগসমূহ আৰু সিহঁতৰ বর্তমান আৰু ভৱিষ্যত

অধ্যায় ১৪ ঃ ঔদ্যোগিক ৰুগ্নতা ১৩৪-১৪২

ঔদ্যোগিক ৰুগ্নতাৰ অর্থ; ঔদ্যোগিক ৰুগ্নতাৰ আগজাননী; ঔদ্যোগিক ৰুগ্নতাৰ কাৰণ; ক্ষুদ্র ব্যৱসায়িক ৰুগ্নতাৰ কাৰণসমূহ; ঔদ্যোগিক ৰুগ্নতাৰ ফল; সংশোধনী পদক্ষেপ

অধ্যায় ১৫ ঃ ক্ষুদ্র ব্যৱসায়ৰ বাবে আনুষ্ঠানিক সহায় ১৪৩-১৫৩

বাণিজ্যিক বেংকৰ ধাৰণা, বাণিজ্যিক বেংকবোৰে ক্ষুদ্র উদ্যোগীক প্রদান কৰা বিত্তীয় সহায়ৰ প্রকাৰসমূহ; দেশত উদ্যোগীক প্রদান কৰা সহায়ৰ সৈতে বিত্তীয় সহায় প্রদান কৰা বিভিন্ন বিত্তীয় অনুষ্ঠানসমূহৰ তালিকা

পাঠ্যবিষয়ৰ পৰিচয় ঃ

বি. কম পাঠ্যক্রমত উদ্যমিতা বিকাশ আৰু ক্ষুদ্র ব্যৱসায় পৰিচালনা পাঠ্যবিষয়টো অন্তর্ভুক্ত কৰাৰ উদ্দেশ্য হৈছে শিক্ষার্থীসকলক উদ্যমিতা বিকাশৰ সম্যক জ্ঞান প্রদান কৰা। এই পাঠ্যবিষয়ত পোন্ধৰটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে যিবোৰে উদ্যমিতা, উদ্যমিতাৰ তত্ত্ব, উদ্যমিতা বিকাশ, কার্যক্রমণিকাৰ পৰিচয় তথা উদ্যমিতা বিকাশত ইয়াৰ ভূমিকা, মহিলা উদ্যমিতা, উদ্যোগীৰ বৈশিষ্ট্য, ব্যৱসায়ৰ আকাৰ আৰু স্থানত প্রভাৱ পেলোৱা কাৰকসমূহ, ক্ষুদ্র ব্যৱসায় আদিৰ ওপৰত আলোকপাত কৰিব।

এই পাঠ্যবিষয়ে ঔদ্যোগিক ৰুগ্নতা ইয়াৰ কাৰণসমূহ তথা ক্ষুদ্র ব্যৱসায়ৰ বাবে থকা সাংগঠনিক সহায়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ উদ্যমিতাৰ মৌলিক বিষয়সমূহ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ উদ্যমিতাৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

১.৪ উদ্যমিতা সম্পৰ্কীয় শ্ৰেণীৰ প্ৰয়োজনীয়তা

১.৫ উদ্যমিতাৰ সৈতে জড়িত হৈ থকা আশংকাবিলাক

১.৬ উদ্যমিতাৰ বাধা

১.৭ উদ্যমিতাৰ বিকাশত প্ৰভাৱান্বিত কৰা কাৰকসমূহ

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১.৯ অধিক জানিবলৈ

১.১০ অগ্ৰগতিৰ খতিয়ান

১.১১ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উদ্যমিতাৰ সংজ্ঞা দিব পাৰিব
- উদ্যমিতাৰ বৈশিষ্ট্যৰাজিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- উদ্যমিতাৰ সৈতে জড়িত হৈ থকা আশংকাবিলাক ব্যাখ্যা কৰিব পাৰিব
- উদ্যমিতাৰ বাধাবিলাকৰ বিষয়ে আলোচনা কৰিব পাৰিব
- উদ্যমিতাৰ বিকাশক প্ৰভাৱান্বিত কৰা কাৰকবিলাকৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়ত আমি উদ্যমিতাৰ বৈশিষ্ট্যৰাজিৰ ওপৰত আলোকপাত কৰি উদ্যমিতাৰ বিষয়ে আলোচনা কৰিম। উদ্যমিতাৰ সৈতে জড়িত হৈ থকা প্ৰত্যাহ্বানবিলাকৰ লগতে ভাৰতৰ পৰিপ্ৰেক্ষিতত উদ্যমিতাৰ বিকাশক প্ৰভাৱান্বিত কৰা কাৰকবিলাকৰ বিষয়েও আমি আলোচনা কৰিম।

১.৩ উদ্যমিতাৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

উদ্যমিতাৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে, কেতবোৰ পৰিস্থিতিৰ ওপৰত

আলোকপাত কৰি আমি প্ৰথমে উদ্যোগী বা উদ্যমী (entrepreneur)ৰ সংজ্ঞা নিৰূপণ কৰিব লাগিব। ই আপোনালোকক উদ্যমিতাৰ (entreprenership) প্ৰকৃতি আৰু বৈশিষ্ট্যৰাজিৰ বুজি পোৱাত সহায় কৰিব ঃ

- এজন উদ্যোগী বা উদ্যমী হিচাপে পৰিচিত হ'বলৈ কোনো লোকে নিজা তৎপৰতাৰে ব্যৱসায় আৰম্ভ কৰিব লাগেনে?
- আমি তেনে লোকক উদ্যোগী বুলিব পাৰোনে যি আন কাৰোবাৰ পৰা একোটা চলি থকা ব্যৱসায় ক্ৰয় কৰি লয় অথবা তেওঁলোকৰ মাক-দেউতাকৰ পৰা একোটা পাৰিবাৰিক ব্যৱসায়ৰ কাম-কাজৰ দায়িত্ব চমজি লয়?
- যদি কোনো লোকে এটা ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰে আৰু কেতিয়াও কৰ্মচাৰী ভাড়া কৰিবলগীয়া নহয়, তেনে লোকক উদ্যোগী বুলিব পাৰিনে?
- যদি কোনো লোকে একোটা ব্যৱসায় ক্ৰয় কৰে, কিন্তু নিজে ব্যৱসায়ৰ কাম-কাজত জড়িত নহৈ বৃত্তিধাৰী পৰিচালক ভাড়া কৰে, তেতিয়া তেওঁলোক উদ্যোগী হ'বনে?
- এনে কোনো লোক উদ্যোগী হিচাপে পৰিগণিত হ'বনে যি এটা ফ্ৰেঞ্চাইজী ক্ৰয় কৰি এটা সু-প্ৰতিষ্ঠিত সূত্ৰ অনুসৰণ কৰি কাম-কাজ চলায়?
- নিজা ব্যৱসায় নথকা কোনো লোক উদ্যোগী হ'ব পাৰেনে?
- একোটা বৃহৎ নিগম (corporation)ৰ পৰিসৰত কৰা কামৰ প্ৰকৃতিৰ বাবে একোজন লোক উদ্যোগী হ'ব পাৰেনে?

এই ধাৰণাটোৰ বিষয়ে অধ্যয়ন কৰাৰ পূৰ্বে আমি উদ্যমিতা (entrepreneurship) বুলিলে কি বুজোঁ, সেই কথাৰ ওপৰতো সম্পূৰ্ণ গুৰুত্ব দিয়া দৰকাৰ।

গার্টনাৰে (Gartner, 1990) ৯০টা ধাৰণা চিনাক্ত কৰিছে য'ত এই ক্ষেত্ৰখনত উদ্যোগী আৰু অন্য বিশেষজ্ঞই আগবঢ়োৱা উদ্যোগী আৰু উদ্যমিতাৰ সংজ্ঞা দেখুওৱা হৈছে। এই ধাৰণাবিলাকৰ কেইটামান এনেধৰণৰঃ

- **নতুনত্ব ঃ** এজন উদ্যোগী হিচাপে বিবেচিত হ'বলৈ এজন লোক নতুনত্ব সৃষ্টিকাৰী হ'ব লাগেনে? নতুনত্বপূৰ্ণ নহ'লে একোটা কামক উদ্যমিতাযুক্ত বুলিব পাৰিনে?
- **কাম-কাজ ঃ** এজন উদ্যোগী হিচাপে বিবেচিত হ'বলৈ একোজন লোকে কি কাম-কাজ কৰিব লাগে?
- **এটা নতুন ব্যৱসায়ৰ সৃষ্টি ঃ** এজন উদ্যোগী হিচাপে বিবেচিত হ'বলৈ এজন লোকে এটা নতুন ব্যৱসায় আৰম্ভ কৰিব লাগেনে, অথবা যি একোটা ব্যৱসায় ক্ৰয় কৰে, একোটা ফ্ৰেঞ্চাইজী ক্ৰয় কৰে, অথবা আগৰে পৰা থকা একোটা পাৰিবাৰিক ব্যৱসায়ৰ দায়িত্ব লয়, তেওঁক উদ্যোগী হিচাপে বিবেচনা কৰিব পাৰিনে?
- **একোটা প্ৰতিষ্ঠিত সংস্থাৰ ভিতৰতে যি নতুন প্ৰচেষ্টা আৰম্ভ কৰে ঃ** আগৰে পৰা থকা একোটা প্ৰতিষ্ঠানত যাক উদ্যোগী হিচাপে গণ্য কৰা হোৱা নাই তেনে লোকে যদি প্ৰতিষ্ঠানটোৰ পৰিসৰতে এটা নতুন প্ৰচেষ্টা আৰম্ভ কৰে, তেতিয়া উদ্যোগী হিচাপে পৰিগণিত হ'বনে?

- **অলাভজনক ব্যৱসায়ৰ সৃষ্টি ঃ** যদি একোটা প্ৰচেষ্টা অলাভজনক (not-for-profit) হয় তেতিয়া ই উদ্যমিতাৰ কাম হিচাপে গণ্য হ'বনে, নে অকল লাভজনক ব্যৱসায়হে উদ্যমিতাৰ কাম বুলি গণ্য হয়?

গার্টনাৰে এই ধাৰণাক তলত দিয়াৰ দৰে বৰ্ণনা কৰিছে —

- **উদ্যোগী (The Entrepreneur) ঃ** উদ্যোগী ধাৰণাটো হৈছে এনেধৰণৰ য'ত উদ্যমিতাত একক বা অদ্বিতীয় ব্যক্তিত্বসম্পন্ন বৈশিষ্ট্য আৰু সামৰ্থ্য (যেনে— আশংকা মূৰ পাতি লোৱা, নিয়ন্ত্ৰণৰ সক্ষমতা, স্বায়ত্বতা, একাগ্ৰতা, সংকল্প, দৃষ্টিভংগী, সৃষ্টিশীলতা) নিহিত হৈ থাকে।
- **নতুনত্ব (innovation) ঃ** নতুনত্বৰ ধাৰণাটোত নতুন বা প্ৰতিষ্ঠিত প্ৰতিষ্ঠানত একোটা অনুমান, সামগ্ৰী, সেৱা, বজাৰ অথবা প্ৰযুক্তি হিচাপত নতুনকৈ কিবা কৰা বুজায়। নতুনত্বৰ ধাৰণাটোত কোৱা হয় যে নতুনত্ব সৃষ্টি কেৱল নতুন প্ৰচেষ্টাতে সীমাবদ্ধ নহয়, বৰং ই এনে হিচাপত স্বীকৃত যাৰ দ্বাৰা অধিক প্ৰসাৰিত শৃংখলা আৰু প্ৰতিষ্ঠান হাতত ল'ব পাৰি।
- **প্ৰতিষ্ঠান সৃষ্টি (Organization Creation) ঃ** প্ৰতিষ্ঠান সৃষ্টিৰ ধাৰণাটোৱে প্ৰতিষ্ঠান সৃষ্টিত নিহিত হৈ থকা আচৰণবিলাক বৰ্ণনা কৰে। ইয়াত সন্নিৱিষ্ট হৈ থকা সম্পদবিলাক আহৰণ কৰা আৰু সমন্বিত কৰা কাৰ্য (অৰ্থাৎ ব্যৱহাৰৰ বাবে সম্পদ অনা, সম্পদৰ সৈতে সুযোগবিলাক সমন্বিত কৰা, সম্পদৰ ব্যৱস্থা কৰা, সম্পদ সংগ্ৰহ কৰা) বৰ্ণনা কৰা হয় আৰু এই ধাৰণাই প্ৰতিষ্ঠান সৃষ্টিৰো বৰ্ণনা কৰে (নতুন প্ৰচেষ্টাৰ বিকাশ আৰু মূল্য সংযোজন কৰা ব্যৱসায়ৰ সৃষ্টি)।
- **মূল্য সৃষ্টি কৰা (Creating Value) ঃ** উদ্যমিতাই মূল্য সৃষ্টি কৰে। এই কাৰকটোত বুজোৱা হৈছে যে একো ব্যৱসায়ৰ ৰূপান্তৰ ঘটাই, একোটা ব্যৱসায়ৰ বিকাশ ঘটাই নতুন ব্যৱসায়ৰ সৃষ্টি কৰিব, সম্পদ সৃষ্টি কৰি বা বিষয়বাবৰ বিভ্ৰান্তি আঁতৰাই মূল্য সৃষ্টি কৰিবই লাগিব।
- **ব্যতিক্ৰম ধৰ্মিতা (Uniqueness) ঃ** এই ধাৰণাত কোৱা হৈছে যে উদ্যমিতাত ব্যতিক্ৰম ধৰ্মিতা থাকিবই লাগিব। ইয়াত ব্যতিক্ৰম ধৰ্মিতাবোলোতে চিন্তা কৰাৰ বিশেষ পদ্ধতি, প্ৰাপ্তিৰ একোটা দৃষ্টিভংগী, পূৰণ নোহোৱা প্ৰয়োজনীয়তাবোৰ চাব পৰাৰ সামৰ্থ্য আৰু অদ্বিতীয় সংমিশ্ৰণ ঘটোৱাৰ সক্ষমতাক বুজোৱা হৈছে।

উদ্যোগীৰ সংজ্ঞা ঃ

এজন উদ্যোগীক এনেদৰে বৰ্ণনা কৰিব পাৰি, 'এনে লোক যি আশংকা আৰু অনিশ্চয়তাৰ সন্মুখতো একোটা নতুন ব্যৱসায় সৃষ্টি কৰি মুনাফা আৰু অগ্ৰগতি লাভৰ উদ্দেশ্যে গুৰুত্বপূৰ্ণ সুযোগবিলাক চিনাক্ত কৰে আৰু সিবিলাকৰ ওপৰত মূলধন গঠন কৰিবলৈ আৱশ্যকীয় সম্পদবিলাক একত্ৰিত কৰে (Zimenerer & Scarborough, 2008)।

উদ্যমিতাৰ সংজ্ঞা ঃ

উদ্যমিতাক ব্যৱসায়ৰ এখন ক্ষেত্ৰ হিচাপে সংজ্ঞায়িত কৰিব পাৰি যি এই কথা বুজিব বিচাৰে যে বিশেষ লোকসকলে উদ্ভৱ হোৱা আৰু আৱিষ্কৃত বা সৃষ্টি কৰা নতুন কিবা একোটাও কেনেকৈ সুযোগ বিচাৰে (অর্থাৎ, নতুন সামগ্ৰী অথবা সেৱা, নতুন বজাৰ, নতুন উৎপাদন প্ৰক্ৰিয়া বা কেঁচামাল, চলিত প্ৰযুক্তিৰ নতুন ব্যৱস্থাপনা), তাৰ পিছত যি সিবিলাকৰ ব্যৱহাৰৰ বাবে বা বিকাশৰ বাবে বিভিন্ন উপায় অৱলম্বন কৰে আৰু এনেদৰে এলানি বিস্তৰ প্ৰভাৱ সৃষ্টি কৰে (Baron, Shane & Reuber, 2008)।

উদ্যমিতাৰ এটা সংক্ষিপ্ত সংজ্ঞা হৈছে— 'ই হৈছে সদ্যহতে হাতত থকা সম্পদবিলাকতে সীমাবদ্ধ নাৰাখি সুযোগৰ সন্ধান কৰা প্ৰক্ৰিয়া' (Brooks, 2009, P. 3) আৰু 'ব্যক্তিৰ বাবে সম্পদৰ সৃষ্টি কৰা আৰু সমাজৰ বাবে মূল্য সংযোজন কৰাৰ উদ্দেশ্যে কিবা নতুন আৰু বেলেগ কৰাৰ প্ৰক্ৰিয়া' (Kao, 1993)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ এজন উদ্যোগীৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ২ ঃ নিজৰ প্ৰকল্প বাস্তৱায়িত কৰোতে একোজন উদ্যোগীয়ে সম্পন্ন কৰা তিনিটা কাম উল্লেখ কৰক।

.....

.....

.....

১.৪ উদ্যমিতা সম্পৰ্কীয় শ্ৰেণীৰ প্ৰয়োজনীয়তা

দুটা শিৰোনামত উদ্যমিতা সম্পৰ্কীয় শ্ৰেণীৰ জৰুৰী প্ৰয়োজনীয়তাৰ বিষয়ে অধ্যয়ন কৰিব পাৰি ঃ

ক) বেলেগ বেলেগ সমাজত উদ্যমিতা সম্পৰ্কীয় বিকল্পৰ বিশ্লেষণৰ বাবে তত্বগত দিশ।

খ) ভাৰতত উদ্যমিতা সম্পৰ্কীয় দৃশ্যপট।

ক) তত্বগত দিশ

বেলেগ বেলেগ সমুদায় আৰু সমাজত উদ্যমিতাৰ ঐতিহাসিক বিকাশ বিভিন্ন কাৰকৰ দ্বাৰা চালিত হৈছিল। তলত এই বিষয়ে আলোচনা কৰা হৈছেঃ

- **উদ্যমিতা সম্পৰ্কীয় বিকাশ নীতিগত প্ৰণালীৰ প্ৰভাৱ**

  উদ্যমিতা সম্পৰ্কীয় বিকাশ সংশ্লিষ্ট সমাজৰ নীতিগত মূল্য প্ৰণালী (ethical value

system)ৰ দ্বাৰা চালিত হোৱা কথাটোলৈ প্ৰথমে আঙুলিয়াই দিয়ে মেক্স ৱেবাৰে (Max Weber)। তেওঁ কৈছিল যে খৰতকীয়া ঔদ্যোগিক বিকাশৰ প্ৰৱণতা নিৰ্ভৰ কৰে একোটা যুক্তিসংগত প্ৰযুক্তি, ধন আহৰণ, উৎপাদনশীলতাৰ বাবে ইয়াৰ যুক্তিসংগত ব্যৱহাৰ আৰু ধন বহুগুণ কৰাৰ ওপৰত। এই উপাদানবিলাক নিৰ্ভৰ কৰে ব্যক্তিৰ একোটা বিশেষ মূল্য নিৰূপণৰ ওপৰত। প্ৰটেষ্টাণ্ট নীতি আৰু পুঁজিবাদৰ প্ৰৱণতাৰ মাজত ৱেবাৰে এটা সম্পৰ্ক বিচাৰি পাইছিল। তেওঁৰ মতে, এই প্ৰৱণতা অন্য সমুদায় যেনে— হিন্দু, জৈন আৰু জুদাৰ মাজতো আছিল। তেওঁ কৈছিল যে পুঁজিবাদক লৈ অহাত প্ৰটেষ্টাণ্টসকলে দ্ৰুত অগ্ৰগতি লাভ কৰিছিল কিয়নো তেওঁলোকৰ নীতিগত মূল্য প্ৰণালীয়ে (ethical value system) তেওঁলোকক যুক্তিসংগত অৰ্থনৈতিক ধ্যান-ধাৰণা (rational economic attitude) প্ৰদান কৰিছিল। ৰবাৰ্ট কেনেডী (Robert Kennedy) আৰু য়েইলেও (Yale) এই ধাৰণা পোষণ কৰিছিল যে সেইবিলাক সমাজত উদ্যমিতাৰ দ্ৰুত বিকাশ ঘটিছিল য'ত নীতিগত মূল্যই সিদ্ধান্ত গ্ৰহণৰ স্বাধীন ক্ষমতা প্ৰদান কৰিছিল। সন্দেহ নাই, এই দৃষ্টিভংগীৰ কিছুমান সত্যতা আছে কিন্তু ই সাৰ্বজনীনভাৱে গৃহীত হোৱা নাছিল।

- **উদ্যমিতা সম্পৰ্কীয় বিকাশত সংখ্যালঘু গোটৰ প্ৰভাৱ**

  হেগেনে (Hagen, 1962) এই দৃষ্টিভংগী পোষণ কৰিছিল যে পিছপৰা সংখ্যালঘু গোট হৈছে উদ্যমিতাৰ সৰ্বাধিক উৎস। ফ্ৰেয়াৰ (Frayer) আদিৰ দৰে আন কেইবাজনো পণ্ডিতেও এই নীতিৰ ব্যাখ্যা কৰাৰ চেষ্টা কৰিছিল। একেদৰে পাৰ্ক (Park, 1950) আৰু ষ্টনকিষ্টে (Stonequist, 1937) কৈছে যে প্ৰযুক্তিগত নতুন আৱিষ্কাৰবিলাক আনতকৈ বেছি সাংস্কৃতিকভাৱে প্ৰান্তীয় লোকসকলে কৰিছে। একেদৰে, মেকক্লেলেণ্ডেও (MeClelland, 1971) কৈছিল যে জৈনসকল অধিক বাণিজ্যিকৃত হোৱাৰ কাৰণটো হৈছে সংখ্যালঘু গোট হিচাপে থকা তেওঁলোকৰ সচেতনতা আৰু তেওঁলোকৰ ওপৰত অধিক আৱশ্যকতা পূৰণৰ বাবে সংখ্যাগুৰুৰ গোটে কৰা হেঁচা প্ৰয়োগ।

- **উদ্যমিতা সম্পৰ্কীয় বিকাশৰ ওপৰত প্ৰাপ্তিৰ মনোনিবেশৰ আৱশ্যকতাৰে প্ৰভাৱ**

  মেকক্লেলেণ্ডে ধাৰণা কৰিছিল যে উদ্যমিতাৰ মূল কাৰক হৈছে প্ৰাপ্তিৰ প্ৰতি মনোনিবেশ (achievement motivation)। তেওঁ উদ্যমিতাৰ বিকাশক প্ৰাপ্তিৰ বাবে কৰা মনোনিৱেশৰ বাবে হোৱা আৱশ্যকতা হিচাপে ব্যাখ্যা কৰিছে। এনেদৰে তেওঁ প্ৰাপ্তিৰ বাবে আৱশ্যকতা আৰু সফল অৰ্থনৈতিক কাম-কাজৰ মাজত উচ্চ সম্পৰ্ক বিচাৰি পাইছে।

- **উদ্যমিতা সম্পৰ্কীয় বিকাশত নতুন ধাৰণা আৰু সুযোগ আৱিষ্কাৰৰ প্ৰভাৱ**

  কিছুমান অধ্যায়ত প্ৰতিপন্ন হৈছে প্ৰস্তুতকৰণ (manufacturing) আৰু ঔদ্যোগিক (industrial) কাম-কাজত প্ৰৱেশ কৰিবলৈ নতুন ধাৰণা আৰু সুযোগৰ আৱিষ্কাৰে অনুপ্ৰাণিত কৰে। ত্ৰিপাঠীয়ে (Tripathy) তেওঁৰ ভাৰতত উদ্যমিতাৰ বিকাশৰ অধ্যয়নত কৈছে, 'ধৰ্ম নহয়, ৰৰং নতুন ধাৰণা আৰু মূল্যৰ আৱিষ্কাৰ হৈছে প্ৰকৃত কাৰক যি পাৰ্ছি আৰু হিন্দু উদ্যোগীসকলক প্ৰস্তুতকৰণ কাৰ্যকলাপত জড়িত কৰায়।'

- **উদ্যমিতা সম্পৰ্কীয় বিকাশত ৰাজনৈতিক পদ্ধতিৰ প্ৰভাৱ**

  কিছুসংখ্যক গৱেষকে ভাবিছিল যে একোখন দেশৰ ৰাজনৈতিক গাঁথনিৰ কথা বিবেচনা নকৰাকৈ উদ্যমিতাৰ বিকাশৰ সম্পূৰ্ণৰূপে ব্যাখ্যা কৰিব নোৱাৰি। ব'ল্ডিঙে (Boulding) কৈছে যে ফ্ৰান্স আৰু ৰাছিয়াৰ উদ্যমিতাৰ বিকাশৰ ৰাজনৈতিক গাঁথনি আছিল নিৰ্ণায়ক কাৰক। একেদৰে, হছলিজে (Hoselitz) যুক্তি দৰ্শাইছে যে ফ্ৰান্স অৰ্থনৈতিকভাৱে পিছ পৰি থকাৰ কাৰণ হৈছে দেশখনৰ সামাজিক গাঁথনিয়ে উদ্যোগীসকলক পৰ্যাপ্ত উদ্‌গনি আৰু নিৰাপত্তা প্ৰদান নকৰাটো। মেধৰা (Medhora) য়ো এই সিদ্ধান্তত উপনীত হৈছিল যে ভাৰতত উদ্যমিতাৰ বিকাশ বিলম্বিত হোৱাৰ কাৰণ উদ্যমিতাৰ প্ৰতি মনোনিৱেশ নথকাটো নহয় বৰং ৰাজনৈতিক গাঁথনিৰ সংকল্পহীনতা। এ কে শৰ্মা (A. K Sharma) আৰু মিশ্ৰয়ো (Mishra) ভাৰতত উদ্যমিতাৰ বিকাশত চৰকাৰী নীতিৰ প্ৰভাৱৰ বিষয়ে বৰ্ণনা কৰিছে।

- **উদ্যমিতাৰ বিকাশত আঞ্চলিক ঔদ্যোগিক জলবায়ুৰ প্ৰভাৱ**

  বহুতো অধ্যয়নত আঙুলিয়াই দিয়া হৈছে যে পাৰ্ছিয়ান ব্যৱসায়ীসকলৰ পিছতে ভাৰতত উদ্যমিতাৰ কাম-কাজত গুজৰাট আৰু মাৰোৱাৰী বৈশ্যসকলে আধিপত্য বিস্তাৰ কৰে আৰু তেওঁলোকৰ সফলতাৰ কাৰণ হিচাপে আঞ্চলিক প্ৰমূল্য আৰু নিৰ্দিষ্ট সামূহিক বৈশিষ্ট্য হিচাপে পৰিলক্ষিত হৈছে। কিন্তু এজন গৱেষক পণ্ডিতে (Pandit, 1957) এই তত্ত্ব প্ৰত্যাহ্বান জনাইছে আৰু কৈছে যে গুজৰাট আৰু মাৰোৱাৰী বৈশ্যসকলৰ ঔদ্যোগিক আধিপত্যৰ প্ৰকৃত কাৰণটো হৈছে আঞ্চলিক কাৰকবিলাক, অৰ্থাৎ এই অঞ্চলসমূহৰ ঔদ্যোগিক জলবায়ু। তেওঁ আঙুলিয়াই দিয়ে যে গুজৰাটতত ব্যৱসায় আৰু উদ্যোগৰ বাবে সূচল এটা বাতাৱৰণ আছে। তেওঁৰ যুক্তি অনুসৰি, গুজৰাটৰ হোৱা বাবেই আনকি পাৰ্ছিসকলেও অধিক উদ্যমিতা প্ৰদৰ্শন কৰিছিল। এনেদৰে, উদ্যোগী গঢ়ি উঠাৰ ক্ষেত্ৰত একোটা অঞ্চলৰ ঔদ্যোগিক জলবায়ুৱেও গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে। অৱশ্যে, বিভিন্ন অধ্যয়নত আলোকপাত কৰা সামূহিক কাৰকবিলাক (group factors) অৱজ্ঞা কৰিব নোৱাৰি।

খ) ভাৰতত উদ্যমিতা সম্পৰ্কীয় শ্ৰেণীৰ তাৎক্ষণিকতা

প্ৰাচীন ভাৰতত, বেনাৰস, এলাহাবাদ, গয়া, পুৰী আৰু মিৰ্জাপুৰৰ দৰে নগৰসমূহৰ কাৰিকৰসকলৰ মাজত কিছু ধৰণৰ উদ্যমিতা পোৱা গৈছিল। এই নগৰসমূহ নদীৰ পাৰত অৱস্থিত য'ত পৰিবহণ ব্যৱস্থা আছিল। কিন্তু ঔপনিৱেশিক ৰাজনৈতিক শক্তিৰ তৎপৰতাৰ অভাৱ আৰু আন্তঃগাঁথনিৰ সমস্যাৰ বাবে এই কাৰিকৰ উদ্যোগীসকলে সঠিকভাৱে অগ্ৰগতি লাভ কৰিব পৰা নাছিল।

প্ৰাচীন ভাৰতৰ ব্যৱসায়ী উদ্যোগীসকলো বাধাগ্ৰস্ত আছিল। কিন্তু বৃহৎসংখ্যক লেনদেনকাৰী আৰু ধন ধাৰে দিওঁতা বিভিন্ন দেশ যেনে— ব্ৰহ্মদেশ, মালয়েছিয়া, ছিংগাপুৰ আৰু কেনিয়াৰ দৰে দেশলৈ বাণিজ্য কৰাৰ উদ্দেশ্যে প্ৰব্ৰজিত হৈছিল। এই লেনদেনকাৰীসকলে

চীন আৰু হংকঙৰ সৈতে প্ৰসাৰিত বাণিজ্যিক সম্পৰ্ক গঢ়ি তুলিছিল। ভাৰতত প্ৰথম অৱস্থাত উদ্যমিতাৰ বিকাশ হোৱা নাছিল। এই লেহেমীয়া অগ্ৰগতিৰ কাৰণবিলাক আছিল ঃ

- মূলধনৰ অভাৱ;
- ৰাজনৈতিক একতাৰ অভাৱ;
- সীমাশুল্কৰ বাধা;
- মুদ্ৰাৰ অসংখ্য প্ৰণালীৰ অৱস্থিতি;
- আঞ্চলিক বজাৰবিলাক;
- কৰাৰোপণ নীতি;
- ব্যৱসায়ৰ নিম্ন মৰ্যাদা।

ইষ্ট ইণ্ডিয়া কোম্পানী অহাৰ লগে লগে ভাৰতত প্ৰস্তুতকৰণ উদ্যমিতা (manufacturing entrepreneurship)ই গা কৰি উঠে। ই আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰখনত ভাৰতীয় ব্যৱসায়ীসকলক উৎসাহিত কৰিলে। কোম্পানীয়ে বিশেষকৈ পাৰ্ছিসকলক প্ৰভাৱিত কৰিলে যি ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতে জড়িত বিভিন্ন বাণিজ্য আৰু বাণিজ্যিক বৃত্তি চলাইছিল। পাৰ্ছিসকলে ব্ৰিটিছৰ সৈতে সু-সম্পৰ্ক গঢ়ি তুলিছিল। জাহাজ নিৰ্মাণ উদ্যোগত তেওঁলোকে দালাল, পণ্যৰ যোগনীয়াৰ আৰু মিস্ত্ৰী হিচাপে কাম কৰিছিল। কলকাতা, মুম্বাই আৰু চেন্নাইত ১৮ শতিকাৰ অন্তিমটো দশকত ভাৰতীয় উদ্যমিতা বিকাশৰ প্ৰতি সংস্থাবিলাকেও অৰিহনা আগবঢ়ায়। এই সংস্থাবিলাকে উদ্যমিতাৰ সামৰ্থ্য আৰু মূলধন প্ৰদান কৰিছিল। ১৮১৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইয়াৰ একাধিপত্য হেৰুওৱাৰ পিছত এই সংস্থাবোৰ ব্যৱসায়, বাণিজ্য, বেংক সেৱা আৰু ভাগৰ জাহাজৰ কাৰবাৰত সোমাই পৰে। ঔদ্যোগিক বিপ্লৱৰ পৰিপ্ৰেক্ষিতত এই সংস্থাবিলাকে অন্য উদ্যমিতা সম্পৰ্কীয় কাম-কাজ যেনে— নীল, ছামৰা আৰু তীখা প্ৰস্তুতকণৰ দৰে উদ্যমিতাৰ কামত উদ্‌গনি যোগায়। ব্ৰিমাৰ (Brimmer)ৰ মতে, সংস্থা (Agency House) বিলাকত কাম কৰি থকা পৰিচালন প্ৰতিনিধিসকল আছিল ভাৰতৰ প্ৰকৃত উদ্যোগী। তেওঁলোকে উৎপাদন নতুন নতুন পদ্ধতি, কেঁচামালৰ নতুন উৎস আৰু নতুন সামগ্ৰী আৰু বজাৰ চিনাক্ত কৰিছিল। অধিক মুনাফা অৰ্জনৰ লক্ষ্যৰে এই সংস্থাবিলাকে কোম্পানীসমূহক তেওঁলোকৰ নিয়ন্ত্ৰণৰ অধীনত ৰাখিছিল।

চাহ গছ ৰোপন, কফি ইত্যাদিৰ ক্ষেত্ৰতে ব্ৰিটিছ লোকসকলে উদ্যমিতা আৰম্ভ কৰে। ব্ৰিটিছ উদ্যোগীসকল কপাহী বস্ত্ৰ আৰু তীখাৰ ক্ষেত্ৰত আগ্ৰহী নাছিল। ১৮৫০ চনৰ পৰ পৰৱৰ্তী সময়ত আধুনিক কাৰখানা পদ্ধতি ভাৰতত আৰম্ভ হয়। ১৯১৫ চনত থকা ৯৬টা মিলৰ, ৪১টা পাৰ্ছিসকলে, ২৩টা হিন্দুৱে, ১০ট মুছলমানে আৰু ২২টা ব্ৰিটিছ নাগৰিকে নিৰ্মাণ কৰিছিল। পাৰ্ছিসকলে কেৱল বস্ত্ৰশিল্পতে যে আগভাগ লোৱা নাছিল, লো আৰু তীখাটো লৈছিল। মন কৰিবলগীয়া যে পাৰ্ছিসকলে আৰম্ভণিতে ভাৰতীয় উদ্যমিতাৰ ক্ষেত্ৰখনত আধিপত্য বিস্তাৰ কৰিছিল। কিন্তু ব্ৰাহ্মণসকলো প্ৰস্তুতকৰণ উদ্যোগত সোমাই পৰে।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত আৰু তাৰ পিছত উদ্যমিতা বিকাশৰ দ্বিতীয় পৰ্যায়টো আৰম্ভ হয়। এই সময়ছোৱাত, চিমেণ্ট আৰু চেনীৰ উদ্যোগবিলাকৰ দ্ৰুত অগ্ৰগতি হয়। পাৰ্ছিসকলৰ আনুষংগিক গুৰত্বই প্ৰস্তুতকৰণৰ কাম আৰম্ভ কৰাত সহায় কৰিলে। মাৰোৱাৰীসকলে ইয়াক প্ৰায় সমগ্ৰ ভাৰততে প্ৰসাৰিত হোৱাত সহায় কৰিলে। তদুপৰি, এদল স্ব-নিৰ্মিত উদ্যোগীৰো সৃষ্টি হ'ল যি নিজৰ ধন পুনৰ খটুৱাই অধিক উপাৰ্জন কৰিবলৈ সক্ষম হয়। নতুনত্ব সৃষ্টিকাৰী উদ্যমিতাই সঠিকভাৱে গা কৰি উঠা নাছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত উদ্যমিতাৰ বিকাশে অধিক সাৰ-পানী পায়। তেতিয়াৰে পৰা, ভাৰতীয় অৰ্থনীতিত এক দ্ৰুত পৰিৱৰ্তন সাধিত হৈছে। যুদ্ধৰ সময়ছোৱাত, নতুন উদ্যোগ প্ৰতিষ্ঠা কৰিবৰ বাবে উদ্যোগীসকলে বহুতো উদ্‌গনি লাভ কৰিছিল।

দ্ৰুত ঔদ্যোগিক বিকাশৰ তিনিটা প্ৰধান প্ৰভাৱ আছে ঃ

- নিৰ্দিষ্ট সামজিক খণ্ডৰ পৰা অহা কিছুসংখ্যক উদ্যোগী যেনে— পাৰ্ছি আৰু বৈশ্যসকলে ভাৰতীয় উদ্যোগৰ ক্ষেত্ৰখনত আধিপত্য বিস্তাৰ কৰিছিল।
- কিছুমান বিশেষ ঔদ্যোগিক কেন্দ্ৰ যেনে— মুম্বাই, আহমেদাবাদ, কলকাতা আৰু কানপুৰত ঔদ্যোগিক বিকাশ সীমাবদ্ধ হৈ আছিল।
- কেৱল সেইবিলাক উদ্যোগৰহে দ্ৰুত বিকাশ হৈছিল, যিবিলাকে যুদ্ধৰ প্ৰয়োজনবোৰ পূৰাব পাৰিছিল। ইয়াৰ পৰিণামস্বৰূপে, সামগ্ৰিক ঔদ্যোগিক বিকাশ সীমাবদ্ধ হৈছিল।

স্বাধীনতাৰ পিছত, ভাৰত চৰকাৰে মিশ্ৰ অৰ্থনীতিৰ জৰিয়তে উদ্যোগৰ সন্তুলিত বিকাশক অগ্ৰগতি দিবলৈ চেষ্টা কৰে। এই উদ্দেশ্যত উপনীত হ'বলৈ তিনিটা পদক্ষেপ গ্ৰহণ কৰা হৈছিল ঃ

- বিভিন্ন খণ্ডৰ মাজত উপাৰ্জনৰ সঠিক বিতৰণক উৎসাহিত কৰা;
- উদ্যমিতাৰ প্ৰসাৰ ঘটাই ঔদ্যোগীকৰণক উদ্‌গনি যোগোৱা;
- ঔদ্যোগিক সম্ভাৱনীয়তা থকা বৃহৎসংখ্যক লোকৰ মাজলৈ উদ্যমিতাৰ প্ৰসাৰ ঘটোৱা।

এই উদ্দেশ্যবিলাক আহৰণ কৰিবলৈ, চৰকাৰে নগৰ, মহানগৰ আৰু গাঁওবিলাকত ক্ষুদ্ৰ উদ্যোগৰ গোটবিলাকক বিকাশত উদ্‌গনি যোগাইছিল। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত, চৰকাৰে সম্ভাৱনাপূৰ্ণ উদ্যোগীসকলক মূলধন, প্ৰযুক্তিগত জ্ঞান, বজাৰ আৰু ভূমি প্ৰদান কৰিছিল। নতুন উদ্যোগীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চৰকাৰে কেইবাটাও প্ৰতিষ্ঠানো প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ পৰিণতিত, ভাৰতত ক্ষুদ্ৰ উদ্যোগৰ দ্ৰুত বিকাশ ঘটে। ভাৰতত ব্যৱসায়, বাণিজ্য আৰু ঔদ্যোগীকৰণৰ ক্ষেত্ৰখনত হোৱা বিভিন্ন পৰিৱৰ্তনৰ ফলত আধুনিক উদ্যমিতাই বৰ্তমানৰ স্থিতি লাভ কৰে। ই হৈছে দ্ৰুত প্ৰসাৰিত বাণিজ্য আৰু উদ্যোগৰ সুবিধাৱলী। দেখা গৈছে যে, ঔদ্যোগীকৰণৰ প্ৰক্ৰিয়া প্ৰতিষ্ঠা হোৱাৰ লগে লগে, অন্য বৃত্তিৰ লোকসকলকো প্ৰতিষ্ঠানিক গোটবিলাকে আকৰ্ষিত কৰে।

১.৫ উদ্যমিতাৰ সৈতে জড়িত হৈ থকা আশংকাবিলাক

বিত্তীয় আশংকা

এটা ব্যৱসায় আৰম্ভ কৰিবলৈ, একোজন উদ্যোগীয়ে ব্যৱসায়ত পুঁজি বিনিয়োগ কৰিব লাগে। এই পুঁজিৰ উৎস হৈছে বিনিয়োগকাৰীৰ পৰা লোৱা ঋণ, উদ্যোগীৰ নিজা সঞ্চয় অথবা পৰিয়াল তথা বন্ধুবৰ্গৰ পৰা লোৱা পুঁজি। যদি কোনো ওলোটা পৰিস্থিতিৰ উদ্ভৱ হয়, তেতিয়া উদ্যোগীয়ে দেউলীয়াপণাৰ আশংকা বহন কৰিব।

কৌশলগত আশংকা


একোটা ভাল ব্যৱসায়িক পৰিকল্পনা হৈছে বিনিয়োগকাৰীক আকর্ষণ কৰিবলৈ একোটা পূর্বচর্ত। অৱশ্যে, এই গতিশীল জগতখনত, একোটা ভালদৰে প্রস্তুত কৰা কৌশলো সময়ত ভুল বুলি পৰিগণিত হ'ব পাৰে। এনে পৰিস্থিতিত, পৰিৱর্তিত ব্যৱসায়িক পৰিস্থিতিবিলাকে অধিক প্রত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। এই ক্ষেত্রত অৱলম্বন কৰিবলগীয়া কৌশল উদ্যোগীয়ে বহন কৰিব লাগিব।

প্রযুক্তিগত আশংকা

প্রযুক্তিগত পৰিৱর্তনবিলাকে ডাঙৰ প্রত্যাহ্বানৰ সৃষ্টি কৰে। সাধাৰণতে, প্রযুক্তিৰ উন্নীতকৰণৰ বাবে যথেষ্ট পৰিমাণৰ ধন বিনিয়োগ কৰিবলগীয়া হয়। একে সময়তে, প্রযুক্তিৰ ক্ষেত্রত, অপ্রচলনৰ হাৰো অত্যন্ত বেছি। সেয়ে, ব্যৱসায়ত প্রযুক্তিৰ এটা আশংকা সদায় থাকে।

বজাৰৰ আশংকা

উৎপাদিত সামগ্রী অথবা সেৱা উপভোক্তাৰ বাবে বজাৰত সংস্থাপিত কৰিব লাগে। বজাৰ বহুতো কাৰকৰ দ্বাৰা প্রভাৱিত হয় আৰু বজাৰত উঠা-নমা চলি থাকে। এই ক্ষেত্রত, বজাৰত থকা প্রতিদ্বন্দ্বীসকল এটা গুৰুত্বপূর্ণ উপাদান। একোজন উদ্যোগী এই আশংকাবিলাকৰ সন্মুখীন হ'বলৈ সাজু থাকিবই লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ উদ্যমিতাৰ সৈতে জড়িত হৈ থকা যিকোনো দুটা আশংকা উল্লেখ কৰক।

.....

.....

১.৬ উদ্যমিতাৰ বাধা

ভাৰতত, ব্যৱসায়ত সফল হ'বলৈ উদ্যোগীসকলে যথেষ্ট সংগ্রাম কৰিবলগীয়া হয় আৰু বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। কিছুমান সমস্যা উমৈহতীয়া আৰু সকলো

উদ্যোগীয়ে এইবিলাকৰ সন্মুখীন হয়। এই সমস্যাবিলাকৰ বিষয়ে তলত আলোচনা কৰা হ'লঃ

- **বিত্তীয় সমস্যা ঃ** যিকোনো ব্যৱসায় প্রতিষ্ঠানৰ বাবে, ই সৰুৰেই বা ডাঙৰেই হওক, বিত্ত হৈছে জীৱনদায়ী ৰক্তৰ দৰে। উদ্যোগীসকলে বিত্তৰ নাটনিৰ সমস্যাত ভোগে। পুঁজিৰ উৎসবিলাক সীমাবদ্ধ, বিশেষকৈ, নতুন উদ্যোগীৰ বাবে। কিছুমান ক্ষেত্রত, তেওঁলোকে নিজৰ ব্যক্তিগত উৎস যেনে— পৰিয়াল বা বন্ধুবর্গৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। এনেদৰে, পুঁজিৰ নাটনিৰ বাবে, ব্যৱসায় প্রতিষ্ঠান আৰম্ভ কৰিবলৈ উদ্যোগসকলে টান পায়।
- **কেঁচামালৰ নাটনি ঃ** বেছিভাগ প্রতিষ্ঠানেই কেঁচামাল আৰু আৱশ্যকীয় লগ্নিৰ নাটনিত ভোগে। এই সমস্যাৰ ফলত পৰৱর্তী সময়ত অধিক পৰিমাণৰ ব্যয় হোৱাৰ বিপৰীতে খুউব কম ৰেহাই মূল্যত কেঁচামাল সংগ্রহ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি কৰে।
- **শিক্ষাৰ অভাৱ ঃ** কিছুমান ক্ষেত্রত শিক্ষাৰ অভাৱ উদ্যমিতাত বাধা হৈ দেখা দিয়ে। আর্থ-সামাজিক বিষয়বিলাকত সঠিক শিক্ষাৰ অভাৱ এটা অন্যতম কাৰক।
- **তুমুল প্রতিযোগিতা ঃ** ব্যৱসায়, বজাৰ, প্রযুক্তি, প্রতিষ্ঠানিক গাঁথনি ইত্যাদি সন্দর্ভত নতুন উদ্যোগীৰ সীমিত জ্ঞানে উদ্যমিতা বিকাশত বাধা হৈ দেখা দিয়ে।

১.৭ উদ্যমিতাৰ বিকাশত প্রভাৱান্বিত কৰা কাৰকসমূহ

নিম্নোলিখিত কাৰকবিলাকে উদ্যমিতাৰ বিকাশক প্রভাৱান্বিত কৰে ঃ

- **ব্যৱসায়িক বাতাৱৰণ**

  উদ্যমিতাৰ বিকাশত ব্যৱসায়িক বাতাৱৰণে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। চৰকাৰী নীতি, আইনগত বিধি-বিধান, অর্থনৈতিক অৱস্থা ইত্যাদি হৈছে গুৰুত্বপূর্ণ কাৰক যি উদ্যমিতাৰ বিকাশ নির্ণয় কৰে। বিভিন্ন ব্যৱসায়িক সুযোগ চিনাক্ত কৰাত একোট সুচল চৰকাৰী ব্যৱস্থাপনাই সহায় কৰে। আনহাতে, অসুবিধাজনক আইনী ব্যৱস্থা, অসুবিধাজনক চৰকাৰী ব্যৱস্থা ইত্যাদিয়ে উদ্যমিতাৰ বিকাশত বাধা হিচাপে কাম কৰে।

- **সম্পদৰ নাটনি**

  বিত্তীয় নাটনিয়ে উদ্যমিতাৰ বিকাশত বাধা হৈ দেখা দিয়ে। হ্রস্বকালীন আৰু দীর্ঘকালীন পুঁজিৰ বাবে সম্পদৰ নাটনি হ'লে উদ্যমিতাৰ বিকাশ বাধাগ্রস্ত হয়।

- **মানসম্পন্ন শ্রমৰ নাটনি**

  শ্রম হৈছে উৎপাদনৰ এটা গুৰুত্বপূর্ণ কাৰক। উদ্যমিতাৰ কাম-কাজৰ বাবে মানসম্পন্ন শ্রম হৈছে প্রধান উপাদান। আনহাতে, মানসম্পন্ন শ্রম পর্যাপ্ত নহ'লে উদ্যমিতাৰ বিকাশ বাধাগ্রস্ত হয়।


- **বজাৰৰ অভাৱ**

  বজাৰতে সামগ্রী আৰু সেৱাৰ বিনিময় হয়। বজাৰে উদ্যমিতা বিকাশৰ মঞ্চ প্রদান কৰে।

বজাৰে উদ্যোগীৰ বাবে ৰাজহ সৃষ্টি কৰে আৰু উপযুক্ত বজাৰ নাথাকিলে, বিকাশৰ সুযোগ সীমিত হয়।

- **উপযুক্ত উদ্যমিতা প্রশিক্ষণৰ অভাৱ**

  উদ্যোগীসকলৰ বাবে প্রশিক্ষণ খুবেই গুৰুত্বপূর্ণ। প্রশিক্ষণৰ জৰিয়তে, উদ্যোগীয়ে প্রযুক্তিগত দক্ষত, পৰিচালন সম্পর্কীয় দক্ষত, উদ্যমিতা সম্পর্কীয় দক্ষতা আদি আহৰণ কৰে। সেয়ে, উদ্যমিতা বিকাশ কার্যক্রমত প্রশিক্ষণৰ খুবেই প্রয়োজন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ উদ্যমিতাৰ বিকাশত প্রভাৱ পেলোৱা দুটা কাৰক উল্লেখ কৰক।

.....

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- উদ্যমিতাৰ সৈতে জড়িত হৈ থকা আশংকাবিলাক হৈছে — বিত্তীয় আশংকা, কৌশলগত আশংকা, প্রযুক্তিগত আশংকা ইত্যাদি
- উদ্যমিতাৰ বিভিন্ন বাধাবিলাক হৈছে — বিত্তীয় সমস্যা, কেঁচামালৰ নাটনি, তুমুল প্রতিযোগিতা ইত্যাদি।
- উদ্যমিতাৰ বিকাশক প্রভাৱান্বিত কৰা কাৰকবিলাক হৈছে— ব্যৱসায়িক বাতাৱৰণ, মানসম্পন্ন শ্রমৰ অভাৱ, বজাৰৰ অভাৱ ইত্যাদি।



১.৯ অধিক জানিবলৈ

1. B. Bhatnagar and A Budhiraja(2011), Entrepreneurship Development & Small Business Management, Vayu Education Of India
2. Khanka SS (2007), Entrepreneurial Development; S Chand & Company; Reprint Edn. 2006 edition
3. Scarborough and Cornwell (2016), Essentials of Enterpreneurship & Small Business Management, Pearson Education India; Eighth edition

4. Charantimath(2013), Entrepreneurship Development and Small Business Enterprises,Pearson EducationIndia; Secondedition
5. Pathak R.K. and Kalwar M.C.(), Business Organisation and Entrepreneurship Development.

১.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ নতুনত্ব আৰু প্রতিষ্ঠান সৃষ্টি।

২নং প্রশ্নৰ উত্তৰ ঃ নিজৰ প্রকল্প বাস্তৱায়িত কৰোতে একোজন উদ্যোগীয়ে সম্পন্ন কৰে ঃ

- **প্রতিষ্ঠান সৃষ্টি (Organization Creation) ঃ** প্রতিষ্ঠান সৃষ্টিৰ ধাৰণাটোৱে প্রতিষ্ঠান সৃষ্টিত নিহিত হৈ থকা আচৰণবিলাক বর্ণনা কৰে। ইয়াত সন্নিৱিষ্ট হৈ থকা সম্পদবিলাক আহৰণ কৰা আৰু সমন্বিত কৰা কার্য (অর্থাৎ ব্যৱহাৰৰ বাবে সম্পদ অনা, সম্পদৰ সৈতে সুযোগবিলাক সমন্বিত কৰা, সম্পদৰ ব্যৱস্থা কৰা, সম্পদ সংগ্রহ কৰা) বর্ণনা কৰা হয় আৰু এই ধাৰণাই প্রতিষ্ঠান সৃষ্টিৰো বর্ণনা কৰে (নতুন প্রচেষ্টাৰ বিকাশ আৰু মূল্য সংযোজন কৰা ব্যৱসায়ৰ সৃষ্টি)।
- **মূল্য সৃষ্টি কৰা (Creating Value) ঃ** উদ্যমিতাই মূল্য সৃষ্টি কৰে। এই কাৰকটোত বুজোৱা হৈছে যে একো ব্যৱসায়ৰ ৰূপান্তৰ ঘটাই, একোটা ব্যৱসায়ৰ বিকাশ ঘটাই নতুন ব্যৱসায়ৰ সৃষ্টি কৰিব, সম্পদ সৃষ্টি কৰি বা বিষয়বাবৰ বিভ্রান্তি আঁতৰাই মূল্য সৃষ্টি কৰিবই লাগিব।
- **ব্যতিক্রম ধর্মিতা (Uniqueness) ঃ** এই ধাৰণাত কোৱা হৈছে যে উদ্যমিতাত ব্যতিক্রম ধর্মিতা থাকিবই লাগিব। ইয়াত ব্যতিক্রম ধর্মিতাবোলোতে চিন্তা কৰাৰ বিশেষ পদ্ধতি, প্রাপ্তিৰ একোটা দৃষ্টিভংগী, পূৰণ নোহোৱা প্রয়োজনীয়তাবোৰ চাব পৰাৰ সামর্থ্য আৰু অদ্বিতীয় সংমিশ্রণ ঘটোৱাৰ সক্ষমতাক বুজোৱা হৈছে।

৩নং প্রশ্নৰ উত্তৰ ঃ কৌশলগত আশংকা, প্রযুক্তিগত আশংকা।

৪নং প্রশ্নৰ উত্তৰ ঃ ব্যৱসায়িক বাতাৱৰণ, বিত্তীয় নাটনি।



১.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ উদ্যমিতাৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ উদ্যমিতাৰ বিকাশক প্রভাৱান্বিত কৰা কাৰকবিলাকৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ উদ্যমিতাৰ সৈতে জড়িত হৈ থকা আশংকাবিলাক ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ উদ্যমিতাৰ বাধাবিলাকৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ উদ্যমিতাৰ তত্ব

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ উদ্যমিতাৰ তত্ব

- ২.৩.১ অর্থনৈতিক তত্ব
- ২.৩.২ সমাজ বিজ্ঞানৰ তত্ব
- ২.৩.৩ গতিশীল উদ্যমিতাৰ নতুনত্ব তত্ব
- ২.৩.৪ লেইবেনষ্টেইনৰ ‘এক্স-এফিচিয়েঞ্চি’ তত্ব
- ২.৩.৫ মুনাফাৰ তত্ব

২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলো

২.৫ অধিক জানিবলৈ

২.৬ অগ্রগতিৰ খতিয়ান

২.৭ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উদ্যমিতাৰ অর্থনৈতিক তত্ব ব্যাখ্যা কৰিব পাৰিব
- উদ্যমিতাৰ সমাজ বিজ্ঞানৰ তত্ব বর্ণনা কৰিব পাৰিব
- উদ্যমিতাৰ গতিশীল উদ্যমিতাৰ নতুনত্ব তত্ব সম্পর্কে আলোচনা কৰিব পাৰিব
- উদ্যমিতাৰ লেইবেনষ্টেইনৰ ‘এক্স এফিচিয়েঞ্চী’ তত্বটো ব্যাখ্যা কৰিব পাৰিব।
- মুনাফা উদ্যমিতাৰ তত্বটো সম্পর্কে আলোচনা কৰিব পাৰিব

২.২ পৰিচয়

এই অধ্যায়ত আমি উদ্যমিতাৰ বেলেগ বেলেগ তত্ব সম্পর্কে আলোচনা কৰিম। এই তত্ববিলাকে উদ্যমিতাৰ প্রয়োজনীয়তাবিলাক বুজাৰ লগতে উদ্যোগী হ’বলৈ মানুহক আকর্ষণ কৰা বিভিন্ন কাৰকবিলাক বুজি পোৱাত সহায়ো কৰিব।


২.৩ উদ্যোমিতাৰ তত্ব

উদ্যমিতাৰ বিভিন্ন তত্ব আছে যিবিলাকক অর্থবিজ্ঞান, সমাজ বিজ্ঞান আৰু মনোবিজ্ঞানৰ

দৃষ্টিভংগীৰ পৰা ব্যাখ্যা কৰিব পাৰি। এই তত্ববিলাক আঠৈ শতিকাৰো অধিক কাল ধৰি বিভিন্নজন চিন্তাবিদে আগবঢ়াইছে। এতিয়া আমি উদ্যমিতাৰ কেইটামান প্রধান তত্বৰ বিষয়ে আলোচনা কৰিম।

২.৩.১ অর্থনৈতিক তত্ব

অর্থনীতিবিদসকলৰ মতে, সেইবিলাক পৰিস্থিতিতহে উদ্যমিতা (entrepreneurship) আৰু অর্থনৈতিক অগ্রগতি সম্পন্ন হ'ব পাৰে, য'ত কেতবোৰ নির্দিষ্ট অর্থনৈতিক অৱস্থা অত্যন্ত সুবিধাজনক হৈ থাকে। জি এফ পাপানেক (G. F. Papanek) আৰু জে আৰ হেৰিছ (J. R. Harris) হৈছে দুজন প্রধান লোক যি এই তত্বৰ ওকালতি কৰিছে। তেওঁলোকৰ মতে, উদ্যমিতাৰ কাম-কাজৰ বাবে অর্থনৈতিক উদগণিবিলাক (economic incentives) হৈছে প্রধান চালিকা শক্তি। কিছুমান ক্ষেত্রত, এইটো সিমান চকুত পৰা বিধৰ নহয় যদিও অর্থনৈতিক প্রাপ্তিৰ সৈতে মানুহৰ ভিতৰৰ চালিকা শক্তি সদায়ে সংলগ্ন হৈ থাকে। যেতিয়া এজন লোকে চিনাক্ত কৰে যে একোটা সামগ্রী অথবা সেৱাৰ বাবে বজাৰখন ভাৰসাম্যযুক্ত নহয়, তেতিয়া তেওঁ চলিত দামত সামগ্রী অথবা সেৱা কিনি ৰাখিব পাৰে আৰু পৰৱর্তী সময়ত সেইবিলাক অধিক দামত বিক্রী কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১। অর্থনৈতিক তত্ব অনুসৰি উদ্যমিতাৰ কাম-কাজৰ বাবে প্রধান উদগণি কি?

.....

.....

২.৩.২ সমাজ বিজ্ঞানৰ তত্ব

সমাজ বিজ্ঞানীসকলে যুক্তি দর্শায় যে একোটা বিশেষ সামাজিক সংস্কৃতিৰ অধীনত উদ্যমিতাৰ উদ্ভৱ হয়। তেওঁলোকৰ মতে, সাংস্কৃতিক প্রমূল্য আৰু তৎপৰ প্রত্যাশাবিলাকৰ ফলতে উদ্যমিতাৰ সৃষ্টি হয়। কচৰান (Cochran)ৰ মতে, উদ্যমীয়ে সমাজৰ আদর্শ ব্যক্তিত্বক প্রতিনিধিত্ব কৰে। তেওঁৰ বৃত্তি, গোটৰ অনুমোদত থকা তৎপৰ প্রত্যাশা আৰু কামৰ বৃত্তিগত আৱশ্যকতাৰ প্রতি থকা তেওঁৰ নিজস্ব ধাৰণাৰ ওপৰত তেওঁৰ কাম-কাজ নির্ভৰ কৰে। ধ্যান-ধাৰণা (attitudes) আৰু তৎপৰ প্রত্যাশা (role expectation)ৰ সবাতোকৈ গুৰুত্বপূর্ণ নির্ণায়ক হৈছে সামাজিক প্রমূল্যবিলাক। ৱেবাৰ (Weber)ৰ মতে, ধর্মীয় বিশ্বাসে বৃত্তিগত ক্ষেত্রত অধিক কর্ম তৎপৰতাৰ সৃষ্টি কৰাৰ লগতে প্রণালীবদ্ধ নির্দেশনাই সম্পত্তি একত্রীকৰণ কৰে। এইবিলাক হৈছে এনে বিশ্বাস

যি উদ্যমিতাৰ বিকাশত চালিকা শক্তি হিচাপে কাম কৰে। কেইবাখনো দেশত, একোটা নির্দিষ্ট আর্থ-সামাজিক শ্রেণীৰ পৰা উদ্যমিতাৰ উদ্ভৱ হৈছে।

ষ্টকছ (Stokes)ৰ মতে, সমাজ-সাংস্কৃতিক প্রমূল্যবিলাক শৃংখলাজনিত অর্থনৈতিক কার্য। তেওঁ পৰামর্শ দিছে যে ব্যক্তি আৰু সামাজিক সুযোগ আৰু প্রয়োজনীয় মনস্তাত্বিক বিতৰণৰ উপস্থিতিক একোজন লোকৰ উদ্যোগিক উদ্যমিতালৈ গতিৰ বাবে থকা সকলো অৱস্থা হিচাপে চাব পাৰি।

২.৩.৩ গতিশীল উদ্যমিতাৰ নতুনত্ব তত্ব

১৯৪৯ত এই তত্বটো স্কামপীটাৰে (Schumpeter) বিকশিত কৰিছিল, যি উদ্যমিতাক অর্থনীতিৰ আস্থানগত প্রচলন (stationary circular)ৰ প্রবাহ হিচাপে চলাই ৰখাত আগভাগ লয় আৰু ইয়াৰ জৰিয়তে উন্নয়নৰ প্রক্রিয়া আৰম্ভ কৰে আৰু অব্যাহত ৰাখে। এম্বাৰকিঙে উৎপাদনৰ কাৰকবিলাকৰ 'নতুন সংমিশ্রণ' (new combinations)ক নতুনত্ব সৃষ্টি (Price) আখ্যা দিছে আৰু ইয়াৰ জৰিয়তে উদ্যোগীয়ে অর্থনীতিক উন্নয়নৰ এটা নতুন স্তৰলৈ সক্রিয় কৰি তুলিব পাৰে বুলি কৈছে। নতুনত্ব সৃষ্টিৰ ধাৰণাটোত সামৰি লোৱা কাম-কাজবিলাক হৈছে ঃ

১। একোটা নতুন সামগ্রী/সেৱা অথবা উন্নত সামগ্রী/সেৱাৰ প্রৱর্তন।


২। উৎপাদনৰ নতুন কৌশল বিচাৰি উলিওৱা আৰু প্রৱর্তন কৰা।

৩। নতুন বজাৰ বা খণ্ডত তেনে সামগ্রী/সেৱা প্রৱর্তন কৰা।

৪। কেঁচামালৰ যোগানৰ নতুন উৎস বিচাৰি উলিওৱা আৰু

৫। যিকোনো উদ্যোগৰ একোটা নতুন প্রতিষ্ঠান চলোৱা।

স্কামপীটাৰৰ নতুনত্ব সৃষ্টিৰ ধাৰণাটোত আশংকা বহন কৰা, তত্বাৱধান আৰু সমন্বয় সাধনৰ উপাদানবিলাকক সামৰি লোৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২। গতিশীল উদ্যমিতাৰ নতুনত্ব তত্ব অনুসৰি নতুনত্বৰ ধাৰণাটো উল্লেখ কৰক।

.....

.....

২.৩.৪ লেইবেনষ্টেইনৰ 'এক্স-এফিচিয়েঞ্চী' তত্ব

এক্স-এফিচিয়েঞ্চী (X-efficiency) তত্ব হৈছে প্রতিষ্ঠানৰ পৰিসৰৰ ভিতৰত সম্পদৰাজিৰ ব্যৱহাৰৰ অদক্ষতাৰ স্তৰ, একোটা প্রতিষ্ঠানে ইয়াৰ উৎপাদনী সম্ভাৱনা

কার্যকৰী কৰাত কিমানলৈকে ব্যর্থ হয় তাৰ পৰিসৰ ইয়াত নির্ণয় কৰা হয়। উপলব্ধ সম্পদৰাজিৰ যথোচিত ব্যৱহাৰ কৰাত ব্যর্থ হোৱাৰ ফলত এক্স-এফিচিয়েঞ্চী তত্বৰ উদ্ভৱ হয় অথবা সেইবিলাক অপচয় কৰা হ'লে, মুঠৰ ওপৰত, সম্পদৰ ব্যৱহাৰ নহ'লে ইয়াৰ উদ্ভৱ হয়।

লেইবেনষ্টেইনে (Leibenstein) উদ্যোগীৰ দুটা প্রধান ভূমিকা চিনাক্ত কৰিছে। প্রথমটো ভূমিকা হৈছে পর্যাপ্ত অন্তর্গমন (inputs) নিশ্চিত কৰা যি বর্তমানৰ চলিত উৎপাদন পদ্ধতিৰ দক্ষতা উন্নত কৰে যাৰ জৰিয়তে নতুন সামগ্রী প্রৱর্তন কৰিব পৰা যায়। যদি প্রতিষ্ঠানে দক্ষতা বৃদ্ধি কৰিব পাৰে, তেন্তে ইয়াৰ পৰিসৰৰ ভিতৰত ই তথ্যৰ প্রবাহ সামৰি লয়।

দ্বিতীয় ভূমিকাটো হৈছে খালী ঠাই পূৰণ কৰা। পৰিপূৰক কামৰ জৰিয়তে খালী ঠাই পূৰণ কৰা পদ্ধতিৰ ওপৰত কির্জনাৰে (Kirzner) আলোকপাত কৰিছে। লেইবেনষ্টেইনে খালী ঠাই পূৰণৰ এটা স্পষ্ট বর্ণনা আগবঢ়াইছে, তেওঁ অর্থনীতিক এটা মুঠ প্রাপ্তি আৰু তাৰ বাবে গ্রহণ কৰা পথবিলাকৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিছে। আৰম্ভণিতে এই তত্বটো আন এটা উদ্দেশ্যত বিকশিত কৰা হৈছিল, শেহতীয়াকৈ ইয়াক উদ্যোগীৰ ভূমিকা বিশ্লেষণ কৰিবলৈ প্রয়োগ কৰা হৈছে।

২.৩.৫ মুনাফাৰ তত্ব

নাইটে (Knight) উদ্যোগীক বিশুদ্ধ মুনাফা (pure profit)ৰ এজন গ্রহণকাৰী হিচাপে বিবেচনা কৰিছে। তেওঁ এনে এটা পৰিস্থিতিৰ ব্যাখ্যা কৰিছে, য'ত আগতীয়া যুক্তি বিচাৰ অথবা পৰিসংখ্যাগত হিচাব-নিকাচৰ জৰিয়তে বিকল্প সম্ভাৱনাবিলাক নির্ণয় কৰিব নোৱাৰি। একোটা আগতীয়া যুক্তি বিচাৰ (priory reasoning) অদ্বিতীয় পৰিঘটনা নিহিত হৈ থকা অর্থনৈতিক পৰিস্থিতিৰ ক্ষেত্রত অপ্রাসংগিক। নাইটে কৈছে যে ব্যাৱসায়িক অনিশ্চয়তা 'একত্রীকৰণ' (consilidation)ৰ জৰিয়তে হ্রাস কৰিব পাৰি। একত্রীকৰণ হৈছে একো একোটা উদাহৰণক টানি আনি সর্বমুঠ অনিশ্চয়তা হ্রাস কৰা এটা পদ্ধতি। মুনাফাৰ পৰিমাণ আৰু উদ্যোগীৰ সংখ্যাৰ সবাতোকৈ প্রভাৱশালী আৰু গুৰুত্বপূর্ণ উপাদান হৈছে আত্মবিশ্বাসৰ স্তৰ।



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- অর্থনৈতিক তত্ব অনুসৰি উদ্যমিতাৰ কাম-কাজৰ বাবে অর্থনৈতিক উদগণিবিলাক (economic incentives) হৈছে প্রধান চালিকা শক্তি। কিছুমান ক্ষেত্রত, এইটো সিমান

চকুত পৰা বিধৰ নহয় যদিও অর্থনৈতিক প্রাপ্তিৰ সৈতে মানুহৰ ভিতৰৰ চালিকা শক্তি সদায়ে সংলগ্ন হৈ থাকে।

- সমাজ বিজ্ঞানীসকলে যুক্তি দর্শায় যে একোটা বিশেষ সামাজিক সংস্কৃতিৰ অধীনত উদ্যমিতাৰ উদ্ভৱ হয়। তেওঁলোকৰ মতে, সাংস্কৃতিক প্রমূল্য আৰু তৎপৰ প্রত্যাশাবিলাকৰ ফলতে উদ্যমিতাৰ সৃষ্টি হয়।
- গতিশীল উদ্যমিতা নতুনত্ব তত্বত কোৱা হৈছে যে উদ্যমিতাই অর্থনীতিৰ আস্থানগত প্রচলন (stationary circular)ৰ প্রবাহ হিচাপে চলাই ৰখাত আগভাগ লয় আৰু ইয়াৰ জৰিয়তে উন্নয়নৰ প্রক্রিয়া আৰম্ভ কৰে আৰু অব্যাহত ৰাখে।
- এক্স-এফিচিয়েঞ্চী (X-efficiency) তত্ব হৈছে প্রতিষ্ঠানৰ পৰিসৰৰ ভিতৰত সম্পদৰাজিৰ ব্যৱহাৰৰ অদক্ষতাৰ স্তৰ, একোটা প্রতিষ্ঠানে ইয়াৰ উৎপাদনী সম্ভাৱনা কার্যকৰী কৰাত কিমানলৈকে ব্যর্থ হয় তাৰ পৰিসৰ ইয়াত নির্ণয় কৰা হয়। উপলব্ধ সম্পদৰাজিৰ যথোচিত ব্যৱহাৰ কৰাত ব্যর্থ হোৱাৰ ফলত এক্স-এফিচিয়েঞ্চী তত্বৰ উদ্ভৱ হয় অথবা সেইবিলাক অপচয় কৰা হ'লে, মুঠৰ ওপৰত, সম্পদৰ ব্যৱহাৰ নহ'লে ইয়াৰ উদ্ভৱ হয়।



২.৫ অধিক জানিবলৈ

1. B. Bhatnagar and A Budhiraja(2011), Entrepreneurship Development & Small Business Management, Vayu Education Of India
2. Khanka SS (2007), Entrepreneurial Development; S Chand & Company;ReprintEdn.2006edition
3. Scarborough and Cornwell (2016), Essentials of Enterpreneurship & Small Business Management, Pearson Education India; Eighth edition
4. Charantimath(2013), Entrepreneurship Development and Small Business Enterprises,Pearson EducationIndia; Secondedition
5. Pathak R.K. and Kalwar M.C.(), Business Organisation and Entrepreneurship Development.

২.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ উদ্যমিতাৰ কাম-কাজৰ বাবে অর্থনৈতিক উদগণিবিলাক হৈছে প্রধান চালিকা শক্তি।

২নং প্রশ্নৰ উত্তৰ ঃ গতিশীল উদ্যমিতা নতুনত্ব তত্ব অনুসৰি, নতুনত্বৰ ধাৰণাত সামৰি লোৱা কাম-কাজবিলাক হৈছে ঃ

- একোটা নতুন সামগ্রী/সেৱা অথবা উন্নত সামগ্রী/সেৱাৰ প্রৱর্তন।
- উৎপাদনৰ নতুন কৌশল বিচাৰি উলিওৱা আৰু প্রৱর্তন কৰা।
- নতুন বজাৰ বা খণ্ডত তেনে সামগ্রী/সেৱা প্রৱর্তন কৰা।
- কেঁচামালৰ যোগানৰ নতুন উৎস বিচাৰি উলিওৱা আৰু
- যিকোনো উদ্যোগৰ একোটা নতুন প্রতিষ্ঠান চলোৱা।



২.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অর্থনৈতিক তত্ব সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ মুনাফা তত্বটো আলোচনা কৰক।

প্রশ্ন ৩ ঃ গতিশীল উদ্যমিতা নতুনত্ব তত্ব সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ উদ্যমিতা বিকাশ কার্যক্রম

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ উদ্যমিতা বিকাশ কার্যক্রম ঃ অর্থ আৰু গুৰুত্ব

৩.৪ উদ্যমিতা বিকাশ কার্যক্রমৰ পাঠ্যক্রম সূচী আৰু পাঠ্যপুথি

৩.৫ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিপ্রেক্ষিতত উদ্যমিতা বিকাশ কার্যক্রমৰ ভূমিকা

৩.৬ ভাৰতত উদ্যমিতা বিকাশ কার্যক্রম আগবঢ়োৱা প্রতিষ্ঠান

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উদ্যমিতা বিকাশ কার্যক্রমৰ অর্থ ব্যাখ্যা কৰিব পাৰিব।
- উদ্যমিতা বিকাশ কার্যক্রমৰ গুৰুত্ব সম্পর্কে আলোচনা কৰিব পাৰিব।
- উদ্যমিতা বিকাশ কার্যক্রমৰ পাঠ্যসূচী আৰু পাঠ্যপুথিৰ ব্যাখ্যা কৰিব পাৰিব।
- উত্তৰ পূৰ্বাঞ্চলৰ প্রেক্ষাপটত উদ্যমিতা বিকাশ কার্যক্রমৰ ভূমিকা সম্পর্কে আলোচনা কৰিব পাৰিব।
- ভাৰতত উদ্যমিতা বিকাশ কার্যক্রম আগবঢ়োৱা বিভিন্ন প্রতিষ্ঠান চিনাক্ত কৰিব পাৰিব।

৩.২ পৰিচয়

শেহতীয়া বছৰবিলাকত উদ্যোগী (entrepreneur) আৰু উদ্যমিতা বিকাশ কার্যক্রম (Entrepreneurship Development Programme/EDP) আলোচনাৰ এটা গুৰুত্বপূর্ণ বিষয় হৈ পৰিছে। অধ্যায় ৫ত আমি উদ্যোগীৰ অর্থ, উদ্যোগীৰ বৈশিষ্ট্য, অর্থনৈতিক বিকাশত উদ্যোগীৰ ভূমিকা ইত্যাদি সম্পর্কে আলোচনা কৰিছো। এই অধ্যায়ত আমি বিকাশ কার্যক্রমৰ বিষয়ে আলোচনা কৰিম, যি কার্যক্রমে প্রাথমিকভাৱে সেইসকল প্রথম প্রজন্মৰ উদ্যোগীৰ বিকাশ সাধনৰ উপায় দিয়ে যিসকলে নিজাববীয়াকৈ সফল উদ্যোগী হোৱাৰ পথ ল'ব নোৱাৰে। এই অধ্যায়ত আমি ইডিপিৰ অর্থ আৰু গুৰুত্ব, ইডিপিৰ পাঠ্যসূচী আৰু পাঠ্যক্রম সম্পর্কে আলোচনা কৰিম। উত্তৰ-পূৰ্বাঞ্চলৰ প্রেক্ষাপটত ইডিপিৰ ভূমিকা সম্পর্কেও ইয়াত আলোচনা কৰা হৈছে।

এই অধ্যায়ৰ শেষৰ অংশত, ইডিপি প্রদান কৰা প্রতিষ্ঠানসমূহৰ বিষয়েও আলোচনা কৰা হৈছে।

৩.৩ উদ্যমিতা বিকাশ কার্যক্রম ঃ অর্থ আৰু গুৰুত্ব

অর্থ

উদ্যমিতা বিকাশ কার্যক্রম মানে হৈছে এটা কার্যক্রম, যি একোজন লোকক তেওঁৰ উদ্যমিতা সম্পর্কীয় ভাৱধাৰা শক্তিশালী কৰা আৰু দক্ষতা অর্জনৰ লগতে একোটা প্রতিষ্ঠান উন্নত কৰা আৰু দক্ষতাৰে চলাই নিবলৈ প্রয়োজন হোৱা সক্ষমতাবিলাক আহৰণ কৰাত সহায় কৰে। এটা কার্যক্রম যাক সম্পন্ন কৰাৰ উদ্দেশ্য হৈছে সম্ভাৱনাপূর্ণ উদ্যোগীসকলক আগবঢ়াই নিয়া, তেওঁলোকক উদ্যমিতাৰ ভাবধাৰা বুজাত সহায় কৰা, মনোযোগ আকর্ষণৰ ধৰণ, আচৰণ আৰু উদ্যমিতাৰ প্রমূল্যত সিবিলাকৰ প্রভাৱ সম্পর্কে বুজাত সহায় কৰা — সেই কার্যক্রমকে উদ্যমিতা বিকাশ কার্যক্রম আখ্যা দিয়া হৈছে। এলানি কার্যক্রম আছে যি সাম্ভাব্য উদ্যোগীসকলক নতুন ব্যৱসায়িক ধাৰণা, কেনেকৈ নতুন কাম-কাজ প্রতিষ্ঠা কৰিব লাগে, একোটা প্রকল্প প্রতিবেদন (Project Report) কেনেকৈ প্রস্তুত কৰিব লাগে, পুঁজিৰ উৎস ইত্যাদি সম্পর্কে তথ্য প্রদান কৰে। এই কার্যক্রমবিলাকক ইডিপি বুলি ভুলকৈ বুজিব নালাগে; এইবিলাক সকলো ইডিপিৰ অংশহে। ইডিপি প্রাথমিকভাৱে উদ্যমিতা সম্পর্কীয় প্রতিভাৰ বিকাশ আৰু মনোযোগৰ প্রভাৱ সৈতে জড়িত।


একোটা ভালদৰে প্রস্তুত কৰা ইডিপিত তিনি তৰপীয়া পদক্ষেপ সন্নিৱিষ্ট থাকে ঃ

- প্রাপ্তিৰ মনোযোগৰ বিকাশ সাধন আৰু উদ্যমিতা সম্পর্কীয় কাম-কাজ আৰু আচৰণ তীক্ষ্ণ কৰি তোলা।
- উদ্যোগিক সা-সুবিধা, উদগণি, ব্যৱস্থাপনা আৰু নীতি-নিয়ম সন্দর্ভত পৰামর্শ প্রদান।
- পৰিচালন সম্পর্কীয় আৰু কাম-কাজৰ সক্ষমতাৰ বিকাশ সাধন।

গুৰুত্ব

উদ্যোগীসকলক অর্থনৈতিক অগ্রগতিৰ প্রতিনিধি হিচাপে গণ্য কৰা হয়। তেওঁলোকে সম্পর্দ সৃষ্টি কৰে, নিয়োগৰ সুবিধা সৃষ্টি কৰে, নতুন সামগ্রী আৰু সেৱা প্রদান কৰে আৰু জীৱনৰ মান উন্নত কৰে। ইডিপি হৈছে উদ্যোগীসকলক উন্নত কৰা এটি ফলদায়ক পদ্ধতি, যি আর্থ-সামাজিক উন্নতিৰ গতি ত্বৰান্বিত কৰিব পাৰে, সন্তুলিত আঞ্চলিক বিকাশ নিশ্চিত কৰিব পাৰে আৰু স্থানীয়ভাৱে উপলব্ধ সম্পদৰাজিৰ সদ্ব্যৱহাৰ কৰিব পাৰে। ই ফলপ্রসূ আত্মনিয়োগৰ পথো সৃষ্টি কৰিব পাৰে। একোটা ইডিপিয়ে উদ্যোগীসকলক সুসজ্জিত কৰে আৰু তেওঁলোকক অর্থনৈতিক পৰিস্থিতি সন্দর্ভত পূর্বানুমান কৰিবলৈ সক্ষম কৰি তোলাৰ লগতে যিকোনো প্রতিষ্ঠানে সন্মুখীন হ'ব পৰা সাম্ভাব্য বিভিন্ন সমস্যা সমাধানৰ সক্ষমতা প্রদান কৰে। অনিশ্চয়তাৰ সন্মুখীন হ'বলৈ আৰু লাভজনক আশংকা বহন কৰিবলৈ ই উদ্যোগীসকলক আত্মবিশ্বাস দিয়ে। বিভিন্ন ধৰণৰ সহায়-সহযোগিতাবিলাকৰ সৎ ব্যৱহাৰ কৰিবলৈ প্রস্তুত হোৱাত ই তেওঁলোকক সহায় কৰে। তলত দিয়া পদ্ধতিৰে ইডিপিবিলাক লাভজনক হ'ব পাৰে।

- **অর্থনৈতিক অগ্রগতি ঃ** ইডিপি হৈছে উদ্যোগীকৰণৰ এবিধ আহিলা আৰু উদ্যমিতাৰ মাজেৰে অর্থনৈতিক অগ্রগতিলৈ যোৱাৰ পথ।
- **সন্তুলিত আঞ্চলিক বিকাশ ঃ** স্থানীয় লোকসকলক প্রশিক্ষণ আৰু অন্য সহযোগিতা প্রদান কৰি ইডিপিয়ে বেলেগ বেলেগ আৰু অন্য সহযোগিতা প্রদান কৰি ইডিপিয়ে বেলেগ বেলেগ অঞ্চললৈ অর্থনৈতিক কাম-কাজ প্রসাৰিত হোৱাত সহায় কৰে।
- **দৰিদ্রতা আৰু কর্ম-সংস্থাপনহীনতা নোহোৱা কৰে ঃ** ইডিপিয়ে আত্ম-নিয়োজন আৰু উদ্যোগী সম্পর্কীয় ভৱিষ্যৎ পন্থাৰ বাবে বিভিন্ন সুযোগ প্রদান কৰে।
- **স্থানীয় সম্পদৰ আশাপ্রদ ব্যৱহাৰ ঃ** উদ্যোগীসকলক প্রশিক্ষণ প্রদান কৰি বা শিক্ষিত কৰি একোখন দেশত প্রাকৃতিক, বিত্তীয় আৰু মানৱ সম্পদৰ আশাপ্রদ ব্যৱহা নিশ্চিত কৰিব পাৰি।
- **নতুন গোটৰ সফল আৰম্ভণি ঃ** প্রতিষ্ঠানৰ সফল আৰম্ভণি, পৰিচালনা আৰু অগ্রগতিৰ বাবে প্রয়োজনীয় মনোযোগ, দক্ষতা আৰু পাৰদর্শিতাৰ ইডিপিয়ে বিকাশ ঘটায়।
- **নতুন প্রজন্মৰ উদ্যোগীসকলক শক্তিসম্পন্ন কৰি তোলে ঃ** প্রশিক্ষার্থীসকলৰ মাজত উদ্যমিতাৰ সক্ষমতা আৰু পাৰদর্শিতা বৃদ্ধি কৰি ইডিপিয়ে উদ্যোগীৰ নতুন প্রজন্ম সৃষ্টি কৰে যি আগতে কাহানিও উদ্যোগী নাছিল।



অগ্রগতি নিৰীক্ষণ

৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ উদ্যমিতা বিকাশ কার্যক্রম কি?

.....

.....


৩.৪ উদ্যমিতা বিকাশ কার্যক্রমৰ পাঠ্যক্রম সূচী আৰু পাঠ্যপুথি

উদ্যোগীৰ বাবে বাছনি প্রক্রিয়া সম্পন্ন হোৱাৰ পিছত, নির্বাচিত লোকসকলে তেওঁলোকৰ প্রতিষ্ঠান আৰম্ভ কৰিবলৈ পৰিচালন সম্পর্কীয় আৰু প্রযুক্তিগত দক্ষতা অর্জন কৰিব লাগে। এনে উদ্যমিতা বিকাশ কার্যক্রমত বিভিন্ন পটভূমি আৰু গুণাগুণৰ পৰা অহা লোক থাকে। সেয়ে, এনে কার্যক্রমৰ সময়ত প্রশিক্ষণৰ বাবে এটা একত্রীকৃত সূচীক পেকেজ (package) প্রদান কৰা হয় যাৰ সময় সাধাৰণতে ছয় সপ্তাহৰ হয়। ইয়াত তলত দিয়া ছবিধ বিষয় থাকে ঃ

- **উদ্যমিতাৰ সৈতে সাধাৰণ পৰিচয় ঃ** অংশগ্রহণকাৰীসকলক উদ্যমিতাৰ এটা সাধাৰণ জ্ঞান প্রদান কৰা হয় যেনে — ক্ষুদ্র উদ্যোগসমূহক প্রভাৱিত কৰা কাৰকসমূহ, অর্থনৈতিক উন্নয়নত উদ্যোগীসকলৰ ভূমিকা, উদ্যোগীৰ আচৰণ আৰু ক্ষুদ্র উদ্যোগ প্রতিষ্ঠা কৰিবলৈ থকা সুবিধাৰাজি।

- **প্রাপ্তিৰ প্রতি মনোযোগৰ প্রশিক্ষণ** (Achievement Motivation Training/ATM) ঃ এটিএমৰ উদ্দেশ্য হৈছে আশংকা বহন কৰা, তৎপৰতা আৰু এনেকুৱা অন্য আচৰণগত বা মনস্তাত্বিক কাম-কাজৰ বিকাশ সাধনৰ আৱশ্যকতা সম্পর্কে বুজোৱা। একোটা মনোযোগ বিকাশ কার্যক্রমে অংশগ্রহণকাৰীসকলৰ মাজত আত্ম-সজাগতা আৰু আত্মবিশ্বাস সৃষ্টি কৰে আৰু তেওঁলোকক ইতিবাচকভাৱে আৰু বাস্তৱসন্মতভাৱে চিন্তা কৰিবলৈ সক্ষম কৰি তোলে। প্রাপ্তি মনোযোগ প্রশিক্ষণ অবিহনে একোটা ইডিপিয়ে সাধাৰণ কার্যবাহী বিকাশ কার্যক্রমত পৰিণত হয়। মনোযোগ প্রশিক্ষণ দক্ষতাৰ বাবে কষ্ট কৰা, আশংকাৰ পূর্বানুমান কৰা, উন্নতিৰ বাবে প্রাপ্ত তথ্যবোৰ ব্যৱহাৰ কৰা, কর্মদক্ষতাৰ জ্ঞান আহৰণ কৰাত সহায় কৰে।
- **সহায়কাৰী পদ্ধতি আৰু কর্ম পদক্ষেপ ঃ** অংশগ্রহণকাৰীসকলে স্থানীয় বেংক আৰু অন্য বিত্তীয় প্রতিষ্ঠান, উদ্যোগিক সেৱা নিগম আৰু কেঁচামাল, আহিলা ইত্যাদিৰ যোগানৰ সৈতে জড়িত অন্য প্রতিষ্ঠানবিলাকক নিজৰ বিষয়ে সবিশেষ তথ্য জনাব লাগে। সহায়কাৰী পদ্ধতি (support system)ৰ ওপৰত থকা কার্যক্রমত সিবিলাকৰ আহ্বান জনোৱা, আবেদন কৰা আৰু তেওঁলোকৰ পৰা সহায় আহৰণ কৰাৰ লগতে তেওঁলোকে আগবঢ়োৱা সেৱা আহৰণ কৰাৰ ব্যৱস্থা অন্তর্ভুক্ত হ'ব লাগে। প্রশিক্ষণ প্রতিষ্ঠান আৰু সহায় প্রণালীৰ সংস্থাৰ মাজত এটা সম্পর্ক স্থাপন কৰিবৰ বাবে ইডিপিবিলাকক এই সংস্থাসমূহৰ দ্বাৰা পৃষ্ঠপোষকতা কৰা আৰু বিত্তৰ যোগান ধৰাৰ ব্যৱস্থা প্রতিষ্ঠা কৰিব পাৰি।
- **বজাৰ সমীক্ষা আৰু প্রকল্প ভ্রমণ ঃ** ক্ষুদ্র ব্যৱসায়ত থকা সঁচা জীৱনৰ পৰিস্থিতিৰ সৈতে অংশগ্রহণকাৰীসকলক পৰিচয় কৰাবৰ বাবে প্রকল্প ভ্রমণ (plant visit)ৰো ব্যৱস্থা কৰা হয়। এনে ভ্রমণে অংশগ্রহণকাৰীসকলক একোজন উদ্যোগীৰ আচৰণ, ব্যক্তিত্ব, চিন্তা আৰু আশা-আকাংক্ষা বুজি পোৱাত সহায় কৰে। তদুপৰি অংশগ্রহণকাৰীসকলক তেওঁলোকৰ নিজ নিজ প্রকল্প অনুসৰি বজাৰ সমীক্ষা (market survey) কৰাৰ সুযোগ দিব লাগে। ই অংশগ্রহণকাৰীসকলক উপলব্ধ বজাৰৰ সুযোগবিলাক চিনাক্ত কৰাত সহায় কৰিব আৰু ইয়াৰ পিছতে বজাৰত লেনদেন কৰাৰ পদ্ধতি সন্দর্ভত বৈঠক অনুষ্ঠিত কৰিব লাগে।
- **প্রকল্প প্রস্তুতকৰণ আৰু সুচলতা অধ্যয়ন ঃ** প্রকল্পৰ প্রকৃত প্রস্তুতিৰ বাবে যথার্থ সময় খটুৱা লাগে। এই কামত সক্রিয়তাৰে জড়িত হ'লে তেওঁলোকে প্রয়োজনীয় উপলব্ধি আহৰণ কৰাৰ লগতে নিজৰ ব্যক্তিগত সংকল্পও নিশ্চিত কৰিব পাৰিব। ইডিপিৰ সময়ছোৱাত ব্যৱসায়ৰ সঠিক সুযোগবিলাক চিনাক্ত কৰাত প্রশিক্ষার্থীসকলক সক্ষম কৰি তুলিবলৈ পৰামর্শৰ বৈঠকবিলাক সহায়ক হয়। দলীয় বিশেষজ্ঞ আৰু চৰজমিন সমীক্ষাৰ জৰিয়তে বিভিন্ন ব্যৱসায়িক সুযোগৰ ওপৰত তথ্য আৰু পৰামর্শ প্রদান কৰা হয়। বজাৰ সমীক্ষা, প্রকল্প প্রস্তুতকৰণ, বিত্তৰ উৎস ইত্যাদি সন্দর্ভত প্রয়োজনীয় অভিজ্ঞতা অর্জনৰ সুযোগ দিয়া হয়। যিকোনো পৰিসৰত অনাকাংক্ষিত বিষয়ৰ ওপৰত আলোকপাত কৰিব

নালাগে, এনে কৰিলে কার্যক্রমৰ প্রক্রিয়া আৰু সূচী দুয়োটাতে বিৰূপ প্রভাৱ পৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উদ্যমিতা বিকাশ কার্যক্রমত থকা বিষয়বোৰ উল্লেখ কৰক।

.....

.....

৩.৫ উত্তৰ-পূর্বাঞ্চলৰ পৰিপ্রেক্ষিতত উদ্যমিতা বিকাশ কার্যক্রমৰ ভূমিকা

উত্তৰ-পূর্বাঞ্চলৰ উদ্যমিতা বিকাশৰ ধাৰণাটো প্রথমে ১৯৭১ চনত অসমত কার্যকৰী কৰা হৈছিল। প্রয়াত শৰৎ চন্দ্র সিংহৰ মুখ্যমন্ত্রিত্বৰ অধীনত অসম চৰকাৰে 'আধা নিযুত কাম' (Half a Million Job) নামৰ আঁচনি হাতত লয় আৰু এই উদেশ্যে উদ্যোগী সম্পর্কীয় মনোযোগ আকর্ষণ প্রশিক্ষণ কেন্দ্র (Entrepreneurial Motivation Training Centre) নামেৰে এখন আঁচনি প্রৱর্তন কৰে। অসমৰ বিভিন্ন ঠাইত নটা এটিএম স্থাপন কৰা হয়।

১৯৭৩ চনত NEITCO গঠন কৰা হয় আৰু ইয়াৰ এটা কাম আছিল উদ্যমিতা বিকাশৰ ওপৰত প্রশিক্ষণ কার্যক্রম সংগঠিত কৰা। ১৯৭৯ চনত Small Industries Extension Training Institute (SIET), Hyderabad প্রতিষ্ঠা কৰা হয় আৰু ইয়াৰ NER কেন্দ্র গুৱাহাটীত আছিল। ১৯৮৪ চনত ই NISIETত পৰিণত হয় আৰু ১৯৯৪ চনত Indian Institute of Entrepreneurship Development (IIE) স্থাপন কৰা হয়। IIE ৰ প্রাথমিক কাম আছিল উত্তৰ-পূবত ক্ষুদ্র আৰু মজলীয়া উদ্যোগ প্রতিষ্ঠানৰ বিকাশৰ বাবে প্রশিক্ষণ, গৱেষণা আৰু আলোচনাৰ ব্যৱস্থা কৰা।

১৯৮৭ চনত ইম্ফল, মণিপুৰত মুখ্য কার্যালয় স্থাপন কৰি NECON প্রতিষ্ঠা কৰা হয়। ইয়াৰ লগতে SISI, NSIC, NPC, কিছুসংখ্যক এনজিঅ', উদ্যোগ সংস্থা, মঞ্চ ইত্যাদিৰ জৰিয়তে অঞ্চলটোত কাম-কাজ চলোৱা হয় আৰু এই প্রতিষ্ঠানবিলাকৰ এটা কাম আছিল প্রশিক্ষণ, গৱেষণা আৰু আলোচনাৰ জৰিয়তে উদ্যমিতাৰ বিকাশ সাধন কৰা। একেদৰে কিছুমান ৰাজ্যিক স্তৰৰ প্রতিষ্ঠান আৰু উন্নয়ন সংস্থাৰ লগতে বিভিন্ন বিভাগ যেনে — উদ্যোগ আৰু বাণিজ্য সঞ্চালকালয়, এছআইআৰডি, এএছআইডিচি, ডিআৰডিএ আৰু অন্যান্য সংগঠন/প্রতিষ্ঠান স্থাপন কৰাৰ লগতে উত্তৰ-পূর্বাঞ্চলত ত্রিপুৰা ইণ্ডাষ্ট্রিয়েল ডেভেলপমেণ্ট কর্পোৰেচন (এমআইডিচি), MANIDCO (মণিপুৰ), APSFDC (অৰুণাচল প্রদেশ), ZIDCO (মিজোৰাম), NIDC (নাগালেণ্ড), SIDC (চিকিম) ইত্যাদি গঠন কৰা হয় আৰু এইবিলাকৰ জৰিয়তে উদ্যমিতা বিকাশৰ বিভিন্ন কার্যক্রম যেনে — সাধাৰণ ইডিপি, খণ্ড নির্দ্ধাৰিত ইডিপি,

অঞ্চল নির্দ্ধাৰিত ইডিপি, গ্রাম্য ইডিপি, নগৰীয়া ইডিপি ইত্যাদি হাতত লোৱা হয়। উদাহৰণস্বৰূপে, আইআইই, গুৱাহাটীয়ে 'নতুন উদ্যোগীৰ উদগণি' শাখাৰ অধীনত কার্যকৰী কৰা উদ্যমিতা বিকাশ কার্যক্রমৰ প্রকাৰ তলত দিয়া তালিকাখনত চাব পাৰি ঃ

ক্রঃ নং	কার্যক্রমৰ প্রকাৰ	কার্যক্রমৰ সংখ্যা	অংশগ্রহণকাৰীৰ সংখ্য
১	সাধাৰণ ইডিপি	৩১	১৩৫৯
২	মহিলা ইডিপি	০৩	৭১
৩	খণ্ড নির্দ্ধাৰিত ইডিপি	২১	১৩৩৫
৪	পিএমআৰৱাই	৩১	১৩৫৯
	হিতাধিকাৰীৰ বাবে ইডিপি	০৬	৩৩৭
	মুঠ	৬১	৩১০২

লগতে উত্তৰ-পূর্বাঞ্চলত উদ্যমিতা বিকাশৰ বাবে আইআইইয়ে আন কেতবোৰ প্রাসংগিক কার্যক্রমো সম্পন্ন কৰিছিল, য'ত আছিল নতুন উদ্যোগীৰ সৃষ্টি, থকা উদ্যোগীসকলৰ অগ্রগতি, উদ্যমিতাৰ বাবে প্রয়োজনীয় পৰিৱেশ সৃষ্টি কৰা, তথ্য-প্রযুক্তি, আলোচনা-চক্র আৰু কর্মশালা ইত্যাদি।

আইআইইৰ দৰে ওপৰত উল্লেখ কৰা সংস্থা আৰু প্রতিষ্ঠানবিলাকৰ লগতে উত্তৰ-পূর্বাঞ্চলত থকা বিভিন্ন বিভাগ আৰু সংগঠনসমূহেও তেওঁলোকৰ নিজা নিজা ক্ষেত্রতসমূহত উদ্যমিতা আৰু উদ্যোগ প্রতিষ্ঠানৰ বিকাশৰ বাবে কাম কৰি আছে।

এই সংস্থাসমূহে পালন কৰা ভূমিকাৰ উপৰি দেখা গৈছে যে ঃ

- উত্তৰ-পূর্বাঞ্চলত মাত্র ২% ক্ষুদ্র উদ্যোগ আৰু ২.৫% মজলীয়া আৰু বৃহৎ উদ্যোগ প্রতিষ্ঠা হৈছে।
- ২০০৮ৰ মার্চত উত্তৰ-পূর্বাঞ্চলত প্রায় ৪৩ লাখ শিক্ষিত যুৱক নিবনুৱা হৈ আছিল। ইয়াৰে অধিকাংশ যুৱক-যুৱতী অসমৰ (প্রায় ২২-৫০) লাখ আৰু চিকিমত সবাতোকৈ কম।
- অঞ্চলটোৰ বিভিন্ন স্থানত প্রশিক্ষিত উদ্যোগীৰ প্রায় ২০ৰ পৰা ২৫%ই বিভিন্ন গোট/ব্যৱসায়ৰ কাম-কাজ প্রতিষ্ঠা কৰিছে।
- সর্বভাৰতীয় স্তৰতকৈ উত্তৰ-পূর্বাঞ্চলত অধিকাংশ সামগ্রীৰ উৎপাদনৰ ব্যয় ৩০% অধিক।

এই অঞ্চলত উদ্যমিতা বিকাশৰ নিম্ন কার্যকাৰিতাৰ প্রধান কাৰকবিলাক হৈছে ঃ

- উদ্যোগ সম্পর্কীয় পৰম্পৰাৰ অভাৱ।
- বিভিন্ন সুযোগ-সুবিধাৰ বিষয়ে সজাগতা/তথ্যৰ অভাৱ।
- সঠিক মনোযোগ আৰু সমর্থনৰ অভাৱ।
- সমাজত কেতিয়াবা উদ্যোগীসকলক কম মান্যতা থকা বুলি গণ্য কৰা হয়।

- উদ্যোগীসকলে অধিক ধন খটুৱাবলগীয়া হয় আৰু অধিক আশংকা বহন কৰিবলগীয়া হয়।
- উপযুক্ত বিত্তীয় বিপণন, আৰডিৰ সহায়ৰ অভাৱ ইত্যাদি।

অঞ্চলটোত উদ্যমিতা বিকাশৰ যথেষ্ট সম্ভাৱনা আছে। অঞ্চলটোত প্রয়োজনীয় সম্পদ, দক্ষতা আৰু প্রতিভা পর্যাপ্ত। কিন্তু সংশ্লিষ্ট বিভাগ, সংস্থা আৰু প্রতিষ্ঠানৰ পৰা সঠিক পৰামর্শ, মনোনিৱেশ, সহায় আৰু সহযোগিতাৰ দৰকাৰ।



অনুশীলন ১

পাঁচটা সম্ভাৱনাপূর্ণ ব্যৱসায়িক ধাৰণা চিনাক্ত কৰক, যাৰ জৰিয়তে উদ্যমিতা বিকাশ কার্যক্রম সম্পন্ন কৰিব পাৰি।

৩.৬ ভাৰতত উদ্যমিতা বিকাশ কার্যক্রম আগবঢ়োৱা প্রতিষ্ঠান

- National Institute for Entrepreneurship and Small Business Development (NIESBUD)

ভাৰত চৰকাৰৰ উদ্যোগ মন্ত্রালয়ে ১৯৮৩ চনত NIESBUD প্রতিষ্ঠা কৰে। ইয়াৰ প্রধান কার্যাৱলী আৰু উদ্দেশ্যৰাজি হৈছে ঃ

- ➢ উদ্যমিতা বিকাশৰ প্রক্রিয়া ত্বৰান্বিত কৰিবৰ বাবে এটা শীর্ষ ৰাষ্ট্রীয় স্তৰৰ সমল প্রতিষ্ঠান হিচাপে কাম কৰা।
- ➢ প্রশিক্ষণ আৰু অন্য উদ্যমিতা বিকাশৰ কাম-কাজ সম্পাদন কৰাত সহায় কৰা আৰু বিভিন্ন সংস্থা গঢ়ি তোলা।
- ➢ প্রশিক্ষক, উদগণি দিওঁতা আৰু উদ্যোগীক শেহতীয়া তথ্যৰ যোগান ধৰা।
- ➢ ফলপ্রসূ প্রশিক্ষণ কৌশল ৰচনা কৰা।
- ➢ কাম-কাজ চলাবলৈ সাম্ভাব্য উদ্যোগী চিনাক্ত কৰা, প্রশিক্ষণ দিয়া আৰু সহায় কৰা।

এই প্রতিষ্ঠানে এটা শীর্ষ সংস্থা হিচাপে কাম কৰে। ই বছৰি কমেও ২৯টা ৰাষ্ট্রীয় আৰু ৬টা আন্তঃৰাষ্ট্রীয় প্রশিক্ষণ কার্যক্রম সম্পন্ন কৰে।


ভাৰতৰ উদ্যমিতা বিকাশ প্রতিষ্ঠান (ইডিআইআই)

বিত্তীয় প্রতিষ্ঠানবিলাকৰ দ্বাৰা ইয়াক ১৯৮৩ চনত স্থাপন কৰা হয়। পিছপৰা অঞ্চলবিলাকৰ অংশগ্রহণক উৎসাহিত কৰিবৰ বাবে ই গৱেষণা, প্রশিক্ষণ আৰু প্রতিষ্ঠান নির্মাণৰ কাম-কাজ সম্পন্ন কৰে। ইডিআইআইৰ প্রধান উদ্দেশ্যবিলাক হৈছে ঃ

- ➢ প্রশিক্ষণৰ জৰিয়তে প্রশিক্ষিত উদ্যোগীৰ যোগান বৃদ্ধি কৰা।
- ➢ আত্ম-সংস্থাপনৰ বাবে সুযোগ সৃষ্টি কৰা।
- ➢ ক্ষুদ্র উদ্যোগৰ পৰিচালন সম্পর্কীয় সক্ষমতা বৃদ্ধি কৰা।

- ➢ গাঁও স্তৰত ক্ষুদ্ৰ প্ৰতিষ্ঠানক উদগণি যোগোৱা।
- ➢ ব্যৱসায়ৰ মালিকীস্বত্ব অব্যাহত ৰখাত অৰিহণা যোগোৱা।
- ➢ ইডিপিবিলাকৰ সেৱা প্ৰদান কৰা আন কিছুমান সংস্থা হৈছে ঃ

- Small Industries Development Organisation (SIDO)
- Indian Investment Centre (IIC)
- National Institute for Small Industry Extension and Training (NISIET), Hyderabad
- Small Industry Development Bank Of India
- Small Industry Development Bank of India (SIDBI)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ভাৰতত উদ্যমিতা বিকাশ কার্যক্রম চলাই থকা তিনিটা প্রতিষ্ঠানৰ নাম উল্লেখ কৰক।

.....

.....



অনুশীলন ২

উদ্যমিতা বিকাশত ইডিপিবিলাকক কেনেকৈ অধিক ফলপ্রসূ কৰি তুলিব পাৰি? আপোনাৰ মন্তব্য প্রদান কৰক।



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- উদ্যমিতা বিকাশ কার্যক্রম মানে হৈছে এটা কার্যক্রম, যি একোজন লোকক তেওঁৰ উদ্যমিতা সম্পর্কীয় ভাৱধাৰা শক্তিশালী কৰা আৰু দক্ষতা অর্জনৰ লগতে একোটা প্রতিষ্ঠান উন্নত কৰা আৰু দক্ষতাৰে চলাই নিবলৈ প্রয়োজন হোৱা সক্ষমতাবিলাক আহৰণ কৰাত সহায় কৰে।
- প্রশিক্ষার্থীসকলৰ মাজত উদ্যমিতাৰ সক্ষমতা আৰু পাৰদর্শিতা বৃদ্ধি কৰি ইডিপিয়ে উদ্যোগীৰ নতুন প্রজন্ম সৃষ্টি কৰে যি আগতে কাহানিও উদ্যোগী নাছিল।
- ইডিপিৰ পাঠ্যসূচীত সাধাৰণতে ছটা বিষয় থাকে, সেইবিলাক হৈছে— উদ্যমিতাৰ সৈতে সাধাৰণ পৰিচয়, প্রাপ্তিৰ প্রতি মনোযোগৰ প্রশিক্ষণ, সহায়কাৰী পদ্ধতি আৰু কর্ম পদক্ষেপ,

বজাৰ সমীক্ষা আৰু প্ৰকল্প ভ্ৰমণ, পৰিচালনাৰ দক্ষতা আৰু প্ৰকল্প প্ৰস্তুতকৰণ তথা সুচলতা অধ্যয়ন।

- উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যমিতা বিকাশৰ ধাৰণাটো প্ৰথমে ১৯৭১ চনত অসমত কাৰ্যকৰী কৰা হৈছিল।
- SISI, NSIC, NPC, কিছুসংখ্যক এনজিঅ', উদ্যোগ সংস্থা, মঞ্চ ইত্যাদিৰ জৰিয়তে অঞ্চলটোত কাম-কাজ চলোৱা হয় আৰু এই প্ৰতিষ্ঠানবিলাকৰ এটা কাম আছিল প্ৰশিক্ষণ, গৱেষণা আৰু আলোচনাৰ জৰিয়তে উদ্যমিতাৰ বিকাশ সাধন কৰা।
- ভাৰতত, প্ৰথম প্ৰজন্মৰ উদ্যোগীসকলৰ বাবে ইডিপিবিলাক সংগঠিত কৰাৰ ক্ষেত্ৰত বিভিন্ন ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সংস্থাই কাম কৰি আছে।



৩.৮ অধিক জানিবলৈ

1. Pathak R.K., Kalwar M.C., Business Organisation And Entrepreneurship Development.
2. Gordon E., Natarajan K., Entrepreneurship Development.

৩.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ উদ্যমিতা বিকাশ কাৰ্যক্ৰম মানে হৈছে এটা কাৰ্যক্ৰম, যি একোজন লোকক তেওঁৰ উদ্যমিতা সম্পৰ্কীয় ভাৱধাৰা শক্তিশালী কৰা আৰু দক্ষতা অৰ্জনৰ লগতে একোটা প্ৰতিষ্ঠান উন্নত কৰা আৰু দক্ষতাৰে চলাই নিবলৈ প্ৰয়োজন হোৱা সক্ষমতাবিলাক আহৰণ কৰাত সহায় কৰে। এটা কাৰ্যক্ৰম যাক সম্পন্ন কৰাৰ উদ্দেশ্য ছৈ সম্ভাৱনাপূৰ্ণ উদ্যোগীসকলক আগবঢ়াই নিয়া, তেওঁলোকক উদ্যমিতাৰ ভাবধাৰা বুজাত সহায় কৰা, মনোযোগ আকৰ্ষণৰ ধৰণ, আচৰণ আৰু উদ্যমিতাৰ প্ৰমূল্যত সিবিলাকৰ প্ৰভাৱ সম্পৰ্কে বুজাত সহায় কৰা — সেই কাৰ্যক্ৰমকে উদ্যমিতা বিকাশ কাৰ্যক্ৰম আখ্যা দিয়া হৈছে।

২নং প্ৰশ্নৰ উত্তৰ ঃ

১) উদ্যমিতাৰ সৈতে সাধাৰণ পৰিচয়
২) প্ৰাপ্তিৰ প্ৰতি মনোযোগৰ প্ৰশিক্ষণ (Achievement Motivation Training/ATM)
৩) সহায়কাৰী পদ্ধতি আৰু কৰ্ম পদক্ষেপ
৪) বজাৰ সমীক্ষা আৰু প্ৰকল্প ভ্ৰমণ
৫) প্ৰকল্প প্ৰস্তুতকৰণ আৰু সুচলতা অধ্যয়ন

৩নং প্রশ্নৰ উত্তৰ ঃ

১) National Institute for Entrepreneurship and Small Business Development (NIESBUD)

২) Indian Investment Centre (IIC)

৩) National Institute for Small Industry Extension and Training (NISIET), Hyderabad.



৩.১০ আৰ্হি প্ৰশ্ন

প্রশ্ন ১ ঃ উদ্যমিতা বিকাশ কার্যক্রমৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ভাৰতত উদ্যমিতা বিকাশ কার্যক্রম চলাই থকা বিভিন্ন প্রতিষ্ঠানৰ নাম উল্লেখ কৰক।

প্রশ্ন ৩ ঃ উদ্যমিতা বিকাশ কার্যক্রমৰ পাঠ্যসূচী কি হোৱা দৰকাৰ?

প্রশ্ন ৪ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিপ্রেক্ষিতত উদ্যমিতা বিকাশ কার্যক্রমৰ ভূমিকাৰ ওপৰত চমুটোকা লিখক।

*** ***** ***

অধ্যায় ৪ ঃ উদ্যোগী

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ উদ্যোগীৰ অর্থ
৪.৪ উদ্যোগীৰ বৈশিষ্ট্য
৪.৫ উদ্যোগীৰ গুণাৱলী
৪.৬ অর্থনৈতিক অগ্রগতিৰ বাবে উদ্যোগীৰ কাম-কাজ
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- একোজন উদ্যোগীৰ অর্থ ব্যাখ্যা কৰিব পাৰিব।
- একোজন উদ্যোগীৰ বৈশিষ্ট্যৰাজিৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- অর্থনৈতিক অগ্রগতিৰ ক্ষেত্রত উদ্যোগীৰ ভূমিকা সম্পর্কে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

দৰাচলতে, উদ্যোগীসকল (entrepreneurs) হৈছে তেওঁলোকৰ নতুন দৃষ্টিভংগী, গতিশীল নেতৃত্ব আৰু সৃষ্টিশীল সিদ্ধান্তৰ দ্বাৰা একোখন দেশৰ নির্মাতা আৰু মানৱতাৰ স্রষ্টা। উদ্যোগীসকল হৈছে অর্থনৈতিক কাম-কাজৰ কেন্দ্রীয় কর্তা আৰু উন্নয়নৰ মনোযোগ আকর্ষণকাৰী।

এই অধ্যায়ত, আমি উদ্যোগীৰ অর্থৰ বিষয়ে আলোচনা কৰিম। তাৰ পিছত উদ্যোগীৰ বৈশিষ্ট্য আৰু কার্যাৱলীৰ বিষয়ে আলোচনা কৰা হ'ব।

৪.৩ উদ্যোগীৰ অর্থ

'উদ্যোগী' (entrepreneur) শব্দটোৰ জৰিয়তে সেইজন লোকক বুজোৱা হয়, যি তেওঁৰ নিজৰ বাতাবৰণত থকা একোটা নতুন পৰিস্থিতি বিচাৰি উলিয়ায় আৰু মূল্যায়ন কৰাৰ লগতে তেওঁ আৱশ্যকীয় বুলি ভবা মতে অর্থনৈতিক ব্যৱস্থাৱলীৰ সৈতে খাপ খুৱাই লোৱাৰ

কাম-কাজবিলাকৰ নির্দেশনা দিয়ে। সেই উদ্দেশ্যে তেওঁ এটা উদ্যোগ প্রতিষ্ঠান (enterprise)ৰ ধাৰণা সৃষ্টি কৰে আৰু নিজৰ প্রকল্পৰ বাস্তৱ ৰূপ দিবৰ বাবে যাৱতীয় তৎপৰতা আৰু নির্দ্ধাৰণৰ দিহা কৰে, আৰু এই প্রক্রিয়াত তলত দিয়াবিলাকৰ এটা বা একাধিক সম্পন্ন কৰে ঃ

- লাভজনক বিনিয়োগৰ বাবে সুযোগৰ সৎব্যৱহাৰ কৰে।
- একোটা প্রতিষ্ঠান আৰম্ভ কৰাৰ সম্ভাৱনীয়তাবিলাক উদ্ভাৱন কৰে।
- প্রয়োজনীয় ঔদ্যোগিক অনুজ্ঞাপত্রবিলাক আহৰণ কৰে।
- প্রাৰম্ভিক মূলধন যোগাৰ কৰে।
- বিত্তীয় প্রতিষ্ঠানবিলাকক ব্যক্তিগত নিশ্চয়তা প্রদান কৰে।
- মূলধনৰ নাটনি পূৰণ কৰাৰ বাবে প্রতিশ্রুতি দিয়ে।
- কাৰিকৰী জ্ঞানৰ যোগান ধৰে।

সেয়ে একোজন উদ্যোগী হৈছে এনে এজন লোক যি চাহিদা সৃষ্টি কৰিবলৈ, সম্পদ আৰু নিয়োগ বৃদ্ধি কৰিবলৈ পর্যাপ্ত সুবিধাবিলাকৰ সৎ ব্যৱহাৰৰ বাবে আশংকা বহন কৰে আৰু উৎপাদনৰ বিভিন্ন কাৰকক সন্মিলিত কৰে।

৪.৪ উদ্যোগীৰ বৈশিষ্ট্য

একোজন উদ্যোগী হৈছে অত্যন্ত প্রাপ্তি প্রত্যাশী, কর্ম-তৎপৰ আৰু সক্রিয় লোক যাৰ বৈশিষ্ট্যবিলাক তলত দিয়াৰ দৰে ঃ


- **মানসিক সামর্থ্য ঃ** একোজন উদ্যোগী যথার্থভাৱে বুদ্ধিমান আৰু সৃজনশীল ভাৱনা থকা লোক হ'বই লাগিব। তেওঁৰ বজাৰত সম্পন্ন হ'ব পৰা সম্ভাব্য পৰিৱর্তনবিলাকৰ লগতে উপভোক্তাৰ ধাৰণা, কাৰিকৰী বিকাশ, চৰকাৰী নীতি ইত্যাদি লক্ষ্য কৰাৰ সামর্থ্য থাকিব লাগিব আৰু সেই অনুসৰি সময়সাপেক্ষ কার্যব্যৱস্থা গ্রহণ কৰিব লাগিব।
- **স্পষ্ট উদ্দেশ্য ঃ** যিকোনো কাম আৰম্ভ কৰাৰ পূর্বে, উদ্যোগীসকলে হাতত ল'বলগীয়া তেওঁৰ সকলো কাম-কাজৰ স্পষ্ট উদ্দেশ্য স্থিৰ কৰিব লাগিব। স্পষ্ট উদ্দেশ্য অবিহনে তেওঁ প্রতিষ্ঠানৰ লক্ষ্য স্থিৰ কৰিব নোৱাৰিব।
- **গোপনীয়তা ঃ** একোজন উদ্যোগীয়ে ব্যৱসায়ৰ গোপনীয়তা বজাই ৰাখিব পাৰিবই লাগিব। ব্যৱসায়ৰ গোপনীয়তা ফাদিল হ'লে প্রতিযোগীয়ে সুযোগ পাব আৰু তেওঁৰ বাবে সমস্যাৰ সৃষ্টি কৰিব।
- **মানৱীয় সম্পর্কৰ পদক্ষেপ ঃ** প্রয়োজনীয় সহযোগিতা লাভ কৰিবলৈ আৰু সর্বদিশৰ উন্নয়নৰ বাবে সমন্বয় সাধন কৰিবলৈ, তেওঁ সংশ্লিষ্ট সকলো লোকৰ সৈতে সু-সম্পর্ক বর্তাই ৰাখিব লাগিব।
- **যোগাযোগৰ সামর্থ্য ঃ** গ্রাহক, কর্মচাৰী, যোগনিয়াৰ আৰু ঋণদাতাৰ সৈতে ফলপ্রসূভাৱে যোগাযোগ ৰাখিব পৰা একোজন উদ্যোগীয়ে এনে সক্ষমতা নথকা উদ্যোগীতকৈ অধিক সফল হ'ব পাৰে।

- **কাৰিকৰী জ্ঞান ঃ** নিজৰ ক্ষেত্ৰখনত তেওঁৰ যথোপযুক্ত স্তৰৰ কাৰিকৰী জ্ঞান থকা দৰকাৰ।
- **কঠোৰ পৰিশ্ৰম ঃ** একোজন উদ্যোগীয়ে একেবাৰে আৰম্ভণিৰে পৰা কঠোৰ পৰিশ্ৰম কৰে আৰু ই তেওঁৰ জীৱনৰ অভ্যাসত পৰিণত হয়। তেওঁ নিজৰ কঠোৰ সাধনা আৰু পৰিশ্ৰমৰ বলত আনকি বিফলতাৰ স্তৰৰ পৰাও নিজৰ ব্যৱসায়ক সফলতাৰ দিশত লৈ যাব পাৰে।
- **নতুনত্ব ঃ** তেওঁ নতুন নতুন ধাৰণাত বিশ্বাসী। অনাগত ভৱিষ্যতে হ'ব পৰা পৰিৱৰ্তনবিলাকৰ কথা মনত ৰাখি তেওঁ নতুন নতুন কাম আৰম্ভ কৰে।

৪.৫ উদ্যোগীৰ গুণাৱলী

এজন সফল উদ্যোগীৰ গুণাৱলীৰ বিষয়ে তলত আলোচনা কৰা হ'ল ঃ

- **উচ্চাভিলাসী ঃ** উদ্যোগীসকল অত্যন্ত প্ৰতিযোগী আৰু প্ৰাপ্তিৰ বাবে তেওঁলোকৰ এটা উচ্চস্তৰীয় প্ৰয়োজনীয়তা থাকে।
- **স্বাধীন ঃ** উদ্যোগীসকল স্ব-সূচনাকাৰী আৰু অনুসৰণ কৰাতকৈ নেতৃত্ব দিয়াক অগ্ৰাধিকাৰ দিয়ে।
- **আত্মবিশ্বাসী ঃ** একোটা ব্যৱসায় আৰম্ভ কৰোতে থকা আশংকাবিলাক, অনিশ্চয়তাবিলাক আৰু প্ৰত্যাহ্বানবিলাক উদ্যোগীয়ে হিচাব-নিকাচ কৰে আৰু সমস্যা সমাধানৰ বাবে গভীৰ আত্মবিশ্বাসেৰে কাম কৰে।
- **আশংকা বহনকাৰী ঃ** উদ্যোগীসকল আশংকা বহনকাৰী। আশংকা নিহিত থাকিলেও তেওঁলোকে ব্যৱসায়ৰ সুযোগবিলাক বিচাৰি উলিয়ায়। আশংকাজনিত কামৰ পৰিণতিক তেওঁলোকে নিয়ন্ত্ৰণ কৰিব বিচাৰে।
- **দৃষ্টিভংগীযুক্ত ঃ** ধাৰা বা প্ৰৱণতাবিলাক নিৰ্ণয় কৰি সিবিলাকৰ ওপৰত কাম কৰিবলৈ থকা সামৰ্থ্যৰ বাবে উদ্যোগীসকল আনতকৈ পৃথক।
- **সৃষ্টিশীল ঃ** উদ্যোগীসকল সৃষ্টিশীল। তেওঁলোকে সামগ্ৰীৰ নতুন নতুন আৰ্হি, বিপণন কৌশল আৰু সমস্যা সমাধানৰ নতুন কৌশল প্ৰস্তুত কৰে।
- **কৰ্ম-তৎপৰ ঃ** একোটা ব্যৱসায় আৰম্ভ কৰিবলৈ আৰু কাম-কাজ চলাই নিবলৈ অধিক শক্তিৰ প্ৰয়োজন হয়। উদ্যোগীসকলে নিজৰ সময় আৰু সম্পূৰ্ণ শক্তি প্ৰয়োগ কৰিবলৈ নিজকে প্ৰস্তুত ৰাখে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১। উদ্যোগীৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন ২। উদ্যোগীয়ে তেওঁৰ প্রকল্প বাস্তৱ কৰি তুলিবলৈ সম্পন্ন কৰা তিনিটা কাম উল্লেখ কৰক।

.....

.....

.....

৪.৬ অর্থনৈতিক অগ্রগতিৰ বাবে উদ্যোগীৰ কাম-কাজ

প্রতিখন দেশেই নিজৰ অর্থনৈতিক উন্নয়নৰ বাবে অত্যন্ত আগ্রহী। অর্থনৈতিক অগ্রগতিৰ বাবে উদ্যোগীসকলে বিভিন্ন গুৰুত্বপূর্ণ কাম সম্পন্ন কৰে। এখন দেশৰ অর্থনৈতিক অগ্রগতিৰ বাবে উদ্যোগীসকলে সম্পন্ন কৰা কাম-কাজবিলাকক তলত দিয়া শিৰোনামাৰে অধ্যয়ন কৰিব পাৰি ঃ

- **সমন্বয় সাধন কৰা কার্য ঃ**

  একোজন উদ্যোগীৰ প্রয়োজনীয় কাম হৈছে উৎপাদনৰ বিভিন্ন কাৰকৰ মাজত সমন্বয় সাধন কৰা। সমন্বয় সাধনত সঠিক প্রকাৰৰ কাৰকৰ বাছনি, প্রতিটো কাৰককে সঠিক পৰিমাণত নিযুক্ত কৰা, সর্বোত্তম প্রযুক্তিৰ ব্যৱহাৰ, শ্রমৰ বিভাজন ইত্যাদি জড়িত থাকে। উৎপাদন প্রক্রিয়াৰ বাবে কাৰকবিলাকৰ সর্বোত্তম সংমিশ্রণৰ প্রতিও তেওঁ লক্ষ্য ৰাখিব লাগে। স্কামপীটাৰে (Schumpeter) অনুভৱ কৰে যে যদিহে উৎপাদনৰ কাৰকবিলাকৰ নতুন সংমিশ্রণ সাধন কৰা হয়, তেতিয়াহে অর্থনৈতিক বিকাশে এটা বাস্তৱ ৰূপ পায়। এই সমন্বয় সাধনৰ ভূমিকা নাথাকিলে উৎপাদনৰ কাৰকবিলাক দেশত কাম নোহোৱা হৈ থাকে।

- **প্রতিনিধিৰ কার্য ঃ**

  উদ্যোগীসকলক 'পৰিৱর্তনৰ প্রতিনিধি' (Agents of Changes) বোলা হয়। উদ্যোগীসকলে সুযোগৰ সন্ধান কৰি আৰু সিবিলাকক কার্যত পৰিণত কৰি অর্থনৈতিক অগ্রগতিৰ প্রতিনিধি হিচাপে কাম কৰে।

- **নতুনত্বৰ কাম-কাজ ঃ**

  উদ্যমিতাৰ এটা প্রধান কাম হৈছে নতুনত্ব (innovation) সৃষ্টি কৰা। একোটা আৱিস্কাৰৰ বাণিজ্যিক প্রয়োগ নতুনত্বই সম্পন্ন কৰে। নতুনত্বযুক্ত উদ্যমিতাই দেশৰ উৎপাদনমূলক কাম-কাজ সলাই দিব পাৰে আৰু খৰতকীয়া উন্নয়ন সাধন কৰিব পাৰে।

- **আশংকাৰ ধাৰণা ঃ**

  একোজন উদ্যোগীৰ সবাতোকৈ গুৰুত্বপূর্ণ কামটো হৈছে আশংকাৰ ধাৰণা কৰাটো। আশংকা বহন কৰাৰ বিনিময়ত লাভ কৰা অর্থনৈতিক পুৰস্কাৰেই হৈছে মুনাফা। উৎপাদনমূলক কাম-কাজত থকা আশংকাৰ ধাৰণাবিলাক চিনাক্ত কৰি সেই মতে পদক্ষেপ গ্রহণ কৰি উদ্যোগীসকলে অর্থনৈতিক বিকাশ আগবঢ়াই নিয়ে।

- **মূলধন গঠনৰ কাম-কাজ ঃ**

  জনসাধাৰণৰ এনেয়ে পৰি থকা সঞ্চয়বিলাকক কামত খটুৱাই উদ্যোগীয়ে মূলধন গঠন প্ৰক্ৰিয়া আগবঢ়াই নিয়ে। আকৌ, এইবিলাকে অৰ্জন কৰা মুনাফাই সম্পদৰ সঞ্চয়ক কাৰ্যকৰী কৰি তোলে, যি অৱশেষত গৈ মূলধন গঠনত সহায় কৰে। মূলধন গঠন নকৰাকৈ অৰ্থনৈতিক বিকাশ স্থবিৰ হৈ পৰিব।

- **নিয়োগ সৃষ্টিৰ কাম-কাজ ঃ**

  অধিক প্ৰাপ্তিৰ প্ৰতি আকৰ্ষণ কৰি উদ্যোগীয়ে ব্যৱসায় আৰু ঔদ্যোগিক কাম-কাজ কৰিবলৈ আগবাঢ়ি আহে, যাৰ ফলত তাৎক্ষণিকভাৱে বৃহৎ পৰিমাণৰ নিয়োগ সম্ভৱ হৈ উঠে।


- **ৰপ্তানিমূলক কাম-কাজ আগবঢ়াই নিয়ে ঃ**

  উদ্যোগীসকলে একোখন দেশৰ ৰপ্তানিমূলক বাণিজ্যও আগবঢ়াই নিয়ে যিটো অৰ্থনৈতিক বিকাশৰ এটা গুৰুত্বপূৰ্ণ উপাদান।

- **অনুকৰণমূলক কাম-কাজ ঃ**

  উন্নয়নশীল দেশসমূহত উদ্যোগীসকলে 'অনুকৰণকাৰী' (imitators)ৰ ভূমিকা পালন কৰে, যি সাধাৰণতে উন্নত দেশসমূহত 'নতুনত্ব সৃষ্টিকাৰী' (innovative)উদ্যোগীসকলে প্ৰৱৰ্তন কৰা নতুনত্ববিলাক অনুকৰণ কৰে। অনুন্নত দেশবিলাকৰ উদ্যোগ সম্পৰ্কীয় অসুস্থতাবোৰ নোহোৱা কৰিবলৈ অনুকৰণমূলক উদ্যমিতা সৰ্বোত্তম ঔষধ হিচাপে পৰিগণিত হৈছে আৰু ইয়াৰ দ্বাৰা পৰিপূৰক বিকাশ সাধন কৰিব পৰা যায়।

  এনেদৰে, উদ্যোগীসকলে অৰ্থনৈতিক প্ৰণালীক সৰ্বোত্তম গতিত চলাই থাকিবৰ বাবে সদায় প্ৰচেষ্টা কৰি থাকে। তেওঁলোকে নিজৰ উদ্যমিতাৰ কাম-কাজৰ জৰিয়তে অগ্ৰগতি বজাই ৰাখে আৰু অৰ্থনৈতিক অগ্ৰগতিৰ প্ৰধান বাহক হিচাপে কাম কৰে। নিজৰ অনুন্নত অৰ্থনীতিক উন্নত অৰ্থনীতিলৈ ৰূপান্তৰ কৰাৰ ক্ষমতা তেওঁলোকৰ থাকে।



অগ্ৰগতি নিৰীক্ষণ

৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক

প্ৰশ্ন নং ৩ ঃ এখন দেশৰ অৰ্থনৈতিক বিকাশৰ বাবে উদ্যোগীয়ে সম্পন্ন কৰা কাম-কাজৰ ব্যাখ্যা কৰক।

.....

.....

.....

.....



অনুশীলন ১

এজন উদ্যোগী হিচাপে আপুনি কেনে ধৰণৰ প্ৰতিষ্ঠান আৰম্ভ কৰিব বিচাৰিব আৰু কিয়?



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- উদ্যোগী (entrepreneur) বা উদ্যমিতা (entrepreneurship)ৰ এটা বিবাদহীন সংজ্ঞা আমি পোৱা নাই। অৱশ্যে, আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে উদ্যোগী হৈছে সেইজন লোক যি চহিদা পূৰণ কৰিবলৈ সম্পদ আৰু নিয়োগ সৃষ্টি কৰিবলৈ সম্ভাব্য সকলো সুযোগ চিনাক্ত কৰি উৎপাদনৰ আশংকা বহন কৰে আৰু বিভিন্ন কাৰকবিলাক একত্ৰিত কৰে।
- এজন উদ্যোগীৰ বিভিন্ন বৈশিষ্ট্যবিলাকক চাৰিটা ভাগত ভগাব পাৰি ঃ সেইবিলাক হৈছে — নেতৃত্ব, আশংকা বহন, সিদ্ধান্ত গ্ৰহণ আৰু ব্যৱসায়ৰ পৰিকল্পনা।
- নিয়োগ সৃষ্টি, উৎপাদন বৃদ্ধি কৰা, সাধাৰণ লোকৰ জীৱন নিৰ্বাহৰ মান উন্নত কৰি, উৎপাদনৰ কাৰকবিলাকৰ সৰ্বাধিক আশাপ্ৰদ প্ৰয়োগ কৰি উদ্যোগীয়ে অৰ্থনৈতিক বিকাশ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।



৪.৮ অধিক জানিবলৈ

1. Sudha S.G, Fundamentals of Entrepreneurship
2. Gordon E. & Natarajan K., Entrepreneurship Development
3. Pathak R.K., Kalwar M.C., Business Organisation and Entrepreneurship Development

৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১। নতুনত্বমূলক

২। কঠোৰ পৰিশ্ৰম

২ নং প্ৰশ্নৰ উত্তৰ ঃ

১। লাভজনক বিনিয়োগৰ বাবে সুযোগবিলাক চিনাক্ত কৰে।

২। এটা প্ৰতিষ্ঠান আৰম্ভ কৰিবলৈ সম্ভাৱনাবিলাক চিনাক্ত কৰে।

৩। আৱশ্যকীয় ঔদ্যোগিক অনুজ্ঞাপত্ৰবিলাক আহৰণ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নিয়োগ সৃষ্টি, উৎপাদন বৃদ্ধি কৰা, সাধাৰণ লোকৰ জীৱন নিৰ্বাহৰ মান উন্নত কৰি, উৎপাদনৰ কাৰকবিলাকৰ সৰ্বাধিক আশাপ্ৰদ প্ৰয়োগ কৰি উদ্যোগীয়ে অৰ্থনৈতিক বিকাশ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।



৪.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ উদ্যোগীৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ উদ্যোগীৰ বৈশিষ্ট্যবিলাক কি কি?

প্ৰশ্ন ৩ ঃ এখন দেশৰ অৰ্থনৈতিক বিকাশত উদ্যোগীৰ ভূমিকা ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ উদ্যোগী আৰু পৰিচালক

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ বৃত্তিৰ ধাৰণা

৫.৪ ব্যৱসায়ৰ মালিকীস্বত্বৰ ধাৰণা

৫.৫ বৃত্তিধাৰী পৰিচালক

৫.৬ উদ্যোগী আৰু পৰিচালকৰ মাজৰ পার্থক্য

৫.৭ উদ্যোগী আৰু পৰিচালকৰ বৈশিষ্ট্য

৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৫.৯ অধিক জানিবলৈ

৫.১০ অগ্রগতিৰ খতিয়ান

৫.১১ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বৃত্তিৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- ব্যৱসায়ৰ মালিকীস্বত্বৰ ধাৰণাটোৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- উদ্যোগীৰ বৈশিষ্ট্যৰাজি আৰু পৰিচালকৰ কাম-কাজ সম্পর্কে আলোচনা কৰিব পাৰিব।
- উদ্যোগী আৰু পৰিচালকৰ মাজত পার্থক্য নির্ণয় কৰিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়ত আমি একোটা বৃত্তিৰ বিশেষত্ববিলাকৰ বিষয়ে আলোচনা কৰিম আৰু পৰিচালনা কৰাটো এটা বৃত্তি হয়নে নহয় সেই সম্পর্কে ব্যাখ্যা কৰিম। আমি লগতে পৰিচালক আৰু উদ্যোগীৰ মাজৰ পার্থক্যবিলাকৰ বিষয়েও আলোচনা কৰিম। এই প্রেক্ষাপটত আমি লগতে এজন উদ্যোগী আৰু এজন পৰিচালকৰ বৈশিষ্ট্যৰাজিৰ লগতে পৰিচালকৰ কাম-কাজ সম্পর্কেও আলোচনা কৰিম।

৫.৩ বৃত্তিৰ ধাৰণা

প্রথমে আমি বৃত্তিৰ ধাৰণা সম্পর্কে আলোচনা কৰো আহক। একোটা বৃত্তি চিনাক্ত

কৰাৰ ক্ষেত্ৰত তলত দিয়া অৰ্হতাই সহায় কৰে ঃ


- বৃত্তি হৈছে বিশেষীকৃত জ্ঞানৰ একোটা সমষ্টি।
- প্ৰণালীবদ্ধ আৰু সুনিৰ্দিষ্ট ৰূপত থকা বিশেষীকৃত জ্ঞান আনুষ্ঠানিক শিক্ষা পদ্ধতিৰ জৰিয়তে বুজিব পাৰি।
- একোটা সমষ্টিয়ে ইয়াৰ সদস্যসকলৰ বাবে আচৰণৰ সংকেত (code of behaviour) প্ৰস্তুত কৰিবলৈ একোটা বৃত্তিয়ে এখন কেন্দ্ৰীয় সমিতিৰ ওপৰত আলোকপাত কৰে।
- বৃত্তি মানে হৈছে সেৱা গ্ৰহণ কৰোতাক দক্ষতাসম্পন্ন আৰু বিশেষীকৃত সেৱা প্ৰদান কৰা।
- একোটা বৃত্তিত সেৱা গ্ৰহণ কৰোতাক প্ৰদান কৰা সেৱাৰ মানদণ্ড আৰু দক্ষতাৰ স্তৰ উন্নত কৰিবলৈ বিশেষ ভাৱমূৰ্তি আৰু সংকল্প বৰ্তাই ৰাখে যাৰ জৰিয়তে নতুন ধাৰণা গ্ৰহণ আৰু উন্নীতকৰণৰ ব্যৱস্থা কৰা হয়।
- একোটা বৃত্তিত দক্ষতাৰে কাম কৰিবলৈ আৰু আত্ম-নিয়মানুৱৰ্তিতা বৰ্তাই ৰাখিবলৈ বিভিন্ন সদস্য থাকে।

৫.৪ ব্যৱসায়ৰ মালিকীস্বত্বৰ ধাৰণা

ব্যৱসায়ৰ ধৰণ আৰু প্ৰকৃতিৰ সৈতে সংগতি ৰাখি ব্যৱসায়ৰ মালিকীস্বত্বৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিব পাৰি। অকলশৰীয়া লেনদেনৰ ব্যৱসায়ত, একক লেনদেনকাৰীজন হৈছে ব্যৱসায়ৰ স্বত্বাধিকাৰী। একক ব্যৱসায়ীজন তেওঁৰ ব্যৱসায়ৰ বাবে দায়বদ্ধ আৰু সেয়ে একক ব্যৱসায়ীজন সেই ব্যৱসায়ৰ পৰিচালক (manager)। মালিক বা গৰাকী (owner)ৰ কৰ্তব্য আৰু দায়বদ্ধতা একক লেনদেনৰ ব্যৱসায়ত পৃথক কৰিব পৰা নাযায়। গৰাকীয়ে তেওঁৰ ব্যৱসায়ৰ কাম-কাজ কৰাৰ ক্ষেত্ৰত তেওঁক সহায় কৰিবৰ বাবে কৰ্মচাৰী নিযুক্তি দিব পাৰে, কিন্তু একক ব্যৱসায়ৰ সকলো দায়ৱদ্ধতা গৰাকীৰ ওপৰতে থাকে। একক ব্যৱসায়ীজনৰ বিত্তীয় সীমাৱদ্ধতাই একোজন বৃত্তিধাৰী পৰিচালক নিযুক্ত কৰাত বাধা দিব পাৰে।

অংশীদাৰিত্বৰ ব্যৱসায় (partnership business)ত অংশীদাৰসকল (partners) হৈছে গৰাকী বা স্বত্বাধিকাৰী। অংশীদাৰসকলে ব্যৱসায়ৰ পৰিক্ৰমা নিৰ্দ্ধাৰণ কৰিব পাৰে আৰু ব্যৱসায়ৰ লাভ বা লোকচানৰ বাবে অংশীদাৰসকল দায়বদ্ধ। অংশীদাৰসকলৰ মাজৰ কিছুসংখ্যকে ব্যৱসায়ৰ দৈনন্দিন পৰিচালনাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰিব পাৰে। তেওঁলোকক সক্ৰিয় অংশীদাৰ হিচাপে আখ্যা দিয়া হয়। আনহাতে কিছুসংখ্যক অংশীদাৰে ব্যৱসায়ৰ দৈনন্দিন কাম-কাজত সক্ৰিয় ভূমিকা পালন নকৰিব পাৰে। অৱশ্যে সকলো অংশীদাৰৰে দায়বদ্ধতা একে। অংশীদাৰিত্বৰ ব্যৱসায়ত অংশীদাৰসকলে পৰিচালকো নিযুক্ত কৰিব পাৰে। কিন্তু চুড়ান্ত দায়বদ্ধতা অংশীদাৰসকলৰ ওপৰতে থাকে। একোটা অংশীদাৰিত্বৰ প্ৰতিষ্ঠানৰ বিত্তীয় সীমাবদ্ধতাই বৃত্তিধাৰী পৰিচালক নিযুক্ত কৰাত বাধা দিব পাৰে।

ব্যৱসায়ৰ কোম্পানীৰ ৰূপৰ ক্ষেত্ৰত মালিকীস্বত্ব আৰু পৰিচালনা ইটো আনটোৰ পৰা পৃথক। মালিক বা গৰাকীক অংশীদাৰ (shareholders) বুলি জনা যায় আৰু তেওঁলোক হৈছে কোম্পানীৰ প্ৰকৃত গৰাকী। অৱশ্যে তেওঁলোকে কোম্পানীৰ দৈনন্দিন কাম-কাজত সক্ৰিয় ভূমিকা পালন নকৰে। তেওঁলোকে ধন বিনিয়োগ কৰে আৰু কেৱল মুনাফাৰ প্ৰতি আগ্ৰহী। কোম্পানী পৰিচালনাৰ বাবে সঞ্চালকসকলৰ সমিতি (board of directors) দায়বদ্ধ। তেওঁলোক অংশীদাৰসকলক নিজ নিজ মূলধন অনুসৰি সঠিক আৰু শুদ্ধ ওৱাপোচ দিবলৈ দায়বদ্ধ। একোটা বৃহৎ কোম্পানীয়ে সাধাৰণতে বিশেষীকৃত পৰিচালন সম্পৰ্কীয় কাম-কাজৰ বাবে বৃত্তিধাৰী পৰিচালকক নিযুক্ত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১। বৃত্তিৰ তিনিটা বিশেষত্ব উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন ২। একোটা কোম্পানীৰ পৰিচালনাৰ বাবে কোন দায়বদ্ধ।

.....

.....

৫.৫ বৃত্তিধাৰী পৰিচালক

অনুচ্ছেদ ৫.৩ত বৃত্তি চিনাক্ত কৰিবৰ বাবে প্ৰয়োজন হোৱা কিছুমান অৰ্হতাৰ বিষয়ে আমি আলোচনা কৰিলো। এই প্ৰেক্ষাপটত এটা বৃত্তি হিচাপে পৰিচালন বিভাগে মানি চলিবলগীয়া প্ৰথম দুটা অৰ্হতা হৈছে ঃ

- বিশেষীকৃত জ্ঞানৰ এখন সমিতি;
- প্ৰণালীবদ্ধ আৰু সুনিৰ্দিষ্ট ৰূপত থকা বিশেষীকৃত জ্ঞান আনুষ্ঠানিক শিক্ষা পদ্ধতিৰ জৰিয়তে বুজিব পাৰি।

অৱশ্যে, পৰিচালনাৰ বৃত্তিত প্ৰৱেশ কৰিবৰ বাবে অথবা ইয়াৰ সদস্য হ'বৰ বাবে কোনো ন্যুনতম শিক্ষাগত অৰ্হতাৰ কথা কোৱা হোৱা নাই। কাৰ্যক্ষেত্ৰত যি কাম-কাজ পৰিচালনা কৰে, তেওঁকেই পৰিচালক বুলি জনা যায়, ইয়াত তেওঁৰ শিক্ষাগত অৰ্হতাৰ কথা বিবেচ্য নহয়। এই দৃষ্টিভংগীৰ সমৰ্থনত পীটাৰ ড্ৰাকাৰে (Peter Drucker) কৈছে, 'পৰিচালকসকলক অনুজ্ঞা প্ৰদান কৰি পৰিচালন বিভাগক বিশেষীকৃত কৰাতকৈ আমাৰ অৰ্থনীতি অথবা আমাৰ সমাজৰ ক্ষেত্ৰত কোনো ডাঙৰ ক্ষতি কৰিব পৰা নাযায়, উদাহৰণস্বৰূপে, একোটা বিশেষ শৈক্ষিক ডিগ্ৰী থকা মানুহক পৰিচালনাৰ ক্ষেত্ৰখনত যদিহে সীমাবদ্ধ কৰা হয়।'

বৃত্তিধাৰী পদক্ষেপৰ ক্ষেত্ৰত একোজন পৰিচালকে নতুন নতুন ধাৰণা, সম্পৰ্ক আৰু গতিশীল কাম-কাজৰ লগতে নতুন নতুন পদ্ধতিৰ আৱিষ্কাৰ কৰিব লাগে, যাতে পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে ৰজিতা খুৱাই ব্যৱসায়িক কাম-কাজ চলাই নিব পৰা যায়।

৫.৬ উদ্যোগী আৰু পৰিচালকৰ মাজৰ পার্থক্য

জ্যাঁ-ব্যাপ্টিষ্ট ছে' (Jean-Baptiste Say)ত কোৱা হৈছে যে উদ্যোগী হৈছে পৰিচালনাৰ এটা আৱশ্যকীয় ৰূপ। ছে'ৰ মতে, 'উৎপাদন আৰু বিতৰণৰ সমগ্ৰ প্ৰক্ৰিয়াৰ কেন্দ্ৰত উদ্যোগীক ৰাখিব লাগে।' ছে'ৰ কর্মৰ পৰিণতি হিচাপে পোৱা গৈছে যে উদ্যোগীৰ এটা সাধাৰণ তত্ব তিনিটা ভিন ভিন কার্যাৱলীৰ সৈতে সম্পর্কযুক্ত, সেইকেইটা হৈছে সামগ্ৰীৰ বিজ্ঞানসন্মত জ্ঞান; উদ্যোগিক উদ্যোগ (entrepreneurial industry) — ব্যৱহাৰিক উদ্দেশ্যত জ্ঞানৰ প্ৰয়োগ আৰু উৎপাদনমূলক উদ্যোগ — কায়িক শ্ৰমৰ জৰিয়তে সামগ্ৰী প্ৰস্তুত কৰা।'

ফ্ৰেংক নাইটে (Frank Knight) উদ্যোগী তত্বৰ ক্ষেত্ৰত কেইবাটাও অৱিহণা আগবঢ়াইছে, কিন্তু এজন উদ্যোগীক পৰিচালকৰ পৰা কেনেকৈ পৃথক কৰা হৈছে সেই সন্দর্ভত আন এটা টোকা আছে। তেওঁ কৈছে যে একোজন পৰিচালকে উদ্যোগী হ'বলৈ সীমাৰেখা অতিক্ৰম কৰে 'যেতিয়া তেওঁৰ বিচাৰধাৰা ভুল বুলি প্ৰতিপন্ন হয় তেতিয়া তেওঁ ইয়াক শুধৰাবলৈ দায়বদ্ধ হয়।' নাইটে কৈছে যে উদ্যোগীসকলে অনিশ্চিত ব্যৱসায়িক পৰিস্থিতিৰ সৈতে সংলগ্ন হৈ থকা আশংকাবিলাক জোখ-মাখ কৰি উলিয়াই আৰু সেই সম্পর্কে বিচাৰ-বিবেচনা আৰু সিদ্ধান্ত আগবঢ়ায় — যদি তেওঁলোকে পৰিস্থিতি চালি-জাৰি চায় আৰু সঠিক সিদ্ধান্ত আগবঢ়ায় — তেতিয়া তেওঁলোকক মুনাফা অর্জনেৰে পুৰস্কৃত কৰা হয়। এই আশংকাবিলাক এৰাই চলিবৰ বাবে যিসকলক বাচনি কৰা হয় সেইসকলেই কর্মচাৰী হোৱাৰ প্ৰাসংগিক নিৰাপত্তা গঢ়ি তোলে।

ইংলিছ স্কুল অৱ থটৰ আলফ্ৰেড মার্শ্বাল (১৮৪২-১৯২৪) (Alfred Marshall) হৈছে নব্য-ধ্ৰূপদী অর্থনীতি (Neo-Classical Economics)ৰ এজন আৱিস্কাৰক। তেওঁৰ গৱেষণা পুঁজিপতি, উদ্যোগী আৰু পৰিচালকৰ মাজৰ পার্থক্য নিৰূপণত জড়িত আছিল। মার্শ্বালে পুঁজিপতিসকলক এনেদৰে দেখুৱাইছে যি 'নিজকে আনৰ দৰে সক্ষম আৰু সৎ বুলি প্ৰতিপন্ন কৰে, যেতিয়া তেওঁ নিজৰ দ্বাৰা আশংকা মুৰ পাতি লৈ মূলধনেৰে অৱিহণা আগবঢ়ায়।' একোজন উদ্যোগীয়ে অধিক ধন সৃষ্টি কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে পুঁজিপতিৰ দ্বাৰা খটুওৱা মূলধন নিয়ন্ত্ৰণ কৰে; কিন্তু যদিহে কিবা ভুল হয়, তেতিয়া পুঁজিপতিজনতকৈ উদ্যোগীৰ ক্ষতি কম হয়। একোজন উদ্যোগীয়ে, অৱশ্যে, তেওঁ নিজৰ ভাবমূর্তিৰ আশংকা বহন কৰে আৰু একোটা ভিন্ন সুযোগ লাভ কৰি প্ৰাপ্তি অর্জন কৰিব পাৰে।

মার্শ্বালে মানি লৈছে যে মূলধনৰ যোগান ধৰা বাবে পুঁজিপতিসকলে লাভ কৰা পুৰস্কাৰ উপার্জনৰ অংশ আৰু উদ্যোগীয়ে অর্জন কৰা পুৰস্কাৰ হৈছে লাভ। পৰিচালকে একোটা দৰমহা পায় আৰু একেদৰে মার্শ্বালৰ মতে, পুঁজিপতি অথবা উদ্যোগীতকৈ বেলেগ ধৰণৰ কাম সম্পন্ন

কৰে — যদিও কিছুমান ক্ষেত্ৰত, বিশেষকৈ ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত এজন লোকেই উদ্যোগী আৰু পৰিচালক দুয়োটা ভূমিকা পালন কৰে।

উদ্যমিতা আৰু নতুনত্ব সৃষ্টি

ইংলিছ স্কুল অৱ থটৰ জেৰেমী বেনথেমে (১৭৪৮-১৮৩২) (Jeremy Bentham) উদ্যমিতা (entrepreneurs)ক নতুনত্ব সৃষ্টিকাৰী (innovator) হিচাপে গণ্য কৰিছে। তেওঁলোক 'সূচীৰ পৰা পৃথক, নতুন বজাৰ আৱিস্কাৰ কৰে, যোগানৰ নতুন উৎস বিচাৰে, চলিত সামগ্ৰীৰ উন্নতি সাধন কৰে আৰু উৎপাদনৰ ব্যয় হ্ৰাস কৰে।' (Chell, 2008)

যোচেফ স্কামপীটাৰ (Joseph Schumpeter) (১৮৮৩-১৯৫০)ৰ মাক-দেউতাক আছিল অষ্ট্ৰিয়ান, তেওঁ ইউনিভাৰ্ছিটি অৱ ভিয়েনাত পঢ়িছিল, ইউনিভাৰ্ছিটি অৱ গ্ৰেজত গৱেষণা কৰিছিল, অষ্ট্ৰিয়াৰ বিত্তমন্ত্ৰী হিচাপে সেৱা আগবঢ়াইছিল আৰু তেওঁ আছিল দেশখনৰ এটা বেংকৰ অধ্যক্ষ। ইউৰোপত হিটলাৰৰ অভ্যুত্থানৰ বাবে তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গুচি গৈছিল আৰু ১৯৪৯ত অৱসৰ গ্ৰহণ নকৰালৈকে হাৰ্ভাৰ্ডত গৱেষণা কৰিছিল। ইয়াৰ বাবে তেওঁ মাজে মাজে এমেৰিকান স্কুল অৱ থটৰ সৈতে উদ্যমিতা বিষয়ৰ ওপৰত জড়িত হৈছিল। (Chell, 2008)

মেংগাৰে (Menger) দেখুৱাইছে যে অৰ্থনৈতিক প্ৰগতি হিচাপে উদ্যমিতা সম্পন্ন হৈছে, স্কামপীটাৰে ইয়াৰ বিপৰীত স্থিতি গ্ৰহণ কৰিছে। স্কামপীটাৰে দেখুৱাইছে যে অৰ্থনৈতিক উন্নয়ন সাধিত হৈছে অৰ্থনৈতিক কাম-কাজৰ ফলত (Hebert & Link, 2009)। স্কামপীটাৰৰ অৰ্থনৈতিক বিকাশৰ তত্বত উদ্যমিতাই এক কেন্দ্ৰীয় ভূমিকা পালন কৰিছে আৰু যেতিয়া উৎপাদনৰ কাৰকবিলাক নতুন সংমিশ্ৰণত একত্ৰিত হয়, তেতিয়াই অৰ্থনৈতিক বিকাশ সম্পন্ন হ'ব পাৰে।

স্কামপীটাৰে নতুনত্ব সৃষ্টিক সামগ্ৰী আৰু কৰ্মশক্তিৰ নতুন সংমিশ্ৰণৰ পৰা উদ্ভৱ হোৱা বুলি কৈছে। নতুন সংমিশ্ৰণৰ নিম্নোল্লিখিত পাঁচটা ঘটনাৰ বিষয়ে তেওঁ উল্লেখ কৰিছে ঃ

১। একোটা নতুন সুচলতাৰ পৰিচয় — যাৰ সৈতে উপভোক্তাসকল এতিয়াও পৰিচিত নহয় — অথবা নতুন মানৰ একোটা সামগ্ৰী।

২। উৎপাদনৰ একোটা নতুন পদ্ধতিৰ পৰিচয়, সংশ্লিষ্ট প্ৰস্তুতকৰ্তাৰ শাখাই যাক এতিয়াও পৰীক্ষা কৰি চোৱা নাই, বিজ্ঞানসন্মতভাৱে নতুন আৱিস্কাৰ হিচাপে যাক কোনো প্ৰকাৰে প্ৰতিষ্ঠা কৰা হোৱা নাই আৰু একোটা পণ্যক বাণিজ্যিকভাৱে নতুন পদ্ধতিৰে লেনদেন কৰিব পৰা যায়।

৩। একোখন নতুন বজাৰ মুকলি কৰা, যিখন হৈছে এনে বজাৰ য'ত একোখন দেশৰ প্ৰস্তুতকৰ্তাৰ শাখাই পূৰ্বতে কেতিয়াও প্ৰৱেশ কৰা নাছিল, আগতে এই বজাৰখন থাকক বা নাথাকক।

৪। কেঁচামালৰ যোগানৰ একোটা নতুন উৎস বিচাৰি উলিওৱা অথবা অৰ্দ্ধ-প্ৰস্তুত সামগ্ৰী বিচাৰি উলিওৱা, আকৌ এনে কেঁচামালৰ উৎস ইতিমধ্যে থাকক বা নাথাকক অথবা ইয়াক প্ৰথমে চিনাক্ত কৰা হওঁক বা নহওঁক।

৫। যিকোনো উদ্যোগৰ নতুন প্ৰতিষ্ঠান চলাই নিয়া, একচেতিয়া অৱস্থান সৃষ্টি কৰাৰ দৰে, অথবা একোটা একচেতিয়া অৱস্থানৰ অন্ত পেলোৱা (Schumpeter, 1934, p. 66)।

স্কামপীটাৰৰ দ্বাৰা জনপ্ৰিয় কৰা আন এটা ধাৰণা হৈছে — নতুন সংমিশ্ৰণৰ ধাৰণাৰ সংযোজনত — সৃষ্টিশীল ধ্বংস। ইয়াৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে কাম কৰাৰ প্ৰচলিত পদ্ধতিবিলাক নিঃশেষ কৰাৰ প্ৰয়োজন থাকে — যাতে কাম-কাজৰ নতুন পদ্ধতি সৃষ্টি কৰাটো সম্ভৱ হৈ উঠে। উদ্যোগীসকলে কাম-কাজ সম্পন্ন হোৱা পদ্ধতিবিলাকত নতুনত্বৰ সৃষ্টি কৰে আৰু সেই কাম-কাজবিলাক অধিক সুচলতাৰে সম্পন্ন হোৱাটো নিশ্চিত কৰে।

৫.৭ উদ্যোগী আৰু পৰিচালকৰ বৈশিষ্ট্য

এই অনুচ্ছেদত উদ্যোগী আৰু পৰিচালন বিভাগৰ বিশেষত্ব আৰু পৰিচালকসকলৰ কাম-কাজৰ বিষয়ে আলোচনা কৰা হৈছে। উদ্যোগীৰ বৈশিষ্ট্যবিলাক এনেধৰণৰ ঃ

- **উচ্চাকাংক্ষী ঃ** তেওঁলোক প্ৰতিযোগী আৰু প্ৰাপ্তিৰ একোটা উচ্চ প্ৰয়োজনীয়তা থাকে।
- **স্বাধীন ঃ** তেওঁলোক ব্যক্তিবাদী আৰু আত্ম-উদ্যোগী যি অনুসৰণ কৰাতকৈ নেতৃত্ব দিয়াক অগ্ৰাধিকাৰ দিয়ে।
- **আত্মবিশ্বাসী ঃ** কাম আৰম্ভ কৰা আৰু একোটা ব্যৱসায় চলাই নিয়াৰ প্ৰত্যাহ্বানবিলাক তেওঁলোকে বুজি পায় আৰু বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত নিজৰ সক্ষমতাক লৈ আত্মবিশ্বাসী।
- **আশংকা গ্ৰহণ কৰোতা ঃ** যিহেতু তেওঁলোক আশংকাৰ পৰিপন্থী নহয়, সেয়ে অধিকাংশ সফল উদ্যোগীয়ে এনে ব্যৱসায়ৰ সুযোগবিলাকৰ সন্ধান কৰে যি আশংকাৰ একোটা মধ্যমীয়া স্তৰ বহন কৰে য'ত অতিপাত আশংকা জড়িত হৈ থকা কাম-কাজৰ তুলনাত তেওঁলোকে অধিক উন্নত নিয়ন্ত্ৰণ বজাই ৰাখিব পাৰে। অধিক আশংকা জড়িত হৈ থকা কাম-কাজবিলাকত ভাগ্যই ডাঙৰ ভূমিকা পালন কৰে।
- **দৃষ্টিভংগীযুক্ত ঃ** ব্যৱসায়ৰ গতিধাৰা তেওঁলোকে চিনাক্ত কৰিব পাৰে আৰু সেই অনুসৰি নিজৰ কাম-কাজ ঠিক কৰি ল'ব পাৰে, যিয়ে ক্ষুদ্ৰ ব্যৱসায়ৰ গৰাকী আৰু পৰিচালকসকলৰ পৰা উদ্যোগীক পৃথক কৰি ৰাখে।
- **সৃষ্টিশীল ঃ** ডাঙৰ প্ৰতিষ্ঠানবিলাকৰ সৈতে ফেৰ মাৰিবলৈ, উদ্যোগীসকলে সৃষ্টিশীল সামগ্ৰীৰ আৰ্হি বহন কৰিব লাগে, শক্তিশালী বিপণন কৌশল আৰু পৰিচালন সম্পৰ্কীয় সমস্যাবোৰৰ নতুন নতুন সমাধান উলিয়াব লাগে।
- **তৎপৰ ঃ** একোটা ব্যৱসায় আৰম্ভ কৰা আৰু চলাই নিয়াৰ ক্ষেত্ৰত দীঘলীয়া সময়ৰ প্ৰয়োজন হয়। অন্য ক'ৰবাত সৰ্বক্ষণ কৰ্মী হিচাপে কাম কৰিলেও কিছুসংখ্যক উদ্যোগীয়ে নিজৰ কোম্পানী আৰম্ভ কৰে।


- **সংকল্পবদ্ধ ঃ** নিজৰ কোম্পানীৰ প্ৰতি সংকল্পবদ্ধ হোৱা বাবে উদ্যোগীসকল নিজৰ লক্ষ্যত উপনীত হ'বৰ বাবে ব্যক্তিগত আত্মোৎসৰ্গা কৰিবলৈ প্ৰস্তুত থাকে।

পৰিচালনাৰ বৈশিষ্ট্য

পৰিচালনা হৈছে এবিধ কাম ঃ পৰিচালনা হৈছে এবিধ সংগঠিত কামৰ প্ৰক্ৰিয়া, যিটো উৎপাদনৰ কাৰকবিলাকৰ দক্ষতাপূৰ্ণ ব্যৱহাৰৰ সৈতে জড়িত।

- **ই এবিধ উদ্দেশ্যপূৰ্ণ কাম ঃ** ই একোটা উদ্দেশ্য অথবা একাধিক উদ্দেশ্য আহৰণৰ বাবে কাম-কাজ কৰে আৰু এনে কাম-কাজৰ পৰিকল্পনা, সংগঠিত কৰা, কামৰ মানুহৰ ব্যৱস্থা কৰা, নিৰ্দেশনা দিয়া আৰু নিয়ন্ত্ৰণ কৰা কামবিলাক কৰে।
- **ই একোটা গোটৰ প্ৰচেষ্টাৰ সৈতে জড়িত ঃ** এপ্পী (Appley)ৰ মতে পৰিচালনা মানুহৰ পৰিচালনাৰ সৈতে জড়িত, কাম-কাজৰ নিৰ্দেশনাৰ সৈতে জড়িত নহয়। ই কৰ্মীসকলক যিমান পাৰে সিমান বেছি কাম কৰিবলৈ অনুপ্ৰাণিত আৰু মনোযোগী কৰি তোলে।
- **পৰিচালনাই কাম সম্পন্ন কৰায় ঃ** কুণ্টজ (Koontz) আৰু অ' ডনেল (O' Donnell)ৰ মতে পৰিচালনা হৈছে আনুষ্ঠানিকভাৱে সংগঠিত গোটত মানুহৰ সহায়ত আৰু মানুহৰ জৰিয়তে কাম সম্পন্ন কৰাৰ এটা কলা।
- **সিদ্ধান্ত গ্ৰহণত জড়িত ঃ** কোৱা হৈছে যে পৰিচালনা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু সিদ্ধান্তবিলাক পৰিচালনাৰ সকলো কাম-কাজৰ সৈতে জড়িত।
- **ই সকলো কাম-কাজৰ সমন্বয় ঘটায় ঃ** নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে ইয়াৰ বিভিন্ন কাম-কাজৰ জৰিয়তে ই সকলো কাম-কাজ আৰু সম্পদৰ মাজত সমন্বয় ঘটায়।
- **ই এটা সাৰ্বজনীন কাৰ্য ঃ** পৰিচালনাৰ কৌশল আৰু আহিলাবিলাক প্ৰতিষ্ঠানৰ প্ৰকৃতি আৰু আকাৰ নিৰ্বিশেষে সাৰ্বজনীনভাবে প্ৰযোজ্য।
- **ই এটা সমন্বিত প্ৰক্ৰিয়া ঃ** ই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে একোটা প্ৰতিষ্ঠানৰ কাম-কাজৰ বাবে ব্যৱহৃত মানুহ, যন্ত্ৰ-পাতি, ধন আৰু সামগ্ৰীৰ মাজত সমন্বয় সাধন কৰে।
- **ই স্পৰ্শৰ অযোগ্য ঃ** ই বিমূৰ্ত আৰু চকুৰে ইয়াক চাব নোৱাৰি। ই প্ৰতিষ্ঠানৰ মানদণ্ড আৰু পৰিণতিৰ দ্বাৰা প্ৰতিফলিত হয়, যেনে বৰ্দ্ধিত উৎপাদনশীলতা আৰু কৰ্মচাৰীৰ বৰ্দ্ধিত নৈতিকতা ইত্যাদি।
- **পৰিচালনা বিজ্ঞান আৰু কলা দুয়োটাই ঃ** পৰিচালনা হৈছে এবিধ বিজ্ঞান যিহেতু ই কেতবোৰ নিৰ্দিষ্ট নীতি আৰু আইনৰ বিকাশ ঘটায়, যিবিলাক প্ৰতিষ্ঠানৰ যিকোনো সামূহিক কাৰ্যত প্ৰযোজ্য হয়। ই লগতে কলাও, কিয়নো ই প্ৰতিষ্ঠানৰ বিভিন্ন সমস্যা সমাধানৰ বাবে প্ৰযোজ্য হ'বলগীয়া জ্ঞানৰ সৈতে জড়িত।
- **ই এটা বৃত্তি ঃ** সময় অতিক্ৰান্ত হোৱাৰ লগে লগে, ই এটা বৃত্তিত পৰিণত হৈছে। কিয়নো ই হৈছে পৰিচালনাৰ প্ৰতিষ্ঠিত নীতিৰ অংশ, যিবিলাক কাম-কাজত প্ৰয়োগ কৰা হয়।

- **ই গতিশীল, স্থিতিশীল নহয় ঃ** পৰিচালনাই সামাজিক পৰিৱর্তনৰ সৈতে খাপ খাই চলে আৰু সেয়ে ই প্রযুক্তিগত নতুনত্বৰ উদ্ভাৱন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩। এজন উদ্যোগীৰ দুটা বিশেষত্ব উল্লেখ কৰক।

.....

.....

প্রশ্ন ৪। পৰিচালনাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

পৰিচালনাৰ কাম-কাজ

পৰিকল্পনা ঃ আহৰণ কৰিবলগীয়া উদ্দেশ্যৰাজি নির্দ্ধাৰণৰ লগতে অনুসৰণ কৰিবলগীয়া কাম-কাজৰ পৰিক্রমাৰ সৈতে পৰিকল্পনা জড়িত। যিকোনো কাম আৰম্ভ কৰাৰ পূর্বে এজন লোকে কেনেকৈ আৰু ক'ত ইয়াক সম্পন্ন কৰিব সেই সিদ্ধান্ত গ্রহণ কৰিব লাগে। এনেদৰে পৰিকল্পনাই সিদ্ধান্ত গ্রহণ কৰা প্রক্রিয়া হিচাপেও কাম কৰে য'ত কি কাম কৰিব লাগে, কেনেকৈ কৰিব লাগে, কেতিয়া কৰিব লাগে আৰু কাৰ দ্বাৰা কৰিব লাগে এই সিদ্ধান্ত লোৱা হয়। ইয়াত নির্দ্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে উদ্দেশ্যৰাজি বাচনি কৰা, কৌশল, কর্মনীতি, কার্যসূচী আৰু কর্ম পদ্ধতি বাচনি কৰিবলগীয়া হয়। পৰিকল্পনাৰ কাম-কাজ সকলো স্তৰতে পৰিচালকসকলে সম্পন্ন কৰে। কিয়নো পৰিকল্পনা সমগ্র প্রতিষ্ঠানৰ বাবেও হ'ব পাৰে, অথবা ইয়াৰ যিকোনো শাখা অথবা বিভাগৰ বাবেও হ'ব পাৰে।

সংগঠিত কৰা ঃ সংগঠিত কৰাৰ ক্ষেত্রত তলত দিয়া প্রক্রিয়াবিলাক জড়িত হৈ থাকে ঃ

ক। নির্দ্ধাৰিত লক্ষ্যৰাজিত উপনীত হ'বৰ বাবে কাম-কাজবিলাক নির্ণয় কৰা আৰু সংজ্ঞাবদ্ধ কৰাটো পৰিচালনাৰ দায়িত্ব;

খ। এটা যুক্তিসংগত পদ্ধতিৰে কাম-কাজবিলাক একত্রিত কৰা;

গ। নির্দিষ্ট পদবী আৰু মানুহক কাম-কাজবিলাকৰ দায়িত্ব অর্পন কৰা; আৰু

ঘ। বিভিন্ন পদবী আৰু মানুহক অর্পন কৰা দায়িত্ব পালন কৰিব পৰাকৈ কর্তৃত্ব প্রদান কৰা।

সংগঠিত কৰা কার্যই প্রতিষ্ঠানৰ দক্ষতা বৃদ্ধি কৰে। তদুপৰি কামৰ পুনৰাবৃত্তি আৰু নকল এৰাই চলিবৰ বাবে ই প্রতিষ্ঠানৰ কাম-কাজৰ ব্যয় হ্রাস কৰে।

মানৱ সম্পদ ব্যৱস্থাপনা ঃ

মানৱ সম্পদ ব্যৱস্থাপনাৰ লগত জড়িত আছে ঃ

ক। উপযুক্ত পদবীৰ বাবে উপযুক্ত প্রার্থীৰ বাচনি;

খ। উপযুক্ত মাননি;

গ। উপযুক্ত প্ৰশিক্ষণ আৰু উন্নয়নৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে প্ৰতিষ্ঠানৰ কাম দক্ষতাৰে সম্পন্ন কৰিব পাৰে; আৰু

ঘ। কৰ্মচাৰীৰ উপযুক্ত মূল্যায়ন

সমন্বয় ঃ কিছুমান কৰ্তৃপক্ষই সমন্বয় সাধনক পৰিচালনাৰ পৰা এটা পৃথক কাম বুলি ভাবে। যদি ইয়াক পৰিচালনাৰে এটা অবিচ্ছেদ্য অংগ বুলি ভবা হয়, তেনেহ'লে সেয়াহে উচিত বিচাৰ, যাৰ ফলত সামূহিক লক্ষ্যত উপনীত হ'বৰ বাবে ব্যক্তিগত কাম-কাজবিলাকক সমন্বিত কৰিব পৰা যায়। পৰিচালন বিভাগৰ প্ৰতিটো কাম লগে ভাগে কৰা কাম-কাজৰ একোটা অংশ। প্ৰতিষ্ঠানৰ লক্ষ্যৰাজিত উপনীত হোৱাৰ ক্ষেত্ৰত কাম-কাজ সম্পন্ন কৰোতে সময়, প্ৰচেষ্টা, আগ্ৰহ আৰু ব্যক্তিগত কামৰ মাজত সমন্বয় সাধন আদিৰ ক্ষেত্ৰত পৰিচালকে পালন কৰা ভূমিকা হৈছে কেন্দ্ৰীয় কাৰ্য।

নিয়ন্ত্ৰণ ঃ নিয়ন্ত্ৰণ পৰিচালনাৰ অন্য সকলো কাম-কাজৰ সৈতে জড়িত। ই পৰিকল্পনা অনুসৰি কাম-কাজবিলাক সম্পন্ন হৈছে নে নাই তাৰ প্ৰতি লক্ষ্য ৰখাৰ সৈতে জড়িত। ইয়াত তলত উল্লেখ কৰা উপ-কাৰ্যবিলাক জড়িত হৈ আছে ঃ

ক। সম্পন্ন কাম-কাজৰ মান নিৰ্ণয় কৰা;

খ। প্ৰকৃত কাম-কাজৰ জোখ-মাখ;

গ। মানদণ্ডৰ সৈতে প্ৰকৃত কাম-কাজৰ তুলনা;

ঘ। দুয়োটাৰ মাজত পাৰ্থক্য নিৰ্ণয় আৰু পাৰ্থক্যৰ কাৰণবিলাক নিৰ্ণয় কৰা;

ঙ। লক্ষ্যত উপনীত হোৱাটো নিশ্চিত কৰিবলৈ সংশোধনী পদক্ষেপ গ্ৰহণ কৰা।



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া দিশবিলাকৰ বিষয়ে আলোচনা কৰিলো ঃ

একোটা বৃত্তি চিনাক্ত কৰাৰ ক্ষেত্ৰত তলত দিয়া অৰ্হতাই সহায় কৰে ঃ

- বৃত্তি হৈছে বিশেষীকৃত জ্ঞানৰ একোটা সমষ্টি।
- প্ৰণালীবদ্ধ আৰু সুনিৰ্দিষ্ট ৰূপত থকা বিশেষীকৃত জ্ঞান আনুষ্ঠানিক শিক্ষা পদ্ধতিৰ জৰিয়তে বুজিব পাৰি।
- একোটা সমষ্টিয়ে ইয়াৰ সদস্যসকলৰ বাবে আচৰণৰ সংকেত (code of behaviour) প্ৰস্তুত কৰিবলৈ একোটা বৃত্তিয়ে এখন কেন্দ্ৰীয় সমিতিৰ ওপৰত আলোকপাত কৰে।
- বৃত্তি মানে হৈছে সেৱা গ্ৰহণ কৰোতাক দক্ষতাসম্পন্ন আৰু বিশেষীকৃত সেৱা প্ৰদান কৰা।
- একোটা বৃত্তিত সেৱা গ্ৰহণ কৰোতাক প্ৰদান কৰা সেৱাৰ মানদণ্ড আৰু দক্ষতাৰ স্তৰ উন্নত কৰিবলৈ বিশেষ ভাৱমূৰ্তি আৰু সংকল্প বৰ্তাই ৰাখে যাৰ জৰিয়তে নতুন ধাৰণা গ্ৰহণ আৰু উন্নীতকৰণৰ ব্যৱস্থা কৰা হয়।

- একোটা বৃত্তিত দক্ষতাৰে কাম কৰিবলৈ আৰু আত্ম-নিয়মানুৱর্তিতা বর্তাই ৰাখিবলৈ বিভিন্ন সদস্য থাকে।



৫.৯ অধিক জানিবলৈ

1) https://en.wikibooks.org/wiki/Management_ Concepts_and_ Applications/ Management
2) https://openpress.usask.ca/entrepreneurshipandinnovationtoolkit/ chapter/chapter-1-introduction-to-entrepreneurship/

৫.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ

- বৃত্তি হৈছে বিশেষীকৃত জ্ঞানৰ একোটা সমষ্টি।
- প্রণালীবদ্ধ আৰু সুনির্দিষ্ট ৰূপত থকা বিশেষীকৃত জ্ঞান আনুষ্ঠানিক শিক্ষা পদ্ধতিৰ জৰিয়তে বুজিব পাৰি।
- একোটা সমষ্টিয়ে ইয়াৰ সদস্যসকলৰ বাবে আচৰণৰ সংকেত (code of behaviour) প্রস্তুত কৰিবলৈ একোটা বৃত্তিয়ে এখন কেন্দ্রীয় সমিতিৰ ওপৰত আলোকপাত কৰে।

২নং প্রশ্নৰ উত্তৰ ঃ সঞ্চালকসকলৰ সমিতি।

৩নং প্রশ্নৰ উত্তৰ ঃ

- উচ্চাকাংক্ষী।
- স্বাধীন।

৪নং প্রশ্নৰ উত্তৰ ঃ

- ই উদ্দেশ্যপূর্ণ কাম।
- ই একোটা গোটৰ প্রচেষ্টাৰ সৈতে জড়িত।



৫.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১। বৃত্তিৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২। এটা বৃত্তি হিচাপে পৰিচালনাৰ আলোচনা কৰক।

প্ৰশ্ন ৩। পৰিচালনাৰ বিশেষত্ববিলাকৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪। পৰিচালকৰ কাম-কাজৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ উদ্যোগ/প্রতিষ্ঠানৰ প্ৰৱৰ্তন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ব্যৱসায় প্রতিষ্ঠান এটা স্থাপনৰ অর্থ

৬.৪ ব্যৱসায়ৰ ধাৰণাসমূহৰ উৎস

৬.৫ ব্যৱসায়ৰ সুযোগ চিনাক্তকৰণৰ পদক্ষেপবোৰ

৬.৬ বাহ্যিক পাৰিবেশিক বিশ্লেষণ- অর্থ আৰু গুৰুত্ব

- ৬.৬.১ অর্থনৈতিক কাৰকসমূহ
- ৬.৬.২ সামাজিক কাৰকসমূহ
- ৬.৬.৩ প্রযুক্তিবিদ্যা সম্বন্ধিত কাৰকসমূহ
- ৬.৬.৪ প্রতিযোগিতামূলক কাৰকসমূহ

৬.৭ নতুন ব্যৱসায় এটাৰ প্রতিষ্ঠা - আইনগত প্রয়োজনীয়তা

৬.৮ ভেঞ্চাৰ মূলধনৰ অর্থ আৰু গুৰুত্ব

৬.৯ ভেঞ্চাৰ মূলধনৰ উৎসসমূহ

৬.১০ ভেঞ্চাৰ মূলধন লাভ কৰাৰ বাবে প্রয়োজন হোৱা নথিপত্রসমূহ

৬.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১২ অধিক জানিবলৈ

৬.১৩ অগ্রগতিৰ খতিয়ান

৬.১৪ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উদ্যোগ এটাৰ প্রৱর্তনৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায়ৰ ধাৰণাসমূহৰ উৎসবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ব্যৱসায়ৰ সুযোগ চিনাক্তকৰণৰ পদক্ষেপবোৰ আলোচনা কৰিব পাৰিব
- বাহ্যিক পাৰিবেশিক বিশ্লেষণৰ গুৰুত্ব আৰু অর্থ ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ বাহ্যিক পাৰিবেশিক বিশ্লেষণবোৰৰ বর্ণনা দিব পাৰিব
- নতুন ব্যৱসায় এটা আৰম্ভ কৰাৰ বাবে প্রয়োজনীয়তাসমূহ আলোচনা কৰিব পাৰিব
- ভেঞ্চাৰ মূলধনৰ অর্থ আৰু ইয়াৰ গুৰুত্ব আলোচনা কৰিব পাৰিব
- ভেঞ্চাৰ মূলধনৰ বিভিন্ন উৎসসমূহ ব্যাখ্যা কৰিব পাৰিব
- ভেঞ্চাৰ মূলধন লাভ কৰিবৰ বাবে প্রয়োজন হোৱা নথিপত্রৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়ত আমি নতুন উদ্যোগ এটা স্থাপনৰ অর্থ, বিভিন্ন পদক্ষেপসমূহ, ব্যৱসায়িক ধাৰণাসমূহৰ উৎস আৰু ব্যৱসায় সুযোগ চিনাক্তকৰণৰ সৈতে জড়িত পদক্ষেপবোৰৰ বিষয়ে আলোচন কৰিম। ইয়াৰ উপৰিও বিভিন্ন ধৰণৰ বাহ্যিক পাৰিবেশিক কাৰকসমূহ যেনে অর্থনৈতিক কাৰক, সামাজিক কাৰক, প্রযুক্তিবিদ্যা সম্বন্ধিত কাৰক তথা প্রতিযোগিতামূলক কাৰকসমূহৰ বিশ্লেষণ কৰিম। ইয়াৰ লগতে নতন ব্যৱসায় এটা স্থাপন কৰাৰ বাবে মানিব লগা বিধিগত প্রয়োজনীয়তাসমূহ, ভেঞ্চাৰ মূলধনৰ অর্থ আৰু গুৰুত্ব, ভেঞ্চাৰ মূলধনৰ উৎসসমূহ আৰু ভেঞ্চাৰ মূলধন লাভ কৰাৰ বাবে প্রয়োজন হোৱা নথিপত্রসমূহৰ বিষয়েও আলোচনা কৰিম।

এই অধ্যায়টোৱে আপোনাক ব্যৱসায়ৰ ধাৰণাসমূহ সৃষ্টি হোৱা বিভিন্ন ধৰণৰ উৎসসমূহ চিনাক্ত কৰা, নতুন উদ্যোগ তথা ব্যৱসায় প্রতিষ্ঠান এটা স্থাপন কৰাৰ বাবে ল'বলগীয়া পদক্ষেপসমূহ, নতুন ব্যৱসায় প্রতিষ্ঠান এটা স্থাপন কৰোতে মানিব লগা বিধিগত প্রয়োজনীয়তাসূহ তথা ভেঞ্চাৰ মূলধন লাভ কৰাৰ বাবে প্রয়োজন হোৱা নথিপত্রসমূহৰ বিষয়ে জনাত সহায় কৰিব।

৬.৩ ব্যৱসায় প্রতিষ্ঠান এটা স্থাপনৰ অর্থ

প্রৱর্তনে সাধাৰণতে নতুন উদ্যোগ বা প্রতিষ্ঠান এটা আৰম্ভ কৰাকেই বুজায়।

উদ্যোগ বা প্রতিষ্ঠান মানে হ'ল এটা ব্যৱসায়িক প্রকল্প যিটো বাণিজ্যিক উদ্দেশ্যেৰে আৰম্ভ কৰা হয় আৰু য'ত বিপদাশংকা আৰু অনিশ্চয়তা জড়িত হৈ থাকে। উদ্যোগ হ'ল এজন ব্যক্তি অথবা এটা ব্যক্তিৰ দলৰ (যাক প্রৱর্তক বুলি কোৱা হয়) অন্তহীন প্রচেষ্টা, অভিজ্ঞতা দূৰদর্শিত আৰু পৰিকল্পনাৰ ফচল। এই ক্ষেত্রত আটাইতকৈ গুৰুত্বপূর্ণ প্রয়োজনীয়তাটো হ'ল নতুন উদ্যোগ বা প্রতিষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰা। উদাহৰণস্বৰূপে, এটা উদ্যোগৰ উদ্দেশ্য হ'ব পাৰে ক্ষুদ্র বৈদ্যুতিন সামগ্রী উৎপাদন কৰা, শিশুসকলৰ কিতাপ প্রকাশ কৰা ইত্যাদি। এই প্রতিটো ক্ষেত্রতে উদ্যোগীয়ে নিজৰ প্রতিষ্ঠানটো কেনেকৈ পৃথক বা অদ্বিতীয় কৰিব পাৰে তাৰ প্রতি চকু ৰাখিব লাগে।

ব্যৱসায়ত সফলতা লাভ কৰা, নতুন উদ্যোগ এটা কৃতকার্যতাৰে প্রৱর্তন কৰা, ইত্যাদি প্রশ্নৰ সঠিক উত্তৰ নাইবা মূল মন্ত্র নাই। উদ্যমিতাৰ কোনো অবিতর্কিত প্রৱর্তন প্রক্রিয়া নাই। কিন্তু বহু ক্ষেত্রত পাৰদর্শী উদ্যোগসমূহৰ মাজত ভালেখিনি সামঞ্জস্য থাকে যিয়ে নতুন উদ্যোগ এটা প্রৱর্তন সাধাৰণ নমুনাৰ পৰামর্শ আগবঢ়াব পাৰে। নতুন প্রতিষ্ঠান এটা প্রৱর্তনৰ প্রথম পদক্ষেপটো হ'ল ব্যৱসায় সুযোগ চিনাক্ত কৰা।


৬.৪ ব্যৱসায়ৰ ধাৰণাসমূহৰ উৎস

এই শিতানত আমি কিছুমান উৎসৰ বিষয়ে আলোচনা কৰিম যৰ পৰা ব্যৱসায় ধাৰণাসমূহ সংগ্রহ কৰিব পাৰি ঃ

- **বজাৰৰ বৈশিষ্ট্য ঃ** উৎপন্ন দ্রব্য আৰু সেৱাৰ অপৰিপূর্ণ চাহিদা হ'ল নতুন উৎপন্ন দ্রব্য বা সেৱাৰ ধাৰণাৰ এটা প্রধান উৎস।
- **বজাৰ নীতিসমূহ ঃ** বজাৰ নীতিসমূহ যেনে- উদ্যোগিক নীতি, এক্সিম নীতি (আমদানি-ৰপ্তানি নীতি) ইত্যাদিয়ে উদ্যোগীক নতুন উৎপন্ন দ্রব্য আৰু সেৱাৰ বিষয়ে ভাবিব উৎসাহিত কৰে।
- **নতুন প্রযুক্তিবিদ্যা আৰু বৈজ্ঞানিক কৌশল ঃ** ঘৰুৱা বা আমদানিকৃত প্রযুক্তি আৰু কৌশলৰ বাণিজ্যিক শোষনো প্রকল্প ধাৰণাৰ আন এক উৎস।
- **সামাজিক আৰু অর্থনৈতিক গতিধাৰা ঃ** মানুহৰ সামাজিক আৰু অর্থনৈতিক অৱস্থা সদায় গতিশীল প্রকৃতিৰ আৰু ই বৃহৎ সুযোগ আগবঢ়ায়। এজন উদ্যোগীয়ে নতুন ধাৰণা লাভ কৰিবলৈ সেই পৰিৱর্তন সাৱধানতাৰে নিৰীক্ষণ কৰিব লাগে।
- **আনৰ/বেলেগৰ দুর্বলতা/অভাৱসমূহ নিৰীক্ষণ ঃ** ই কর্মক্ষমতা বৃদ্ধি আৰু প্রত্যাশিত বৈশিষ্ট সংযোজিত কৰাত সহায় কৰে।
- **জ্ঞাত উৎপন্ন দ্রব্যৰ অভিনৱ ব্যৱহাৰ ঃ** প্রচলিত উৎপন্ন দ্রব্যৰ নতুন ব্যৱহাৰ সম্পর্কে ভবাটো সম্ভৱ।
- **বাণিজ্য মেলা আৰু বাণিজ্য পত্রিকা ঃ** আলোচনী, পত্রিকা, উদ্যোগিক বা বাণিজ্য মেলাই ব্যৱসায়িক সুযোগ চিনাক্তকৰণত সহায় কৰে।
- **ব্যৱসায়িক সম্মিলন ঃ** বাণিজ্যিক সংস্থাসমূহে সময়ে সময়ে আয়োজন কৰা ব্যৱসায়িক সম্মিলনসমূহৰ জৰিয়তেও ব্যৱসায়িক ধাৰণাসমূহ চিনাক্ত কৰিব পাৰি
- বজাৰ সমীক্ষা প্রতিবেদন, পৰামর্শদাতা, গৱেষণাগাৰ, শৈক্ষিক প্রতিষ্ঠানসমূহ।
- আন কোম্পানীবোৰক অনুসন্ধান কৰিও নতুন ব্যৱসায়িক ধাৰণা গঢ় দিব পাৰি।

এজন উদ্যোগীয়ে বিভিন্ন ধৰণৰ ধাৰণা লাভ কৰিব পাৰে। কিন্তু তেওঁ সম্ভাব্য আৰু পুৰস্কৃত সুযোগবোৰহে বাচনি কৰিব লাগিব। যাৰ বাবে তেওঁ ধাৰণাবোৰ বিশ্লেষণ কৰিব লাগিব আৰু চাহিদা আৰু যোগানৰ মাজৰ পার্থক্যটো বুজিব লাগিব। এই মূল্যাংকন বা বিশ্লেষণ প্রক্রিয়াত তলত দিয়াবোৰৰ প্রয়োজন হয়।

- বিভিন্ন ধৰণৰ ব্যৱসায়িক সুযোগ সম্পর্কত থকা চৰকাৰী নিয়ম আৰু নির্দেশনাবোৰ অধ্যয়ন কৰা।
- আশাপ্রদ বিনিয়োগৰ সুযোগবোৰ অধ্যয়ন কৰা।
- উদ্যোগ/প্রতিষ্ঠানটোৰ SWOT (শক্তি-দুর্বলতা-সুযোগ সম্ভাব্য ক্ষতি) বিশ্লেষণ কৰা।
- বজাৰ সমীক্ষা/জৰীপ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ব্যৱসায় ধাৰণাৰ দুটা উৎস লিখক।

(১) .....

(২) .....

৬.৫ ব্যৱসায়ৰ সুযোগ চিনাক্তকৰণৰ পদক্ষেপবোৰ

এতিয়া আমি ব্যৱসায় সুযোগ চিনাক্তকৰণৰ লগত জড়িত পদক্ষেপসমূহ আলোচনা কৰিম। বিভিন্ন ধৰণৰ পদক্ষেপবোৰ হ'ল—

১) প্রাথমিক মূল্যাংকন

২) উৎপন্ন দ্রব্য বা সেৱাৰ বাছনি

৩) বজাৰ সমীক্ষা/জৰীপ চলোৱা

৪) প্রস্তাৱিত উদ্যোগটোৰ বিষয়ে যথোচিত তথ্য সংগ্রহ কৰিবলৈ চুক্তিমূলক কার্যসূচী অনুষ্ঠিত কৰা।

৫) বজাৰ বিশ্লেষণ।

১) **প্রাথমিক মূল্যাংকন ঃ** নতুন ব্যৱসায়িক প্রতিষ্ঠান এটা আৰম্ভ কৰাৰ আটাইতকৈ কঠিন কাম হ'ল প্রতিষ্ঠানটোৰসম্ভাব্যতা বা সম্ভাব্য ভৱিষ্যত আৰু দীর্ঘ সময়ৰ লাভ অর্জনৰ ক্ষমতাৰ প্রণালীবদ্ধ বিশ্লেষণ আৰু মূল্যাংকন কৰা। এইটো নির্ণয় কৰাত যিহেতু বহুতো দিশ অন্তর্ভুক্ত হয় সেয়ে এইটো সময় খৰচী আৰু জটিল বিষয়। বিশেষীকৃত প্রকল্প এটা বিশ্লেষণ কৰাৰ সাধাৰণ বৈশিষ্ট্যসমূহ হ'ল ঃ

- সুযোগটো প্রবর্তকৰ বাবে উপযুক্ত হ'ব লাগিব।
- সুযোগটো চৰকাৰী নীতি-নিয়ম-নির্দেশনা মানি চলা বিধৰ হ'ব লাগিব।
- কেঁচা সামগ্রীৰ উপলব্ধতা
- সম্ভাব্য বজাৰৰ আকাৰ
- প্রকল্পটোৰ ব্যয়
- সুযোগটোৰ সৈতে জড়িত বিপদশংকা।

২) **উৎপন্ন দ্রব্য বা সেৱাৰ বাছনি ঃ** প্রথম পদক্ষেপটো হ'ল প্রচলিত অৱস্থাত সম্ভবপৰ আৰু ন্যায্য বিনিয়োগেৰে যুক্তিসম্মত লাভ অর্জন কৰিবলৈ উদ্যোগীৰ বাবে উপযুক্ত হোৱাকৈ সর্বোত্তম উৎপন্ন দ্রব্য বা সেৱা বাছনি কৰা। সর্বোত্তম উৎপন্ন দ্রব্য বা সেৱা বাছনি কৰোতে তলত দিয়া দিশসমূহ বিবেচনা কৰিব লাগে ঃ

- উৎপন্ন দ্রব্য বা সেৱাৰ প্রচলিত আৰু সম্ভাব্য চাহিদা।
- প্রতিযোগিতাৰ প্রচলিত আৰু সম্ভাব্য মাত্রা নিৰূপণ।
- প্রযুক্তিবিদ্যা আৰু বৈজ্ঞানিক কৌশল বর্তমান অৱস্থা আৰু পৰিৱর্তনৰ হাৰ।

- কেঁচা সামগ্ৰীৰ উপলব্ধতা আৰু প্ৰয়োজনীয় শ্ৰম।
- পাৰিবেশিক কাৰকসমূহ।

৩) **বজাৰ সমীক্ষা/জৰীপ চলোৱা ঃ** বজাৰ সমীক্ষাই উপভোক্তাৰ আচৰণ, কেঁচা-সামগ্ৰীৰ উপলব্ধতা, সঁজুলিৰ উপলব্ধতা, বজাৰকৰণ বিতৰণ ইত্যাদি সম্পৰ্কত বিভিন্ন পদ্ধতিৰ জৰিয়তে তথ্য সংগ্ৰহ কৰাক বুজায়।

ক) উপভোক্তা আচৰণ সমীক্ষা

- ক্ৰেতাৰ ক্ৰয় ক্ষমতাৰ বিষয়ে তথ্য আহৰণ
- অভ্যাসৰ পৰিৱৰ্তন, সোৱাদ, আয়, শিক্ষা, লিঙ্গ, বয়স ইত্যাদি সম্পৰ্কত তথ্য আহৰণ।

(খ) কেঁচা সামগ্ৰীৰ উপলব্ধতা

- কেঁচা সামগ্ৰী যোগানদাতাৰ সম্পৰ্কত তথ্য আহৰণ
- দৰ, ইয়াৰ তাৰতম্য আৰু বৰ্তমানৰ গতিধাৰা সম্পৰ্কত তথ্য।

(গ) কেঁচা সামগ্ৰীৰ উপলব্ধতা

- দেশৰ ভিতৰৰ আৰু বাহিৰত থকা আহিলা যন্ত্ৰপাতিৰ যোগান দাতা আৰু মুখ্য উৎপাদক সম্পৰ্কত তথ্য।
- যোগান দাতাৰৰ দ্বাৰা কাৰ্যক্ষমতাৰ নিশ্চয়তা প্ৰদান।

(ঘ) বজাৰকৰণ আৰু বিতৰণ

- সৰ্বোচ্চ ক্ৰেতাক সেৱা আগবঢ়াব পৰাকৈ বিতৰণৰ গতিপথ/প্ৰণালী বাছনি।
- উৎপন্ন দ্ৰব্যৰ অৱস্থা নিৰ্ণয় আৰু পুনৰ অৱস্থান নিৰ্ণয়কৰণ।

৪) **প্ৰস্তাৱিত উদ্যোগটোৰ বিষয়ে যথোচিত তথ্য সংগ্ৰহ কৰিবলৈ চুক্তিমূলক কাৰ্যসূচী অনুষ্ঠিত কৰা ঃ** যিকোনো নতুন উদ্যোগৰ প্ৰবৰ্তকসকলক প্ৰাথমিক পৰ্যায়ত বিভিন্ন দিশ যেনে— কেঁচা সামগ্ৰী, নীতি-নিয়ম, চৰকাৰী সুবিধা, ৰেহাই আৰু অন্যান্য সুবিধা ইত্যাদিৰ ক্ষেত্ৰত নিৰ্দেশনা, পৰামৰ্শ আৰু তথ্যৰ প্ৰয়োজন হয়। এই তথ্যসমূহ ৰাজ্যিক এজেন্সিৰ জৰিয়তে সংগ্ৰহ কৰিব পাৰি। এই উদ্দেশ্যত চৰকাৰী স্তৰৰ এজেন্সিৰ লগত কৰা চুক্তি সম্পাদনে প্ৰস্তাৱিত উদ্যোগটোৰ বিষয়ে পৰ্যাপ্ত তথ্যৰ যোগান ধৰিব পাৰে।

বিভিন্ন ধৰণৰ চৰকাৰী আৰু অৰ্ধ-চৰকাৰী এজেন্সি যেনে— ৰাজ্যিক উদ্যোগিক উন্নয়ন বেংক, এচ আই আৰ ডি (SIRD), এছ আই এছ আই (SISI), ভাৰতীয় উদ্যোগিক/উদ্যমিতা প্ৰতিষ্ঠান, এন এছ আই চি (NSIC) ইত্যাদিয়ে অনুষ্ঠিত কৰা উদ্যোগিক উন্নয়ন কাৰ্যসূচীবোৰে তলত দিয়া দিশবোৰ সাঙুৰি লয় —

- প্ৰতিষ্ঠান এটাৰ প্ৰৱৰ্তন
- পৰিচালনীয় দক্ষতা
- সম্ভাব্য উদ্যোগীৰ বাবে যথার্থ বা সাধ্য প্ৰকল্প চিনাক্তকৰণ।

৫) **বজাৰ বিশ্লেষণ ঃ** উদ্যোগী এটাৰ কৃতকার্যতা তেওঁ উৎপাদন কৰা দ্রব্য আৰু সেৱাৰ দ্বাৰা উপভোক্তাক দিয়া সন্তুষ্টিৰ ওপৰত নির্ভৰ কৰে। তেওঁ উপভোক্তাৰ প্রয়োজন অনুসৰি দ্রব্য উৎপাদন কৰিব লাগে। ইয়াৰ উপৰিও, তেওঁ বিতৰণৰ সঠিক প্রণালী বাছনি কৰিব লাগে আৰু উন্নত ধৰণে বিক্রী প্রৱৰ্তন কৰিব লাগে।



চিন্তা চর্চা কৰক -১

প্রবর্তক হিচাপে তুমি এটা উদ্যোগ স্থাপন কৰিবলৈ কি কি পদক্ষেপ ল'বা ?

.....

.....

.....

.....

৬.৬ বাহ্যিক পাৰিবেশিক বিশ্লেষণ- অর্থ আৰু গুৰুত্ব

বাহ্যিক পৰিৱেশে উদ্যোগ বা প্রতিষ্ঠানটোৰ বাহিৰৰ ব্যক্তি আৰু অৱস্থাৰ লগতে অন্য কিছুমান দৃশ্যমান তথা স্পর্শনীয় পাৰিবেশিক কাৰকসমূহ যেনে সামাজিক কাৰক, চৰকাৰী নীতি, মূলধনী বজাৰৰ অৱস্থা আৰু প্রতিযোগীৰ ৰণকৌশল ইত্যাদিক সাঙুৰি লয়।

বাহ্যিক পাৰিৱেশিক কাৰক যেনে প্রকৃতি, আকাৰ, প্রতিষ্ঠানটোৰ অৱস্থান পৰিসৰ ইত্যাদি উদ্যোগীৰ বাবে দেশৰ আর্থ-সামাজিক উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্রত অতি গুৰুত্বপূর্ণ কাৰক।

প্রতিষ্ঠান এটাক প্রভাৱান্বিত কৰা সামাজিক কাৰকসমূহ অতি গুৰুত্বপূর্ণ কাৰক। সামাজিক গ্রহণযোগ্যতা হৈছে প্রতিষ্ঠান এটাৰ বাবে অতি প্রয়োজনীয় দিশ। আকৌ সামাজিক গতিধাৰা হৈছে গতিশীল। এজন উদ্যোগীয়ে সামাজিক বাধ্যবাধকতা তথা সমাজ এখনৰ সামাজিক-সাংস্কৃতিক পৰিৱর্তনসমূহৰ ওপৰত দৃষ্টি ৰাখি ব্যৱসায়িক কার্য সম্পাদন কৰিব লাগে।

প্রকল্পসমূহ কার্যত ৰূপায়ণ কৰাৰ ক্ষেত্রত উদ্যোগীৰ বাবে আন এক গুৰুত্বপূর্ণ কাৰক হৈছে চৰকাৰী নীতি আৰু নির্দেশনাসমূহ। চৰকাৰী ৰেহাই, কৰ ৰেহাই আৰু অন্যান্য উদ্দীপকে উদ্যোগীক নতুন উদ্যোগ স্থাপন কৰাৰ বাবে উৎসাহিত কৰে। অন্যহাতে, চৰকাৰে আৰোপ কৰা বিভিন্ন ধৰণৰ সীমাবদ্ধতা তথা ঋণাত্মক কার্যপন্থাই উদ্যোগীসকলক নিৰুৎসাহিত কৰে। চৰকাৰে সাধাৰণতে উদ্যোগীসকলক বিভিন্ন ক্ষেত্রত অনুমোদন জনোৱাত পলম কৰা দেখা যায়। যেনে— উদ্যোগৰ অনুজ্ঞাপত্র প্রদানত, বৈদেশিক সহযোগিতাৰ অনুমোদন প্রদানত, চি চি আই পৰিস্কৰণ, পাৰিৱেশিক পৰিস্কৰণ, বৈদেশিক বিনিময়ৰ অনুমোদন প্রদানত, মূলধনী দ্রব্যৰ অনুমোদন আৰু আমদানিকৃত দ্রব্যৰ পৰিস্কৰণ ইত্যাদি।

প্ৰকল্পসমূহ বিত্তায়ন কৰাৰ ক্ষেত্ৰত উদ্যোগীসকলৰ বাবে বিত্তীয় প্ৰতিষ্ঠান তথা বেংকসমূহ হ'ল গুৰুত্বপূৰ্ণ বাহ্যিক বিত্তীয় উৎস। বিত্তীয় প্ৰতিষ্ঠানসমূহ আৰু বাণিজ্যিক বেংকসমূহৰ সময় খৰচী পদ্ধতি আৰু নথি-পত্ৰৰ অপ্ৰয়োজনীয় ব্যৱস্থাৰ বাবে উদ্যোগীসকলে প্ৰকল্পসমূহ বিত্তায়ন কৰাত সমস্যাৰ সন্মুখীন হয়।

তলত দিয়া কাৰণসমূহৰ বাবে পাৰিৱেশিক বিশ্লেষণ অতি গুৰুত্বপূৰ্ণ ঃ

- **অত্যন্ত গুৰুত্বপূৰ্ণ কাৰ্য ঃ** উদ্যোগ এটাৰ বাহ্যিক পৰিৱেশ বিশ্লেষণ কৰাটো অতি গুৰুত্বপূৰ্ণ কাৰ্য, কিয়নো পাৰিবেশিক কাৰকসমূহে উদ্যোগটোৰ গোটেই পৰিচালনীয় প্ৰক্ৰিয়াত প্ৰভাৱ পেলায়। এইটো এটা কাৰ্য য'ত পৰিচালনীয় দক্ষতা আৰু ভূমিকাৰ উন্নয়ন আৰু প্ৰয়োগে এক গুৰুত্বপূৰ্ণ ভূমকা পালন কৰে।
- **আগতীয়া সতৰ্কবাণীৰ ব্যৱস্থা ঃ** পাৰিৱেশিক বিশ্লেষণে আগতীয়া সতৰ্কবাণী প্ৰদান কৰে যিয়ে উদ্যোগটোৱে ভৱিষ্যতে সন্মুখীন হ'ব পৰা বিপদাশংকা প্ৰতিহত কৰাত সহায় কৰে।
- **সঠিক পূৰ্বানুমান ঃ** এই বিশ্লেষণে পাৰিবেশিক তাৰতম্য আৰু পৰিৱৰ্তনসমূহ সঠিকভাৱে পূৰ্বানুমান কৰাত সহায় কৰে। এই বিশ্লেষণে অনিশ্চয়তা হ্ৰাস কৰিব পাৰে আৰু উদ্যোগীয়ে অৱলম্বন কৰা পৰিকল্পিত কাৰ্যকলাপসমূহ শক্তিশালী কৰে।
- **উদ্যোগৰ কৃতকাৰ্যতা ঃ** এই বিশ্লেষণ হৈছে কৌশলগত পৰিচালনাৰ এক অংশ আৰু ই উদ্যোগটোৰ কৃতকাৰ্যতা সুনিশ্চিত কৰে।
- **পৰিৱেশ হ'ল গতিশীল ঃ** পাৰিৱেশিক দিশ/কাৰকসমূহ সময় আৰু স্থানভেদে পৰিৱৰ্তিত হয়। সেইবাবে পৰিৱেশৰ ওপৰত চোকা দৃষ্টি ৰখাটো অতি প্ৰয়োজন।
- **পৰিৱৰ্তন আৰু সংযোজন ঃ** ই উদ্যোগ বা প্ৰতিষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্যত ফলপ্ৰসূভাৱে উপনীত হ'বৰ বাবে প্ৰয়োজনীয় পৰিৱৰ্তন, সংযোজন, অভিযোজনসমূহ চিনাক্ত কৰাত সহায় কৰে।

৬.৬.১ অৰ্থনৈতিক কাৰকসমূহ

অৰ্থনৈতিক কাৰকসমূহ বহুতে প্ৰতিযোগী ব্যৱহাৰকাৰীৰ মাজত দুৰ্লভ সম্পদসমূহ আবণ্টন কৰাৰ লগত জড়িত। ই কেৱল প্ৰকল্প এটাই বিনিয়োগৰ ওপৰত প্ৰত্যাশিত লাভ অৰ্জন কৰাৰ সামৰ্থকেই নিৰ্ধাৰণ নকৰে, বৰঞ্চ ই একে উদ্দেশ্য লাভৰ বিকল্প পথৰো সন্ধান কৰে য'ৰ পৰা উচ্চ হাৰত লাভ পোৱা যায়। এই বিশ্লেষণে বিশ্লেষণাত্মক কৌশলৰ ব্যৱহাৰৰ যোগেদি ব্যয় আৰু লাভালাভৰ তুলনা কৰে। অৰ্থনৈতিক বিশ্লেষণৰ মৌলিক উদ্দেশ্য হ'ল সম্পদৰ সুযোগ ব্যয় সাপেক্ষে সম্পদৰ মূল্য নিৰূপণ কৰা।

বহুতো জনপ্ৰিয় এজেন্সীয়ে প্ৰকল্পসমূহ পৰিমাপ কৰিবলৈ ব্যয় লাভ বিশ্লেষণৰ ব্যৱহাৰ কৰে যিয়ে প্ৰকল্পসমূহ বিত্তায়ন আৰু কাৰ্যত ৰূপায়ণ কৰাত সহায় কৰে। বহুতো

উন্নয়নশীল দেশে এই বিশ্লেষণ প্রয়োগ কৰে। যদি এইটো সঠিকভাৱে কৰা হয়, ই বিনিয়োগ বিকল্পসমূহৰ পথ প্রদর্শন কৰাত শক্তিশালী আহিলা হিচাপে কাম কৰে।

বিশ্লেষণৰ প্রক্রিয়াই আন বহুতো বিষয় যেনে— কেঁচা সামগ্রীৰ প্রয়োজনীয়তা, সামর্থ প্রয়োগৰ মাত্রা, অপেক্ষিত বিক্রী, অপেক্ষিত খৰচ আৰু সম্ভাব্য লাভ ইত্যাদি সাঙুৰি লয়। এই ক্ষেত্রত এই বিশ্লেষণে নির্ধাৰিত লাভ অর্জন কৰিবলৈ প্রয়োজনীয় বিক্রীৰ পৰিমাণ গণনা কৰিব লাগে। আৰু উদ্যোগৰ সম্ভাব্যতা নিৰূপণ কৰিবলৈ উৎপন্ন দ্রব্যৰ চাহিদা সাৱধানতাৰে অনুমান কৰা উচিত।

এইবোৰৰ উপৰিও এইক্ষেত্রত চৰকাৰী নীতিসমূহ পুংখানুপুংখভাৱে বিশ্লেষণ কৰা উচিত। পিছপৰা অঞ্চলসমূহত উদ্যোগ প্রতিষ্ঠা কৰাৰ বাবে চৰকাৰে নির্দিষ্ট পৰিমাণে বিভিন্ন ধৰণৰ উদগনি, উদ্দীপক আৰু অনুমোদন আগবঢ়ায়। উদ্যোগীয়ে এইসমূহ অর্থনৈতিক সুবিধা লাভ কৰিবলৈ চেষ্টা কৰিব লাগে।

অর্থনৈতিক পৰিৱেশ পৰীক্ষা/বিশ্লেষণ কৰোতে তলত দিয়া অর্থনৈতিক কাৰকসমূহ বিবেচনা কৰিব লাগে, যিয়ে ব্যৱসায়ত প্রভাৱ পেলায়—

- ৰাষ্ট্রীয় আৰু স্থানীয় অর্থনীতিত বিদ্যমান অর্থনৈতিক অৱস্থা।
- ব্যৱসায়িক চক্রৰ পর্যায়।
- সাধাৰণ দৰস্তৰ, মুদ্রাস্ফীতিজনিত আৰু সংকোচনজনিত প্রবণতা।
- অৱলম্বতি অর্থনৈতিক গাঁথনি - পুঁজিবাদী, সমাজবাদী, মিশ্র অর্থনীতি।
- উদ্যোগৰ গাঁথনি।
- অর্থনৈতিক পৰিকল্পনা আৰু ইয়াৰ অগ্রাধিকাৰিত্ব
- অর্থনৈতিক নীতি-উদ্যোগিক, মৌদ্রিক, ৰাজস্ব নীতি আৰু অনান্য নিয়ামক নীতিসমূহ। অর্থনৈতিক নির্দেশক/সূচক যেনে— জি এন পিৰ বৃদ্ধি, জনমূৰি আয়, সুতৰ হাৰ, পৰিশোধৰ উদ্বৃত্ত ইত্যাদি।
- বিত্তীয় প্রতিষ্ঠান বিশ্ববেংক, স্থানীয় বেংক, ৰাষ্ট্রীয় বেংক, ব্যক্তিগত খণ্ডৰ বেংক ইত্যাদিৰ নীতিসমূহ।
- পৰিবহন আৰু যোগাযোগৰ ব্যৱস্থা, শক্তিৰ কৰ, শক্তিৰ উৎস ইত্যাদি।

৬.৬.২ সামাজিক কাৰকসমূহ

সামাজিক কাৰকসমূহে সমাজৰ ওপৰত প্রস্তাৱিত উদ্যোগৰ ভূমিকাৰ বিষয়ে আলোচনা কৰে। উদ্যোগটোৱে মানুহৰ সমর্থন আদায় কৰিব লাগিব আৰু একে সময়তে নিজৰ লক্ষ্যও সিদ্ধি কৰিব লাগিব। এটা উদ্যোগ যিয়ে সামাজিক পৰম্পৰা, মূল্য আৰু সামাজিক সংগঠনসমূহক অবহেলা কৰে। সেই উদ্যোগৰ কৃতকার্য হোৱাৰ সম্ভাৱনীয়তা কম।

বিত্তীয় আৰু অর্থনৈতিক আচৰণ পূর্বানুমান কৰাতকৈ সামাজিক আচৰণৰ ভৱিষ্যতবাণী কৰাটো অতি কঠিন আৰু অনিশ্চিত কার্য।

পেচাদাৰীগত প্রশিক্ষণ আৰু অভিজ্ঞতাৰে কৰা সামাজিক বিশ্লেষণে প্রক্ষিপ্ত ছবি উন্নীত কৰিব পাৰে আৰু যিটো প্রতিষ্ঠানটোৰ কৃতকার্যতাৰ বাবে তাৎপর্যপূর্ণ কাৰক হিচাপে বিবেচিত হয়।

সিদ্ধান্ত গ্রহণত যুক্তিসন্মত সমাজ এখন উদ্যমিতা বিকাশৰ বাবে সন্তোষজনক। আমি এখন সমাজক তেতিয়াহে যুক্তিসন্মত বুলি গণ্য কৰো, যেতিয়া সেই সমাজখনে সম্পদসমূহৰ ব্যৱহাৰ সম্পর্কে গৱেষণা আৰু বৈজ্ঞানিক মানদণ্ডৰ আধাৰত প্রতিষ্ঠিত তথ্যৰ ওপৰত নির্ভৰ কৰি সিদ্ধান্ত গ্রহণ কৰে। যদি যুক্তি সন্মত আচৰণ উন্নত দেশসমূহৰ বাবে মূল মন্ত্র হয়, তেতিয়াহ'লে বহুতো অনুন্নত দেশে ই অ-যুক্তিসন্মত সামাজিক বান্ধোনৰ আধাৰত প্রতিষ্ঠিত যিটো নেকি উদ্যোগীসকলৰ বাবে কোনোপধ্যেই গ্রহণযোগ্য নহয়।

৬.৬.৩ প্রযুক্তিবিদ্যা সম্বন্ধিত কাৰকসমূহ

প্রযুক্তিবিদ্যাৰ উত্থান আৰু ইয়াৰ সময়ে সময়ে সলনি হোৱা প্রকৃতিৰ বাবে উদ্যোগীৰ বাবে উদ্যোগ স্থাপন বা চলাই নিয়াত এক প্রত্যাহ্বানৰ সৃষ্টি কৰি আহিছে। প্রযুক্তিবিদ্যাই উৎপাদন, দ্রব্য আৰু সেৱাৰ যোগান, পৰিকল্পনা প্রক্রিয়া, গ্রাহকক ৰো প্রদান ইত্যাদিৰ বাবে ব্যৱহাৰ কৰা কাৰিকৰী কৌশলক বুজায়। নতুন প্রযুক্তিবিদ্যা ব্যৱয়াসিক কার্যৰ পৰিসৰ বৃদ্ধিৰ লগতে গ্রাহকৰ প্রত্যাশাসমূহ পূৰণ কৰিবলৈ অক্ষম হৈছে। প্রযুক্তিবিদ্যাৰ দ্রুত পৰিৱর্তনে উৎপন্ন দ্রব্যৰ জীৱন চক্রত সংকোচন আনে কিয়নো আজি উৎপাদন কৰা দ্রব্য এটা অহাকালিৰ বাবে অপ্রচলিত বা লুপ্ত হৈ যাব পাৰে।

উদ্যোগ এটাৰ কার্যকলাপ প্রভাৱান্বিত কৰা কেইটামান কাৰক তলত আলোচনা কৰা হ'ল যিবোৰ পৰিৱেশ বিশ্লেষণৰ বাবে অতি গুৰুত্বপূর্ণ —

- প্রযুক্তিৰ উৎস হৈছে এটা গুৰুত্বপূর্ণ কাৰক। বহুতো কোম্পানীয়ে নিজেই প্রযুক্তি উন্নীত কৰে য'ত অন্য কিছুমানে বেলেগে উদ্ভাৱন কৰা প্রযুক্তিৰ ওপৰত নির্ভৰ কৰে।
- প্রযুক্তিৰ ব্যয় হৈছে আন এক গুৰুত্বপূর্ণ কাৰক আৰু ইয়াক কার্য সম্পাদনৰ ক্ষেত্রত বিবেচনা কৰাটো নিতান্তই প্রয়োজন।
- প্রযুক্তিবিদ্যাৰ পৰিৱর্তন সময়ে সময়ে হৈয়ে থাকে। গতিকে প্রযুক্তিৰ পৰিৱর্তনৰ হাৰ, পৰিৱর্তনৰ ব্যয় আৰু নতুন প্রযুক্তি সংস্থাপন কৰাৰ সময় ইত্যাদি কাৰকো বিবেচনা কৰিব লাগে।

- মানৰ যন্ত্ৰপাতি ব্যৱস্থাত নতুন প্ৰযুক্তিৰ প্ৰভাব, কৰ্মচাৰীসকলৰ স্বাস্থ্য আৰু সামাজিক পৰিৱেশ ইত্যাদিও নতুন প্ৰযুক্তি প্ৰয়োগ কৰোতে বিবেচনা কৰিব লাগে।

৬.৬.৪ প্ৰতিযোগিতামূলক কাৰকসমূহ

নতুন উদ্যোগ এটাৰ প্ৰৱৰ্তনৰ ক্ষেত্ৰত প্ৰতিযোগিতমূলক কাৰকসমূহ মূল্যাংকন কৰাটোত এক গুৰুত্বপূৰ্ণ দিশ। বজাৰ অংশ বৃদ্ধি কৰিবলৈ প্ৰতিযোগীক ৰুধিবই লাগিব। গতিকে যিকোনো উদ্যোগীৰ বাবে প্ৰতিযোগিতামূলক কাৰকসমূহ বুজাটো অতিকে প্ৰয়োজনীয়।

Michael Porter এ কৈছে যে, কিছুমান মৌলিক প্ৰতিযোগিতামূলক কাৰকে প্ৰতিযোগিতাৰ স্তৰ আৰু প্ৰবলতা নিৰ্ধাৰণ কৰে। তেওঁ কয় যে এই কাৰকসমূহৰ একত্ৰিত শক্তিয়ে লাভৰ চূড়ান্ত সম্ভাৱনা নিৰ্ণয় কৰে। এই কাৰকসমূহ তলত আলোচনা কৰা হ'ল—

- **প্ৰৱেশত বাধা/সমস্যা ঃ** যদি এটা উদ্যোগে সহজে বজাৰত প্ৰবেশ কৰিব পাৰে তেতিয়া লাভ আকৰ্ষিত দেখাৰ লগে লগে নতুন প্ৰতিষ্ঠানবোৰে প্ৰৱেশ কৰিব। প্ৰৱেশত থকা সাধাৰণ সমস্যাসমূহ হ'ল ঃ
  - ➢ বৃহৎ পৰিমাণৰ মিতব্যয়িতা ঃ এইবোৰ হ'ল ব্যয় সুবিধা যিবোৰ বৃহৎ আকাৰৰ কাৰ্য সম্পাদনৰ দ্বাৰা ৰাহি হয়।
  - ➢ অভিজ্ঞতাৰ জৰিয়তে লাভ কৰা বিবেচনাযোগ্য ব্যয় সুবিধা অস্তিত্ব।
  - ➢ মূলধনৰ প্ৰয়োজনীয়তা।
  - ➢ বিতৰণ প্ৰণালীসমূহৰ সুচলতা।
- **বিকল্প দ্ৰব্য ক্ৰয়ত সমস্যা ঃ** বিকল্প দ্ৰব্যবোৰ হ'ল সেইবোৰ দ্ৰব্য যিবোৰে দেখিবলৈ বেলেগ কিন্তু বেলেগ দ্ৰব্য হিচাপে একেধৰণৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰে। কাৰকসমূহ যেনে পৰিৱৰ্তনৰ ব্যয়, ক্ৰেতাৰ বিশ্বস্ততা ইত্যাদিয়ে গ্ৰাহকে বিকল্প দ্ৰব্য ক্ৰয়ৰ মাত্ৰা নিৰ্দ্ধাৰণ কৰে।
- **ক্ৰেতাৰ ক্ষমতা ঃ** কাৰক যেনে বজাৰত গ্ৰাহকৰ সম্পৰ্কে তথ্য, বিকল্প দ্ৰব্যৰ উপলব্ধতা ইত্যাদিয়ে ক্ৰেতাৰ উদ্যোগ এটাৰ ওচৰত থকা প্ৰভাৱৰ মাত্ৰা নিৰ্দ্ধাৰণ কৰে। শক্তিশালী ক্ৰেতাই প্ৰতিষ্ঠানৰ সম্ভাব্য লাভ কমাই দ্ৰব্য কম মূল্যত ক্ৰয় কৰে।
- **যোগানদাতাৰ ক্ষমতা ঃ** কাৰক যেনে যোগানদাতাৰ মনোযোগৰ মাত্ৰা, বিকল্প দ্ৰব্যৰ উপলব্ধতা ইত্যাদিয়ে যোগানদাতাৰ উদ্যোগ এটাৰ ওচৰত থকা প্ৰভাৱৰ মাত্ৰা নিৰ্দ্ধাৰণ কৰে। অত্যাৱশ্যকীয় সম্পদ থকা যোগানদাতাসমূহে উচ্চ হাৰত

দাম বঢ়াব পাৰে, যিয়ে উচ্চ হাৰত ব্যয় বহনৰ ফলত লাভৰ হাৰ হ্ৰাস কৰায় তলত দিয়াসমূহৰ বাবে প্রতিযোগিতামূলক কাৰকসমূহৰ বিশ্লেষণ কৰাটো সহায়ক হয় ঃ

- উদ্যোগীয়ে প্রতিযোগীসমূহতকৈ বেছি লাভ অর্জন কৰিব পাৰিবনে নাই তাৰ ইংগিত দিয়ে।
- ই সেইসমূহ দিশ প্রচাৰ কৰিব য'ত প্রতিযোগী ব্যৱসায়ীসকলৰ সহায় হ'ব।
- এই বিশ্লেষণে উদ্যোগীৰ বাবে সুযোগ আৰু বাধা থকা ক্ষেত্রসমূহ চিনাক্ত কৰাত সহায় কৰে।
- উদ্যোগীয়ে উৎপন্ন দ্রব্যৰ নক্সা প্রস্তুত কৰিব পাৰে যিয়ে গ্রাহকৰ প্রয়োজনীয়তা, প্রত্যাশা ইত্যাদি পূৰণ কৰিব পাৰে।
- ই বজাৰকৰণ পৰিকল্পনা কৰাত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ পাৰিবেশিক বিশ্লেষণ কিয় গুৰুত্বপূর্ণ? দুটা কাৰণ লিখক।

(১) .....

(২) .....

প্রশ্ন নং ৩ ঃ বাহ্যিক পৰিৱেশৰ দুটা কাৰক লিখক।

(১) .....

(২) .....

৬.৭ নতুন ব্যৱসায় এটাৰ প্রতিষ্ঠা -আইনগত প্রয়োজনীয়তা

উদাৰীকৰণ, গোলকীয়কৰণ আৰু ব্যক্তিগতকৰণৰ বর্তমান সময়ৰ গতিধাৰা আৰু নীতিৰ দৃষ্টি ৰাখি চৰকাৰে প্রয়োজীয় অনুমতি আৰু পদ্ধতিৰ সংখ্যা হ্ৰাস কৰাৰ সিদ্ধান্ত গ্রহণ কৰিছে। সি যি কি নহওক, কিছুমান বাধ্যবাধকতা বা আনুষ্ঠানিকতা এতিয়াও মানি চলাটো প্রয়োজনীয়।

- **বিধিবদ্ধ অনুজ্ঞাপত্র লাভ**

পৌৰ নিগম/নগৰ সমিতি/গাঁও পঞ্চায়তে বাণিজ্যৰ অনুজ্ঞাপত্র বা আপত্তিবিহীন প্রমাণপত্র প্রদান কৰে। উদ্যোগীয়ে অনুজ্ঞাপত্রৰ নির্ধাৰিত মাছুলৰ সৈতে যথোচিত কর্তৃত্বক বাণিজ্যিক অনুজ্ঞাপত্র নাইবা আপত্তিবিহীন প্রমাণপত্র লাভৰ বাবে আবেদন কৰিব লাগে। আবেদন কৰাৰ পিছত কর্তৃত্বই সন্তুষ্ট হ'লে প্রমাণপত্র প্রদান কৰে।

কেন্দ্রীয় আৰু ৰাজ্যিক বিক্রী কৰ বিভাগৰ সৈতেও পঞ্জীয়ন কৰিব লাগে। যাৰ বাবে

নির্দিষ্ট বিভাগৰ লগত যোগাযোগ কৰিব লাগে। ৰাজ্যৰ বাহিৰত কেঁচা সামগ্ৰী বা অন্য সামগ্ৰী ক্ৰয় বা বিক্ৰীৰ ক্ষেত্ৰতহে পক্ষটোৱে কেন্দ্ৰীয় বিক্ৰী কৰ পঞ্জীয়নৰ বাবে আৱেদন কৰিব লাগে। ৰাজ্যিক বিক্ৰী কৰৰ পঞ্জীয়ন ৰাজ্যৰ ভিতৰতে কৰা বিক্ৰীৰ ক্ষেত্ৰতহে প্ৰয়োজন হয়। পক্ষটোৱে বাণিজ্যিক অনুজ্ঞাপত্ৰ, কার্যালয়ৰ ঠিকনাৰ প্ৰমাণ, নির্ধাৰিত মাছুল আৰু নিৰাপত্তা মূল্যৰ সৈতে পঞ্জীয়নৰ বাবে আৱেদন কৰিব লাগে। উদ্যোগীয়ে এই বিভাগসমূহলৈ দাখিল কৰিব লগা বিক্ৰী হিচাপকৰণৰ পদ্ধতি সম্পর্কে অধ্যয়ন কৰিব লাগে আৰু নিয়মিতভাৱে প্ৰত্যৰ্পন পত্ৰ দাখিল কৰিব লাগে।

- **অনুজ্ঞাপত্ৰ প্ৰদান**

উদ্যোগীক কার্যকলাপ সম্পাদন কৰাৰ বাবে অনুজ্ঞাপত্ৰক পঞ্জীয়নৰ প্ৰয়োজন হয়। কিছুমান চর্ত প্ৰবন সাপেক্ষে বৃহৎ সংখ্যক ক্ষুদ্ৰ আয়তন আৰু মাধ্যমিক আয়তনৰ ব্যৱসায় প্ৰতিষ্ঠানে উদ্যোগিক অনুজ্ঞাপত্ৰ লোৱাৰ প্ৰয়োজন নহয়। কাৰণ এইবোৰ নির্দিষ্ট শ্ৰেণীৰ ভিতৰত পৰে। সেই চর্তবোৰ হ'ল ঃ

(ক) উদ্যোগটো ৰাজহুৱা খণ্ডৰ বাবে সংৰক্ষিত হ'ব নোৱাৰে।

(খ) উদ্যোগটো কোনো বিশেষ নীতি-নিয়মৰ আধাৰত পৰিচালিত হ'ব নোৱাৰে।

(গ) উদ্যোগীক প্ৰতিষ্ঠানটো ২০ এ আৰু একচেতিয়া আৰু নিষেধাজ্ঞামূলক বাণিজ্য অনুশীলন আইনৰ (MRTP) অধীনত গঠন হ'ব নালাগিব।

(ঘ) মধ্য আয়তনৰ প্ৰতিষ্ঠানৰ কেঁচা সামগ্ৰী (ষ্ট্ৰীল আৰু এলুমিনিয়ামৰ বাদে বেলেগ) বা অংশসমূহ আৰু উপাদানসমূহ (উৎপাদনৰ ৩ বছৰৰ পিছত) ৰ বাবে প্ৰয়োজন হোৱা বৈদেশিক বিনিময় বার্ষিক উৎপাদনৰ পূর্ব-কাৰখানা মূল্যৰ ১৫ শতাংশ বা ৭.৫ মিলিয়নতকৈ অধিক হোৱা অনুচিত।

- **ক্ষুদ্ৰ আয়তনৰ উদ্যোগৰ পঞ্জীয়ন**

যদিও ক্ষুদ্ৰ আয়তনৰ উদ্যোগ হিচাপে পঞ্জীয়ন কৰাটো বাধ্যতামূলক নহয় তথাপি ক্ষুদ্ৰ আয়তনৰ উদ্যোগসমূহ প্ৰকল্পটো অৱস্থিত জিলাৰ, জিলা উদ্যোগীক আৰু বাণিজ্যিক কেন্দ্ৰত পঞ্জীয়ন কৰাটো পৰামর্শযোগ্য। উদ্যোগসমূহৰ ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ বিষয়ে পৰিকল্পনা কৰাৰ বাবে চৰকাৰৰ বাবে উদ্যোগসমূহৰ পঞ্জীয়নৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও উদ্যোগসমূহৰ পঞ্জীয়নে সেই উদ্যোগসমূহক বিভিন্ন ধৰণৰ সাহায্য তথা সুবিধা লাভ কৰাত সহায় কৰে। জিলা উদ্যোগিক তথা বাণিজ্যিক প্ৰতিষ্ঠানসমূহে প্ৰথমে পাঁচ বছৰৰ বাবে বৈধ হোৱাকে চর্তাধীন/চর্তসম্বলিত পঞ্জীয়নৰ মঞ্জুৰ কৰে আৰু যদি প্ৰতিষ্ঠানসমূহে সেই পাঁচ বছৰৰ ভিতৰত উৎপাদন কার্য আৰম্ভ কৰিব পাৰে তেতিয়া স্থায়ী পঞ্জীয়ন মঞ্জুৰ কৰে।

- **প্ৰদূষণ নিয়ন্ত্ৰণ পৰিস্কৰণ নথি**

যদি প্ৰকল্পটোৰে পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব বুলি ভবা হয়। তেতিয়াহ'লে পক্ষটোৱে ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ বোর্ডৰ পৰা আপত্তিবিহীন প্ৰমাণপত্ৰ ল'ব লাগিব। বোর্ডে কার্য সম্পাদন কৰিবলৈ অনুমতি পোৱাৰ আগেয়ে বায়ু, পানী প্ৰদূষণ নিয়ন্ত্ৰণ কৰিবলৈ সঠিক

ব্যৱস্থাসমূহ লোৱাটো সুনিশ্চিত কৰাৰ বাবে নির্দিষ্ট কিছুমান চর্তৰ সৈতে প্রথমতে 'আপত্তিবিহীন প্রমাণ পত্র'খন প্রদান কৰে।

- **ব্যৱসায়ৰ গঠন**

ব্যৱসায় গোট/প্রতিষ্ঠানটো বিভিন্ন ধৰণৰ হ'ব পাৰে। যেনে— এজনীয়া মালিকীস্বত্ব, অংশীদাৰী, ব্যক্তিগত সীমাবদ্ধ কোম্পানী নাইবা ৰাজহুৱা সীমাবদ্ধ কোম্পানী ইত্যাদি। এইটো সাধাৰণতে প্রকল্পটোৰ আকাৰ আৰু তাৰ সৈতে জড়িত বিপদাশংকাৰ মাত্রাৰ ওপৰত নির্ভৰ কৰে। এজনীয়া মালিকীস্বত্বৰ বাহিৰে বাকীবোৰ প্রতিষ্ঠানৰ ক্ষেত্রত কিছুমান নীতি-নিদেশনা-আনুষ্ঠানিকতা মানি চলিব লাগে। যেনে— অংশীদাৰী ব্যৱসায়ৰ ক্ষেত্রত পঞ্জীয়ন, অংশীদাৰী দলিলৰ ব্যৱস্থা, ব্যক্তিগত সীমাবদ্ধ কোম্পানীৰ ক্ষেত্রত পঞ্জীয়ন প্রমাণ পত্র সংগ্রহ, ৰাজহুৱা সীমাবদ্ধতা কোম্পানীৰ ক্ষেত্রত পঞ্জীয়নৰ প্রমাণপত্র সংগ্রহ, কোম্পানীসমূহৰ পঞ্জীয়কৰ পৰা ব্যৱসায় আৰম্ভণিৰ প্রমাণপত্র সংগ্রহ, আভ্যন্তৰীণ নিয়মাৱলী, স্মাৰকলিপি প্রস্তুত ইত্যাদি।

- **আর্হি পঞ্জীয়ন**

আর্হি আইন, ১৯১১ৰ আধাৰত, প্রস্তাৱিত প্রতিষ্ঠানটোৰ আর্হি পঞ্জীয়ন কৰিব লাগে। প্রতিষ্ঠানটোৰ স্থাপনৰ ধৰণ, বাণিজ্য চিহ্ন, বাণিজ্য নাম, প্রতিচ্ছবি, আলোকচিত্র ইত্যাদি আর্হি হিচাপে পঞ্জীয়ন কৰিব নোৱাৰি।

- **বাণিজ্য চিহ্নৰ পঞ্জীয়ন**

বাণিজ্য চিহ্ন হ'ল দৃশ্যমান চিহ্ন যিটো দ্রব্য বা সামগ্রীত প্রয়োগ হয় আৰু সেই চিহ্নটো এটা সঁজুলি হ'ব পাৰে, শব্দ হ'ব পাৰে, বর্গ বা আখৰ, সংখ্যা বা এই আটাইবোৰৰ সংমিশ্রণো হ'ব পাৰে। বাণিজ্য চিহ্ন সকলো দ্রব্য বা সামগ্রীৰ ক্ষেত্রতে প্রয়োগ হয়।

যিকোনো ব্যক্তি যিয়ে ব্যৱহাৰ কৰা বা তেওঁ ব্যৱহাৰ কৰিব বুলি সিদ্ধান্ত লোৱা বাণিজ্য চিহ্নটোৰ মালিক বুলি দাবী কৰে আৰু সেই বাণিজ্য চিহ্নটো পঞ্জীয়ন কৰিব বিচাৰে। তেওঁ নির্দিষ্ট আৱেদন পত্রত প্রয়োজনীয় মাছুলৰ সৈতে পঞ্জীয়নৰ বাবে আৱেদন কৰিব লাগে। সেই মাছুল নগদ হিচাপে নাইবা বেংক ড্রাফট নাইবা পোষ্টেল অর্ডাৰ হিচাপে পৰিশোধ কৰিব পাৰে। বাণিজ্য চিহ্নৰ পঞ্জীয়নৰ বাবে দ্রব্যসমূহ ৩৪টা শ্রেণীত ভাগ কৰা হৈছে। এটা বাণিজ্য চিহ্নৰ বিপৰীতে এজন ব্যক্তিয়েহে পঞ্জীয়নৰ বাবে আবেদন কৰিব পাৰে।

৬.৮ ভেঞ্চাৰ মূলধনৰ অর্থ আৰু গুৰুত্ব

ভেঞ্চাৰ মূলধনৰ সুবিধা সেইসমূহ প্রকল্পলৈ, আগবঢ়োৱা হয় যিবোৰ নতুন দ্রব্য/উদ্ভাৱন/ধাৰণা/প্রযুক্তি প্রৱর্তন কৰাৰ বাবে স্থাপন কৰা হয়। সৰু সৰু উদ্যোগৰ/ব্যৱসায়ৰ উদ্যোগীসকলে যাৰ অধিক উদ্ভাৱন শক্তি থাকে, অন্য ব্যৱসায়ীসকলৰ তুলনাত অধিক বিপদাশংকাৰ মুখামুখি হয় আৰু সেই বিপদাংশ কাৰ বাবেই তেওঁলোকক বিশেষ ধৰণৰ পুঁজিৰ প্রয়োজন হয় আৰু ইয়ে বিশেষীকৃত ভেঞ্চাৰ মূলধন যোগানৰ উৎসৰ বিকাশ ঘটায়। কিছুমান

ভেঞ্চাৰ মূলধন ব্যৱসায় অংশীদাৰী ব্যৱসায় হিচাপে সংগঠিত, আন কিছুমান আনুষ্ঠানিক কোম্পানীৰ দৰে যেনে বিনিয়োগ কোম্পানী বা উন্নয়ন নিগমসমূহৰ দৰে। আমেৰিকান গৱেষণা আৰু উন্নয়ন নিগমে প্ৰথম বিনোয়োগ কোম্পানী হিচাপে বিত্তীয় বজাৰত সেৱা আগবঢ়াই আছে।

ভেঞ্চাৰ মূলধন হৈছে এটা দীৰ্ঘম্যাদী বিত্তীয় সেৱা যিটো ক্ষুদ্ৰ আয়তনৰ উদ্যোগ, উন্নত প্ৰযুক্তিবিদ্যা, আৰু বিপদশংকাযুক্ত উদ্যোগ বা ব্যৱসায়লৈ আগবঢ়োৱা হয়। ভেঞ্চাৰ মূলধন আগবঢ়োৱাসকলে ভৱিষ্যতে উচ্চ হাৰত ধন পোৱাৰ প্ৰতীক্ষাৰে বৃহৎ বিপদাশংকা লয় আৰু সেয়ে ভেঞ্চাৰ মূলধনক বিপদশংকাযুক্ত মূলধন বুলি জনা যায়। দ্ৰুতগতিত ব্যৱসায় পৰিসৰ বৃদ্ধি কৰিব বিচৰা নতুন উদ্যোগক প্ৰাথমিক পৰ্যায়ত বিত্তীয় সাহায্য আগবঢ়োৱাকে ভেঞ্চাৰ মূলধন বুলি কোৱা হয়। অৱশ্যে ভেঞ্চাৰ মূলধনে বীজ মূলধন, উৎপন্ন দ্ৰব্যৰ উন্নয়নৰ বাবে বিত্তৰ যোগান, বজাৰকৰণৰ ব্যয় বহন ইত্যাদি আটাইকে সাঙুৰি লয়। নতুন ব্যৱসায় ধাৰণা সংপৃক্ত তথা নতুন প্ৰযুক্তিবিদ্যা সংলগ্নিত ক্ষুদ্ৰ আয়নতৰ উদ্যোগ বা প্ৰতিষ্ঠান স্থাপনৰ বাবে মূলধন যোগান তথা অংশ ধাৰণৰ বাবে ভেঞ্চাৰ মূলধন দাতাসকলে প্ৰতিশ্ৰুতি দিয়ে। এইটো অতিকে ক্ষমতাশালী পদ্ধতি যাৰ দ্বাৰা নতুনত্ব বহনকাৰী উদ্যমিতাক শক্তিশালী ৰূপত প্ৰতিষ্ঠানিক ৰূপ দিয়া হয়। পৰম্পৰাগত বিত্ত যোগানৰ দ্বাৰা কেৱল ইতিমধ্যে প্ৰতিষ্ঠিত প্ৰক্ৰিয়া বা প্ৰযুক্তিতহে বিত্তৰ যোগান ধৰা হয়। অন্য অৰ্থত, পৰম্পৰাগত বিত্ত যোগানে ন্যূনতম বিনিয়োগ বিপদশংকাৰ ওফৰত চকু ৰাখে আৰু ই নিৰাপত্তাকেন্দ্ৰিক আৰু সম্পদভিত্তিক যিয়ে পৰম্পৰাগত পুঁজি যোগানৰ নিয়ম যেনে— দেনা-সমাংশ অনুপাত, প্ৰবর্তকৰ বৰঙনি, নিৰাপত্তা মার্জিন ইত্যাদি অনুসৰণ কৰে।

পৰম্পৰাগত বিত্তায়নৰ ক্ষেত্ৰত, পুঁজিসমূহ কিছুমান প্ৰতিভূতিৰ বিপৰীতে ধাৰে লোৱা হয়। এই ক্ষেত্ৰত ঋণৰ পৰিমাণটো বন্ধক হিচাপে দিয়া নিৰাপত্তাপত্ৰৰ মূল্য আৰু প্ৰকল্পটোৰ সৈতে থকা বিপদাশংকাৰ উচ্চ হ'লে ঋণৰ পৰিমাণ আৰু বিত্তায়নৰ সম্ভাৱনা কম হ'ব।

ভেঞ্চাৰ মূলধনে পৰম্পৰাগত বিত্তায়নৰ ওপৰোক্ত অসুবিধাসমূহ এৰাই চলে। ভেঞ্চাৰ মূলধন হৈছে বিত্তায়নৰ নতুন পদ্ধতি যিয়ে ব্যৱসায় আৰু উদ্যোগিক খণ্ডত এক নতুন বিপ্লৱৰ সূচনা কৰিবলৈ সক্ষম হৈছে। ই পৰম্পৰাগত বিত্তায়নৰ দৰে কেৱল প্ৰমাণিক প্ৰযুক্তি আৰু প্ৰতিষ্ঠিত বজাৰতে বিত্তৰ যোগান নধৰে। ই নতুন আৰু তৰুণ প্ৰতিষ্ঠানসমূহক বিত্তৰ যোগান ধৰে। ই বিপদশংকাযুক্ত উদ্যোগক স্থাপন তথা উন্নয়নৰ বাবে পুঁজিৰ যোগান ধৰে।

গতিকে ভেঞ্চাৰ মূলধনে সেইবোৰ প্ৰতিষ্ঠানক বিত্তৰ যোগান ধৰে যেনে গৱেষণা তথা উন্নয়নমূলক প্ৰকল্প, নতুন উদ্যোগী, উন্নত প্ৰযুক্তিবিদ্যা আৰু যিকোনো খণ্ডৰ পেছাচাৰী তথা প্ৰাযুক্তিক কাম-কাজত। ভেঞ্চাৰ মূলধনে যিকোনো ব্যৱসায়ীৰ ধাৰণাতে বিত্তৰ যোগান ধৰে তাত বিপদশংকা থাকক বা নাথাকক আৰু উদ্যোগীসকলৰ লগত অংশীদাৰ হিচাপে কার্য সম্পাদন কৰে। ইয়াক একধৰণৰ ইকুইটি বা সমাংশ মূলধন বুলি কোৱা হয় য'ত ভেঞ্চাৰ মূলধন দাতাসকলে মূলধনী লাভৰ দৰে প্ৰত্যাৱর্তন লাভ কৰে।

ভেঞ্চাৰ মূলধনে বিভিন্ন ক্ষেত্ৰত প্ৰধানকৈ বিপদাশংকা যুক্ত মূলধনী বজাৰত (উন্নত আৰু উন্নয়নশীল দেশসমূহৰ) এক বিশেষ ভূমিকা পালন কৰে। ই পৃথিৱীৰ বিভিন্ন প্ৰান্তত অত্যধিক জনপ্ৰিয় হৈ পৰিছে। কাৰণ ই সুবিশাল আৰু প্ৰবাহমান সম্ভাৱনাসমূহ অন্বেষণৰ দ্বাৰা উদ্যোগিক উন্নয়ন অবাঞ্ছিত কৰাত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ই তলত দিয়া মুখ্য কাৰ্যসমূহৰ দ্বাৰা এই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে ঃ

- ভেঞ্চাৰ মূলধনে নতুন প্ৰতিষ্ঠান তথা নতুন উন্নত প্ৰযুক্তিবিদ্যাৰ ওপৰত ভিত্তি কৰি নতুন উদ্যোগক বিত্ত আৰু দক্ষতাৰ যোগান ধৰে। ভেঞ্চাৰ মূলধনদাতাসকলে বিশেষীকৃত সেৱা যেনে— কাৰিকৰী, বাণিজ্যিক, পৰিচালনগত, বিত্তীয় আৰু উদ্যোগী ইত্যাদি সেৱা আগবঢ়ায়।
- ই প্ৰতিষ্ঠিত ব্যৱসায় এটাই সম্পাদন কৰা প্ৰকাশ্য আয়তনৰ কাৰ্যকলাপৰ ধৰণে নতুন ব্যৱসায় এটা কৃতকাৰ্যতাৰে প্ৰতিষ্ঠা কৰোতে প্ৰয়োজন হোৱা সমাংশৰ পৰিমাণৰ সম্পৰ্কত মালিকৰ পুঁজিৰ শূন্যতা পূৰণ কৰে।
- প্ৰাপ্য বিত্তায়নৰ সৈতে ব্যৱসায় প্ৰতিষ্ঠানৰ সঠিক আৰু পৰ্যাপ্ত বাণিজ্যিক বেংকিং চাবৰ বাবেও ই সেৱা আগবঢ়োৱা।
- ই উদ্যোগীসকলক অৱস্থান নিৰ্দেশ কৰা, সাক্ষাৎকাৰ লোৱা ব্যৱসায় পৰিচালনাত সফল আৰু নিপুণ ব্যক্তিক নিয়োগ কৰা ইত্যাদি কামটো সহায় কৰে।

৬.৯ ভেঞ্চাৰ মূলধনৰ উৎসসমূহ

ভাৰতবৰ্ষ, ১৯৮৬ চনত ভাৰত চৰকাৰে উদ্যোগিক উন্নয়ন বেংকৰ পৰিচালনাত প্ৰাৰম্ভিক ১০ কোটি টকাৰে ভেঞ্চাৰ মূলধনৰ সেৱাৰ আৰম্ভ কৰিছিল। আন এটা ভেঞ্চাৰ মূলধন কোম্পানী যাক বিপদাশংকা মূলধন আৰু প্ৰযুক্তিবিদ্যা বিত্ত নিগম (RCTFC) ঔদ্যোগিক বিত্ত নিগমৰ দ্বাৰা ১৯৮৮ চনত স্থাপন কৰা হৈছিল।

উন্নয়ন দেশবোৰৰ দৰে ভাৰতবৰ্ষত ভেঞ্চাৰ মূলধন দাতাসকলে বিপদাশংকাযুক্ত ধাৰণা বা প্ৰযুক্তিবিদ্যাত বিত্তায়ন কৰিব নোৱাৰে। ভাৰতীয় প্ৰযুক্তিবিদ্যাৰ গাঁথনিটো সাধাৰণতে বৈদেশিক সহযোগী ধৰণৰ। আনকি, অৰ্থনৈতিক পৰিৱেশেও অত্যধিক বিত্তায়ন, ভেঞ্চাৰ মূলধনদাতাৰ দ্বাৰা পেছাদাৰী বা প্ৰযুক্তিবিদৰ সমৰ্থন ইত্যাদি গ্ৰাহ্য নকৰে। ভাৰতবৰ্ষত ভেঞ্চাৰ মূলধনে সাধাৰণতে ক্ষুদ্ৰ আয়তনৰ প্ৰতিষ্ঠানকে বিত্তৰ যোগান ধৰে। বিভিন্ন ধৰণৰ পৃষ্ঠপোষকতাকাৰী প্ৰতিষ্ঠানে ভেঞ্চাৰ মূলধনৰ ধাৰণাটো সমৰ্থনৰ লগতে উৎসাহিত কৰি আছে। সেইবোৰ হ'ল—


- জি আই আই চি (GVFL)ৰ অধীনত গুজৰাট ভি ফাইনেঞ্চ লিমিটেড (GVFL) আৰু এ পি এছ ই চি (APSEC)ৰ অধীনত অন্ধ্ৰপ্ৰদেশ ভেঞ্চাৰ কেপিটেল লিমিটেড (APVCL)।
- ৰাজস্থৱা খণ্ডৰ বেংক ভেঞ্চাৰ মূলধন অধীনস্থ কোম্পানী যেনে কেনফিনা আৰু এছ বি আই কেপচ্ (SBI caps)।
- বৈদেশিক আৰু ব্যক্তিগত বেংক ভেঞ্চাৰ মূলধন প্ৰতিষ্ঠান যেনে ইনদাচ ভেঞ্চাৰ মূলধন

পুঁজি, ক্রেডিট কেপিটেল ভেঞ্চাৰ ফাণ্ড, গ্রিনলেচ ইণ্ডিয়া ডেভেলপমেণ্ট ফাণ্ড। ভাৰতবর্ষত ভেঞ্চাৰ মূলধনৰ বিত্তায়ন হ'ল এটা দশকৰ পুৰণি ধাৰণা। সি যি কি নহওক, মূল ভেঞ্চাৰ মূলধনৰ জৰিয়তে কৰা বিত্তায়নৰ ফলত বিভিন্ন ধৰণৰ বৃহৎ প্রকল্প স্থাপন হৈছে যেনে—

- মাচটেক অব্ মুম্বাই
- ৰেডিফ কম অব্ মুম্বাই
- মাইক্র'লেণ্ড অব্ বেংগালুৰু
- পাৰাৰ টেল বকা অব্ বেংগালুৰু
- ইণ্ডিগ' অব্ মাদ্রাজ
- ভেলু চফ্টৰেৰ অব্ মাদ্রাজ।

ভাৰতবর্ষত প্রায় ৩০টা ভেঞ্চাৰ মূলধন পুঁজি আছে যিয়ে প্রায় ৫০০০ কোটি টকা বিনিয়োগ কৰিছে। এইবোৰৰ অধিকাংশই বিত্তীয় প্রতিষ্ঠান আৰু বেংকসমূহে আগবঢ়াই আছে। প্রায় ৪৫০-৫০০ কোম্পানী এই ভেঞ্চাৰ মূলধন পুঁজিৰ পৰা উপকৃত হৈ আহিছে।

- সর্বভাৰতীয় উন্নয়ন বিত্তীয় প্রতিষ্ঠানসমূহৰ দ্বাৰা পৰিচালিত ভেঞ্চাৰ মূলধনৰ প্রতিষ্ঠানসমূহ হ'ল—
  - আই এফ চি আই (IFCI)ৰ অধীনস্থ ৰিক্স কেপিটেল এণ্ড টেকন'ল'জি ফাইনেঞ্চ ক'ৰপৰেছন লিমিটেড (RCTC)।
  - আই ডি বি আই (IDBI)ৰ অধীনস্থ ৰিক্স কেপিটেল ফাণ্ড।
  - আই চি আই চি আই (ICICI)ৰ অধীনস্থ টেকন'ল'জি ডেভেলপমেণ্ট এণ্ড ইনফৰমেছন ক'ৰপৰেছন অব্ ইণ্ডিয়া লিমিটেড (TDICI)।
- কর্ণাটক ৰাজ্যিক উদ্যোগিক বিনিয়োগ উন্নয়ন নিগম আৰু ক্ষুদ্র উদ্যোগিক উন্নয়ন বেংকৰ ২৫ ঃ ২৫ ঃ ৫০ অনুপাতে পৰিচালিত কর্ণাটক তথ্য প্রযুক্তি ভেঞ্চাৰ মূলধন পুঁজি (KITVCF)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ভেঞ্চাৰ মূলধন মানে কি?

(৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

৬.১০ ভেঞ্চাৰ মূলধন লাভ কৰাৰ বাবে প্ৰয়োজন হোৱা নথিপত্ৰসমূহ

- **প্ৰকল্প প্ৰতিবেদন**

প্ৰকল্প প্ৰতিবেদন এটা আত্মব্যাখ্যাকাৰী নথি হোৱা উচিত। যাৰ ধনাত্মক সঁহাৰি আহ্বান কৰাৰ সক্ষমতা থাকে।

প্ৰকল্প প্ৰতিবেদন এটাত প্ৰকল্প এটাৰ বিষয়ে তলত দিয়া তথ্যসমূহ সন্নিৱিষ্ট কৰিব লাগে ঃ


- প্ৰতিষ্ঠানটোৰ নাম
- প্ৰতিষ্ঠানটোৰ ঠিকনা
- উৎপাদন কৰিব লোৱা দ্ৰব্যৰ বিৱৰণ
- উৎপাদনৰ লক্ষ্য মাহেকীয়া, ত্ৰৈমাসিক আৰু বাৰ্ষিক
- ব্যৱহাৰ কৰিব লগা প্ৰধান কেঁচা সামগ্ৰী।
- কৰ্মশালাই আৱৰা অঞ্চল বৰ্গমিটাৰ।
- শক্তিৰ প্ৰয়োজনীয়তা - ঘোৰাশক্তি, কিলোৱাৰ্ট।
- নিয়োগ দক্ষ আৰু অদক্ষ শ্ৰমিকৰ সংখ্যা।
- প্ৰকল্পৰ ব্যয় ঃ
  - স্থায়ী মূলধন
  - কাৰ্যকৰী মূলধন
  - দুয়োটা মূলধনৰ মুঠ পৰিমাণ
- মাহেকীয়া, ত্ৰিমাসিক বা বাৰ্ষিক বিক্ৰীৰ পৰা আশা কৰা বিক্ৰী।
- আশা কৰা লাভ (মুঠ) আৰু প্ৰত্যাশিত বিক্ৰী বা মূলধন বিনিয়োগৰ শতাংশ হিচাপে প্ৰত্যাশিত লাভ।
- ব্ৰেক ইভেন পইণ্ট আৰু তালিকা।
- গৰ্ভভাৱন কাল ইত্যাদি (Gestation)

- **প্ৰৱৰ্তকৰ বিৱৰণ**

প্ৰৱৰ্তকৰ শিক্ষাগত আৰু ব্যৱসায়িক অভিজ্ঞতাৰ লগতে সম্পত্তি আৰু দেনাৰ লগত সম্পৰ্কিত তথ্যসমূহ দিব লাগিব।

- ভূমিৰ নথিপত্ৰ
- সম্পৰ্কিত কৰ্তৃত্বৰ পৰা উৎপন্ন দ্ৰব্য আৰু প্ৰযুক্তিবিদ্যাৰ বিষয়ে আপত্তিবিহীন প্ৰমাণপত্ৰ।
- বজাৰ সমীক্ষাৰ প্ৰতিবেদন।
- আহিলা আৰু যন্ত্ৰপাতিৰ উৎসৰ বিৱৰণ যেনে স্থানীয় বা আমদানিকৃত।
- কেঁচা সামগ্ৰীৰ বিশদ উৎস
- বিভিন্ন ধৰণৰ দ্ৰব্যৰ পৰিমাণ
- পৰামৰ্শদাতা আৰু একত্ৰিত বজাৰকৰণ সংগঠনৰ বিৱৰণ।

- প্ৰৱর্তক আয়কৰ পৰিশোধৰ প্ৰমাণপত্ৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ভেঞ্চাৰ মূলধনৰ দুটা উৎসৰ নাম লিখক।

(১) .....

(২) .....

প্ৰশ্ন নং ৬ ঃ ভেঞ্চাৰ মূলধন লাভ কৰাৰ বাবে প্ৰয়োজন হোৱা তিনিটা নথি-পত্ৰৰ নাম লিখক।

(১) .....

(২) .....

(৩) .....



৬.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰবর্তন মানে হ'ল প্ৰবর্তন কৰা বা আৰম্ভ কৰা বা উদ্যোগ এটা উন্নীত কৰা কার্য।
- নতুন উদ্যোগ এটা প্ৰবর্তন কৰোতে অৱলম্বন কৰা বিভিন্ন ধৰণৰ পদক্ষেপবোৰ হ'ল ব্যৱসায় সুযোগ চিনাক্তকৰণ, ব্যৱসায় পৰিকল্পনা প্ৰস্তুতকৰণ, প্ৰয়োজনীয় আহিলা সংগঠিত কৰা, প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা আৰু সক্ৰিয় হোৱা।
- নতুন উদ্যোগ এটা স্থাপন কৰোতে বিভিন্ন ধৰণৰ বাহ্যিক পাৰিৱেশিক কাৰকসমূহ সঠিকভাৱে বিশ্লেষণ কৰিব লাগে।
- নতুন ব্যৱসায় গোট এটা স্থাপন কৰোতে প্ৰয়োজন হোৱা কার্যপ্ৰণালীৰ সংখ্যা যদিও চৰকাৰে হ্ৰাস কৰিছে তথাপিও এতিয়াও কিছুমান বিধিগত আনুষ্ঠানিকতাৰ অতি প্ৰয়োজন।
- ক্ষুদ্ৰ আয়তনৰ প্ৰতিষ্ঠান, উন্নত প্ৰযুক্তিবিদ্যা আৰু বিপদশংকাযুক্ত উদ্যোগসমূহক ভেঞ্চাৰ মূলধন দীর্ঘ সময়ৰ বাবে বিত্তীয় সাহায্যৰ যোগান ধৰে।
- ভেঞ্চাৰ মূলধনে সুবিশাল আৰু প্ৰবাহমান সম্ভাৱনাসমূহ অন্বেষণৰ দ্বাৰা উদ্যোগিক উন্নয়ন ত্বৰান্বিত কৰাত তাৎপর্যপূর্ণ ভূমিকা পালন কৰি আহিছে।
- বিভিন্নধৰণৰ বিশেষীকৃত বিত্তীয় প্ৰতিষ্ঠানবোৰ হ'ল ভেঞ্চাৰ মূলধনৰ গুৰুত্বপূর্ণ উৎস।
- ভেঞ্চাৰ মূলধন দাতাসকলে নতুন উদ্যোগসমূহক নির্দিষ্ট কিছুমান গুৰুত্বপূর্ণ নথিপত্ৰ যেনে— প্ৰকল্প প্ৰতিবেদন আৰু প্ৰবর্তকৰ বিৱৰণ ইত্যাদি দাখিল কৰা সাপেক্ষে ভেঞ্চাৰ মূলধন যোগান ধৰে।



৬.১২ অধিক জানিবলৈ

১) Pathak R.K., Kalwar M.C., Business Organisation And Entrepreneurship Development.

২) Gordon E., Natarajan K., Entrepreneurship Development.

৬.১৩ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (১) সামাজিক আৰু অৰ্থনৈতিক গতিধাৰা।

(২) বাণিজ্য মেলা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (১) ভীতি প্ৰদৰ্শন আৰু বিপদাশংকা প্ৰতিৰোধ কৰিবলৈ আগতীয়া সতৰ্কবাণী।

(২) সঠিক পূৰ্বানুমানত সহায় কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (১) অৰ্থনৈতিক কাৰক

(২) সামাজিক কাৰক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভেঞ্চাৰ মূলধন হ'ল দীৰ্ঘম্যাদী বিত্তীয় সাহাৰ্য্য যাক বিপদশংকা মূলধন বুলিও জনা যায়। ইয়াক উন্নত প্ৰযুক্তিবিদ্যা আৰু বিপদ শংকাযুক্ত উদ্যোগলৈ যোগান ধৰা হয়। ই পুঁজিৰ যোগানৰ উপৰিও কিছুমান বিশেষীকৃত সেৱা যেনে— কাৰিকৰী, বাণিজ্যিক, পৰিচালনীয় ইত্যাদি সেৱা আগবঢ়ায়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (১) এছ বি আই কেপচ (SBI Caps)

(২) ইনদাছ ভেঞ্চাৰ কেপিটেল (Indus Venture Capital)

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (১) প্ৰকল্প প্ৰতিবেদন (২) ভূমি নথিপত্ৰ (৩) বজাৰ সমীক্ষা প্ৰতিবেদন।



৬.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ উদ্যোগৰ প্ৰবৰ্তন মানে কি বুজে?

প্ৰশ্ন ২ ঃ ব্যৱসায়ৰ সুযোগ চিনাক্তকৰণত অবলম্বন কৰা পদক্ষেপবোৰ কি কি?

প্ৰশ্ন ৩ ঃ নতুন উদ্যোগ এটা প্ৰবৰ্তন কৰোতে প্ৰভাৱান্বিত কৰা কাৰকবোৰ কি কি?

প্রশ্ন ৪ ঃ নতুন উদ্যোগ এটা প্রবর্তন কৰোতে প্রভাব পেলোৱা অর্থনৈতিক আৰু কাৰিকৰী কাৰকবোৰৰ প্রভাব ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ নতুন ব্যৱসায় গোট এটা স্থাপন কৰোতে কি কি বিধিগত নথিপত্র লাগে?

প্রশ্ন ৬ ঃ ভেঞ্চাৰ মূলধন মানে কি? ইয়াৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্রশ্ন ৭ ঃ ভাৰতবর্ষত ভেঞ্চাৰ মূলধনৰ বিভিন্ন ধৰণৰ উৎসসমূহ কি কি?

প্রশ্ন ৮ ঃ ভেঞ্চাৰ মূলধন লাভ কৰিবলৈ কি কি নথিপত্রৰ প্রয়োজন হয়?

*** ***** ***

অধ্যায় ৭ ঃ ব্যৱসায়ৰ প্ৰস্তাৱ প্ৰস্তুতকৰণ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ব্যৱসায়ৰ প্ৰস্তাৱ প্ৰস্তুতকৰণৰ গুৰুত্ব
৭.৪ ব্যৱসায়ৰ প্ৰস্তাৱৰ সূচী
৭.৫ ব্যৱসায়ৰ প্ৰস্তাৱৰ আৰ্হি
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্ৰগতিৰ খতিয়ান
৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ব্যৱসায়ৰ প্ৰস্তাৱৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- ব্যৱসায়ৰ প্ৰস্তাৱৰ সূচীবিলাকৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ব্যৱসায়ৰ প্ৰস্তাৱৰ আৰ্হি ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

প্ৰস্তাৱবিলাক হৈছে উমৈহতীয়া ধৰণৰ কিছুমান গুৰুত্বপূৰ্ণ তথ্য যিবিলাক ব্যৱসায়ত প্ৰস্তুত কৰিবলগীয়া হয়। এই তথ্যবিলাকৰ প্ৰকৃতি চিত্তাকৰ্ষক; প্ৰস্তাৱবিলাকৰ জৰিয়তে লিখকৰ প্ৰস্তাৱিত ধাৰণা পাঠকক গ্ৰহণ কৰিবলৈ আকৰ্ষণ কৰা হয়; অগ্ৰগতিৰ তথ্যই পাঠকক এই বুলি আশ্বস্ত কৰে যে প্ৰকল্পটো সময় সাপেক্ষ হৈছে আৰু বাজেট অনুসৰি প্ৰস্তুত কৰা হৈছে, অথবা আৰম্ভণিতে গ্ৰহণ কৰা পৰিকল্পনা অনুসৰি কাম কিয় হৈ উঠা নাই সেই সম্পৰ্কে যুক্তিসহকাৰে ব্যাখ্যা কৰা হয়।


কাৰিকৰী দিশৰ পৰা একোটা প্ৰস্তাৱ হৈছে এবিধ নথি, যি পাঠকক প্ৰস্তাৱিত প্ৰকল্প প্ৰয়োগ কৰিবলৈ আকৰ্ষণ কৰে অথবা একোটা প্ৰস্তাৱিত প্ৰকল্প অনুমোদন কৰিবলৈ উৎসাহিত কৰে। অধিকাংশ ব্যৱসায়ীয়ে নিজৰ ব্যৱসায়িক কাম-কাজ সফলতাৰে সম্পন্ন হোৱাটো নিশ্চিত কৰিবলৈ ফলপ্ৰসু প্ৰস্তাৱ লিখনৰ ওপৰত নিৰ্ভৰ কৰে আৰু এনেকৈয়ে নতুন চুক্তি সম্পন্ন কৰে। লিখকে পাঠকক এইবুলি বিশ্বাস জন্মাবলৈ যত্ন কৰে যে প্ৰস্তাৱিত প্ৰকল্প অথবা পৰিকল্পনাটো লাভজনক (প্ৰয়োগ কৰিবলৈ অথবা কাম-কাজ চলাবলৈ প্ৰয়োজন হোৱা সময়, শক্তি আৰু

ব্যয়ৰ ক্ষেত্ৰত সুচল), লিখকে প্ৰস্তাৱিত ধাৰণা প্ৰয়োগৰ বাবে সৰ্বোত্তম পন্থা দাঙি ধৰিছে আৰু ই স্পৰ্শযোগ্য মুনাফা আনি দিব।

৭.৩ ব্যৱসায়ৰ প্ৰস্তাৱ প্ৰস্তুতকৰণৰ গুৰুত্ব

ব্যৱসায়ৰ প্ৰস্তাৱ প্ৰস্তুতকৰণৰ গুৰুত্ববিলাক তলত দিয়া হ'ল ঃ

- ব্যৱসায়ৰ প্ৰস্তাৱ হৈছে ব্যৱসায়ৰ উন্নতিৰ মানচিত্ৰস্বৰূপ। কিয়নো ই
  - ➢ কোম্পানীৰ দৃষ্টিভংগী সংজ্ঞাবদ্ধ কৰে।
  - ➢ কোম্পানীৰ ৰণকৌশল প্ৰতিষ্ঠা কৰে।
  - ➢ কেনেকৈ ৰণকৌশল প্ৰয়োগ কৰা হ'ব সেয়া বৰ্ণনা কৰে।
  - ➢ প্ৰধান বিষয়বিলাকৰ বিশ্লেষণৰ বাবে একোটা গাঁথনি প্ৰদান কৰে।
  - ➢ ব্যৱসায়ৰ উন্নতিৰ বাবে একোটা পৰিকল্পনা প্ৰদান কৰে।
  - ➢ এটা জোখ-মাখ আৰু নিয়ন্ত্ৰণৰ আহিলা।
  - ➢ উদ্যোগিক বাস্তৱসন্মত হ'বলৈ আৰু পৰীক্ষা কৰোতে তত্ব প্ৰয়োগ কৰিবলৈ সহায় কৰে।
- ব্যৱসায়ৰ পৰিকল্পনা হৈছে একোটা কোম্পানীৰ বাহিৰত থকা লোকসকলক বিত্তৰ যোগানৰ বাবে শক্তিশালী উৎস হিচাপে বৰ্ণনা কৰাৰ লগতে প্ৰধান কৰ্মচাৰীসকলৰ মকৰলত প্ৰধান পদ্ধতি হিচাপে অৱলম্বন কৰা হয়। ই বাহিৰৰ পক্ষবিলাকক কোম্পানীৰ বৰ্তমানৰ স্থিতি বুজি পোৱাত সহায় কৰাৰ লগতে কোম্পানীৰ সম্ভাৱনাবিলাক আৰু সম্পদৰ প্ৰয়োজনীয়তাবিলাক যেনে মূলধন আৰু কৰ্মচাৰী আদিৰ ক্ষেত্ৰত সঠিক উপলব্ধি কৰাত সহায় কৰে। ই লগতে ব্যৱসায়ৰ সঠিক মূল্যায়ন কৰাত প্ৰয়োজনীয় সম্পূৰ্ণ উৎসবিলাক প্ৰদান কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১। প্ৰস্তাৱৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন ২। ব্যৱসায়ৰ প্ৰস্তাৱৰ গুৰুত্ব উল্লেখ কৰক।

.....

.....

৭.৪ ব্যৱসায়ৰ প্ৰস্তাৱৰ সূচী

ব্যৱসায়ৰ প্ৰস্তাৱৰ সূচীবিলাক হৈছে ঃ

পৰিচয় ঃ প্ৰস্তাৱৰ পৰিচয়ৰ পৰিকল্পনা কৰে। ইয়াত গোটেই প্ৰকল্পটোৰ সূচী অন্তৰ্ভুক্ত থাকে আৰু ব্যৱসায়ৰ এটা অৱলোকন কৰা হয়।

সমস্যা, সুযোগ অথবা পৰিস্থিতিৰ পটভূমি ঃ পৰিচয়ৰ ঠিক পিছতেই পটভূমি শাখাটোৰ ওপৰত আলোচনা কৰা হয় যিটো প্ৰকল্পৰ ক্ষেত্ৰত প্ৰয়োজন হিচাপে বিবেচিত হৈছে — ইয়াত বিভিন্ন সমস্যাৰ লগতে কাম-কাজ উন্নত কৰিবলৈ থকা সুযোগ আৰু প্ৰাথমিক পৰিস্থিতি সন্দৰ্ভত বিশ্লেষণ কৰা হয়।


প্ৰস্তাৱিত প্ৰকল্পৰ মুনাফা আৰু কাৰ্যকাৰিতা ঃ অধিকাংশ প্ৰকল্পতে প্ৰস্তাৱিত প্ৰকল্প সম্পূৰ্ণ কৰাৰ মুনাফাবিলাক অৰ্থাৎ সুযোগ সুবিধাবিলাক আলোচনা কৰা হয়। ই প্ৰকল্পক অনুমোদন জনোৱাৰ ক্ষেত্ৰত এক ধৰণৰ যুক্তিনিৰ্ভৰ আলোচনা হিচাপে কাম কৰে। লগতে, কিছুমান প্ৰকল্পত প্ৰকল্পৰ সফলতাৰ দিশবিলাকো আলোচনা কৰা হয়।

প্ৰস্তাৱিত কামৰ বিৱৰণ (প্ৰকল্পৰ পৰিণতি) ঃ অধিকাংশ প্ৰস্তাৱতেই প্ৰস্তাৱিত প্ৰকল্পৰ সম্পূৰ্ণ সামগ্ৰী (finished product) ৰ বিষয়ে আলোচনা কৰা হয়। ইয়াৰ অৰ্থ হৈছে প্ৰস্তাৱৰ বিষয়ে বৰ্ণনা কৰা, একোটা সফলতা দাঙি ধৰা আৰু ইয়াৰ কাম-কাজৰ পৰিক্ৰমা, ৰেখাচিত্ৰ, দায়বদ্ধতা ইত্যাদিৰ বিষয়ে আলোচনা কৰা হয়।

পদ্ধতি, প্ৰক্ৰিয়া, তত্ব ঃ কিছুমান প্ৰস্তাৱত প্ৰস্তাৱিত কামৰ পদ্ধতি ব্যাখ্যা কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰে। ই অতিৰিক্ত আকৰ্ষণৰ উপাদান হিচাপে কাম কৰে; ই পাঠকক এইটো দেখুৱায় যে প্ৰস্তাৱটোৰ এটা শক্তিশালী, চিন্তনীয় পদক্ষেপ আছে। লগতে ই এই কথাও প্ৰতিপন্ন কৰিব বিচাৰে যে প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ উল্লিখিত ব্যৱসায়ৰ ক্ষেত্ৰজ্ঞান নথকা নহয়।

সূচী ঃ অধিকাংশ প্ৰস্তাৱতে একোটা অনুচ্ছেদ থাকে, য'ত প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ তাৰিখেই কেৱল উল্লেখ নাথাকে, বৰঞ্চ প্ৰকল্পৰ প্ৰধান মাইলৰ খুঁটিবিলাক দেখুওৱা হয়। যদি একোটা ব্যৱসায়ে ডাঙৰ প্ৰকল্প হাতত লয়, যিটো কেইবা মাহলৈকে প্ৰসাৰিত, তেতিয়া সময় ৰেখাত নিশ্চিতভাৱে অগ্ৰগতিৰ খতিয়ানবিলাক দেখুওৱাৰ তাৰিখ উল্লেখ থাকিব।

প্ৰয়োজনীয় ব্যয়, সম্পদ ঃ অধিকাংশ প্ৰকল্পত লগতে এনে এটা অনুচ্ছেদো সন্নিৰিষ্ট কৰা হয় য'ত প্ৰকল্পৰ সমুদায় খৰচৰ সবিশেষ বৰ্ণনা কৰা হয়, সেই খৰচ আভ্যন্তৰীণ অথবা বাহ্যিক যিকোনো হ'ব পাৰে। প্ৰকল্পৰ প্ৰস্তাৱত সম্পূৰ্ণ প্ৰকল্পৰ মুঠ ব্যয় উল্লেখ থকা দৰকাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩। ব্যৱসায়ৰ প্ৰস্তাৱৰ যিকোনো দুটা সূচী উল্লেখ কৰক।

.....

.....

৭.৫ ব্যৱসায়ৰ প্ৰস্তাৱৰ আৰ্হি

ব্যৱসায়ৰ প্ৰস্তাৱৰ আৰ্হি প্ৰস্তুত কৰিবৰ বাবে তলত দিয়া কাৰকবিলাক বিবেচনা কৰা দৰকাৰ ঃ

- **তথ্য সংগ্ৰহ**

  যেতিয়া একোটা ব্যৱসায়ৰ সুযোগ উপলব্ধ হয়, তেতিয়া ব্যৱসায়ীজনে যিমান পাৰি সোনকালে উক্ত ব্যৱসায়ৰ প্ৰস্তাৱ প্ৰেৰণ হোৱাটো বিচাৰে। ব্যৱসায়ীজনে যেতিয়া ইয়াক সোনকালে প্ৰেৰণ কৰাটো বিচাৰে, তেতিয়া তেওঁ সহায় কৰোতাৰ (client) বিষয়ে জানিবলৈ কিছু সময় লয় আৰু গ্ৰহণযোগ্য হোৱাকৈ এটা প্ৰস্তাৱ গঠন কৰোতে প্ৰথমতে প্ৰকল্পৰ বিষয়ে সবিশেষ জানি লয়। ই উল্লিখিত প্ৰস্তাৱত প্ৰধান উপাদানবিলাক অন্তৰ্ভুক্ত কৰাত সহায় কৰিব আৰু এটা অধিক কাৰ্যকৰী আৰু ফলপ্ৰসু প্ৰস্তাৱ গঠন কৰাত সহায় কৰিব।

- **প্ৰকল্পৰ উদ্দেশ্য আৰু পৰিসৰ সংজ্ঞায়িত কৰা**


  প্ৰকল্পৰ পৰিসৰ আৰু উদ্দেশ্যাৱলী নিশ্চিতভাৱে প্ৰথমেই সংজ্ঞায়িত হ'ব লাগে। উদ্দেশ্যবিলাকৰ বিষয়ে জনাটো গুৰুত্বপূৰ্ণ কথা যাতে প্ৰস্তাৱ প্ৰস্তুত কৰোতে কামত দিয়ে। ই প্ৰকল্পক সাকাৰ ৰূপ দিয়াত সহায় কৰে। প্ৰস্তাৱৰ পৰিচয় অংশত অথবা কাম-কাজৰ সাংৰাশত উদ্দেশ্যাৱলীৰ বিষয়ে উল্লেখ কৰাটো সুবিধাজনক।

- **শ্ৰম আৰু ব্যয়ৰ হিচাব**

  ব্যৱসায়ত প্ৰকল্পৰ ব্যয় বিবেচনা কৰা দৰকাৰ — আৰু এনেদৰে, সহায় কৰোতাৰ ওপৰত কিমান মাচুল আৰোপ কৰা হ'ব সেই কথা নিৰ্ণয় কৰা হয়। বহুতো ব্যৱসায়ীয়ে তেওঁলোকৰ শ্ৰমৰ ব্যয় হিচাপ কৰি উলিয়াবলৈ একোটা সহজ সূত্ৰ প্ৰয়োগ কৰে।

- **আপোনাৰ ব্যৱসায়ৰ প্ৰস্তাৱৰ খচৰা কেনেকৈ আৰম্ভ কৰিব**

  এই পৰ্যায়ত প্ৰস্তাৱৰ প্ৰকৃত নথি-পত্ৰবিলাকৰ খচৰা প্ৰস্তুত কৰা হয়। প্ৰস্তাৱবিলাকত একোটা শিথিল সূত্ৰ অনুসৰণ কৰিব বিচৰা হয়। প্ৰস্তাৱবিলাক একোটা পৰিচয়ৰে আৰম্ভ কৰা হয়, য'ত ব্যৱসায় আৰু প্ৰকল্পৰ সাৰাংশ থাকে, ইয়াৰ পিছতে এখন সমিতিৰ কথা উল্লেখ থাকে য'ত সকলোৰে সবিশেষ দিয়া থাকে, তেওঁলোকৰ কাম-কাজৰ বিষয়েও উল্লেখ থাকে আৰু এটা সামৰণি থাকে য'ত কেনেকৈ আগবাঢ়িব লাগে সেই কথা গ্ৰাহকক কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪। একোটা ব্যৱসায়ৰ প্ৰস্তাৱৰ আৰ্হি প্ৰস্তুত কৰোতে বিবেচনা কৰিবলগীয়া যিকোনো তিনিটা কাৰক উল্লেখ কৰক।

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- কাৰিকৰী দিশৰ পৰা একোটা প্ৰস্তাৱ হৈছে এবিধ নথি, যি পাঠকক প্ৰস্তাৱিত প্ৰকল্প প্ৰয়োগ কৰিবলৈ আকৰ্ষণ কৰে অথবা একোটা প্ৰস্তাৱিত প্ৰকল্প অনুমোদন কৰিবলৈ উৎসাহিত কৰে।
- ব্যৱসায়ৰ প্ৰস্তাৱ হৈছে ব্যৱসায়ৰ উন্নতিৰ মানচিত্ৰস্বৰূপ।
- ব্যৱসায়ৰ প্ৰস্তাৱৰ সূচীবিলাক হৈছে ঃ পৰিচয়; সমস্যা, সুযোগ অথবা পৰিস্থিতিৰ পটভূমি; প্ৰস্তাৱিত প্ৰকল্পৰ মুনাফা আৰু কাৰ্যকাৰিতা; প্ৰস্তাৱিত কামৰ বিৱৰণ (প্ৰকল্পৰ পৰিণতি); পদ্ধতি, প্ৰক্ৰিয়া, তত্ব; সূচী; প্ৰয়োজনীয় ব্যয়, সম্পদ।
- একোটা ব্যৱসায়ৰ প্ৰস্তাৱৰ আৰ্হি প্ৰস্তুত কৰিবৰ বাবে বিবেচনা কৰিবলগীয়া কাৰকবিলাক হৈছে — তথ্য সংগ্ৰহ, প্ৰকল্পৰ উদ্দেশ্যাৱলী আৰু পৰিসৰ সংজ্ঞায়িত কৰা, শ্ৰম আৰু ব্যয়ৰ হিচাব কৰা।



৭.৭ অধিক জানিবলৈ

1) https://pressbooks.bccampus.ca/technicalwriting/chapter/proposals/
2) https://fitsmallbusiness.com/how-to-write-a-business-proposal/
3) https://openpress.usask.ca/entrepreneurshipandinnovationtoolkit/chapter/chapter-5-business-planning/

৭.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ কাৰিকৰী দিশৰ পৰা একোটা প্ৰস্তাৱ হৈছে এবিধ নথি, যি পাঠকক প্ৰস্তাৱিত প্ৰকল্প প্ৰয়োগ কৰিবলৈ আকৰ্ষণ কৰে অথবা একোটা প্ৰস্তাৱিত প্ৰকল্প অনুমোদন কৰিবলৈ উৎসাহিত কৰে।

২নং প্ৰশ্নৰ উত্তৰ ঃ

- ব্যৱসায়ৰ প্ৰস্তাৱত কোম্পানীৰ দৃষ্টিভংগী সংজ্ঞায়িত কৰা হয়, কোম্পানীৰ ৰণকৌশল প্ৰতিষ্ঠা কৰা হয়।

- ব্যৱসায়ৰ পৰিকল্পনা হৈছে ব্যৱসায়ৰ বাহিৰত থকা লোকসকলক কোম্পানীৰ কিছুমান তথ্য যেনে ঃ পুঁজি যোগানৰ বাবে থকা শক্তিশালী উৎস আৰু নিযুক্ত প্ৰধান কৰ্মচাৰী আদিৰ বৰ্ণনা কৰা প্ৰধান পদ্ধতি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ

- পৰিচয়
- প্ৰস্তাৱিত প্ৰকল্পৰ মুনাফা আৰু কাৰ্যকাৰিতা

৪নং প্ৰশ্নৰ উত্তৰ ঃ

- তথ্য সংগ্ৰহ
- প্ৰকল্পৰ উদ্দেশ্যাৱলী আৰু পৰিসৰ সংজ্ঞায়িত কৰা
- শ্ৰম আৰু ব্যয়ৰ হিচাব কৰা



৭.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১। ব্যৱসায়ৰ প্ৰস্তাৱৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২। ব্যৱসায়ৰ প্ৰস্তাৱৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩। ব্যৱসায়ৰ প্ৰকল্পৰ একোটা আৰ্হি প্ৰস্তুত কৰোতে বিবেচনা কৰিবলগীয়া কাৰকবিলাকৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ ঔদ্যোগিক মূলধন

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ঔদ্যোগিক মূলধনৰ ধাৰণা
৮.৪ ঔদ্যোগিক মূলধনৰ গুৰুত্ব
৮.৫ ঔদ্যোগিক পুঁজিপতিসকলৰ কার্যাৱলী
৮.৬ ঔদ্যোগিক মূলধনৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য
৮.৭ ঔদ্যোগিক মূলধনৰ সুবিধা
৮.৮ ঔদ্যোগিক মূলধনৰ আহিলা
৮.৯ বেংক আৰু ঔদ্যোগিক মূলধন
৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১১ অধিক জানিবলৈ
৮.১২ অগ্রগতিৰ খতিয়ান
৮.১৩ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঔদ্যোগিক মূলধনৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ঔদ্যোগিক মূলধনৰ গুৰুত্ব সম্পর্কে জানিব পাৰিব
- ঔদ্যোগিক পুঁজিপতিসকলৰ কার্যাৱলী সম্পর্কে অবগত হ'ব
- ঔদ্যোগিক মূলধনৰ আহিলাৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব
- বেংক আৰু ঔদ্যোগিক মূলধনৰ সম্পর্কৰ বিষয়ে জ্ঞাত হ'ব।

৮.২ পৰিচয়


এই অধ্যায়টিত ঔদ্যোগিক মূলধনৰ ধাৰণা আৰু ইয়াৰ গুৰুত্ব সম্পর্কে আলোচনা কৰা হ'ব। লগতে ঔদ্যোগিক পুঁজিপতিসকলৰ কার্য আৰু ঔদ্যোগিক মূলধনৰ লগত জড়িত সুবিধাসমূহো ব্যাখ্যা কৰা হ'ব। ঔদ্যোগিক মূলধন আগবঢ়োৱাৰ ক্ষেত্রত বেংকসমূহৰ ভূমিকাও এই অধ্যায়ত বর্ণনা কৰা হ'ব।

৮.৩ ঔদ্যোগিক মূলধনৰ ধাৰণা

ঔদ্যোগিক মূলধন এট নতুন বিত্তীয় ধাৰণা যিয়ে ব্যৱসায় আৰু ঔদ্যোগিক খণ্ডত আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে। ঔদ্যোগিক মূলধন হৈছে উচ্চ আশংকাজনিত আৰু উচ্চ বিকাশ সম্বলিত প্ৰকল্প স্থাপনৰ বাবে ঋণ বা শ্বেয়াৰৰ ৰূপত আগবঢ়োৱা বিত্তীয় অনুদান। ঔদ্যোগিক মূলধনৰ ৰূপত বৰ্তি থাকে। ঔদ্যোগিক পূঁজিপতিসকলে উচ্চ প্ৰত্যৰ্পণ বা লাভৰ আশাত বৃহৎ ক্ষতিৰ সম্ভাৱনাক স্বীকাৰ কৰি লয় আৰু সেয়েহে ঔদ্যোগিক মূলধনক 'আশংকাজনিত মূলধন' বুলিও কোৱা হয়।

ব্যাপক অৰ্থত, ঔদ্যোগিক মূলধনে মূলধন আৰু দক্ষতাক সূচায়। যিবোৰ নতুন উদ্দেশ্য বা প্ৰযুক্তিৰ লগত সম্পৰ্কযুক্ত প্ৰতিষ্ঠানৰ নিৰ্মাণ আৰু স্থাপনৰ বাবে প্ৰয়োজনীয়। এইদৰে, ই কেৱল কোনো প্ৰতিষ্ঠানলৈ আগবঢ়োৱা ধনৰাশিকে নুবুজায়। সমান্তৰালভাৱে প্ৰতিষ্ঠানখন স্থাপনৰ বাবে প্ৰয়োজন হোৱা দক্ষতা, বিপণনৰ কৌশল নিৰ্মাণ, ইয়াৰ স্থাপন আৰু পৰিচালনাকো সামৰি লয়।

ঔদ্যোগিক মূলধন বিনিয়োগ আদিৰ দৰে বিকাশৰ পৰ্যায়ৰ লগত জড়িত হৈ থাকে। এইদৰে এখন প্ৰতিষ্ঠানৰ বিকাশৰ চাৰিটা পৰ্যায় থাকে— কোনো পৰিকল্পনাৰ বিকাশ, প্ৰাৰম্ভিক কাল, কাৰ্যক্ষম হৈ উঠাৰ যোগ্য কৰি তোলা আৰু স্থাপন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ঔদ্যোগিক মূলধন বুলিলে কি বুজে?

.....


.....

৮.৪ ঔদ্যোগিক মূলধনৰ গুৰুত্ব

- পূঁজিবাদী বজাৰ ব্যৱস্থাত ঔদ্যোগিক মূলধনৰ বিনিয়োগ শেহতীয়া সংযোজনসমূহৰ ভিতৰত এটা। ই প্ৰযুক্তিগত দক্ষতা থকা কিন্তু ঔদ্যোগিক মূলধন নথকা প্ৰযুক্তিগত ব্যৱসায়ীসকলক গুৰুত্বপূৰ্ণ সুবিধা প্ৰদান কৰিছে।
- নিৰ্দিষ্ট প্ৰতিষ্ঠানৰ স্থাপনত অথবা প্ৰযুক্তিত বিত্তীয় অনুদান আগবঢ়োৱা পৰম্পৰাগত বিনিয়োগ ব্যৱস্থাৰ সীমাৱদ্ধতাসমূহ ঔদ্যোগিক মূলধন ব্যৱস্থাই দূৰ কৰিছে।
- ঔদ্যোগিক মূলধন হৈছে বিনিয়োগ সেৱাৰ এনে এক প্ৰকাৰ যিয়ে উদ্যোগী এগৰাকীৰ পৰিকল্পনাক বাস্তৱ কৰি তোলে।
- প্ৰযুক্তি নিৰ্ভৰ ব্যৱসায়ৰ কৌশলৰ বাবে প্ৰয়োজন হোৱা মূলধনৰ ই এটা গুৰুত্বপূৰ্ণ উৎস।
- কোম্পানীৰ বাবে ঔদ্যোগিক মূলধনৰ প্ৰধান গুৰুত্ব হ'ল ইয়াৰ জৰিয়তে নতুন পৰিকল্পনা তথা নতুন প্ৰযুক্তিৰ আৰম্ভণি আৰু গ্ৰহণৰ বাবে সমৰ্থন আগবঢ়োৱা হয়। অৱশ্যে ঔদ্যোগিক

মূলধনৰ বিনিয়োগৰ লগত উচ্চ আশংকা জড়িত হৈ থাকে।

- ই হৈছে দীর্ঘম্যাদী বিনিয়োগ। ঔদ্যোগিক মূলধন বিনিয়োগৰ পৰা প্রায় পাঁচ বছৰৰ পিছৰ পৰাহে লাভ অর্জন কৰিবলৈ আৰম্ভ কৰা যায়।
- ই উচ্চ প্রযুক্তিসম্পন্ন প্রকল্পত বিনিয়োগ কৰি এক গুৰুত্বপূর্ণ ভূমিকা পালনতে সীমাবদ্ধ নাথাকি গৱেষণা আৰু উন্নয়নৰ প্রকল্পকো বাণিজ্যিক উৎপাদক হিচাপে পৰিগণিত কৰাত সহায় কৰে। প্রযুক্তিৰ ক্ষেত্রখনত বিনিয়োগ কৰাৰ লগতে ঔদ্যোগিক মূলধনে প্রতিষ্ঠানসমূহৰ বিকাশ আৰু উন্নয়নকো ক্ষিপ্ত কৰি তোলে। পশ্চিমীয়া দেশসমূহত মূলধনসমূহৰ অধিকাংশ প্রযুক্তিৰ নির্মাণত আৰু ব্যৱসায় সম্প্রসাৰণ বা নতুন পৰিচালক দলৰ গঠনত ব্যৱহাৰ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ঔদ্যোগিক মূলধনৰ দুটা গুৰুত্ব উল্লেখ কৰক।

.....

.....

৮.৫ ঔদ্যোগিক পুঁজিপতিসকলৰ কার্যাৱলী

১) নতুন সামগ্রী, আৱিষ্কাৰ, পৰিকল্পনা আদিক কার্যকৰী কৰিবলৈ স্থাপন কৰা প্রকল্পসমূহত এই প্রকাৰৰ মূলধন ঔদ্যোগিক পুঁজিপতিসকলে বিনিয়োগ কৰে।

২) ঔদ্যোগিক পুঁজিপতিসকলে বিত্ত তথা দক্ষতা নতুন প্রতিষ্ঠানক আৰু ইতিমধ্যে প্রতিষ্ঠিত প্রতিষ্ঠানৰ উচ্চ পর্যায়ৰ প্রযুক্তি নির্ভৰ নতুন কার্যত যোগান ধৰে আৰু সেয়েহে ইয়াৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ আহিলা হিচাপে বিবেচনা কৰিব পাৰি।

৩) ঔদ্যোগিক পুঁজিপতিসকলে প্রতিষ্ঠানখনৰ সঠিক আৰু পর্যাপ্ত বেংকিং আৰু গ্রহণযোগ্য বিত্তীয় ব্যৱস্থা আছে নে নাই সেয়াও চোৱা চিতা কৰিব লাগে।

৪) ঔদ্যোগিক পুঁজিপতিসকলে ব্যৱসায়ীসকলক প্রতিষ্ঠানখনক পেচাদাৰী কৰি তুলিবলৈ বিত্তীয় ক্ষেত্রত দক্ষ লোকৰ সাক্ষাৎকাৰ অনুষ্ঠিত কৰা আৰু নিযুক্তি প্রদান কৰাৰ ক্ষেত্রতো সহায় কৰিব লাগে।

৫) ঔদ্যোগিক পুঁজিপতিসকলে এটা নতুন ব্যৱসায়ৰ সফল আৰম্ভণি অথবা এটা প্রতিষ্ঠিত ব্যৱসায় শীর্ষতম পর্যায়ত সঞ্চালনৰ বাবে প্রয়োজনীয় মূলধনৰ মাত্রাৰ ক্ষেত্রত পৰিলক্ষিত হোৱা স্বত্বাধিকাৰীৰ ধনৰাশিৰ ব্যৱধান নোহোৱা হ'ব।

৮.৬ ঔদ্যোগিক মূলধনৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য

ঔদ্যোগক মূলধন গুৰুত্বপূর্ণ বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল—

১) **শ্বেয়াৰৰ অংশীদাৰিত্ব ঃ** ঔদ্যোগক পুঁজিপতিসকলে নতুন ঔদ্যোগিক ক্ষেত্রত পোনপটীয়াকৈ শ্বেয়াৰ বা পৰিৱর্তনযোগ্য আমানত ক্রয় কৰে। যেতিয়া ঔদ্যোগিক ক্ষেত্রখন যথেষ্ট লাভজনক হিচাপে পৰিগণিত হয়, তেতিয়া শ্বেয়াৰৰ বিতৰণৰ দ্বাৰা মূলধন আহৰণৰ বাবে কৰা হয়।

২) **দীর্ঘম্যাদী বিনিয়োগ ঃ** ঔদ্যোগিক মূলধন হৈছে এটা দীর্ঘম্যাদী বিত্তীয় অনুদান। উচ্চ হাৰত লাভজনক প্রত্যর্পণৰ বাবে এগৰাকী ঔদ্যোগিক মূলধন যোগান ধৰোতাই দীর্ঘ সময় প্রতীক্ষা কৰিব লাগে।

৩) **পৰিচালনাৰ প্রক্রিয়াত অংশগ্রহণ ঃ** ঔদ্যোগিক মূলধনে ঔদ্যোগিক পুঁজিপতিসকলৰ বাবে নির্দিষ্ট উদ্যোগ বা প্রতিষ্ঠানৰ পৰিচালনাৰ ক্ষেত্রখনত অংশগ্রহণৰ বাট মোকলাই দিয়ে। ই তেওঁলোকৰ আশা-আকাংক্ষাক সুনিশ্চিত কৰে আৰু ব্যৱসায়ীসকলৰ সৈতে এটি সু-স্বন্ধ গঢ়ি উঠাত সহায় কৰে।

৪) **আনুসংগিক সুফল ঃ** বিত্তীয় দিশৰ বাহিৰেও ঔদ্যোগিক পুঁজিপতিসকলে প্রযুক্তিগত বিপণন, পৰিকলনা আদি ক্ষেত্রত নতুন প্রতিষ্ঠানসমূহক সহায় কৰে।

৮.৭ ঔদ্যোগিক মূলধনৰ সুবিধা

ব্যাপক আৰু অৱদমিত হৈ থকা সম্ভাৱনাসমূহ মোকলাই তোলাৰ ক্ষেত্রত ঔদ্যোগক মূলধনে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই ব্যৱসায়ৰ ক্ষেত্রখনত নতুনত্বক উৎসাহিত কৰে। ঔদ্যোগিক মূলধনৰ মূল সুবিধাসমূহ হ'ল—

(ক) ই উদ্যোগৰ বিকাশৰ ক্ষেত্রত সহায় কৰে।

(খ) প্রযুক্তিগত বিকাশৰ ক্ষেত্রত ই অৰিহনা যোগায়।

(গ) ব্যৱসায়ীসকলৰ উন্নতিত ই সহায় কৰে।

(ঘ) নতুন উদ্যোগৰ সমর্থনৰ জৰিয়তে ই নিযুক্তি প্রক্রিয়া ক্ষিপ্র কৰি তোলে।

(ঙ) মুনাফা অর্জন কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে ই বিনিয়োগৰাকীসকলক ক্ষেত্রখনত বিনিয়োগ কৰিবলৈ অনুমতি প্রদান কৰে।

৮.৮ ঔদ্যোগিক মূলধনৰ আহিলা

ভাৰতত উপলব্ধ বিভিন্ন ঔদ্যোগিক মূলধনৰ আহিলাসমূহ হ'ল—


১) **শ্বেয়াৰ ঃ** ঔদ্যোগিক মূলধনৰ প্রতিষ্ঠানসমূহে মূলধন আহৰণৰ বাবে শ্বেয়াৰসমূহ বিক্রীৰ বাবে উলিয়াই দিয়ে। অৱশ্যে তেওঁলোকৰ অৱদান সর্বমুঠ শ্বেয়াৰৰ ৪৯ শতাংশৰ অধিক নহয়। ইয়াৰ কার্যকৰী নিয়ন্ত্রণ ব্যৱসায়ীজনৰ হাতত থাকে।

২) **চর্তভিত্তিক ঋণ ঃ** এইটো এনে এক প্রকাৰৰ ঋণ যাৰ বিপৰীতে কোনো সুদ প্রদান কৰা নহয়। ঔদ্যোগিক পুঁজিপতিসকলে উদ্যোগ প্রতিষ্ঠানটোৰে বিক্রীৰ হাৰ বৃদ্ধি কৰিবলৈ

সমর্থ হোৱাৰ লগে লগে মুনাফাৰ ৰূপত এই ঋণ ঘূৰাই পায়। ভাৰতত এই মুনাফাৰ হাৰ খণ্ড ভেদে ২ শতাংশৰ পৰা ১৫ শতাংশ হয়।

৩) **ন্যায় ঃ** ই ঔদ্যোগিক মূলধনৰ প্ৰতিষ্ঠানসমূহে আগবঢ়োৱা এক প্ৰকাৰৰ বিনিয়োগ, যাৰ ওপৰত ব্যৱসায়ীজনে নিম্ন দৰত বিক্ৰীৰ ওপৰত উভয় সুদৰ হাৰ আৰু মুনাফা প্ৰদান কৰিব লাগে। সুদৰ হাৰ নিৰ্ধাৰিত নহয় আৰু প্ৰতিষ্ঠানৰ বিকাশৰ স্তৰ অনুযায়ী ই বেলেগ বেলেগ হয়।

৪) **অন্যান্য আহিলা ঃ** অংশগ্ৰহণকাৰী ঋণপত্ৰ, আংশিকভাৱে পৰিৱৰ্তনযোগ্য ঋণপত্ৰ আৰু ক্ৰমবৰ্ধিত পৰিৱৰ্তনযোগ্য শ্বেয়াৰ আদি হ'ল ঔদ্যোগিক মূলধনৰ অন্যান্য আহিলা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ঔদ্যোগিক মূলধনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৮.৯ বেংক আৰু ঔদ্যোগিক মূলধন

ভাৰতত ঔদ্যোগিক মূলধন আপেক্ষিকভাৱে এটা নতুন ধাৰণা। প্ৰাৰম্ভিকতে ৰাজহুৱা বিত্তীয় প্ৰতিষ্ঠানসমূহে ভাৰতত ঔদ্যোগিক মূলধনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এইবেৰৰ ভিতৰত গুৰুত্বপূৰ্ণ হ'ল—

১) ১৯৭৫ চনত IFCI ৰ দ্বাৰা সমৰ্থিত Risk Capital and Technology Finance Corporations Ltd.

২) ১৯৮৬ চনত স্থাপিত হোৱা IDBI'S ৰ Venture Capital Fund.

৩) ১৯৮৮ চনত ICICI আৰু UTI ৰ দ্বাৰা প্ৰৱৰ্তিত ICICI Venture Fund Management Company.

৪) ১৯৯২-৯৩ চনত প্ৰতিষ্ঠা হোৱা SIDBI ৰ Venture capital fund.

৫) এই ঔদ্যোগিক মূলধনৰ বাহিৰেও অন্যান্য বেংক প্ৰতিষ্ঠানেও তেওঁলোকৰ অধীনস্থ কোম্পানীৰ জৰিয়তে ঔদ্যোগিক মূলধনৰ সম্বল স্থাপন কৰিছে।

এইবোৰৰ ভিতৰত কেইটামান হ'ল—

(ক) SBI Venture Capital Fund (SBI Capital Marketৰ দ্বাৰা)

(খ) Can Bank Venture Capital Fund (Can Bank Financial Services ৰ দ্বাৰা)

(গ) India Investment Fund (ANZ Grind lays ৰ দ্বাৰা এই বেংকটোক বৰ্তমান Bank Standard Chartered Bank নামেৰে জনা যায়)।



৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ঔদ্যোগিক মূলধন হৈছে এটা নতুন বিত্তীয় ধাৰণা যিয়ে ব্যৱসায় আৰু ঔদ্যোগিক খণ্ডত আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে।
- ঔদ্যোগিক মূলধন হৈছে উচ্চ আশংকাজনিত আৰু উপ বিকাশ সম্বলিত প্রকল্প স্থাপনৰ বাবে ঋণ বা শ্বেয়াৰৰ ৰূপত আগবঢ়োৱা বিত্তীয় অনুদান।
- পুঁজিবাদী বজাৰ ব্যৱস্থাত ঔদ্যোগিক মূলধনৰ বিনিয়োগ শেহতীয়া সংযোজনসমূহৰ এটা।
- প্রযুক্তি নির্ভৰ ব্যৱসায়ৰ কৌশলৰ বাবে প্রয়োজন হোৱা মূলধনৰ ই এটা গুৰুত্বপূর্ণ উৎস।
- নতুন সামগ্রী, আৱিস্কাৰ, পৰিকল্পনা আদিক কার্যকৰী কৰিবলৈ স্থাপন কৰা প্রকল্পসমূহত এই প্রকাৰৰ মূলধন ঔদ্যোগিক পুঁজিপতিসকলে বিনিয়োগ কৰে।
- ঔদ্যোগিক পুঁজিপতিসকলে নতুন ঔদ্যোগিক ক্ষেত্রত পোনপটীয়াকৈ শ্বেয়াৰ বা পৰিৱৰ্তনযোগ্য আমানত ক্রয় কৰে। যেতিয়া ঔদ্যোগিক ক্ষেত্রখন যথেষ্ট লাভজনক হিচাপে পৰিগণিত হয়, তেতিয়া শ্বেয়াৰৰ বিতৰণৰ দ্বাৰা মূলধন আহৰণৰ বাবে কৰা হয়।
- ঔদ্যোগিক মূলধনে ব্যৱসায়ীসকলৰ উন্নতিত সহায় কৰে।



৮.১১ অধিক জানিবলৈ

১) B. Bhatnagar and A Budhiraja (2011), *Entrepreneurship Development & Small Business Management,* Vayu Education Of India.

২) Khanka SS (2007), *Entrepreneurial Development*; S Chand & Company; Reprint Edn. 2006 edition.

৩) Pathak R.K. andKalwar M.C., Business Organisation and Entrepreneurship Development.

৮.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ঔদ্যোগিক মূলধন এটা নতুন বিত্তীয় ধাৰণা। যিয়ে ব্যৱসায় আৰু ঔদ্যোগিক খণ্ডত আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে। ঔদ্যোগিক মূলধন হৈছে উচ্চ আশংকাজনিত আৰু উপ বিকাশ সম্বলিত প্রকল্প স্থাপনৰ বাবে ঋণ বা শ্বেয়াৰৰ ৰূপত আগবঢ়োৱা বিত্তীয়

অনুদান। ঔদ্যোগিক মূলধনে ক্রমবর্দ্ধমান ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠানক আগবঢ়োৱা শংকাজনিত মূলধনক নির্দেশ কৰে আৰু ব্যৱসায়িক প্রতিষ্ঠানসমূহত ই অংশীদাৰিত্বৰ মূলধনৰ ৰূপত বর্তি থাকে।

২ নং প্রশ্নৰ উত্তৰ ঃ ১) নির্দিষ্ট প্রতিষ্ঠানৰ স্থাপনত অথবা প্রযুক্তিত বিত্তীয় অনুদান আগবঢ়োৱা পৰম্পৰাগত বিনিয়োগ ব্যৱস্থাৰ সীমাৱদ্ধতাসমূহ ঔদ্যোগিক মূলধন ব্যৱস্থাৰ দূৰ কৰে।

২) ঔদ্যোগিক মূলধন হৈছে বিনিয়োগৰ সেৱাৰ এনে এক প্রকাৰ যিয়ে উদ্যোগী এগৰাকীৰ পৰিকল্পনাক বাস্তৱ ৰূপ দিয়ে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১) শ্বেয়াৰৰ অংশীদাৰিত্ব - ঔদ্যোগিক পূঁজিপতিসকলে নতুন ঔদ্যোগিক ক্ষেত্রত পোনপটীয়াকৈ শ্বেয়াৰ বা পৰিৱর্তনযোগ্য আমানত ক্রয় কৰে। যেতিয়া ঔদ্যোগিক ক্ষেত্রখন যথেষ্ট লাভজনক হিচাপে পৰিগণিত হয়, তেতিয়া শ্বেয়াৰৰ বিতৰণৰ দ্বাৰা মূলধন আহৰণৰ বাবে কৰা হয়।

২) দীর্ঘম্যাদি বিনিয়োগ - ঔদ্যোগিক মূলধন হৈছে এটা দীর্ঘম্যাদি বিত্তীয় অনুদান। উচ্চ হাৰত লাভজনক প্রত্যর্পণৰ বাবে এগৰাকী ঔদ্যোগিক মূলধন যোগান ধৰোতাই দীর্ঘ সময় প্রতীক্ষা কৰিব লাগে।



৮.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ঔদ্যোগিক মূলধন বুলিলে কি বুজা যায়?

প্রশ্ন ২ ঃ ঔদ্যোগিক মূলধনৰ সুফলসমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ ঔদ্যোগিক মূলধনৰ আহিলাসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ সম্পদসমূহৰ একত্রীকৰণ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সম্পদ একত্রীকৰণৰ অর্থ

৯.৪ প্রাৰম্ভিক গোটসমূহৰ বাবে সম্পদ একত্রীকৰণ

৯.৫ বিক্রেতাসকলৰ লগত প্রাৰম্ভিক চুক্তিসমূহ

৯.৬ উদ্যোক্তাসকলে সন্মুখীন হোৱা প্রাৰম্ভণিক সমস্যাসমূহ

৯.৭ প্রাৰম্ভিক গোটসমূহৰ সমস্যাসমূহ সমাধানৰ পদ্ধতিসমূহ

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্রগতিৰ খতিয়ান

৯.১১ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সম্পদ একত্রীকৰণৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- প্রাৰম্ভণিকালৰ বাবে প্রয়োজনীয় বিভিন্ন সম্পদসমূহৰ ব্যাখ্যা কৰিব পাৰিব
- বিক্রেতাসকলৰ লগত প্রাৰম্ভিক চুক্তি সম্পর্কে আলোচনা কৰিব পাৰিব
- প্রাৰম্ভণিকালত সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রাৰম্ভণিকালৰ বিভিন্ন সমস্যা সমাধানৰ পদ্ধতিসমূহ ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

এই অধ্যায়টিত আমি প্রাৰম্ভণিৰ বিভিন্ন দিশ সম্পর্কে আলোচনা কৰিম। ব্যৱসায় প্রতিষ্ঠা কৰাৰ ক্ষেত্রত প্রাৰম্ভিক গোটসমূহক বিভিন্ন ধৰণৰ সম্পদৰ প্রয়োজন হয় আৰু লগতে তেওঁলোক বিভিন্ন সমস্যাৰো সন্মুখীন হয়। তেওঁলোকে বিক্রেতাসকলৰ লগত বিভিন্ন প্রাৰম্ভিক চুক্তিত প্রৱেশ কৰিবলগীয়া হয়। এই অধ্যায়টিত আমি প্রাৰম্ভিক গোটসমূহৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ পদ্ধতিসমূহৰ লগতে এই গোটেই দিশসমূহ আলোচনা কৰিম।

৯.৩ সম্পদ একত্রীকৰণ অর্থ

প্রত্যেক প্রতিষ্ঠান, যি লাভৰ উদ্দেশ্য বা অন্য কোনো উদ্দেশ্যে প্রতিষ্ঠাপিত হৈছে। তেনে প্রতিষ্ঠানক তেওঁলোকৰ কার্যসমূহ সূচাৰুৰূপে পৰিচালিত কৰিবলৈ সম্পদৰ প্রয়োজন হয়। এই সম্পদসমূহ নানা প্রকাৰৰ আৰু এই সমূহক প্রাকৃতিক, মানৱীয়, বিত্তীয় আৰু শাৰীৰিক বা ভৌতিক সম্পদ হিচাপে চিনাক্ত কৰিব পাৰি। সম্পদসমূহৰ উপলব্ধতা আৰু তাৰ সঠিক উপযোগিতা কৰাটো সদায়ে এক কঠিন কাম। যিহেতু সম্পদসমূহ দুষ্প্রাপ্য আৰু লগতে ইয়াৰ বিভিন্ন প্রয়োগৰ দিশসমূহক লক্ষ্য কৰি সম্পদসমূহৰ অপব্যয় কৰিব নালাগে।


সম্পদ একত্রীকৰণ শব্দটোৱে সেই কার্যকলাপসমূহৰ নির্দেশ কৰে যিবোৰ নতুন আৰু অতিৰিক্ত সম্পদ যেনে— আহৰণৰ দিশে পৰিচালিত। নতুন হওঁক বা পুৰণা হওঁক প্রত্যেক প্রতিষ্ঠান সম্পদ একত্রীকৰণৰ কার্যসমূহক কার্যভাৰ গ্রহণ কৰিব লাগে। এই ক্ষেত্রত এটা কথা উল্লেখ কৰাটো অতি প্রয়োজনীয় যে সম্পদ একত্রীকৰণৰ সিদ্ধান্ত গ্রহণ কৰা সময়ত সম্পদ সংগ্রহৰ উৎস আৰু ব্যয়ৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাটো প্রয়োজন। এটি পুৰণি উদ্যোগৰ সঠিকবাৱে চিহ্নিত কিছুমান উৎস থাকে য'ৰ পৰা সম্পদসমূহ সংগ্রহ কৰা হয়। কিন্তু এটা প্রাৰম্ভিক গোটে সম্পদ সংগ্রহৰ উৎসসমূহৰ সন্ধান কৰাৰ লগতে সম্পদ সংগ্রহৰ ব্যয়ো গণনা কৰিব লাগে।

৯.৪ প্রাৰম্ভিক গোটসমূহৰ বাবে সম্পদ একত্রীকৰণ

- **বিত্তীয় সম্পদ ঃ** এটা ব্যৱসায় আৰম্ভ কৰাৰ ক্ষেত্রত আটাইতকৈ গুৰুত্বপূর্ণ উপাদান হৈছে বিত্ত। সকলো প্রকাৰৰ আৰু আকাৰৰ ব্যৱসায়ৰ কাৰণে বিত্ত বা পুঁজি অত্যন্ত গুৰুত্বপূর্ণ এটা ব্যৱসায়ৰ প্রতিষ্ঠানৰ বাবে আৰম্ভণিৰ কার্যকলাপসমূহ যেনে— ব্যৱসায়ৰ নামৰ পঞ্জীয়নকৰণ, ব্যৱসায়িক কার্যালয়ৰ বাবে প্রয়োজনীয় ঠাইৰ ব্যৱস্থা, ব্যৱসায়িক কার্ড ছপা আদি বিভিন্ন কার্যত পুঁজিৰ প্রয়োজন হয়। এটা প্রাৰম্ভিক গোটৰ ক্ষেত্রত এই বিত্তীয় সম্পদসমূহৰ আহৰণৰ উৎস হয়তো উদ্যোক্তাজনৰ নিজস্ব পুঁজি, তেওঁৰ বন্ধুবর্গ অথবা আত্মীয়স্বজন পুঁজিবাদী উদ্যোক্তা, বিনিয়োগকাৰী আদি হয়।
- **মানৱ সম্পদ ঃ** এটা প্রতিষ্ঠানৰ সফলতা প্রতিষ্ঠানটোৰ কর্মকর্তা বা কর্মচাৰীসকলৰ ওপৰত নির্ভৰ কৰে। পূর্বৰ ভাল খ্যাতি থকা এজন অভিজ্ঞতাসম্পন্ন ব্যক্তিৰ নিযুক্তিয়ে কোম্পানীৰ উদ্দেশ্যসমূহ দক্ষতাৰে আৰু পাৰদর্শিতাৰে আগুৱাই নিয়াত সহায় কৰে।

  বিভিন্ন ধৰণৰ পদ্ধতি আৰু উৎসসমূহ ব্যৱহাৰৰ জৰিয়তে শক্তিশালী দলৰ সদস্যসমূহক নিয়োগ কৰা হয়। যদিও প্রাথমিকভাৱে প্রাৰম্ভিক গোটসমূহৰ কাৰণে মানৱ সম্পদ নিযুক্তিৰ ক্ষেত্রত কিছুমান সমস্যাৰ সৃষ্টি হয় কিন্তু তেওঁলোকে দক্ষ ব্যক্তি নিয়োগ কৰাটো জৰুৰী।
- **ভৌতিক সম্পদ ঃ** প্রত্যেক প্রতিষ্ঠান বর্তি থাকিবলৈ হ'লে উপযুক্ত ভৌতিক সম্পদ থকাটো বাঞ্ছনীয়। ইয়াত সঠিক কর্মস্থান, চলিত টেলিফোন ব্যৱস্থা, পর্যাপ্ত তথ্য ব্যৱস্থা

আৰু কার্যকৰী বিপণন উপাদান আদি অন্তর্ভুক্ত হয়। সেই গতিকে, ক্রয় সম্পর্কীয় যিকোনো সিদ্ধান্ত লোৱাৰ পূর্বে এটা উদ্যোগৰ কাৰণে ব্যৱসায়ৰ প্রয়োজনীয়তাসমূহ ভালদৰে মূল্যায়ণ বা নির্ণয় কৰাটো অতি আৱশ্যকীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রাৰম্ভিক গোটৰ বাবে প্রয়োজনীয় দুটা সম্পদ উল্লেখ কৰক ?

.....

.....

৯.৫ বিক্রেতাসকলৰ লগত প্রাৰম্ভিক চুক্তিসমূহ

যিবোৰ চুক্তি কোম্পানীক অস্তিত্বলৈ অহাৰ আগতে সন্মত কৰা হয় তেনে চুক্তিসমূহকে প্রাৰম্ভিক চুক্তি বা প্রাক্-সংযোজন চুক্তি (pre-incorporation contract) বোলা হয়। এই চুক্তিসমূহ সাধাৰণতে কোম্পানীটোৰ বাবে ক্রয় কৰিবলগীয়া সম্পত্তি অথবা প্রযুক্তিগত শিক্ষা-দিক্ষাৰ বিভিন্ন চুক্তিৰ লগত জড়িত। এনেধৰণৰ চুক্তিসমূহ যেতিয়ালৈকে সংযোজিত নহয় তেতিয়ালৈকে এইবিলাকে কোম্পানীটোক একত্রিত কৰি ৰাখিব নোৱাৰে।

প্রাৰম্ভিক চুক্তিসমূহৰ ক্ষেত্রত আইনগত স্থিতি তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

(ক) Specific Relief Act, 1963 স্বীকৃত হোৱাৰ আগৰ স্থিতি

(খ) Specific Relief Act, 1963 স্বীকৃত হোৱাৰ পাছৰ স্থিতি

(ক) Specific Relief Act, 1963 স্বীকৃত হোৱাৰ আগৰ স্থিতি ঃ Specific Relief Act, 1963 স্বীকৃত হোৱাৰ আগত হোৱা প্রাৰম্ভিক চুক্তিয়ে কোম্পানীক একত্রিত কৰিব নোৱাৰে। যিহেতু সংযোজিত হোৱাৰ আগৰলৈকে ইয়াৰ কোনো আইনগত অস্তিত্ব নাথাকে। কোম্পানীসমূহে পূর্বৰ অন্তর্ভুক্ত চুক্তিসমূহৰ ওপৰত কোনো আইনগত দাবী কৰিব নোৱাৰে। প্রাৰম্ভিক চুক্তিসমূহৰ ক্ষেত্রত অনুমোদন সম্ভৱ নহয় যিহেতু চুক্তি হোৱাৰ সময়ত নীতিসমূহ সুস্পষ্টভাৱে প্রকাশিত নহয়।

(খ) Specific Relief Act, 1963 স্বীকৃত হোৱাৰ পাছৰ স্থিতি ঃ Specific Relief Act, 1963 ৰ আগতে প্রৱর্তক সকলে যিকোনো কার্যত আগবঢ়াৰ ক্ষেত্রত কঠিনতা অনুভৱ কৰে। কাৰণ এই আইন প্রৱর্তন হোৱা আইন পূর্বৰ চুক্তিসমূহ অপ্রযোজ্য। Specific Relief Act, 1963 প্রৱর্তকসকলক সকাহ দিয়ে। এই আইনৰ মতে যেতিয়া কোনো চৰকাৰী কোম্পানীৰ প্রৱর্তকসকলে ইয়াৰ অন্তর্ভুক্তিৰ পূর্বে কোম্পানীটোৰ উদ্দেশ্যে কোনো চুক্তি স্বাক্ষৰ কৰে আৰু যদিহে চুক্তিটো ইয়াৰ অন্তর্ভুক্তিকৰণৰ সময় সাপেক্ষে নার্য্যতা প্রাপ্ত হয়, তেন্তে সেই চুক্তিটো বলবৎ কৰিব পৰা যায়।

চুক্তিৰ বাবে প্ৰাথমিক বা মূল প্ৰয়োজনীয়তাসমূহ অন্য কোনো ব্যক্তি বা দলৰ লগত আইনগত চুক্তিয়ে আইনী সুৰক্ষা প্ৰদানৰ লগতে লেনদেনটোৰ এক সুনিৰ্দিষ্ট ৰূপৰেখা অংকণ কৰাত সহায় কৰে। যেতিয়া অন্য কোনো দলৰ লগত চুক্তি স্বাক্ষৰিত হয়। তেনে ক্ষেত্ৰত ই এক বৈধ আইনগত চুক্তিৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰে।

৯.৬ উদ্যোক্তাসকলে সন্মুখীন হোৱা প্ৰাৰম্ভণিক সমস্যাসমূহ

আৰম্ভণিৰ সময়ছোৱাত প্ৰাৰম্ভিক গোটসমূহ বিভিন্ন সমস্যাৰ সন্মুখীন হয়, যেনে— তীব্ৰ প্ৰতিযোগিতা, নতুন গ্ৰাহক, বজাৰ আৰু পুঁজিবাদী মূলধনী মুদ্ৰা আদি। প্ৰাৰম্ভিক গোটসমূহে সন্মুখীন হোৱা কেতবোৰ সমস্যা তলত আলোচনা কৰা হৈছে—

(i) ব্যৱসায়িক ধাৰণাৰ বিকাশ ঃ প্ৰাৰম্ভিক গোটৰ প্ৰথমটো সমস্যা হৈছে ব্যৱসায়িক ধাৰণাৰ বিকাশ কৰাটো। সঠিক ব্যৱসায়িক সুযোগ বিচাৰি উলিওৱা বা সৃজনশীল ধাৰণা বিকাশ কৰাটো অতি কঠিন কাৰ্য্য। এজন উদ্যোক্তা হিচাপে এজন ব্যক্তিৰ গ্ৰাহকসকলক আকৰ্ষিত কৰিব পৰাকৈ বিভিন্ন নতুন নতুন কৌশল থাকিল লাগে। উদ্যোক্তাজনে সুযোগসমূহৰ উপযুক্ত লাভ উঠাব পৰা হ'ব লাগে।

(ii) মূলধন সৃষ্টি ঃ ব্যৱসায়িক ধাৰণা বিকাশৰ পিছত প্ৰাৰম্ভিক গোটসমূহে সন্মুখীন হোৱা পৰৱৰ্তী সমস্যা হৈছে ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় মূলধন সৃষ্টি কৰা। উদ্যোক্তাসকল এই ক্ষেত্ৰত ব্যৱসায় সম্পৰ্কে ভালদৰে জ্ঞাত হ'ব লাগে আৰু ভৱিষ্যতৰ বাবে এক পৰিকল্পনা প্ৰস্তুত কৰি ৰাখিব লাগে।

(iii) ব্যৱসায়িক আৰ্হিৰ অসফলতা ঃ প্ৰাৰম্ভিক গোটসমূহৰ ব্যৰ্থতাৰ এটা মূল কাৰণ হৈছে উদ্যোক্তাসকল। তেওঁলোকৰ ব্যৱসায়ৰ সফলতাক লৈ প্ৰচুৰ আশাবাদী। উদ্যোক্তাসকল এইক্ষেত্ৰত ব্যৱসায়ৰ বিভিন্ন দিশসমূহক লৈ আৰু লগতে তেওঁ অথবা তাই ব্যৱসায়ৰ সন্মত অহা বাধাসমূহক লৈ বিশেষভাৱে সৰ্তক হ'ব লাগে। ব্যৱসায় এনেধৰণৰ হ'ব লাগে যাতে ই নিজৰ গ্ৰাহকসকলক নিজস্বভাৱে আকৰ্ষিত কৰিব পাৰে।


(iv) দুৰ্বল পৰিচালন গোট ঃ সঠিক পৰিকল্পনা ব্যৱসায়ৰ বাবে অতি আৱশ্যকীয়। কিন্তু দুৰ্বল পৰিচালনা গোটৰ বাবে পৰিকল্পনাৰ বিভিন্ন স্তৰত বিভিন্ন ত্ৰুটি থাকিব পাৰে। তেওঁলোকে উৎপাদিত দ্ৰব্যৰ লগত জড়িত বিভিন্ন বিষয়বস্তুৰ লগত সংগতি ৰাখি পৰিকল্পনা সম্পাদনৰ ক্ষেত্ৰত ব্যৰ্থ হ'ব পাৰে।

(v) তাৰল্যতা বা নগদ সংকট ঃ মুদ্ৰা তাৰল্যতাৰ সমস্যাৰ কাৰণেও প্ৰাৰম্ভিক গোটসমূহ অসফল হ'ব পাৰে। প্ৰাৰম্ভিক গোটসমূহ অসফল হোৱাৰ এটা প্ৰধান কাৰণ হৈছে তেওঁলোকৰ মুদ্ৰাৰ নাটনি। উদ্যোক্তাজনৰ প্ৰধান কাৰ্য্য হৈছে তেওঁলোকৰ ওচৰত কিমান পৰিমাণৰ নগদ ধন বাকী আছে সেই সম্পৰ্কে জ্ঞাত হোৱা আৰু সেই ধনে কোম্পানীটোক এক ধাৰাবাহিকতাৰ ক্ৰম বজাই ৰাখি আগুৱাই যোৱাত যি কোম্পানীক সফল বিত্তীয়শালী কৰি ৰাখিব সেই সম্পৰ্কে হিচাপ ৰখা।

(vi) উৎপাদিত দ্রব্য সম্পর্কীয় সমস্যাসমূহ ঃ কোম্পানীবিলাক অসফল হোৱাৰ অন্য এটা কাৰণ হৈছে তেওঁলোকে এনেবোৰ দ্রব্য বিকাশ বা উৎপাদন কৰাত অক্ষম হয় যি বজাৰৰ চাহিদা পূৰাব পাৰে। ই হয়তো সাধাৰণ বা তাতোতকৈ অধিক অন্য কোনো কৌশলগত সমস্যাৰ বাবে হ'ব পাৰে, যি বজাৰৰ চাহিদা পূৰণ কৰিবলৈ অসমর্থ হোৱাৰ কাৰণ।

(vii) ভাল কর্মচাৰীৰ সন্ধান ঃ এজন পৰিশ্রমী তথা বিশ্বাসী কর্মচাৰী বিচাৰি উলিওৱাটো অতি কঠিন। মানৱ সম্পদ নিযুক্তিৰ পিছত পূর্ব অভ্যাস আৰু প্রশিক্ষণ প্রদান কৰাটো অতি আৱশ্যকীয়।

(viii) অপ্রত্যাশিত ব্যৱসায়িক প্রতিযোগিতা আৰু ব্যয়সমূহ ঃ ব্যৱসায়িক পৰিৱেশ অতি জটিল আৰু যিকোনো সময়তে ইয়াৰ পৰিৱর্তন ঘটিব পাৰে। তেনে পৰিৱর্তনৰ ফলত কিছুমান সুবিধা সৃষ্টি হয় আৰু লগতে আন কিছুমান বাধা-বিঘিনিয়েও দেখা দিয়ে। সেই গতিকে উদ্যোক্তাজন ব্যৱসায়িক পৰিৱেশ সম্পর্কে বিশেষভাৱে সাৱধান হ'ব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ প্রাৰম্ভিক গোটসমূহে সন্মুখীন হোৱা দুটা সমস্যা উল্লেখ কৰক।

.....

.....

৯.৭ প্রাৰম্ভিক গোটসমূহৰ সমস্যাসমূহ সমাধানৰ পদ্ধতিসমূহ

প্রাৰম্ভিক গোট উত্থান বা কোনো ব্যৱসায় পৰিচালন কৰাৰ ক্ষেত্রত ব্যৱসায়ৰ অধিকাৰীজনে বিভিন্ন সমস্যা সন্মুখীন হ'ব লগা হয় আৰু লগতে নিজকে এই সকলো সমস্যাৰ পৰা পৰিত্রাণ কৰিব লাগে। প্রাৰম্ভিক গোটৰ সমস্যা সমাধানৰ কেতবোৰ পদ্ধতি তলত আলোচনা কৰা হ'ল—

(i) সুস্পষ্টভাৱে সমস্যাৰ সংজ্ঞা আগবঢ়োৱা ঃ বেছিভাগ কার্যকৰী বিষয়ায়ে প্রকৃত কাৰণ নজনাকৈয়ে প্রত্যক্ষভাৱে সমাধানৰ প্রক্রিয়ালৈ জপিয়াই। কিছুমান ক্ষেত্রত অনুপযুক্ত কার্যৰ ফলত এটা সৰু সমস্যাই পিচলৈ গৈ ডাঙৰ ৰূপ লয়। গতিকে সকলো ক্ষেত্রতে এক প্রামাণিক স্পষ্টতাই আগৰ পথ সুচল কৰি তোলে।

(ii) সমস্যাৰ কাৰণ চিনাক্তকৰণ ঃ উদ্যোক্তাজনে সমস্যাৰ এটা সৰু লক্ষণৰ ওপৰত গুৰুত্ব দিয়াৰ সলনি সমস্যাৰ মূল কাৰণটো জনাৰ চেষ্টা কৰিব লাগে। কাৰণ যদিহে মূল কাৰণটো জনা নাযায়, তেন্তে সমস্যাটো পুনৰ উদ্ভৱ বা অন্য ভিন্ন লক্ষণৰ সৈতে উদ্ভৱ হোৱাৰ সম্ভাৱনা থাকে।

(iii) বিকল্প সমাধানৰ চিনাক্তকৰণ ঃ সমস্যা সমাধানৰ অর্থে বিকল্প সমাধানসমূহ বিচাৰি উলিয়াব লাগে আৰু তাৰ মাজৰ শ্রেষ্ঠ সমাধানটো গ্রহণ কৰা উচিত। আটাইতকৈ উত্তম সমাধানে

সমস্যা পুনৰ উদ্ভৱ হোৱাৰ আশংকাৰ দূৰ কৰে। সমাধানৰ গুণগত মান সমস্যা সমাধানতহে থকা ইয়াৰ পৰিমাণৰ লগত প্ৰত্যক্ষ সমানুপাত হয়।

(iv) তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ ঃ সময় এটা অতি গুৰুত্বপূৰ্ণ উপাদান। এটা সমাধান বাছি উলিওৱাৰ পিছত সময় খৰচ নকৰাকৈ তাক কাৰ্যকৰী কৰিব লাগে। এটা ব্যৱসায়ে কোনো কাৰ্য ধাৰ্য কৰাৰ ক্ষেত্ৰত যিমান অধিক সময় লয় সিমানেই ব্যয় আৰু তাৰ প্ৰভাৱ বৃদ্ধি পায়। বহুতো প্ৰাৰম্ভিক গোটে বিষয় স্থিৰ কৰাৰ ক্ষেত্ৰত দীঘলীয়া সময় লয় আৰু যি তেওঁলোকৰ অসফলতাৰ কাৰণ হিচাপে দেখা দিয়ে।

(v) স্বীকাৰোক্তি আৰু সংশোধন ঃ নিয়মিতভাৱে বজাৰ আৰু গ্ৰাহকসকলক বুজি পোৱাটো অতি গুৰুত্বপূৰ্ণ। যদিহে এবাৰ এটা দ্ৰব্যৰ ক্ষেত্ৰত কিবা সমস্যা দেখিবলৈ পোৱা যায়। তেন্তে তাক তাৎক্ষণিকভাৱে শুধৰাব লাগে নতুনবা এটা নতুন ব্যৱসায়িক কৌশল পৰিকল্পনা কৰিব লাগে।



৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰত্যেক প্ৰতিষ্ঠান যি লাভৰ উদ্দেশ্যে বা অন্য উদ্দেশ্যে প্ৰতিষ্ঠাপিত হৈছে। তেনে প্ৰতিষ্ঠানক তেওঁলোকৰ কাৰ্য সূচাৰুৰূপে পৰিচালনা কৰিবলৈ সম্পদৰ প্ৰয়োজন হয়।
- প্ৰাৰম্ভিক গোটসমূহৰ বাবে প্ৰয়োজনীয় সম্পদবোৰ হৈছে বিত্তীয়, মানৱ সম্পদ, ভৌতিক ইত্যাদি।
- কোম্পানী এটা অস্তিত্বলৈ অহাৰ আগতে যিবোৰ চুক্তি স্বাক্ষৰিত হয়, সেইবোৰক প্ৰাৰম্ভিক বা প্ৰাক-সংযোজন চুক্তি বোলা হয়।
- প্ৰাৰম্ভিক গোটসমূহৰ প্ৰাথমিক সমস্যাসমূহ ব্যৱসায়িক ধাৰণাৰ বিকাশ, মূলধন সৃষ্টি, ব্যৱসায়িক আৰ্হিৰ অসফলতা ইত্যাদিৰ লগত জড়িত।
- প্ৰাৰম্ভিক গোটসমূহৰ সমস্যা সমাধানৰ বিভিন্ন পদ্ধতিসমূহ হৈছে সুস্পষ্টভাৱে সমস্যাৰ সংজ্ঞা আগবঢ়োৱা। সমস্যাৰ কাৰণ চিনাক্তকৰণ, বিকল্প সমাধানৰ চিনাক্তকৰণ ইত্যাদি।



৯.৯ অধিক জানিবলৈ

১) Khanka SS (2007), *Entrepreneurial Development*; S Chand & Company; Reprint Edn. 2006 edition.

২) Scarborough and Cornwell (2016), *Essentials of Enterpreneurship & Small Business Management,* Pearson Education India; Eighth edition.

৩) Charantimath (2013), *Entrepreneurship Development and Small Business Enterprises*, Pearson EducationIndia; Second edition.

৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) মানৱ সম্পদসমূহ

(খ) বিত্তীয় সম্পদসমূহ।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) ব্যৱসায়িক ধাৰণাৰ বিকাশ

(খ) মূলধন সৃষ্টি।



৯.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ প্রাৰম্ভিক গোটৰ সমস্যাসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ সম্পদ একত্রীকৰণৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৩ ঃ প্রাৰম্ভিক গোটৰ সমস্যা সমাধানৰ পদ্ধতিসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ মহিলা উদ্যমিতা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ মহিলা উদ্যমিতাৰ ধাৰণা
১০.৪ মহিলা উদ্যমিতাৰ গুৰুত্ব
১০.৫ মহিলা উদ্যমিতাৰ অসুবিধাসমূহ
১০.৬ মহিলা উদ্যমিতাৰ উদগনি
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মহিলা উদ্যমিতাৰ ধাৰণাটো জানিব পাৰিব
- মহিলা উদ্যমিতাৰ গুৰুত্ব সম্পর্কে আলোচনা কৰিব পাৰিব
- মহিলা উদ্যমিতাৰ অসুবিধাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতবর্ষত মহিলা উদ্যমিতাৰ কাৰণে কি কি সুবিধা প্রদান কৰা হৈছে সেই বিষয়ে জানিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়টোত আমি মহিলা উদ্যমিতাৰ উদ্দেশ্য কি জানিব পাৰিব। মহিলা উদ্যমীসকলে দেশৰ অর্থনৈতিক আৰু সামাজিক উন্নতিত অৰিহণা যোগাব পাৰে। মহিলা উদ্যোগীকৰণৰ দ্বাৰা মহিলাৰ অর্থনৈতিক শক্তি সবল কৰিব কৰিব আৰু তাৰ দ্বাৰা মহিলাসকলক সমাজত আগবঢ়াই নিব পাৰিব। এই অধ্যায়ত আমি মহিলা উদ্যোগীসকলৰ অসুবিধাসমূহৰ বিষয়ে আলোচনা কৰাৰ উপৰিও তেওঁলোকৰ কাৰণে উদ্যোগৰ ক্ষেত্রত যিবিলাক সুবিধা আগবঢ়োৱা হৈছে সেই বিষয়েও আলোচনা কৰিম।

১০.৩ মহিলা উদ্যমিতাৰ ধাৰণা

মহিলা উদ্যমিতাৰ উন্নতিৰ দ্বাৰা দেশৰ অৰ্থনৈতিক উন্নতিৰো আশা কৰিব পাৰি। মহিলা উদ্যমিতাৰ দ্বাৰা যে অকল অৰ্থনৈতিক উন্নতিয়েই হ'ব সেইটো নহয়, ইয়াৰ দ্বাৰা সামাজিক আৰু সাংস্কৃতিক দিশটোৰো উন্নতি হ'ব। ইয়াৰ দ্বাৰা এইটোকে বুজায় যে সমাজৰ উন্নতিৰ কাৰণে দেশৰ জনগণৰ মহিলাকে ধৰি সকলো শ্ৰেণীৰ লোকেই অংশগ্ৰহণ কৰিব লাগিব। বিভিন্ন অধ্যয়নৰ দ্বাৰা এইটো জানিব পৰা গৈছে যে মহিলাৰ অংশগ্ৰহণৰ দ্বাৰা দেশৰ অৰ্থনৈতিক কৰ্মসংস্থাপনৰ সুযোগ দিব পাৰিব। ইয়াৰ দ্বাৰা আয় বাঢ়িব আৰু দৰিদ্ৰতা কমিব। পৰিবৰ্তিত পৃথিৱীত মহিলা উদ্যোগীসকলৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা থাবি আৰু অৰ্থনৈতিক উন্নতি আৰু সামাজিক মৰ্যদাও বাঢ়িব।

১০.৪ মহিলা উদ্যমিতাৰ গুৰুত্ব

ভাৰতবৰ্ষত মহিলাসকলে সমাজত মূল চালিকা শক্তি ৰূপে পৰিগণিত হৈছে। তথাপিও সমাজত মহিলাৰ স্থান নিম্ন হোৱাৰ কাৰণে তেওঁলোক শক্তিশালীভাৱে পৰিগণিত হ'ব পৰা নাই। কিছু বছৰৰ আগৰ পৰাহে মহিলা উদ্যমিতাক স্বীকৃতি দিয়া হৈছে। এতিয়া মহিলা উদ্যমিতাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিম।

১) **মূলধন বিনিয়োগ ঃ** মহিলা উদ্যোগীসকলে জনসাধাৰণৰ অৰ্থ সংগ্ৰহ কৰি ব্যৱসায়ত বিনিয়োগ কৰে। ইয়াৰ দ্বাৰা ৰাষ্ট্ৰীয় সম্পদসমূহ উৎপাদনমুখী কাৰ্যত ব্যৱহাৰ হয়। ইয়াৰ দ্বাৰা মূলধনৰ বিনিয়োগ বৃদ্ধি হ'ব। যিটো অৰ্থনৈতিক উন্নতিৰ কাৰণে অতি প্ৰয়োজন।

২) **জনমুৰি আয় বৃদ্ধি ঃ** ভাৰতবৰ্ষত মহিলা উদ্যোগীসকলে বিভিন্নধৰণৰ ব্যৱসায় আৰম্ভ কৰিছে। তেওঁলোকে ভূমি, শ্ৰম আৰু মূলধনক জাতীয় আয়লৈ পৰিৱৰ্তিত কৰি জনমুৰি আয় বৃদ্ধি কৰিছে আৰু উদ্যোগীক উন্নতিত সহায়ক হয়। এইটোৱে প্ৰমাণ কৰিছে যে মহিলাসকলৰ উদ্যমিতা আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে মহিলা উদ্যমিতাৰ বিভিন্ন দিশসমূহ অধ্যয়ন কৰা প্ৰয়োজন। মহিলা উদ্যমিতা অধ্যয়নৰ এক বিষয় হিচাপে আলোচনা কৰিবলৈ হ'লে বৰ্তমানৰ ধাৰণাসমূহৰ পৰিসৰ বহল কৰিব লাগিব।


মহিলা অৰ্থনৈতিক উন্নতিৰ কাৰণে মহিলা উদ্যমিতাৰ উন্নতিৰ বিশেষ প্ৰয়োজন। এজন সাধাৰণ কৰ্মীতকৈ মহিলা উদ্যোগীসকল অৰ্থনৈতিকভাৱে বেছি শক্তিশালী হয়। মহিলা উদ্যমিতা প্ৰসাৰৰ কাৰণে ভাল ভাবে গৱেষণা কৰিব লাগে।

মহিলাসকলৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে মহিলা উদ্যমিতাৰ সম্ভৱপৰ উন্নতি হ'ব লাগিব। এজন সাধাৰণ কৰ্মীতকৈ মহিলা উদ্যোগীৰ অৰ্থনৈতিক অৱস্থা বেছি শক্তিশালী হ'ব। কাৰণ কোনো সিদ্ধান্ত গ্ৰহণ কৰিবলৈও সুবিধা পাব। তাৰ দ্বাৰা সমাজত তেওঁলোকৰ

স্থানৰ উন্নতি হ'ব। উদ্যমিতাৰ উন্নতিৰ জৰিয়তে মহিলাসকলে নিজৰ অৰ্থনৈতিক উন্নতিৰ লগতে আনকো উৎসাহিত কৰে।

৩) **কৰ্ম সংস্থাপন বৃদ্ধি ঃ** মহিলা উদ্যোগীয়ে জীৱিকা বৃদ্ধিত সহায় কৰিব। ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰি বৃহৎ সংখ্যক কৰ্মসংস্থাপন বৃদ্ধি কৰিব পাৰিব আৰু আত্সহায়ক গোট গঠন কৰিব পাৰিব।

৪) **সমাজলৈ অৱদান ঃ** মহিলা উদ্যোগীসকলে জীৱনৰ মানদণ্ড বৃদ্ধিৰ লগতে সমাজৰো উন্নতিত বৰঙণি যোগায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মহিলা উদ্যমিতাৰ গুৰুত্ব সম্পৰ্কে তিনিটা দিশ উল্লেখ কৰক।

.....


.....

১০.৫ মহিলা উদ্যমিতাৰ অসুবিধাসমূহ

ভাৰতবৰ্ষত মহিলা উদ্যোগীসকলে ব্যৱসায়ৰ উন্নতিৰ কাৰণে বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হয়। কিছুমান সমস্যা সাধাৰণ আৰু সকলোৱেই তেনে সমস্যাৰ সন্মুখীন হয়। কিন্তু কিছুমান সমস্যাৰ কেবল মহিলা উদ্যোগীসকলহে সন্মুখীন হয়। তাৰে কিছুমান সমস্যা তলত উল্লেখ কৰা হ'ল —

- **আর্থিক সমস্যা ঃ** ডাঙৰেই হওক বা সৰুয়েই হওক যিকোনো ব্যৱসায়ৰ কাৰণে মূলধন হৈছে প্রধান আহিলা। মহিলা উদ্যোগীসকল আর্থিক সমস্যাৰ সন্মুখীন হোৱাৰ দুটা কাৰণ। প্রথমতে তেওঁলোকৰ সম্পত্তি নিজৰ নামত নেথাকে কাৰণে বেংকৰ পৰা ঋণ লোৱাত অসুবিধা হয়। গতিকে তেওঁলোকৰ মূলধন সীমিত। সেই কাৰণে বেংক আৰু আন বিত্তীয় প্রতিষ্ঠানবোৰে তেওঁলোকৰ ঋণ পৰিশোধৰ ক্ষমতা কম বুলি ভাবে। সেই কাৰণে মহিলা উদ্যোগীসকলে ব্যক্তিগত সঞ্চয়ৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। অর্থৰ অভাবৰ বাবেই মহিলা উদ্যোগীসকলে ব্যৱসায় কৰিবলৈ অসুবিধা হয়।
- **কেঁচামালৰ অভাৱ ঃ** বেছিভাগ মহিলা উদ্যোগীয়ে কেঁচামাল সংগ্রহ কৰাৰ কাৰণে অসুবিধাত পৰে।
- **সীমিত পৰিভ্রমণ ঃ** মহিলা উদ্যোগীসকল পৰিভ্রমণৰ ক্ষেত্রত বহুতো বাধাৰ সন্মুখীন হয়।
- **শিক্ষাৰ অভাৱ ঃ** শিক্ষাৰ অভাৱেও মহিলা উদ্যমিতাৰ বিকাশত কিছুমান বাধাৰ সৃষ্টি কৰে। শিক্ষাৰ অভাবেও আর্থ সামাজিক দিশত কিছু সমস্যাৰ সৃষ্টি কৰে।
- **প্রতিযোগিতা ঃ** সীমিত জ্ঞানৰ কাৰণেও বজাৰ ব্যৱস্থা, প্রযুক্তি, সাংগাঠনিক গাঁথনি আদিৰ ওপৰত সীমিত জ্ঞান থকাৰ বাবেও মহিলা উদ্যোগীসকল অসুবিধাত পৰে।

- **পৰিয়ালৰ দায়িত্ব ঃ** ভাৰতীয় সমাজ ব্যৱস্থাত মহিলাসকলে পৰিয়ালৰ দায়িত্ব পালন কৰিব লাগে বুলি বিবেচিত হয়। সেই দায়িত্ব পালনৰ কাৰণেই মহিলাসকলে ব্যৱসায়ত গুৰুত্ব দিবলৈ সমর্থ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ মহিলা উদ্যমিতাৰ তিনিটা অসুবিধা উল্লেখ কৰক।

.....

.....

১০.৬ মহিলা উদ্যমিতাৰ উদগনি

আজি কেইবছৰমান আগৰ পৰা চৰকাৰে প্রশিক্ষণৰ যোগেদি মহিলা উদ্যমীসকলৰ উন্নতিৰ কাৰণে গুৰুত্ব দিয়া দেখা গৈছে। বর্তমান বহুত ৰাজ্যই মহিলা উদ্যমিতা বিকাশত জড়িত হৈ পৰিছে। চৰকাৰে আর্থিক সাহায্য আৰু প্রশিক্ষণ আদিৰ ওপৰত গুৰুত্ব দিয়া দেখা গৈছে। মহিলাসকলক উৎসাহিত কৰিবলৈ বিভিন্ন ধৰণৰ আঁচনি আৰু নীতি গ্রহণ কৰিছে। সংযুক্ত ৰাষ্ট্র সংঘই যেয়িা ১৯৭৫ চনটোক আন্তর্জাতিক নাৰী কর্ম হিচাবে ঘোষণা কৰিছে, তেতিয়াৰ পৰা মহিলা উদ্যোগীসকলৰ মানসিকতাৰো পৰিৱর্তন হোৱা দেখা গৈছে আৰু চৰকাৰেও মহিলাসকলে যাতে ঘৰতে আৱদ্ধ নেথাকি ব্যৱসায়ত মনোনিশে কৰিব পাৰে তাৰ কাৰণে বহুতো আঁচনি গ্রহণ কৰিছে। ১৯৭৫-১৯৭৮ বর্ষত কেৱল ৭৩ সংখ্যক উদ্যোগ মহিলাৰ দ্বাৰা পৰিচালিত হৈছে। এইটো যাতে বছৰি বৃদ্ধি হয় তাৰ কাৰণে চেষ্টা কৰা হৈছে। ১৯৮৬-৮৭ বর্ষত মাত্র ১১৪৩, কিন্তু তাৰ পৰিৱর্তে ৬ বছৰৰ ভিতৰত এইটো বৃদ্ধি হৈ ৪১৯০ উদ্যোগ স্থাপিত হৈছে। এইটোৱে ইয়াকে প্রমাণ কৰে যে চৰকাৰী সংস্থাসমূহে মহিলাসকলৰ মানসিক পৰিৱর্তনত সহায়ক হৈছে আৰু মহিলাসকলক আনুষ্ঠানিক সমর্থন দিছে।

বিভিন্ন ধৰণৰ আঁচনিৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

National Level Institutions : কেন্দ্রীয় আৰু চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে সাধাৰণ উদ্যমী আৰু বিশেষকৈ মহিলা উদ্যমীৰ কাৰণে কেইবাখনো আঁচনি গ্রহণ কৰিছে। চৰকাৰৰ এই আঁচনি অনুযায়ী উদ্যমীসকলৰ কাৰণে প্রশিক্ষণ আৰু কর্মসংস্থাপনৰ বিভিন্ন কার্যক্রম হাতত লৈছে। মহিলা উদ্যমীসকলৰ উন্নতিৰ কাৰণে জৰাহৰ ৰোজগাৰ যোজনা আঁচনি কৰিছে। আন এখন আঁচনি বাণিজ্যিক সম্পর্কীয় ব্যৱসায়ী আৰু ইন্দিৰা মহিলা যোজনা আঁচনিখন মহিলা উদ্যমীসকলৰ কাৰণে বিশেষভাৱে সহায়ক হ'ব। চৰকাৰৰ দ্বাৰা ইমানবিলাক আঁচনি প্রৱর্তন কৰাৰ পিছতো মহিলাসকলে বৃহৎ পৰিমাণৰ ঋণ আদি ল'বলৈ সাহস কৰিব নোৱাৰে। মহিলাৰ দ্বাৰা সংস্থাপিত উদ্যোগসমূহলৈ প্রয়োজনীয় পুঁজিৰ যোগান ধৰিবলৈ ৰিজার্ভ বেংক অৰ ইণ্ডিয়াই বিভিন্ন পন্থা হাতত লৈছে।

National Small Industries Corporation (NSIC) ৰাষ্ট্ৰীয় লঘু উদ্যোগ আয়োগ ঃ ১৯৫৫ চনত ভাৰত চৰকাৰৰ উদ্যোগ বিভাগৰ অধীনত NSIC গঠিত হৈছে। এই আয়োগে ক্ষুদ্ৰ উদ্যোগসমূহক বিভিন্ন ধৰণৰ সহায় আগবঢ়ায়।

Small Industries Development Organization (SIDO) ক্ষুদ্ৰ উদ্যোগ বিকাশ সংস্থা ঃ এই সংস্থাটোৱে বিভিন্ন এলেকাৰ উন্নতিৰ কাৰণে বিভিন্ন ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিছে। এই সংস্থাটোৱে ক্ষুদ্ৰ উদ্যোগসমূহৰ বিভিন্ন প্ৰয়োজনীয়তা চিনাক্তকৰণ, বিভিন্ন নীতি আৰু কাৰ্যক্ৰমসমূহৰ মাজত সমন্বয় ৰাখিবলৈ কাৰ্য সম্পাদন কৰে আৰু ক্ষুদ্ৰ উদ্যোগসমূহৰ উদগনিৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰে। এই সকলোবিলাক কাৰ্য সুচাৰুৰূপে চলাবলৈ ২৭টা কাৰ্যালয়, ৩১টা সেৱা কেন্দ্ৰ আৰু উৎপাদনৰ লগত জড়িত ৭টা কেন্দ্ৰ আছে।

Small Scale Industries Board (SSIB) ঃ দেশৰ ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠানবিলাকৰ তদাৰকীৰ কাৰণে ১৯৫৪ চনত এই প্ৰতিষ্ঠানতো স্থাপিত হয়। দেশত ক্ষুদ্ৰ উদ্যোগসমূহৰ লগত যোগাযোগ ৰক্ষা কৰিবলৈ এই সংস্থা স্থাপিত কৰা হৈছে। এইটো এটা সৰ্বোত্তম উপদেশমূলক সংস্থা।

National Research Development Corporation ঃ ১৯৫৫ চনত ভাৰত চৰকাৰৰ অধীনত এই সংস্থা গঠিত হৈছিল যাতে দেশত Small Scall Industries গঠনত উদগনি যোগাব পাৰে।

এইটো স্থাপন কৰাৰ উদ্দেশ্য আছিল স্থানীয় জ্ঞান, উদ্ভাৱন পেটেণ্ট আৰু প্ৰক্ৰিয়া— যিবোৰ বিভিন্নধৰণৰ অনুষ্ঠানৰ পৰা উদ্ধৰ হৈছিল সেইবোৰ বিকশিত কৰা।


National Institute for Entrepreneurship and Small Business Development ঃ ১৯৮৩ চনত NIESBUD স্থাপিত হৈছিল। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণা সংস্থাই সমাজত উদ্যোগীসকলৰ উন্নতি নিশ্চিত কৰিব পাৰে।

Khadi and Village Industries Commission খাদী আৰু গ্ৰামোদ্যোগ আয়োগ ঃ সংসদৰ আইন অনুসৰি গাঁও অঞ্চলত কৰ্মসংস্থাপনৰ সুবিধাৰ অৰ্থে খাদী আৰু গ্ৰামোদ্যোগ আয়োগ গঠিত হৈছিল। ১৯৫৭ চনৰ ১ এপ্ৰিলৰ পৰা এই বিভাগটো কাৰ্যকৰী হয়, যাতে গ্ৰামোদ্যোগত ২৫টা বিষয়ৰ ওপৰত ভালভাৱে প্ৰশিক্ষণ দিব পাৰে। এই বৰ্ডে বিভিন্নধৰণৰ সুবিধা যেনে— কেচামালৰ সুবিধা আৰু উপযুক্ত বজাৰ ব্যৱস্থাৰ সুবিধা কৰি দিব।

Small Industries Development Bank of India SIDBI ঃ এইটো এটা এনেকুৱা অনুষ্ঠান যিয়ে দেশৰ মহিলা উদ্যমিসকলক সহায় কৰিব পাৰে। এই সংস্থাৰ উদ্দেশ্য হৈছে মহিলা উদ্যমিসকলৰ আৰ্থ সামাজিক অৱস্থাৰ ওপৰত ভিত্তি কৰি প্ৰশিক্ষণ আৰু সেৱা আগবঢ়োৱা আৰু কৰ্ম সুতত বিত্তীয় সাহায্য আগবঢ়োৱা।

National Alliance of Young Entrepreneurs ঃ মহিলা উদ্যমিতাৰ উদগনিৰ বাবে ১৯৭৫ চনত NAYE স্থাপন কৰা হৈছিল। ৫খন ৰাজ্যত মহিলাৰ গোট স্থাপন কৰা হৈছিল। আন ৰাজ্যত মহিলা উদ্যোগীৰ সংস্থাসমূহে NAYE ৰ মহিলা গোটৰ লগত সংযুক্ত হৈছিল।

IFCI Scheme of Interest for Women Entrepreneurs ঃ ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে মহিলা উদ্যোগীসকলক তেওঁলোকৰ উদ্যোগৰ উন্নতিৰ কাৰণে উদগনি আগবঢ়োৱা আৰু ৰাজ্যিক সংস্থাসমূহৰ জৰিয়তে কাৰ্যকৰী কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মহিলা উদ্যমিতাৰ উদগনিত জড়িত দুটা সংস্থাৰ নাম লিখক।

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- উদ্যমীসকলৰ উন্নতিৰ কাৰণে গুৰুত্বপূর্ণ দিশ হ'ল দেশৰ অর্থনৈতিক উন্নতি সুনিশ্চিত কৰা।
- মহিলাসকলে দেশৰ আৰু উদ্যোগৰ উন্নতিত গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে।
- মহিলাসকলৰ অর্থনৈতিক সবলীকৰণৰ ক্ষেত্রত উদ্যমিতা বিকাশ এক ধনাত্মক দিশ হিচাপে বিবেচনা কৰিব পাৰে।
- উদ্যমিতা বিকাশৰ দ্বাৰা এগৰাকী মহিলাই নিজৰ আয় বৃদ্ধি কৰাৰ উপৰি আনৰ কর্মসংস্থাপনৰ ব্যৱস্থা কৰিব পাৰে।
- মহিলা উদ্যমিতাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে মূলধন, জনমূৰি আয়ৰ ওপৰত গুৰুত্ব, কর্মসংস্থাপন আদিৰ বিষয়েও আলোচনা কৰিব পাৰি।
- মহিলা উদ্যমিতাৰ অসুবিধাসমূহ আলোচনা কৰোতে সীমিত পৰিভ্রমণ আদি।
- মহিলা উদ্যমিতাৰ উন্নতিৰ কাৰণে বিভিন্ন আঁচনি গ্রহণ কৰা।



১০.৮ অধিক জানিবলৈ

1) B. Bhatnagar and A Budhiraja (2011), *Entrepreneurship Development & Small Business Management,* Vayu Education Of India.

2) Khanka SS (2007), *Entrepreneurial Development*; S Chand & Company; Reprint Edn. 2006 edition.

১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) মূলধন (খ) জনমুৰি আয়ৰ উন্নতি
(গ) সামাজিক অৱদান।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) আর্থিক সমস্যা (খ) সীমিত পৰিভ্রমণ
(গ) পৰিয়ালৰ দায়িত্ব।

৩ নং প্রশ্নৰ উত্তৰ ঃ (a) National Institute for Entrepreneurship and Small Business Development.
(b) Small Industries Development Bank of India.



১০.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ মহিলা উদ্যমিতাৰ বিষয়ে সংজ্ঞা লিখক।

প্রশ্ন ২ ঃ মহিলা উদ্যমিতাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ মহিলা উদ্যমিতাৰ অসুবিধাসমূহ আলোচনা কৰক।

প্রশ্ন ৪ ঃ মহিলা উদ্যমিতাৰ ওপৰত যুগুত কৰা বিভিন্ন আঁচনিসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ ক্ষুদ্র ব্যৱসায়

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ক্ষুদ্র ব্যৱসায়ৰ সংজ্ঞা

১১.৪ ক্ষুদ্র ব্যৱসায়ৰ বৈশিষ্ট্য

১১.৫ ক্ষুদ্র আৰু বৃহৎ প্রতিষ্ঠানৰ সম্পর্ক

১১.৬ ক্ষুদ্র প্রতিষ্ঠানসমূহৰ উদ্দেশ্য আৰু সম্ভাৱনা

১১.৭ অর্থনৈতিক উন্নয়নত ক্ষুদ্র প্রতিষ্ঠানসমূহৰ ভূমিকা

১১.৮ ক্ষুদ্র প্রতিষ্ঠানসমূহৰ সমস্যা

১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.১০ অধিক জানিবলৈ

১১.১১ অগ্রগতিৰ খতিয়ান

১১.১২ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ক্ষুদ্র ব্যৱসায়ৰ সংজ্ঞা আৰু বৈশিষ্ট্য আলোচনা কৰিব পাৰিব
- ক্ষুদ্র আৰু বৃহৎ প্রতিষ্ঠানসমূহৰ মাজত সম্পর্ক স্থাপন কৰিব পাৰিব
- ক্ষুদ্র ব্যৱসায়ৰ উদ্দেশ্য জানিব পাৰিব
- দেশৰ অর্থনৈতিক উন্নয়নত ক্ষুদ্র ব্যৱসায়িক প্রতিষ্ঠানসমূহৰ ভূমিকা আলোচনা কৰিব পাৰিব
- ক্ষুদ্র ব্যৱসায় প্রতিষ্ঠানসমূহ কি কি সমস্যাৰ সন্মখীন হয় জানিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়ত আমি ক্ষুদ্র ব্যৱসায়সমূহৰ সম্পর্কে আলোচনা কৰিম। ভাৰতৰ পঞ্চবার্ষিকী পৰিকল্পনাৰ পৰিকাঠামত অর্থনৈতিক আৰু বৈচাৰিক উভয় কাৰণতেই ব্যৱসায়িক প্রতিষ্ঠানসমূহক গুৰুত্ব দিয়া হৈছে। আজি ভাৰতবর্ষ উন্নয়নশীল দেশসমূহত ডাঙৰ কার্যসূচী পৰিচালনা কৰিছে। বর্তমান তথ্য অনুসাৰে ক্ষুদ্র প্রতিষ্ঠানসমূহ গতিশীল আৰু জীৱন্ত হৈ প্রকট হৈছে।

১১.৩ ক্ষুদ্র ব্যৱসায়ৰ সংজ্ঞা

উদ্যোগৰ প্ৰকৃতি অনুযায়ী ব্যসায়িক সংস্থা সমূহ বিভিন্ন মাপৰ হব পাৰে ।উদাহৰণস্বৰূপে লৌহা আৰু ষ্টীল শিল্প সমূহ ডাঙৰ মাপৰ। ৰাজহুৱা প্ৰয়োজনীয় সেৱা যেনে ৰেলসেৱা আৰু বৈদ্যুতিক যোগান ধৰা প্ৰতিষ্ঠান সমূহৰ আকাৰ বৃহৎ হব লাগে। আনহাতে, যিবোৰ উদ্যোগে শ্ৰমিকৰ ব্যক্তিগত দক্ষতা বিচাৰে, যেনে-হস্তলিপি, শিল্পসুলভ সামগ্ৰী ইত্যাদি ক্ষেত্ৰত আকাৰ সৰু হয়। এই দুই প্ৰকাৰৰ মাজত কিছুমান উদ্যোগ আছে যিবোৰ কাৰণে মধ্যম আকাৰৰ মাজত কিছুমান উদ্যোগ আছে যিবোৰৰ কাৰণে মধ্যম আকাৰৰ সংস্থা প্ৰযোজ্য ব্যৱসায়িক সংস্থাৰ আকাৰ পৰিমাপ কৰিলৈ কিছুমান উপযুক্ত মানদণ্ড ব্যৱহাৰ কৰিব লাগে। এই অধ্যায়ত আমি বিভিন্ন মানদণ্ড সম্পৰ্কে আলোচনা কৰিম যিবোৰ ব্যৱসায়িক সংস্থাৰ আকাৰ পৰিমাপত ব্যৱহৃত হয়। এই মানদণ্ডসমূহ সমলো প্ৰকাৰ উদ্যোগৰ কাৰণে একেই নহবও পাৰে।

তলত মানদণ্ডসমূহৰ শ্ৰেণীবিন্যাস কৰা হ'লঃ এতিয়া আমি ব্যৱসায়িক সংস্থাৰ আকাৰ পৰিমাপৰ বিভিন্ন মানদণ্ড সমূহ আলোচনা কৰিম।

১১.৪ ক্ষুদ্র ব্যৱসায়ৰ বৈশিষ্ট্য

১) **এজন মানুহেই সর্বেসর্বা ঃ** ক্ষুদ্র প্রতিষ্ঠানসমূহ সাধাৰণতে এজন মানুহৰ দ্বাৰা পৰিচালিত হয়। ক্ষুদ্র প্রতিষ্ঠানসমূহ যিবোৰ অংশীদাৰী সংস্থা বা কোম্পানী সেইবোৰ সংস্থাসমূহৰ কাম এজন অংশীদাৰ সকল নি... ...য় অংশীদাৰ বা নির্দেশক তেওঁলোকে নিজৰ ধৰণতেই পৰিচালিত হয়। ব্যৱসায়িক সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত এজন মালিক সর্বাগ্রে অংশ গ্রহণ কৰিব।

২) **নিজস্ব ধৰণত পৰিচালনা ঃ** ক্ষুদ্র প্রতিষ্ঠান সমূহৰ ক্ষেত্ৰত মালিক নিজেই প্রতিষ্ঠানৰ পৰিচালক। সুতৰাং এই প্রতিষ্ঠানবোৰৰ নিজৰ ধৰণতেই পৰিচালিত হয়। ব্যৱসায়িক সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত এজন মালিক সর্বাগ্রে অংশ গ্রহণ কৰিব।

৩) **বিনিয়োগৰ পৰা লাভ অর্জন কৰা সময় চোৱা ঃ** বৃহৎ শিল্প প্রতিষ্ঠানৰ তুলনাত ক্ষুদ্র শিল্প প্রতিষ্ঠান সমূহৰ বিনিযোগৰ পৰা লাভ অর্জন কৰিবলৈ কমকে সময় পোৱা যায়।

৪) **কার্যকৰণৰ পৰিসীমা ঃ** ক্ষুদ্র প্রতিষ্ঠান সমূহৰ কার্যকৰণৰ পৰিসীমা স্থানায় তথা আঞ্চলিক চাহিদা পূৰণত সীমাবদ্ধ হৈ থাকে।

৫) **সম্পদৰ উপলদ্ধতা ঃ** ক্ষুদ্র প্রতিষ্ঠান সমূহ দেশায় সম্পদ ব্যৱহাৰ কৰে। এই কাৰণে সেইবোৰ প্রতিষ্ঠান যিকোনো অঞ্চলত অৱস্থান কৰিব পাৰে যতেই উপলব্ধ যেনে কাঁচামাল, শ্রমিক ইত্যাদি।

৬) **শ্রম শক্তিপ্রধান ঃ** ক্ষুদ্র শিল্প প্রতিষ্ঠান সমূহ বৃহৎ প্রতিষ্ঠান সমূহৰ তুলনাত শ্রম শক্তি প্রধান হয় আৰু কম মূলধন বিনিযোগ কৰা হয়। .....এৰ মতে, ক্ষুদ্র প্রতিষ্ঠান সমূহৰ মূলধন প্রয়োজন হয়।

৭) **সুষম আঞ্চলিক উন্নতি ঃ** স্থানীয় সম্পদ ব্যৱহাৰ কৰি পেলাই ক্ষুদ্র প্রতিষ্ঠান সমূহক গাঁও অঞ্চললৈ বিকেন্দ্রীকৰণ কৰা হয়।

৮) **পৰিবর্তন লগত ..... ঃ** বৃহৎ উদ্যোগ সমূহতকৈ ক্ষুদ্র উদ্যোগ সমূহে পৰিবর্তনৰ লগত সহজে .....লব পাৰে। পৰিবর্তন যেনে নতুন সামগ্রীৰ উৎপাদন, নতুন উৎপাদন প্রক্রিয়া, নতুন বজাৰ, নতুন সাংগঠনিক গাঁঠনি ইত্যাদি লগত নিজকে খাপ খুৱাই লব পাৰে।

১১.৫ ক্ষুদ্র আৰু বৃহৎ প্রতিষ্ঠানৰ সম্পর্ক

ক্ষুদ্র আৰু বৃহৎ শিল্প প্রতিষ্ঠানৰ সম্পর্ক সমূহ বিভিন্ন দিশৰ পৰা আলোচনা কৰিব পাৰি। তলত গুৰুত্বপূর্ণ কেইটামান আলোচনা কৰা হ'লঃ-

১) **প্রতিযোগিতামূলক ঃ** কিছুমান পৰিস্থিতি আৰু নির্বচিত বস্তুৰ ক্ষেত্রত ক্ষুদ্র শিল্প প্রতিষ্ঠান সমূহ বৃহৎ শিল্প প্রতিষ্ঠানৰ লগত প্রতিযোগিতা কৰিব নোৱাৰে। উদাহৰণস্বৰূপে-- ইটা আৰু টাইলস্ শিল্প, তাজা সেঁকা বস্তু ইত্যাদি।

২) **পূৰক ঃ** বৃহৎ উৎপাদন আৰু মানযুক্ত সামগ্রীৰ যিবোৰ বৃহৎ উদ্যোগে উৎপাদন কৰে, মাজৰ ৰিক্ত স্থান ক্ষুদ্র উদ্যোগৰ দ্বাৰা উৎপাদিত সামগ্রীয়ে পূৰণ কৰিব পাৰে।

৩) **পৰিপূৰক ঃ** সম্পূৰক সম্বন্ধৰ উপৰিও ক্ষুদ্র উদ্যেগসমূহৰ বৃহৎ উদ্যোগৰ লগত এক পৰিপূৰক সম্বন্ধও আছে। বহুতো ক্ষুদ্র উদ্যোগে বৃহৎ উদ্যোগৰ ব্যৱহাৰ কৰিব পৰাকৈ কিছুমান সামগ্রী উৎপাদন কৰে। ক্ষুদ্র আৰু বৃহৎ উদ্যোগৰ মাজৰ এনেকুৱা সম্বন্ধই জাপানৰ ঔদ্যোগিক বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ঔদ্যোগিক বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ঔদ্যোগিক প্রক্রিয়াৰ বিকাশ ঘটাৰ লগে লগে ক্ষুদ্র উদ্যোগে বৃহৎ উদ্যোগৰ লগত প্রতিযোগিতামূলক কার্যৰ পৰা আতৰি পৰিপূৰক কার্য সম্পাদন কৰা দেখা যায়। পৰিপূৰক সম্বন্ধৰ অধিনত কার্য সম্পাদন কৰে আৰু এক সুনিশ্চি বজাৰৰ সুবিধা লাভ কৰে। তেনেক্ষেত্রত ক্ষুদ্র উদ্যোগ সমূহৰ ফলাফল ভাল দেখা যায়।

৪) **উদ্যোগ ঃ** বৃহৎ উদ্যোগৰ লাভালাভৰ পৰা আকর্ষিত হৈ ক্ষুদ্র উদ্যোগ সমূহেও কোনো এবিধ বিশেষ সামগ্রী উৎপাদন কৰিবলৈ উদ্যোগ লব পাৰে। যদি এই ক্ষেত্রত ক্ষুদ্র উদ্যোগে সফলতা লাভ কৰিব পাৰে তেতিয়া হলে ক্ষুদ্র উদ্যোগ সমূহৰও বৃহৎ উদ্যোগ লৈ ৰূপান্তৰিত হব পাৰে। আমাৰ দেশত বৈদ্যুতিক উদ্যোগ বিকাশৰ ক্ষেত্রত এনে ধৰণৰ উদ্যোগ লোৱা দেখা যায়।

৫) **সেৱা ঃ** বৃহৎ উদ্যোগে কৰা সামগ্রীৰ মেৰামতী ক্ষুদ্র উদ্যোগ সমূহে কৰিব পাৰে। আমাৰ দেশত তেনেকুৱা ধৰণৰ বহুতৰ সেৱা প্রদান প্রতিষ্ঠান সমূহত প্রতিষ্ঠিত হোৱা দেখা যায়। বিশেষকৈ ৰেফ্রিজাৰেটৰ, ৰেডিও, টেলিভিশন, চাইকেল, মটৰগাড়ী আদিৰ ক্ষেত্রত ক্ষুদ্র উদ্যোগৰ পয়োভৰ দেখা যায়।

১১.৬ ক্ষুদ্র প্রতিষ্ঠানসমূহৰ উদ্দেশ্য আৰু সম্ভাৱনা

ক্ষুদ্র উদ্যোগসমূহৰ উদ্দেশ্যসমূহৰ ওপৰৰ শাখাত আলোচনা কৰা হৈছে যদিও এই শাখাত উদ্দেশ্যসমূহৰ উপৰিও আকৌ এবাৰ আলোকপাত কৰা হৈছে।

১) তুলনামূলক কম বিনিযোগত সোনকালে প্রচুৰ কর্ম সংস্থাপনৰ সুযোগ।

২) দেশৰ পৰা আদকাৰী সমস্যাৰ নির্মূল কৰা।

৩) দেশব্যাপী ক্ষুদ্র .....গাওঁ, অর্থনৈতিকভাবে পিছ পৰা অঞ্চসমূহত উদ্যোগৰ প্রসাৰ।

৪) পিছপৰা অঞ্চল সমূহতও জাতীয় উন্নয়ৰ মূলধাৰাত আনিব লাগিব।

৫) দেশৰ আঞ্চলিক উন্নৰ ভাৰসাম্য বর্ধিত কৰা।

৬) জাতীয় আয়ৰ ন্যায্য বিতৰণ নিশ্চিত কৰা ।

৭) দেশৰ অব্যৱহৃত সম্পদ সমূহৰ সঠিক ব্যৱহাৰৰ বাবে উদ্‌গণি জনোৱা।

৮) দেশৰ মানুহৰ জীৱন যাত্রাৰ স্তৰ উন্নত কৰা।

সম্ভাবনা ঃ

ক্ষুদ্র শিল্প প্রতিষ্ঠান সমূহৰ সম্ভাবনা বহুত বহল, যাতে বিস্তৃত কার্যকলাপৰ কাৰণে কম বাস্তবধমী প্রযুক্তিৰ ব্যৱহাৰ হয়। ক্ষুদ্র উদ্যোগৰ বৈশিষ্টৰ লগত খাপ খুৱাই সফলতাৰে ক্ষুদ্র উদ্যোগৰ জৰিয়তে কৰিব পৰা কেইটামান কার্য হৈছে---

উৎপাদন কার্যক্রম

মেৰামতি কার্যক্রম

খুচৰা বিক্রয় কার্যক্রম

আর্থিক কার্যক্রম


পাইকাৰী ব্যৱহায়

নির্মাণ কার্যক্রম

অবকাঠামগত কার্যক্রম যেনে পৰিবহন, সঞ্চাৰ আৰু জনসাধাৰণৰ উপযোগিতা।

ক্ষুদ্র শিল্পৰ উন্নতিৰ সম্ভাবনা মজবুত কৰিবলৈ ভাৰত চৰকাৰ আন সহায়তা কার্যসূচীৰ সৈতে সংৰক্ষণ নীতিও ঘোণযা কৰিছে। সংৰক্ষণ নীতি আৰম্ভ হেছিল .....চনত যেতিয়া .....খন বস্তু সংৰক্ষিত আছিল ক্ষুদ্র প্রতিষ্ঠান সমূহৰ একচেতিয়া উৎপাদন কাৰণে। .....চনত সংৰক্ষিত তালিকাত ....খন -বস্তু অন্তর্ভুক্ত হয় ক্ষুদ্র প্রতিষ্ঠান সমূহৰ একচেতিয়া উৎপাদৰ কাৰণে। সম্প্রতি .... খন পদ অসংৰক্ষিত কৰিছে। ফলত বর্তমান .....খন পদ একচেতিয়া উৎপাদনৰ কাৰণে সংৰক্ষিত হৈ আছে। সংৰক্ষণ নীতিৰ আসন উদ্দেশ্য হ'ল ক্ষুদ্র শিল্প প্রতিষ্ঠান সমূহক বৃহৎ শিল্প প্রতিষ্ঠানৰ অসমান প্রতিযোগিতা পৰা দূৰত ৰখা, যাতে ক্ষুদ্র প্রতিষ্ঠানসমূহৰ বিদ্যামান শাখাবোৰৰ বিস্তাৰৰ মাধ্যমে আৰু নতুম প্রতিষ্ঠানৰ প্রৱেশৰ মাধ্যমে আগবাঢ়ি যাব পাৰে। ক্ষুদ্র সংস্থাৰ একচেতিয়া উন্নয়ণৰ কাৰণে যিবোৰ উদ্যোগ সংৰক্ষিত হৈ আছে। সেইবোৰ হ'ল --বয়ন পন্য, চামড়া আৰু চামড়া জাত দ্রব্য, ৰবাৰ জাত দ্রব্য, প্লাষ্টিকজাত দ্রব্য, ৰাসায়নিক

আৰু ৰাসায়নিকজাত দ্রব্য, প্রকৃতিক তেল, জৈব ৰাসায়নিক দ্রব্য, আয়না আৰু চীনামাটিৰ দ্রব্য, যান্ত্রিক ইঞ্জিনিয়াৰিং পৰিবহন সৰঞ্জাম, সকলোধৰণৰ ধাতু কেবিনেট, চাপ চুলা, বৈদ্যুতিক সৰঞ্জাম আৰু উপাদানসমূহ, নাওঁ আৰু ট্রাক বডি বিল্ডিং, স্বয়ংক্রিয় যন্ত্রাংশৰ উপাদান সমূহ, আনুসঙ্গিক আৰু গ্যাৰেজ উপকৰণ, সাইকেলৰ যন্ত্রাংশ, তিনিচকীয়া চাইকেল আৰু পেৰাম্বুলেটৰ, বিভিন্ন পৰিবহন উপকৰণ সমূহ, গাণিতিক আৰু চার্ভে সংক্রান্ত যন্ত্র, খেলাৰ সামগ্রী, ষ্টেশনাৰী দ্রব্য, ঘড়ি ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ক্ষুদ্র উদ্যোগৰ দুটা বৈশিষ্ট্য লিখক।

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ ক্ষুদ্র উদ্যোগৰ দুটা উদ্দেশ্য লিখক।

.....

.....

.....

.....

১১.৭ অর্থনৈতিক উন্নয়নত ক্ষুদ্র প্রতিষ্ঠানসমূহৰ ভূমিকা

পূর্ববতী অধ্যায়ত এতিয়ালৈকে ক্ষুদ্র উদ্যোগৰ আইনী পৰিকাঠম আলোচনা কৰা হৈছে। এতিয়া এই অধ্যায়ত আমি ভাৰতবর্ষৰ অর্থনৈতিক উন্নয়ণত ক্ষুদ্র উদ্যোগসমূহৰ ভূমিকা আলোচনা কৰিম। আপুনি কেনেকৈ অর্থনৈতিক উন্নয়ণ ব্যাখ্যা কৰিব?

এই সংক্রান্তত নিম্নলিখিত দিশসমূহ আলোচনা কৰা হ'লঃ-

১) অর্থনৈতিক উন্নয়ণৰ সাধাৰণ সংজ্ঞা হ'ল----প্রকৃত জনমুৰি আয় বৃদ্ধি পালে মানুহৰ জীৱনযাত্রাৰ স্তৰত বৃদ্ধি পাব।

২) ক্ষুদ্র শিল্পসমূহৰ উন্নতিৰ ফলত দেশৰ জনমুৰি আয়ও বৃদ্ধি পাব, অর্থাৎ সকলো ঠাইতে অর্থনৈতিক উন্নয়ণ।

৩) ক্ষুদ্র প্রতিষ্ঠান সমূহ তৎকালীন কর্মসংস্থানৰ সুযোগ কৰি দিয়ে তুলনামূলকভাৱে ক্রম মূলধন আৰু বিনিয়োগেৰে আৰু জাতীয় আয়ৰ সমবিতৰণ উন্নীত কৰে।

৪) ইয়াৰ দ্বাৰা অব্যৱহৃত মূলধন আৰু মানৱীয় কৌশল উপযুক্ত ভাৱে ব্যৱহাৰ কৰিব পাৰি। উৎপাদন কার্য দেশব্যাপী বিস্তৃত কৰিব পাৰি।

৫) এই প্রতিষ্ঠান অর্থনৈতিকভাবে পিছপৰা অঞ্চলসমূহ ,....গাওঁ, এইবোৰৰ উন্নতি সাধন কৰে। এইটোৱে সন্তুলিত আঞ্চলিক উন্নতি সাধন কৰে।

এখন দেশৰ অর্থনৈতিক উন্নয়নত ক্ষুদ্র প্রতিষ্ঠনৰ ভূমিকাৰ বিষয়ে আলোচনা কৰোতে নিম্নলিখিত দিশসমূহ বিবেচনা কৰিব লাগে----

(ক) সংখ্যাত বৃদ্ধি

(খ) উৎপাদন

(গ) কর্মসংস্থাপন

(ঘ) ৰপ্তানি।

১১.৮ ক্ষুদ্র প্রতিষ্ঠানসমূহৰ সমস্যা

১) **কেঁচামালৰ সমস্যা ঃ** ক্ষুদ্র উদ্যোগসমূহৰ এটা ডাঙৰ সমস্যা হ'ল কেঁচামালৰ দুর্লভ্যতা। কিন্তু আধুনিক ক্ষুদ্র উদ্যোগ সমূহৰ উদ্ভবৰ সময়ৰ পৰা সদাই বহুত বাস্তবধর্মী বস্তু উৎপাদন কৰিছে। কেঁচামালৰ সমস্যা এই উদ্যোগসমূহৰ উৎপাদনৰ পথত বাধা হৈছে। ক্ষুদ্র উদ্যোগসমূহ যিবোৰ ৰপ্তানীকৃত কেঁচামালৰ ওপৰত নির্ভৰ কৰে সেইবোৰ উদ্যোগ বহুতবেছি পৰিমাণে কেঁচামাল সমস্যাৰ সন্মুখীন হয়। কাৰণ এইবোৰ কেঁচামাল পাবলৈ বিদেশীমুদ্রা সংকট হয় অথবা বেলেগ বেলেগ কিছুমান কাৰণ থাকে।

২) **বিত্তৰ সমস্যা ঃ** আমাৰ দেশৰ ক্ষুদ্র উদ্যোগসমূহৰ এটা গুৰুত্বপূর্ণ সমস্যা হল বিত্ত সমস্যা।ক্ষুদ্র সংস্থাসমূহৰ বিত্ত সমস্যাৰ দুটি প্রকৃত কাৰণ হল--প্রথমতে, সমগ্র দেশত মূলধন অভাৱ। দ্বিতীয়তে, দেশত ক্ষুদ্র সংস্থা সমূহৰ দুর্বল ঋণযোগ্যতা আংশিকভাৱে দায়ী। দুর্বল অর্থনৈতিক পৰিস্থিতিৰ কাৰণে এইবোৰ সংস্থাই ব্যৱসায়িক ব্যাঙ্ক আৰু বৃত্তীয় সংস্থাৰ পৰা ঋণ লবলৈ টান পায়। যেনে, এইবোৰৰ সংস্থাই উচ্চ সুদৰ হাৰত মহাজনৰ পৰা ঋণ লবলৈ আবদ্ধ হৈ পৰে আৰু এই ঋণসমূহ বাস্তবতে শোষণ মূলক হয়।

৩) **বিপনন সমস্যা ঃ** বিপনন ক্ষেত্রত ক্ষুদ্র সংস্থাসমূহে কিছুমান সমস্যা সন্মখীন হয় ।এইবোৰ সংস্থা প্রায়ে কোনোপ্রকাৰৰ বিপনন সংগঠন নাপায়। ফলস্বৰূপে, বৃহৎ উদ্যোগ আৰু ক্ষুদ্র উদ্যোগৰ বস্তুৰ গুণগুনত পাথ পার্থক্য দেখা যায়।


৪) **উৎপাদন ক্ষমতাৰ কম ব্যৱহাৰ ঃ** বহুত গৱেষণাৰ দ্বাৰা এইটো হৈছে প্রমাণিত হৈছে যে ক্ষুদ্র উদ্যোগৰ উৎপাদন ক্ষমতাৰ ব্যৱহাৰ কম হয়। গড় হিচাবে ক্ষুদ্র উদ্যোগৰ ....পৰা .....লৈ উৎপাদন ক্ষমতা অব্যহৃত হৈ থাকে।

৫) **অন্যান্য সমস্যা ঃ** ক্ষুদ্র সংস্থা সমূহে কিছুমান বেলেগ বেলেগ সমস্যাৰ দ্বাৰা বাধাক্রান্ত। সপ্তম পঞ্চবার্ষিকী পৰিকল্পনা মতে, এইবোৰ সমস্যা হ'ল অপ্রচলিত প্রযুক্তি, অপর্যাপ্ত আৰু অনিয়মিত কেঁচামালৰ যোগান, অসংগঠিত বজাৰ ব্যৱস্থা, বজাৰ সম্পর্কে অজ্ঞতা, বিশৃঙ্খল পৰিচালনা, অপর্যাপ্ত ঋণ, ত্রুটিপূর্ণ পৰিকাঠামো যেনে বিদ্যুৎ ইত্যাদি আৰু অদক্ষ প্রযুক্তি আৰু পৰিচালনা।



চিন্তা চর্চা কৰক

উদাহৰণ সৈতে আলোচনা কৰক যদি অসমৰ ক্ষুদ্র উদ্যোগসমূহ ৰাজ্যৰ অর্থনৈতিক উন্নয়নত গুৰুত্বপূর্ণ অবদানকাৰী হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ লিখক ঃ

(ক) ক্ষুদ্র আৰু বৃহৎ উদ্যোগসমূহ শিল্পায়নৰ দুখন ভৰি। (শুদ্ধ-অশুদ্ধ)

(খ) যিবোৰ উদ্যোগক যন্ত্রপাতিত ...লাখ টকাৰ মূলধন বিনিয়োগ হৈ থাকে সেইবোৰ হল ক্ষুদ্র উদ্যোগ। (শুদ্ধ- অশুদ্ধ)

(গ) ভাৰত চৰকাৰে কর্তৃত্ব ক্ষুদ্র উদ্যোগ সমূহৰ সংকৰক্ষণ নীতি আৰম্ভ হৈছিল .....চনত। (শুদ্ধ- অশুদ্ধ)

(ঘ) আবিদ হুছেইন কমিটি য়ে ...বিধ সামগ্রী ক্ষুদ্র উদ্যোগৰ জৰিয়তে উৎপাদন কৰাৰ ব্যাৱস্থাৰ পৰামর্শ দিছিল। (শুদ্ধ - অশুদ্ধ)



১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- ভাৰতৰ পৰিকল্পনাৰ পৰিকাঠামত ক্ষুদ্র উদ্যোগক গুৰুত্বপূর্ণ স্থান দিয়া হৈছে।
- বর্তমান সংজ্ঞা অনুযায়ী যিবোৰ উদ্যোগৰ যন্ত্রপাতিত ..লাখ টকাৰ ভিতৰত ব্যায় হৈ থাকে সেইবোৰ হল ক্ষুদ্র উদ্যোগ ।
- দেশৰ অর্থনৈতিক উন্নয়ণৰ বিভিন্ন দিশত ক্ষুদ্র উদ্যোগ সমূহৰ বৃদ্ধি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- এই সংস্থাবোৰ তৎকালীন কর্মসংস্থানৰ সুযোগ দিয়ে। অপেক্ষাকৃত কম মূলধন -বিনিয়োগত যিহেতু পিছত সন্তুলিত আঞ্চলিক উন্নয়ণ সাধন কৰে।
- ক্ষুদ্র উদ্যোগসমূহৰ কিছুমান অসুবিধা যেনে- কেঁচামালৰ সমস্যা,বিত্তীয় সমস্যা, বিপননৰ সমস্যা, উৎপাদন ক্ষমতাৰ কম ব্যৱহাৰৰ সমস্যা ইত্যাদি বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে আৰু লগতে ক্ষুদ্র উদ্যোগ সমূহৰও সমাধানৰ বাবে চেষ্টা কৰিব লাগিব।
- ক্ষুদ্র উদ্যোগৰ পৰিসৰ সাধাৰণতে স্থানীয় তথা আঞ্চলিক চাহিদা পূৰণত সীমিত হৈ থাকে।



১১.১০ অধিক জানিবলৈ

১) B. Bhatnagar and A Budhiraja (2011), *Entrepreneurship Development & Small Business Management,* Vayu Education Of India.

২) Khanka SS (2007), *Entrepreneurial Development*; S Chand & Company; Reprint Edn. 2006 edition.

৩) Scarborough and Cornwell (2016), *Essentials of Enterpreneurship & Small Business Management,* Pearson Education India; Eighth edition.

৪) Charantimath (2013), *Entrepreneurship Development and Small Business Enterprises*, Pearson EducationIndia; Secondedition.

৫) Pathak R.K. andKalwar M.C. (), Business Organisation and Entrepreneurship Development.

১১.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক্ষুদ্র ব্যৱসায়ৰ দুটা বৈশিষ্ট্য হ'ল---

২ নং প্রশ্নৰ উত্তৰ ঃ এজন মানুহেই সর্বেসর্বা ঃ ক্ষুদ্র সংস্থা সমূহৰ কাম সাধাৰণতে এজন অংশীদাৰ বা নির্দেশক কর্তৃত্ব সম্পন্ন হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ নিজস্ব ধৰণত পৰিচালনা ঃ ক্ষুদ্র প্রতিষ্ঠান সমূহৰ ক্ষেত্রত মালিক নিজেই প্রতিষ্ঠানৰ প্রৰিচালক। সুতৰাং এই প্রতিষ্ঠানবোৰ নিজৰ ধৰণতেই পৰিচালিত হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক্ষুদ্র ব্যৱসায়ৰ দুটা উদ্দেশ্য হল--

(ক) অপেক্ষাকৃত কম উদ্যোগত তৎকালীন আৰু বৃহৎ কর্মসংস্থাপন সুযোগ।

(খ) দেশৰ পৰা অলাগতিয়াল সমস্যাসমূহ দূৰীকৰণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক. শুদ্ধ খ. অশুদ্ধ গ. অশুদ্ধ ঘ. শুদ্ধ



১১.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ক্ষুদ্র ব্যৱসায়ৰ বৈশিষ্টসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ অর্থনৈতিক উন্নয়ণে ক্ষুদ্র ব্যৱসায়ৰ ভূমিকা ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ক্ষুদ্র উদ্যোগৰ সমস্যাসমূহ কি?

*** ***** ***

অধ্যায় ১২ ঃ মালিকীস্বত্বৰ গাঁথনি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ এক মালিকীস্বত্বৰ ধাৰণা

১২.৪ অংশীদাৰিত্বৰ ধাৰণা

১২.৫ কোম্পানীৰ ধাৰণা

১২.৫.১ ব্যক্তিগত খণ্ডৰ কোম্পানী আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীৰ মাজৰ পার্থক্য

১২.৫.২ কোম্পানীৰ সুফল

১২.৫.৩ কোম্পানীৰ কুফল

১২.৬ সমবায়ৰ ধাৰণা

১২.৭ সঠিক মালিকীস্বত্বৰ গাঁথনিৰ চিহ্নিতকৰণ

১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৯ অধিক জানিবলৈ

১২.১০ অগ্রগতিৰ খতিয়ান

১২.১১ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মালিকীস্বত্বৰ বিভিন্ন ধৰণবোৰৰ বিষয়ে জানিব পাৰিব
- এক মালিকীস্বত্বৰ ধাৰণা, ইয়াৰ বৈশিষ্ট্য, সফল আৰু কুফলবোৰৰ বিষয়ে অৱগত হ'ব পাৰিব
- কোম্পানী আৰু সমবায়ৰ ধাৰণা, ইয়াৰ বৈশিষ্ট্য, সুফল তথা কুফলৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ব্যক্তিগত খণ্ডৰ কোম্পানী আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীৰ মাজত পার্থক্য সূচিত কৰিব পাৰিব
- ভাৰতত কুটিৰ শিল্পৰ মালিকীস্বত্বৰ গাঁথনিৰ বিষয়ে জানিব পাৰিব
- বিকাশৰ লক্ষ্য আৰু স্তৰৰ বিষয়ে জনাৰ লগতে বিকাশৰ কৌশলৰ প্রকাৰৰ বিষয়েও অৱগত হ'ব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টিত এক মালিকীস্বত্বৰ ধাৰণা, ইয়াৰ বৈশিষ্ট্য, সুফল আৰু কুফলৰ বিষয়ে আলোচনা কৰাৰ লগতে অংশীদাৰিত্বৰ ধাৰণা, ইয়াৰ বৈশিষ্ট্য, সুফল আৰু কুফলৰ বিষয়েও ব্যাখ্যা আগবঢ়োৱা হ'ব। অধ্যায়টিৰ শেষত, কোম্পানী তথা সমবায়ৰ ধাৰণা লাভ কৰাৰ লগতে সঠিক মালিকীস্বত্বৰ গাঁথনি আৰু বিকাশৰ কৌশল চিনাক্ত কৰাৰ বিষয়ে অৱগত হ'ব।

১২.৩ এক মালিকীস্বত্বৰ ধাৰণা

এক মালিকীস্বত্বক অদ্বিতীয় মালিকীস্বত্ব বা অদ্বিতীয় ব্যৱসায়ী হিচাপেও জনা যায় অথবা সাধাৰণ অর্থত কোনো ব্যৱসায় যিটো এজন ব্যক্তিৰ অধীনত থাকে আৰু পৰিচালনা কৰে আৰু য'ত মালিক আৰু ব্যৱসায়ৰ মাজত কোনো আইনী প্ৰভেদ নাথাকে।

এগৰাকী অদ্বিতীয় মালিকে তেওঁৰ প্ৰকৃত নামৰ সলনি এটা বাণিজ্যিক নামত ব্যৱসায় কৰিব পাৰে। ই মালিক বা স্বত্বাধিকাৰীজনক বেংকত ব্যৱসায়িক একাউণ্ট খোলাৰো অনুমতি প্ৰদান কৰে।

এক মালিকীস্বত্বৰ বৈশিষ্ট্য

ব্যৱসায়ৰ অধিকাৰী হিচাপে এক মালিকীস্বত্বৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল—

১) **এজন ব্যক্তিৰ স্বত্বাধিকাৰ ঃ** এক মালিকীস্বত্বৰ প্ৰক্ৰিয়াত সমগ্ৰ প্ৰতিষ্ঠানটোৰ এজন মাত্ৰ স্বত্বাধিকাৰ থাকে।

২) **পৃথক ব্যৱসায়িক সভাৰ অনুপস্থিতি ঃ** নিৰ্দিষ্ট ব্যৱসায় আৰু মালিকৰ মাজত কোনো প্ৰভেদ নাথাকে। উভয় এক আৰু অনুৰূপ হয়।

৩) **স্বত্বাধিকাৰ আৰু পৰিচালনাৰ মাজত পাৰ্থক্যৰ অনুপস্থিতি ঃ** এক মালিকীস্বত্বৰ প্ৰক্ৰিয়াত পচিলনাৰ প্ৰক্ৰিয়াটোও মালিকৰ হাতত ব্যস্ত হৈ থাকে। মালিকজন পৰিচালক হিচাপেও পৰিগণিত হয়।

৪) **সীমাহীন দায়ৱদ্ধতা ঃ** সীমাহীন দায়বদ্ধতাৰ অর্থ হ'ল যদিহে প্ৰতিষ্ঠানটো লোকচানৰ সন্মুখীন হয়, বাহিৰৰ দলৰ বাবে ব্যৱসায়টোৰ লক্ষ্য আৰু দায়িত্বসমূহ সম্পূৰ্ণ কৰিবলৈ মালিকজনৰ ব্যক্তিগত সম্পত্তি ব্যৱহাৰ কৰা হ'ব।

৫) **সকলো লাভ বা লোকচান মালিকজনৰ হ'ব ঃ** প্ৰতিষ্ঠানটোৰ একমাত্ৰ স্বত্বাধিকাৰী হোৱাৰ ফলত, মালিকজনে সকলো লাভ ভোগ কৰিব পাৰে আৰু প্ৰতিষ্ঠানখনে সন্মুখীন হোৱা সম্পূৰ্ণ লোকচানৰ দায়িত্ব বহন কৰিব পাৰে।

৬) **আনুষ্ঠানিকতাৰ সীমিত হাৰ ঃ** এক মালিকীস্বত্ব থকা ব্যৱসায় বহুতো আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰাকৈ আৰম্ভ কৰিব পাৰি।

এক মালিকীস্বত্বৰ সুফল

এক মালিকীস্বত্বই আগবঢ়োৱা বিভিন্ন সুফলসমূহ হ'ল—

১) **প্ৰতিষ্ঠানৰ সাধাৰণ ধৰণ ঃ** এক মালিকীস্বত্ব প্ৰতিষ্ঠান এটাৰ একেবাৰে সাধাৰণ ধৰণ। ব্যৱসায়ীজনে অনুজ্ঞাপত্ৰ আৰু অনুমতি পত্ৰ লাভ কৰাৰ পিছত তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰম্ভ কৰিব পাৰে।

২) **সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত স্বত্বাধিকাৰীৰ স্বাধীনতা ঃ** স্বত্বাধিকাৰী অৰ্থাৎ মালিকজন সকলো সিদ্দান্ত গ্ৰহণৰ ক্ষেত্ৰত স্বাধীন আৰু তেওঁৰ কষ্টৰ সকলো সুফল বোগ কৰে। এই ক্ষেত্ৰত তেওঁক হস্তক্ষেপ কৰিব পৰা বা বাধা দিব পৰা অন্য কোনো লোক নাথাকে।

৩) **উচ্চ গোপনীয়তা ঃ** গোপনীয়তা এক মালিকীস্বত্বৰ প্ৰক্ৰিয়াই প্ৰদান কৰা আন এটা সুফল। এই ব্যৱসায়িক প্ৰক্ৰিয়াত সমস্ত ব্যৱসায়টো স্বত্বাধিকাৰীয়ে নিজে পৰিচালনা কৰে আৰু সেয়েহে ব্যৱসায়ৰ গোপনীয়তাসমূহ কেৱল তেওঁৰহে অৱগত হয়।

৪) **কৰৰ সুফল ঃ** অন্য মালিকীস্বত্বৰ ধাৰণাবোৰৰ লগত তুলনা কৰিলে দেখা যায় যে এক মালিকীস্বত্বৰ প্ৰক্ৰিয়াই কৰৰ কিছুমান ক্ষেত্ৰত সফলতা উপভোগ কৰে।

৫) **সহজে ভংগ কৰিব পৰা ঃ** এক মালিকীস্বত্বৰ ব্যৱসায়ত, স্বত্বাধিকাৰীজনে সৰ্বেসৰ্বা হয়। যিহেতু আন কোনো সহ-অংশীদাৰ বা সহযোগী নাথাকে, সেয়েহে স্বত্বাধিকাৰীজনে ব্যৱসায়টো ভংগ কৰিবলৈ বিচাৰিলে কোনো দ্বিমতৰ সৃষ্টি নহয়।

এক মালিকীস্বত্বৰ কুফল

মালিকীস্বত্বৰ অন্তৰ্গত এক মালিকীস্বত্বৰ প্ৰক্ৰিয়াৰ নিৰ্দিষ্ট কিছুমান কুফল আছে। গুৰুত্বপূৰ্ণ কুফলবোৰ হ'ল—

১) **সীমিত সম্পদ ঃ** এজন স্বত্বাধিকাৰীৰ নিজৰ নিয়ন্ত্ৰণত সীমিত সম্পদ বা সাধন থাকে। তেখেতে মূলতঃ তেওঁৰ ধন আৰু জমাৰ ওপৰত নিৰ্ভৰ কৰে আৰু এক সীমিত পৰিসৰলৈ তেওঁৰ সম্বন্ধীয় আৰু বন্ধুৰ পৰা গ্ৰহণ কৰা ধাৰৰ ওপৰত নিৰ্ভৰশীল হয়।

২) **সীমিত সামৰ্থ ঃ** এক মালিকীস্বত্বক এজন ব্যক্তিৰ অনুষ্টান আখ্যা দিব পাৰি। এজন ব্যক্তি এটা বা দুটা ক্ষেত্ৰত দক্ষ হ'লেও উৎপাদন, বিত্ত, বিপণন, কৰ্মচাৰী আদি সকলো ক্ষেত্ৰত দক্ষ নহয়।

৩) **সীমাহীন দায়বদ্ধতা ঃ** সীমাহীন দায়বদ্ধতা এক মালিকীস্বত্বৰ আন এটা বৈশিষ্ট্য। ইয়াৰ অৰ্থ হ'ল যদিহে প্ৰতিষ্ঠানটো লোকচানৰ সন্মুখীন হয়, তেন্তে ব্যৱসায়টোৰ লক্ষ্য আৰু দায়িত্বসমূহ সম্পূৰ্ণ কৰিবলৈ মালিকজনৰ ব্যক্তিগত সম্পত্তি ব্যৱহাৰ কৰা হ'ব।

৫) **প্ৰতিষ্ঠানটোৰ সীমিত অস্তিত্ব ঃ** এক মালিকীস্বত্বৰ অস্তিত্ব সম্পূৰ্ণভাৱে মালিকজনৰ ওপৰত নিৰ্ভৰ কৰে। যেতিয়া তেওঁৰ মৃত্যু হয় অথবা দেউলীয়া বা উন্মাদ বা চিৰদিনৰ বাবে অক্ষম হয়, তেতিয়া প্ৰতিষ্ঠানটো বন্ধ হৈ যোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে।

১২.৪ অংশীদাৰিত্বৰ ধাৰণা

ওপৰৰ আলোচনাৰ পাৰ আমি ব্যৱসায়ৰ মালিকীস্বত্বৰ অংশীদাৰিত্বৰ প্ৰকাৰটোৰ বৈশিষ্ট্যসমূহ একাদিক্ৰমে তলত দিয়া ধৰণে দেখুৱাব পাৰোঁ—

১) **অধিক সংখ্যক ব্যক্তি ঃ** এক মালিকীস্বত্বৰ বিপৰীতে অংশীদাৰী প্ৰতিষ্ঠানত কমেও দুজনৰ পৰা বেংকিং খণ্ডৰ দহজনলৈ আৰু অনা-বেংকিং খণ্ডত বিছ জনলৈ অংশীদাৰ থাকিব পাৰে।

২) **লাভ আৰু লোকচানৰ ভাগ ঃ** অংশীদাৰী ব্যৱসায়ত সন্মুখীন হ'ব পৰা লাভ বা লোকচানৰ অংশীদাৰসকলৰ মাজত ভাগ হ'ব বুলি এখন বুজাবুজিৰ চুক্তি কৰা হয়।

৩) **চুক্তি নিৰ্ভৰ সম্বন্ধ ঃ** অংশীদাৰসকলৰ মাজত সম্বন্ধ এখন মৌখিক অথবা লিখিত চুক্তিৰ জৰিয়তে সম্পন্ন হয়।

৪) **আইনী ব্যৱসায়ৰ অস্তিত্ব ঃ** আইনী ব্যৱসায় চলাই নিবলৈ আৰু ইয়াৰ লাভ বা লোকচানসমূহ ভাগ কৰিবলৈ অংশীদাৰিত্ব গঠন কৰা হয়। উদাহৰণস্বৰূপে, যদি কোনো দাতব্য কামৰ লক্ষ্য গ্ৰহণ কৰা হয়, তেন্তে ইয়াক অংশীদাৰিত্ব আখ্যা দিয়া নহয়।

৫) **পূৰ্ণ বিশ্বাস আৰু সততা ঃ** এটা অংশীদাৰিত্বমূলক ব্যৱসায় সম্পূৰ্ণভাৱে অংশীদাৰসকলৰ পূৰ্ণ বিশ্বাস আৰু সততাৰ ওপৰত নিৰ্ভৰশীল হয়।

৬) **সীমাহীন দায়বদ্ধতা ঃ** এক মালিকীস্বত্বৰ দৰে, প্ৰতিষ্ঠানখনত প্ৰতিজন অংশীদাৰৰ সীমাহীন দায়বদ্ধতা থাকে। ইয়াৰ অৰ্থ হ'ল প্ৰতিষ্ঠানখনৰ লক্ষ্য পূৰণৰ ক্ষেত্ৰত যদিহে অংশীদাৰীসকলৰ সম্পদৰ নাটনি হয়, তেন্তে অংশীদাৰীসকলৰ ব্যক্তিগত সম্পত্তি লক্ষ্য পূৰণৰ বাবে ব্যৱহাৰ হ'ব।

৭) **অংশীদাৰ হস্তান্তৰৰ ক্ষেত্ৰত ব্যাখ্যা ঃ** অন্য অন্য অংশীদাৰৰ লগত আলোচনা নকৰাকৈ কোনো অংশীদাৰে তেওঁৰ অংশ বাহিৰ লোকৰ হাতলৈ হস্তান্তৰ কৰিব নোৱাৰে।

৮) **স্বত্বাধিকাৰী-প্ৰতিনিধি সম্পৰ্ক ঃ** অংশীদাৰী প্ৰতিষ্ঠানখন সকলো অংশীদাৰে অথবা সকলোৰে হৈ এজনে চলাই নিব পাৰে। প্ৰতিষ্ঠানখনৰ আদান-প্ৰদানৰ বিষয়ে চুক্তি কৰোতে প্ৰতিজন অংশীদাৰে প্ৰতিষ্ঠান আৰু অন্য অংশীদাৰসকলক প্ৰতিনিধিত্ব কৰিব লাগে। এইদৰে, এজন অংশীদাৰ প্ৰতিষ্ঠান আৰু আন অংশীদাৰৰ প্ৰতিনিধি।

অংশীদাৰিত্বৰ সুবিধা

ব্যৱসায়ৰ অংশীদাৰিত্বৰ প্ৰক্ৰিয়া হিচাপে ই তলত দিয়া সুফলসমূহ প্ৰদান কৰে—

১) **সহজ গঠন ঃ** অংশীদাৰিত্ব হৈছে প্ৰতিষ্ঠান এটা চলাবলৈ ইয়াৰ অংশীদাৰসকলৰ মাজত হোৱা এটা বুজাবুজিৰ চুক্তি। গতিকে ই তুলনামূলকভাৱে গঠন কৰিবলৈ সহজ।

২) **মূলধনৰ পৰ্যাপ্ত উপলব্ধতা ঃ** এক মালিকীস্বত্বই সীমিত অৰ্থৰ সন্মুখীন হয়। অংশীদাৰিত্বই বহু ক্ষেত্ৰত এই সমস্যাক আঁতৰাই ৰাখে। যিহেতু ইয়াত প্ৰতিষ্ঠানখনলৈ অৰ্থ আগবঢ়োৱা লোকৰ সংখ্যা এজনতকৈ অধিক হয়।

৩) **প্ৰতিভা, সিদ্ধান্ত গ্ৰহণ আৰু দক্ষতাৰ সমাহাৰ ঃ** যিহেতু অংশীদাৰিত্বত এজনতকৈ অধিক মালিক থাকে, সেয়েহে সকলো অংশীদাৰ সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত জড়িত হয়। সাধাৰণতে পৰস্পৰে পৰস্পৰক সহায় কৰিবলৈ অংশীদাৰসকলক বিভিন্ন বিশেষীকৃত ক্ষেত্ৰৰ পৰা গ্ৰহণ কৰা হয়।

৪) **নিম্ন আংশকা ঃ** এক মালিকীস্বত্বৰ ক্ষেত্ৰত স্বত্বাধিকাৰীয়ে লোকচানৰ সম্পূৰ্ণ দায়িত্ব বহন কৰিবলগীয়া হয় যদিও অংশীদাৰিত্বৰ ক্ষেত্ৰত প্ৰতিষ্ঠানখনৰ লোকচান লাভৰ চুক্তি অনুসৰি সকলো অংশীদাৰে বহন কৰে।

৫) **নমনীয়তা ঃ** এক মালিকীস্বত্বৰ দৰে, অংশীদাৰিত্বৰ ব্যৱসায়ো নমনীয়। অংশীদাৰসকলে পৰিৱৰ্তিত অৱস্থাক সহজে উপলব্ধি কৰি তাৎক্ষণিকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে।

৬) **কৰৰ ক্ষেত্ৰত সুবিধা ঃ** ব্যৱসায়ৰ মালিকীস্বত্বৰ প্ৰক্ৰিয়াত এক মালিকীস্বত্বতকৈ অংশীদাৰিত্বত কৰৰ হাৰ যথেষ্ট কম হয়।

অংশীদাৰিত্বৰ অসুবিধা

ওপৰৰ সুবিধাসমূহৰ উপস্থিতি স্বত্বেও অংশীদাৰিত্বমূলক বাণিজ্যিক প্ৰতিষ্ঠানৰ ক্ষেত্ৰত কিছুমান নিৰ্দিষ্ট সীমাবদ্ধতা আছে। এই সীমাবদ্ধতা/অসুবিধাবোৰৰ বৰ্ণনা তলত আগবঢ়োৱা হ'ল—

১) **সীমাহীন দায়বদ্ধতা ঃ** অংশীদাৰিত্বৰ প্ৰতিষ্ঠানত অংশীদাৰসকলৰ সীমাবদ্ধতা অসীম। এক মালিকীস্বত্বৰ দৰে যদিহে ব্যৱসায়ে আশা কৰা ধৰণে প্ৰদৰ্শন কৰিব নোৱাৰে, তেন্তে অংশীদাৰসকলৰ ব্যক্তিগত সম্পত্তিৰ ওপৰত বিপদ ঘনীভূত হ'ব পাৰে।

২) **পৃথকীকৃত স্বত্বাধিকাৰী ঃ** প্ৰতিজন অংশীদাৰে তেওঁৰ দায়িত্বসমূহ নিৰ্দিষ্ট ব্যক্তিগত ক্ষেত্ৰত পালন কৰে। কিন্তু গোটেই প্ৰতিষ্ঠানৰ বাবে আঁচনি প্ৰস্তুতৰ ক্ষেত্ৰত অংশীদাৰসকলৰ মাজত মতবিৰোধ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সত্য বা অসত্য লিখক।

(ক) এক মালিকীস্বত্বক 'বহু ব্যৱসায়ী' হিচাপেও জনা যায়। (সত্য/অসত্য)

(খ) অংশীদাৰিত্ব অংশীদাৰসকলৰ মাজত হোৱা এখন চুক্তিৰ জৰিয়তে সম্পন্ন হয়। (সত্য/অসত্য)

(গ) এটা এক মালিকীস্বত্বৰ ব্যৱসায় অধিক আইনী আনুষ্ঠানিকতা পূৰণ নকৰাকৈ আৰম্ভ কৰিব পাৰি। (সত্য/অসত্য)

(ঘ) অংশীদাৰিত্বমূলক মালিকীস্বত্বত আৰোপ হোৱা কৰৰ হাৰ এক মালিকীস্বত্বতকৈ বেছি। (সত্য/অসত্য)

প্ৰশ্ন নং ২ ঃ এক মালিকীস্বত্ব আৰু অংশীদাৰিত্বৰ সীমাৱদ্ধতাসমূহ কি কি?

.....

.....

১২.৫ কোম্পানীৰ ধাৰণা

এটা কোম্পানী হৈছে আইনৰ দ্বাৰা সৃষ্ট এজন কৃত্রিম ব্যক্তি যাৰ গৰাকীৰ বাহিৰেও এক পৃথক অস্তিত্ব আছে। অন্য শব্দত কোম্পানী হৈছে আইনৰ দ্বাৰা সৃষ্ট নির্দিষ্ট নাম, সাধাৰণ মোহৰ আৰু সদস্যৰ স্থায়ী উত্তৰাধিকাৰযুক্ত এজন কৃত্রিম ব্যক্তি। ই নিজৰ নামত অথবা আনে কোম্পানীটোৰ নামত আইনী প্রক্রিয়া চলাব পাৰে। কোম্পানীৰ আৰু কেইটামান সংজ্ঞা আগবঢ়োৱা হ'ল—

ভাৰতীয় কোম্পানী আইন, ১৯৫৬ এ যৌথ মূলধনী কোম্পানী (joint stock company) ক এটা কোম্পানী হিচাপে অভিহিত কৰিছে, যাৰ শ্বেয়াৰৰ এক স্থায়ী পৰিশোধ আছে অথবা নামমাত্র শ্বেয়াৰ পুঁজিৰ ৰূপত সীমিত শ্বেয়াৰৰ কোম্পানীৰ হোৱাৰ লগতে হস্তান্তৰিত কৰা হয়, য'ত শ্বেয়াৰ ৰূপত নির্ধাৰিত আৰু ইয়াৰ সদস্য বা কেৱল সেই শ্বেয়াৰৰ ধাৰকসকলৰ বাহিৰে আন কোনো লোকক হস্তান্তৰিত কৰিব পৰা নাযায়।

কোম্পানীৰ বৈশিষ্ট্য

ওপৰৰ সংজ্ঞাৰ ওপৰত ভিত্তি কৰি, তলত দিয়াবোৰ স্বত্বাধিকাৰীৰ ৰূপত কোম্পানীৰ বৈশিষ্ট্য—

১) **কৃত্রিম আইনসম্মত ব্যক্তি ঃ** কোম্পানী হৈছে আইনৰ দ্বাৰা সৃষ্ট এজন কৃত্রিম ব্যক্তি। যদিও ইয়াৰ কোনো দেহ, সজ্ঞান নাই তথাপিও ই এজন ব্যক্তি হিচাপে থাকে।

২) **পৃথক আইনসম্মত সত্তা ঃ** কোম্পানীৰ ইয়াৰ সদস্য আৰু অংশীদাৰসকলৰ পৰা পৃথক এক সত্তা আছে। সেয়েহে কোম্পানীৰ এজন অংশীদাৰে কোম্পানীৰ সৈতে চুক্তিত প্রৱেশ কৰিব পাৰে।

৩) **সাধাৰণ মোহৰ ঃ** এজন কৃত্রিম ব্যক্তি হিচাপে কোম্পানীয়ে নথিপত্রত চহী কৰিব নোৱাৰে। সেয়েহে ই ইয়াৰ নাম খোদিত এটা সাধাৰণ মোহৰ ব্যৱহাৰ কৰে।

৪) **স্থায়ী অস্তিত্ব ঃ** এটা কোম্পানীৰ স্থায়িত্ব মৃত্যু, উন্মাদ অৱস্থা, দেউলীয়া বা ইয়াৰ সদস্য বা নির্দেশকৰ অৱসৰ আদি কাৰকৰ দ্বাৰা অংশীদাৰিত্বৰ দৰে প্রভাৱিত নহয়। ইয়াৰ কাৰণ হ'ল কোম্পানীটোৱে ইয়াৰ সদস্যৰ পৰা আইনী অস্তিত্বৰ পৰা পৃথক এক অস্তিত্ব উপভোগ কৰে।

৫) **সীমাৱদ্ধতা দায়ৱদ্ধতা ঃ** অধীনস্থ শ্বেয়াৰ বা তেওঁলোকে দিয়া প্রতিশ্রুতিৰ ক্ষেত্রত কোম্পানীৰ সদস্যসকলৰৰ দায়ৱদ্ধতা সীমাৱদ্ধ হোৱা দেখা যায়।

৬) **শ্বেয়াৰৰ হস্তান্তৰযোগ্যতা ঃ** ৰাজহুৱা কোম্পানীৰ সদস্যই তেওঁৰ শ্বেয়াৰ অন্য শ্বেয়াৰ অংশীদাৰসকলৰ সৈতে আলোচনা নকৰাকৈ অন্য লোকক বিক্রী কৰিব পাৰে।

৭) **পৰিচালনাৰ পৰা মালিকীস্বত্বৰ পৃথকীকৰণ ঃ** দেশৰ বিভিন্ন অংশত সিঁচৰতি হৈ থকা শ্বেয়াৰৰ অধিকাৰী অর্থাৎ স্বত্বাধিকাৰীসকলে কোম্পানীটোৰ বিভিন্ন দিশ পৰিচালনা কৰাৰ দায়িত্ব ইয়াৰ নির্দেশকসকলক প্রদান কৰে। নির্দেশকসকল শ্বেয়াৰৰ অধিকাৰীসকলৰ প্রতিনিধি। এইদৰে পৰিচালনাৰ প্রক্রিয়াৰ পৰা মালিকীস্বত্বক পৃথক কৰা হয়।

৮) **সদস্যৰ সংখ্যা ঃ** ৰাজহুৱা কোম্পানীৰ ক্ষেত্ৰত সদস্যৰ ন্যূনতম সংখ্যা হ'ব সাত আৰু ইয়াৰ কোনো ঊৰ্ধতম সীমা নাই। কিন্তু এটা ব্যক্তিগত কোম্পানীৰ বাবে সদস্যৰ ন্যূনতম সংখ্যা দুই আৰু ঊৰ্ধতম সংখ্যা পঞ্চাশ।

১২.৫.১ ব্যক্তিগত খণ্ডৰ কোম্পানী আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীৰ মাজৰ পাৰ্থক্য

পাৰ্থক্যৰ ভিত্তি	ব্যক্তিগত কোম্পানী	ৰাজহুৱা কোম্পানী
১) সদস্য	ন্যূনতম সংখ্যা দুই আৰু সৰ্বাধিক পঞ্চাশ।	-সদস্যৰ ন্যূনতম সংখ্যা সাত আৰু কোনো ঊৰ্ধতম সীমা নাই।
২) নিৰ্দেশক	প্ৰয়োজন হোৱা নিৰ্দেশকৰ ন্যূনতম সংখ্যা হ'ল দুই।	প্ৰয়োজন হোৱা নিৰ্দেশকৰ ন্যূনতম সংখ্যা হ'ল তিনি।
৩) বিৱৰণ পত্ৰ	কোম্পানীয়ে শ্বেয়াৰ বিতৰণ কৰাৰ পূৰ্বে বিৱৰণ পত্ৰ বা বিবৃতি 'প্ৰত্যাশাৰ সলনি কোম্পানীৰ পঞ্জীয়কৰ সৈতে পূৰণ কৰাটো প্ৰয়োজনীয় নহয়।	বিৱৰণ পত্ৰ বা বিবৃতি 'প্ৰত্যাশাৰ সলনি' কোম্পানীৰ পঞ্জীয়কৰ সৈতে পূৰণ কৰাটো প্ৰয়োজনীয়।
৪) নথি-পত্ৰ	দুজন সদস্যই সংস্থাৰ স্মাৰক আৰু অনুচ্ছেদত চহী কৰিব লাগে।	সাতজন সদস্যই নথিত চহী কৰিব লাগে।
৫) শ্বেয়াৰৰ বিতৰণ	আৱেদন কৰাৰ ন্যূনতম সীমা লাভ কৰাৰ পূৰ্বে ই শ্বেয়াৰৰ বিতৰণ আৰম্ভ কৰিব পাৰে।	আৱেদন কৰাৰ ন্যূনতম সীমা লাভ কৰাৰ পূৰ্বে ই শ্বেয়াৰৰ বিতৰণ আৰম্ভ কৰিব নোৱাৰে।
৬) ব্যৱসায়ৰ আৰম্ভণি	নিগমৰ ঠিক পিছতে ব্যৱসায়ৰ আৰম্ভ কৰিব পাৰে।	ই এই ক্ষেত্ৰত এখন প্ৰমাণ পত্ৰ নোপোৱাকৈ ব্যৱসায় আৰম্ভ কৰিব নোৱাৰে।
৭) শ্বেয়াৰৰ হস্তান্তৰ	শ্বেয়াৰৰ হস্তান্তৰ প্ৰক্ৰিয়াত অনুচ্ছেদবোৰৰ দ্বাৰা বাধা আৰোপ কৰা হৈছে।	শ্বেয়াৰসমূহ মুক্তভাৱে হস্তান্তৰ কৰিব পাৰে।
৮) উদ্বৃত্ত পত্ৰ পূৰণ	ই ইয়াৰ উদ্বৃত্ত পত্ৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰিব নালাগে।	ই ইয়াৰ উদ্বৃত্ত পত্ৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰিব লাগে।
৯) বিধিগত সভা	বিধিগত সভা অনুষ্ঠিত কৰিব নালাগে বা বিধিগত প্ৰতিবেদন পঞ্জীয়কৰ ওচৰত প্ৰেৰণ কৰাটো জৰুৰী নহয়।	ই বিধিগত সভা অনুষ্ঠিত কৰিব লাগে আৰু ইয়াৰ বিষয়ে পঞ্জীয়কৰ ওচৰলৈ প্ৰেৰণ কৰিব লাগে।
১০) নিৰ্দেশক	কোম্পানী আইনৰ বিধান অনুসৰি নিৰ্দেশকৰ নিযুক্তি আৰু তেওঁলোকে কৰিবলগীয়া কাম বা তেওঁলোকে প্ৰদান কৰিব লগীয়া প্ৰৱেশৰ শ্বেয়াৰ প্ৰযোজ্য নহয়।	এই ব্যৱস্থা কমেও কোম্পানীৰ তিনিজন নিৰ্দেশকৰ ওপৰত প্ৰযোজ্য।

১২.৫.২ কোম্পানীৰ সুফল

স্বত্বাধিকাৰী হিচাপে কোম্পানীৰ সুফলবোৰ হ'ল—

১) **সীমাবদ্ধ দায়বদ্ধতা ঃ** কোনো ধৰণে উল্লেখ নাথাকিলে, শ্বেয়াৰৰ অধিকাৰীসকলে তেওঁলোকৰ অধীনত থকা বা তেওঁলোকৰ দ্বাৰা নিশ্চিতি প্ৰদান কৰা শ্বেয়াৰৰ ক্ষেত্ৰত সীমিত দায়বদ্ধতাৰ সন্মুখীন হয়।

২) **স্থায়ী অস্তিত্ব ঃ** মৃত্যু, উন্মাদাৱস্থা শ্বেয়াৰৰ অধিকাৰী বা নিৰ্দেশকসকল দেউলীয়া হোৱা অৱস্থাই কোম্পানীৰ অস্তিত্বক প্ৰভাৱিত নকৰে। এটা কোম্পানীৰ স্থায়ী উত্তৰাধিকাৰৰ সৈতে পৃথক আইনসন্মত সত্তা আছে।

৩) **পেচাদাৰী পৰিচালনা ঃ** কোম্পানীৰ ব্যৱসায়ত পৰিচালনাৰ প্ৰক্ৰিয়া শ্বেয়াৰৰ উত্তৰাধিকাৰীৰ দ্বাৰা নিৰ্বাচিত লোকৰ হাতত থাকে আৰু তেওঁ অভিজ্ঞতাসম্পন্ন ব্যক্তি হয়। দৈনিক কাৰ্যসমূহ পৰিচালনা কৰিবলৈ বেতনভোগী পেচাদাৰী লোকক নিযুক্ত কৰা হয়। এইদৰে কোম্পানীৰ ব্যৱসায় পেচাদাৰী পৰিচালনাৰ প্ৰক্ৰিয়া আগবঢ়ায়।

৪) **প্ৰসাৰৰ সম্ভাৱনা ঃ** ৰাজহুৱা খণ্ডৰ কোম্পানীত যিহেতু শ্বেয়াৰৰ গৰাকীৰ কোনো উচ্চ সীমা নাতাকে, সেয়েহে নতুন শ্বেয়াৰ আৰু ঋণপত্ৰ বিক্ৰীৰ জৰিয়তে কোনো উচ্চ সীমা নাথাকে। সেয়েহে নতুন শ্বেয়াৰ আৰু ঋণপত্ৰ বিক্ৰীৰ জৰিয়তে নিজৰ ব্যৱসায়ৰ প্ৰসাৰ কৰিব পাৰে। কোম্পানীবোৰে সাধাৰণতে প্ৰসাৰৰ উদ্দেশ্যে তেওঁলোকৰ জমাক ব্যৱহাৰ কৰে।

৫) **শ্বেয়াৰৰ হস্তান্তৰ যোগ্যতা ঃ** যদিহে শ্বেয়াৰৰ কোনো অধিকাৰীয়ে ব্যৱসায়ৰ অগ্ৰগতিক লৈ সন্তুষ্ট নহয়, তেন্তে তেওঁলোকে যিকোনো সময়ত তেওঁলোকৰ শ্বেয়াৰ বিক্ৰী কৰিব পাৰে। মালিকীস্বত্বৰ পৰিৱৰ্তনৰ এই সমগ্ৰ প্ৰক্ৰিয়াৰ মাজতে ব্যৱসায়টো চলি থাকে।

৬) **শংকৰ সীমাবদ্ধতা ঃ** যিহেতু সদস্যৰ সংখ্যা বহুত। গতিকে ব্যৱসায়টোৰ গোটেই শংকা কোম্পানীটোৰ বহুতো সদস্য মাজত বিভাজিত হয়। ক্ষুদ্ৰ বিনিয়োগকাৰীৰ ক্ষেত্ৰত ই এটা সুবিধা।

১২.৫.৩ কোম্পানীৰ কুফল

বিভিন্ন সুবিধা থকাৰ পিছতো স্বত্বাধিকাৰী হিচাপে কোম্পানীৰ কিছুমান অসুবিধা আছে। গুৰুত্বপূৰ্ণ অসুবিধা/সীমাবদ্ধতাসমূহ হ'ল—

১) **গোপনীয়তাৰ অভাৱ ঃ** আইনসন্মত বিদানৰ মতে এটা কোম্পানীৰ বিভিন্ন বিবৃতি কোম্পানীৰ পঞ্জীয়ক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ ওচৰত উপলব্ধ কৰিব লাগে আৰু সেয়েহে ব্যৱসায়ৰ গোপনীয়তাও হ্ৰাস পাই আহে। ই অধিক হ্ৰাস

পায় তেতিয়া, যেতিয়া কোম্পানীয়ে ইয়াৰ বার্ষিক প্রতিবেদন শ্বেয়াৰৰ অধিকাৰীসকলক প্রদান কৰে। যিহেতু প্রতিযোগীসকলেও বিত্তীয় বর্ণনাৰ এই তথ্য লাভ কৰে।

২) **আইনী বাধা ঃ** এক মালিকীস্বত্ববোধ আৰু অংশীদাৰিত্বৰ লগত তুলনা কৰিলে দেখা যায় এটা কোম্পানীয়ে অধিক আইনী প্রয়োজনীয়তাৰ সৈতে সম্পর্ক ৰক্ষা কৰিব লাগে। ই গুৰুত্বপূর্ণ সময় আৰু প্রভাৱ দাবী কৰে।

৩) **পৰিচালনাৰ অপকর্ম ঃ** কেতিয়াবা পৰিচালক আৰু নির্দেশকে স্বকীয় লাভৰ বাবে কোম্পানীৰ সম্পদ দুর্ব্যৱহাৰ কৰে। ই কোম্পানীক লোকচানৰ সন্মুখীন কৰায় আৰু ফলত কোম্পানী এটা বন্ধ হৈ যায়।

৪) **ব্যক্তিগত আগ্রহৰ অভাৱ ঃ** এক মালিকীস্বত্ব আৰু অংশীদাৰিত্বৰ সলনি কোম্পানীৰ দৈনিক কাম-কাজ বেতনভোগী পৰিচালকে চোৱা-চিতা কৰে। যিহেতু তেওঁলোক কর্মচাৰীহে, মালিক নহয়। সেয়েহে কোম্পানীৰ প্রতি তেওঁলোকৰ নিজস্ব আগ্রহ আৰু সমর্পণৰ মনোভাৱ প্রায়ে নাথাকে। ইয়াৰ ফলশ্রুতিত অদক্ষতাৰ সৃষ্টি হয় আৰু কোম্পানী লোকচানৰ সন্মুখীন হয়।

১২.৬ সমবায়ৰ ধাৰণা

সমবায় ব্যৱসায়ৰ মালিকীস্বত্বৰ আন এক প্রকাৰ। প্রতিষ্ঠানৰ সমবায়ৰ প্রকাৰটো আত্মসহায় আৰু উমৈহতীয়া সহায়ৰ দর্শনৰ ওপৰত প্রতিষ্ঠিত। ব্যৱসায়িক মালিকীস্বত্বৰ আন তিনিটা প্রকাৰৰ লগত ইয়াৰ পার্থক্য আছে। ইয়াৰ মাজৰ মৌলিক পার্থক্যটো হ'ল সমবায়ে মুনাফা অর্জনৰ সলনি সেৱা আগবঢ়োৱাৰ প্রতি গুৰুত্ব আৰোপ কৰা।

ভাৰতীয় সমবায় আইন, ১৯১২ৰ অনুচ্ছেদ ৪ত সমবায়ৰ ব্যাখ্যা এইদৰে আগবঢ়োৱা হৈছে, 'সমবায় হৈছে এনে এখন সমাজ যিয়ে সমবায়ৰ নীতিৰ ভিত্তিত ইয়াৰ সদস্যৰ আর্থিক আকাংক্ষা পূৰণৰ লক্ষ্য হাতত লয়।'

সমবায়ৰ বৈশিষ্ট্য

ওপৰৰ সংজ্ঞাৰ ভিত্তিত, মালিকীস্বত্বৰ একপ্রকাৰ হিচাপে সমবায়ৰ মূল বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল—

(ক) স্বেচ্ছামূলক প্রতিষ্ঠান ঃ সমবায় প্রতিষ্ঠান হৈছে সাধাৰণ লক্ষ্যসমূহত উপনীত হোৱাৰ বাবে ইচ্ছুক লোকসকলৰ এটা স্বেচ্ছামূলক প্রতিষ্ঠান। তেওঁলোকে প্রতিষ্ঠানটোত নিজৰ ইচ্ছাত বাধ্যবাধকতা বা ভীতি প্রদর্শনৰ সন্মুখীন নোহোৱাকৈ প্রতিষ্ঠানত যোগ দিব বা প্রতিষ্ঠানৰ পৰা আঁতৰিব পাৰে।

(খ) গণতান্ত্রিক পৰিচালনা ঃ সমবায় প্রতিষ্ঠানৰ পৰিচালনাৰ প্রক্রিয়াটো সদস্যসকলৰ অধীনস্থ শ্বেয়াৰৰ পৰিমাণ নির্বিশেষে 'এজন সদস্য এটা ভোট'— এই নীতিৰ ভিত্তিত সদস্যসকলৰ দ্বাৰা নির্বাচিত পৰিচালক মণ্ডলীৰ হাতত ন্যস্ত হৈ থাকে। এইদৰে এটা সমবায়ৰ বাবে

গণতান্ত্রিক প্রক্রিয়া হৈছে পৰিচালনাৰ মূল চাবিকাঠি।

(গ) **সেৱা আগবঢ়োৱাৰ উদ্দেশ্য ঃ** সমবায় প্রতিষ্ঠানক অন্য ব্যৱসায়িক মালিকীস্বত্বৰ ধৰণৰ পৰা পৃথক কৰি তোলাৰ এটা মৌলিক বৈশিষ্ট্য হ'ল সমবায় এখনৰ প্রাথমিক লক্ষ্য। সমবায়ৰ মূল লক্ষ্য হ'ল মুনাফা অর্জনৰ পৰিৱর্তে ইয়াৰ সদস্যক সেৱা আগবঢ়োৱা।

(ঘ) **পুঁজি আৰু প্রত্যার্পণ ঃ** পুঁজি হৈছে ইয়াৰ সদস্যসকলৰ পৰা শ্বেয়াৰৰ মাধ্যমেৰে আহৰণ কৰা ধনৰাশি। এজন সদস্যই সর্বমুঠ শ্বেয়াৰৰ সর্বাধিক ১০ শতাংশ অথবা ১০০০ টকা, যিটো অধিক, সেইটো গ্রহণ কৰিব পাৰে।

(ঙ) **চৰকাৰৰ নিয়ন্ত্রণ ঃ** ভাৰততে সমবায়ৰ কার্যবোৰ ভাৰতীয় সমবায় আইন আৰু ৰাজ্যিক সমবায় আইনৰ অধীনত পৰিচালিত হয়। সমবায়বোৰে সমবায়ৰ পঞ্জীয়কৰ ওচৰত বার্ষিক প্রতিবেদন আৰু একাউণ্টৰ হিচাপ দাখিল কৰিব লাগে।

(চ) **মুনাফাৰ ভাগ-বটোৱাৰা ঃ** মূল অংশখিনি সদস্যসমূহক প্রদান কৰাৰ পিছত লভ্যাংশখিনি সদস্যৰ মাজত তেওঁলোকে সমবায়ৰ সৈতে কৰা ব্যৱসায়ৰ ভিত্তিত বিতৰণ কৰা হয়।

সমবায়ৰ সুবিধা

ওপৰৰ আলোচনাৰ পৰা আপোনালোকে এটা ব্যৱসায়ৰ প্রতিষ্ঠান হিচাপে সমবায়ৰ বৈশিষ্ট্যবোৰৰ বিষয়ে অৱগত হ'ল। এই বৈশিষ্ট্যবোৰৰ ওপৰত ভিত্তি কৰি, মালিকীস্বত্বৰ এই প্রকাৰটোৰ সুবিধা/সুফলবোৰ হ'ল—

(ক) **সহজ গঠন ঃ** কোম্পানীৰ গাঁথনিক প্রক্রিয়াৰ লগত তুলনা কৰিলে দেখা যায় সমবায় এখন গঠন কৰাটো যথেষ্ট সহজ। যিকোনো দহজন প্রাপ্তবয়স্ক লোকে স্বেচ্ছাই তেওঁলোকৰ মাজত এখন সমিতি গঠন কৰাৰ লগতে সমবায়ৰ আইনৰ অধীনত পঞ্জীয়ন কৰিব পাৰিব।

(খ) **সীমিত দায়বদ্ধতা ঃ** কোম্পানীৰ মালিকীস্বত্বৰ দৰে সমবায়ত সদস্যসকলৰ তেওঁলোকৰ পুঁজিৰ ক্ষেত্রত দায়বদ্ধতা সীমিত হৈ থাকে।

(গ) **চিৰস্থায়ী অস্তিত্ব ঃ** এখন সমবায়ৰ এটা পৃথক আইনী অস্তিত্ব থাকে। সেয়েহে সদস্যৰ মৃত্যু, দেউলীয়া হোৱা, অৱসৰ লোৱা, উন্মাদ হোৱা আদি কাৰকেও সমবায়ৰ স্থায়ী অস্তিত্বৰ ওপৰত প্রভাৱ বিস্তাৰ নকৰে।

(ঘ) **সামাজিক সেৱা ঃ** সমবায়ৰ প্রাথমিক ভিত্তিয়েই হ'ল আত্মসহায় আৰু উমৈহতীয়া সহায়। এইদৰে, সমবায়ে তেওঁলোকৰ সদস্যৰ মাজত বন্ধুত্বসুলভ মনোভাৱ আৰোপ কৰে আৰু উন্নত জীৱনৰ বাবে তেওঁলোকক নৈতিক প্রমূল্যবোধ প্রদান কৰে।

(ঙ) **মুক্ত সদস্যপদ ঃ** যিকোনো সমবায়ৰ সদস্যপদ জাতি, বর্ণ, সম্প্রদায় আৰু আর্থিক মর্যাদা নির্বিশেষে সকলোৰে বাবে মুক্ত। সর্বাধিক সদস্যৰ কোনো ন্যূনতম সীমা নাই।

(চ) **কৰৰ ক্ষেত্রত সুবিধা ঃ** এটা সমবায় প্রতিষ্ঠান আয়কৰৰ পৰা মুক্ত আৰু আয়ৰ এটা নির্দিষ্ট সীমালৈকে এই সুবিধা লাভ কৰে, যিটো ব্যৱসায়ৰ মালিকীস্বত্বৰ অন্য তিনিটা প্রকাৰৰ ক্ষেত্রত দেখা নাযায়। লগতে সমবায় ষ্টাম্প শুল্ক আৰু পঞ্জীয়নৰ মাচুলৰ পৰাও ৰেহাই লাভ কৰে।

(ছ) **ৰাজ্যিক সহায় ঃ** চৰকাৰে সামাজিক-অর্থনৈতিক পৰিৱর্তনৰ বাবে চৰকাৰে সমবায়ক এটা প্রভাৱশালী আহিলা হিচাপে ব্যৱহাৰ কৰিছে। সেয়েহে চৰকাৰে সমবায়বোৰৰ কার্য অধিক প্রভাৱশালী কৰাৰ উদ্দেশ্যে তেওঁলোকলৈ যথেষ্ট পৰিমাণে অনুদান, ঋণ আৰু আর্থিক সহায় আগবঢ়ায়।

(জ) **গণতান্ত্রিক পৰিচালনা ঃ** সমবায় প্রতিষ্ঠানৰ পৰিচালনাৰ প্রক্রিয়াটো সদস্যসকলৰ অধীনস্থ শ্বেয়াৰৰ পৰিমাণ নির্বিশেষে 'এজন সদস্য এটা ভোট'— এই নীতিৰ ভিত্তিত সদস্যসকলৰ দ্বাৰা নির্বাচিত পৰিচালক মণ্ডলীৰ হাতত ন্যস্ত হৈ থাকে। এইদৰে এটা সমবায়ৰ বাবে গণতান্ত্রিক প্রক্রিয়া হৈছে পৰিচালনাৰ মূল চাবিকাঠি।

সমবায়ৰ অসুবিধা

সমবায়ৰ গুৰুত্বপূর্ণ অসুবিধাবোৰ হ'ল—


(ক) **গোপনীয়তাৰ অভাৱ ঃ** এটা সমবায় প্রতিষ্ঠানে ইয়াৰ বার্ষিক প্রতিবেদন আৰু একাউণ্ট হিচাপ সমবায়ৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰিব লাগে। সেয়েহে, ব্যৱসায়ৰ গোপনীয়তা ৰক্ষা কৰাটো প্রতিষ্ঠানটোৰ বাবে অত্যন্ত কঠিন হৈ পৰে।

(খ) **ব্যৱসায়িক সুক্ষ্মদৃষ্টিৰ অভাৱ ঃ** সমবায়ৰ সদস্যসকলৰ সাধাৰণতে ব্যৱসায়িক সুক্ষ্মদৃষ্টিৰ অভাৱ পৰিলক্ষিত হয়। যেতিয়া তেনেধৰণৰ সদস্য 'নির্দেশক কমিটি'ৰ সদস্য নির্বাচিত হয়, তেতিয়া সমবায়টোৰ কার্যসমূহ প্রভাৱশালী ৰূপত পৰিচালিত নহয়।

(গ) **আগ্রহৰ অভাৱ ঃ** বেতনভোগী কার্যালয় সহায়কসকলে লাভার্জনৰ লক্ষ্যৰ অনুপস্থিতিৰ বাবে সমবায়ৰ কার্যসমূহৰ প্রতি আগ্রহ প্রদর্শন নকৰে।

(ঘ) **দুর্নীতি ঃ** লাভার্জনৰ লক্ষ্যৰ অনুপস্থিতিৰ বাবে পৰিচালনাৰ ক্ষেত্রত দুর্নীতিৰ সৃষ্টি হয়। এই দিশ পৰিলক্ষিত হয় নিজৰ স্বার্থৰ হেতু ধনৰ দুর্ব্যৱহাৰ কৰা কার্যত।

(ঙ) **উমৈহতীয়া আগ্রহৰ অভাৱ ঃ** এটা সমবায়ৰ সফলতা ইয়াৰ সদস্যসকলৰ মাজৰ পূর্ণ বিশ্বাসৰ ওপৰত নির্ভৰশীল। অৱশ্যে, সকলো সদস্যৰ সহযোগিতাৰ এনে মনোভাৱ থকা পৰিলক্ষিত নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) কোম্পানী হৈছে ..... ৰ দ্বাৰা সৃষ্ট এজন কৃত্রিম মানৱ।

(খ) ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠানত সদস্যৰ ন্যূনতম সংখ্যা হ'ল ..... জন আৰু ঊর্ধতম সংখ্যা হ'ল ..... জন।

(গ) সমবায় প্রতিষ্ঠান হৈছে মানুহৰ ..... অনুষ্ঠান।

(ঘ) সমবায়ৰ বার্ষিক প্রতিবেদন আৰু একাউণ্টৰ তথ্য সমবায়ৰ .....ৰ হাতত অর্পণ কৰিব লাগে।

১২.৭ সঠিক মালিকীস্বত্বৰ গাঁথনিৰ চিহ্নিতকৰণ

ব্যৱসায়ৰ মালিকীস্বত্বৰ শ্ৰেষ্ঠ প্ৰকাৰটোৱে হৈছে সেইটো যিয়ে ব্যৱসায়ীজনে ধাৰ্য কৰা ব্যৱসায়িক লক্ষ্যটোত উপনীত হোৱাত সহায় কৰে। মালিকীস্বত্বৰ গাঁথনিৰ শ্ৰেষ্ঠ প্ৰকাৰটো নিৰ্বাচন কৰাৰ সময়ত ব্যৱসায়ীজনে তলত উল্লেখ কৰা দিশবোৰ মন কৰিব লাগিব—

(ক) **ব্যৱসায়ৰ প্ৰকৃতি ঃ** ব্যৱসায়ৰ মালিকীস্বত্ব নিৰ্বাচনৰ প্ৰক্ৰিয়াটো বহু পৰিমাণে প্ৰস্তাৱিত ব্যৱসায়ৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে, যিবোৰ ব্যৱসায়ত সুফলতাৰ বাবে ব্যক্তিগত মনোযোগ আৰু দক্ষতাৰ প্ৰয়োজন হয়, সেইবোৰে এক মালিকীস্বত্বৰ ব্যৱস্থাটো অনুসৰণ কৰিব লাগে। যিবোৰ ব্যৱসায়ত বৃহৎ পুঁজিৰ আৰু দক্ষতাৰ প্ৰয়োজন হয়, সেইবোৰে অংশীদাৰিত্বৰ ব্যৱস্থা অনুসৰণ কৰে। ব্যাপক পৰিসৰৰ উৎপাদনৰ লগত জড়িত ব্যৱসায়ৰ বাবে মালিকীস্বত্বৰ ব্যৱস্থা হিচাপে কোম্পানী ব্যৱস্থাক অনুসৰণ কৰে।

(খ) **কাৰ্যকলাপৰ ক্ষেত্ৰ ঃ** মালিকীস্বত্বৰ গাঁথনি নিৰ্বাচনত কাৰ্যকলাপৰ ক্ষেত্ৰখনেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যদিহে কোনো ব্যৱসায়ৰ ক্ষেত্ৰখন এটা স্থানীয় অঞ্চলতে সীমাৱদ্ধ হৈ থাকে, তেনে ক্ষেত্ৰত মালিকীস্বত্বৰ গাঁথনি হিচাপে এক মালিকীস্বত্বক গ্ৰহণ কৰিব লাগে। আনহাতে, যদিহে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ক সামৰি কাৰ্যকলাপৰ ক্ষেত্ৰখন যথেষ্ট ব্যাপক হয়, তেন্তে কোম্পানীৰ ধাৰণাটোৱে মালিকীস্বত্বৰ ফলপ্ৰসূ গাঁথনি হ'ব।

(গ) **নিয়ন্ত্ৰণৰ পৰ্যায় ঃ** যদিহে ব্যৱসায়ত পোনপটীয়া নিয়ন্ত্ৰণৰ প্ৰয়োজন হয়, তেন্তে এই ক্ষেত্ৰত এক মালিকীস্বত্ব ফলপ্ৰসূ প্ৰকাৰ হিচাপে চিহ্নিত।

(ঘ) **প্ৰয়োজন হোৱা পুঁজি ঃ** ব্যৱসায়ৰ বাবে প্ৰয়োজন হোৱা পুঁজিয়েও ব্যৱসায়ৰ মালিকীস্বত্বৰ প্ৰকাৰ নিৰূপণ কৰে। যদিহে কোনো ব্যৱসায়ত এক ক্ষুদ্ৰ পৰিমাণৰ পুঁজিৰ প্ৰয়োজন হয়, তেন্তে মালিকীস্বত্ব অথবা অংশীদাৰিত্ব যিকোনো এটা মালিকীস্বত্বৰ বাবে ফলপ্ৰসূ হ'ব পাৰে। ব্যাপক পুঁজিৰ বাবে মালিকীস্বত্বৰ কোম্পানী ব্যৱস্থাটো অধিক কাৰ্যকৰী।

(ঙ) **ক্ষতি আৰু দায়ৱদ্ধতা ঃ** সকলো ব্যৱসায়ৰে শংকা থাকে। যদিহে কোনো ব্যৱসায়ীয়ে ক্ষতিসমূহৰ সন্মুখীন হ'বলৈ সাজু আৰু সমৰ্থ, তেন্তে তেওঁ ব্যৱসায়ৰ মালিকীস্বত্বৰ গাঁথনি হিচাপে এক মালিকীস্বত্ব বা অংশীদাৰিত্বক নিৰ্বাচন কৰিব পাৰে। কিন্তু যদিহে ব্যৱসায়ীজন ব্যৱসায়ৰ সাম্ভাব্য ক্ষতিৰ মুখামুখি হ'বলৈ সাজু নহয়, তেন্তে তেওঁ মালিকীস্বত্বৰ প্ৰকাৰ হিচাপে কোম্পানীক নিৰ্বাচন কৰিব পাৰে। য'ত ব্যক্তিগত ক্ষতিৰ আশংকা কম হয়।

(চ) **ব্যৱসায়ৰ সময়সীমা ঃ** যদিহে ব্যৱসায়টো এটা নিৰ্দিষ্ট সময়সীমাৰ বাবে কৰা হয় আৰু ই অনানুষ্ঠানিক হয়, তেতিয়া ব্যৱসায়ৰ মালিকীস্বত্বৰ ক্ষেত্ৰত এক মালিকীস্বত্ব অথবা অংশীদাৰিত্ব অধিক ফলপ্ৰসূ হয়। ইয়াৰ কাৰণ হ'ল এইবোৰ সহজে গঠন আৰু ভংগ কৰিব পাৰি। যদিহে ব্যৱসায়টো স্থায়ীভাৱে চলাব বিচৰা হয়, তেন্তে কোম্পানী বা সমবায়ৰ প্ৰকাৰটো অধিক ফলপ্ৰসূ হয় কিয়নো ইয়াত উত্তৰাধিকাৰ দিশটো জড়িত হৈ থাকে।

(ছ) চৰকাৰৰ নীতি ঃ যদিহে কোনো ব্যৱসায়ীয়ে তেওঁৰ কার্যত অধিকভাৱে চৰকাৰৰ হস্তক্ষেপ নিবিচাৰে, তেন্তে চৰকাৰৰ নীতিসমূহ অধিক কার্যকৰী হোৱা কোম্পানী বা সমবায়ৰ সলনি এক মালিকীস্বত্ব বা অংশীদাৰিত্বৰ ব্যৱস্থাক নির্বাচন কৰিব পাৰে।



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ব্যৱসায়ৰ মালিকীস্বত্বৰ চাৰিটা প্রকাৰ আছে—
  (ক) এক মালিকীস্বত্ব (খ) অংশীদাৰিত্ব
  (গ) কোম্পানী (ঘ) সমবায়।
- অংশীদাৰিত্বৰ সম্পদৰ উপলব্ধতা, সহজ গঠন আৰু কৰৰ ক্ষেত্রত সুবিধা আছে। কিন্তু ইয়াৰ হ্রস্বম্যাদী স্থায়িত্ব, সীমাহীন দায়ৱদ্ধতা আৰু আগ্রহৰ অ-হস্তান্তৰ যোগ্যতাৰ দৰে সীমাবদ্ধতা আছে।
- কোম্পানীৰ সীমিত দায়ৱদ্ধতা, আগ্রহৰ হস্তান্তৰযোগ্যতা আৰু স্থায়ী উত্তৰাধিকাৰৰ দৰে সুবিধা আছে। ইয়াৰ মুখ্য সীমাৱদ্ধতাসমূহ হ'ল— ইয়াৰ গঠনৰ জটিল প্রক্রিয়া।
- সমবায়ভিত্তিক মালিকীস্বত্বৰো কোম্পানীৰ দৰে একে সুবিধা আৰু অসুবিধা আছে।



১২.৯ অধিক জানিবলৈ

১) B. Bhatnagar and A Budhiraja (2011), *Entrepreneurship Development & Small Business Management,* Vayu Education Of India.

২) Khanka SS (2007), *Entrepreneurial Development*; S Chand & Company; Reprint Edn. 2006 edition.

৩) Scarborough and Cornwell (2016), *Essentials of Enterpreneurship & Small Business Management,* Pearson Education India; Eighth edition.

৪) Charantimath (2013), *Entrepreneurship Development and Small Business Enterprises*, Pearson Education India; Secondedition.

৫) Pathak R.K. and Kalwar M.C., Business Organisation and Entrepreneurship Development.

১২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) অসত্য (খ) সত্য
(গ) সত্য (ঘ) অসত্য।

২ নং প্রশ্নৰ উত্তৰ ঃ এক মালিকীস্বত্বৰ সীমাৱদ্ধতাসমূহ হ'ল—
(ক) সীমিত সম্পদ (খ) সীমিত দক্ষতা
(গ) অসীম দায়ৱদ্ধতা (ঘ) প্রতিষ্ঠানৰ সীমিত স্থায়িত্ব।
অংশীদাৰিত্বৰ সীমাৱদ্ধতাসমূহ হ'ল—
(ক) বিভাজিত অধিকাৰী
(খ) অসীম দায়ৱদ্ধতা

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) আইন (খ) দুজন আৰু পঞ্চাশজন
(গ) স্বেচ্ছামূলক (ঘ) পঞ্জীয়ক।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) মালিক (খ) ব্যৱসায়িক কৌশল (গ) সমবায়।



১২.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ প্রতিষ্ঠানসমূহৰ মালিকীস্বত্বৰ বিভিন্ন প্রকাৰবোৰ কি কি? প্রতিটোৰে চমু আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ বিভিন্ন ব্যৱসায়ৰ প্রতিষ্ঠানৰ সুবিধা আৰু সীমাবদ্ধতাসমূহ চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ সমবায় প্রতিষ্ঠান এখনৰ গুৰুত্বপূর্ণ বৈশিষ্ট্যবোৰ আলোচনা কৰক। ই কোম্পানী পৰা কিদৰে পৃথক?

*** ***** ***

অধ্যায় ১৩ ঃ ব্যৱসায়িক গোটৰ আকাৰ আৰু অৱস্থান

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ব্যৱসায়িক গোটৰ আকাৰ নিৰূপণত প্ৰভাৱ পেলোৱা মানকসমূহ

১৩.৪ ব্যৱসায় গোট আকাৰ নিৰ্ণয় কৰাত প্ৰভাৱ বিস্তাৰ কৰা উৎপাদনসমূহ

১৩.৫ প্ৰকাম্য প্ৰতিষ্ঠান

১৩.৬ ব্যৱসায় গোটৰ স্থান নিৰ্বাচনৰ নীতি

১৩.৭ ব্যৱসায় গোটৰ স্থানীয়কৰণত প্ৰভাৱ পেলোৱা উপাদান

১৩.৮ উত্তৰ-পূব ভাৰতৰ উদ্যোগসমূহ আৰু সিহঁতৰ বৰ্তমান আৰু ভৱিষ্যত

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.১০ অধিক জানিবলৈ

১৩.১১ অগ্ৰগতিৰ খতিয়ান

১৩.১২ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ব্যৱসায়িক গোটৰ আকাৰ নিৰূপণত প্ৰভাৱ পেলোৱা মানকসমূহ জানিব পাৰিব
- ব্যৱসায় গোট আকাৰ নিৰ্ণয় কৰাত প্ৰভাৱ বিস্তাৰ কৰা উৎপাদনসমূহ জানিব পাৰিব
- প্ৰকাম্য প্ৰতিষ্ঠান সম্পৰ্কে জানিব পাৰিব
- ব্যৱসায় গোটৰ স্থান নিৰ্বাচনৰ নীতি সম্পৰ্কে জানিব পাৰিব
- ব্যৱসায় গোটৰ স্থানীয়কৰণত প্ৰভাৱ পেলোৱা উপাদানসমূহৰ বিষয়ে জানিব পাৰিব
- সমূহ আৰু সিহঁতৰ বৰ্তমান আৰু ভৱিষ্যতৰ বিষয়ে জানিব পাৰিব।

১৩.২ পৰিচয়

এটা ব্যৱসায়িক গোটৰ দক্ষতা আৰু লাভ যোগ্যতা ব্যৱসায়িক গোটৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰে। ব্যৱসায়িক গোটে আলোচনা আৰু মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱসায়ৰ আকাৰ নিৰ্ণয় কৰে। সেই বাবে ব্যৱসায়ৰ আকাৰ নিৰূপণ কৰাত কিছুমান উপাদানে প্ৰভাৱ বিস্তাৰ কৰে। ব্যৱসায়ৰ প্ৰকাস্য আকাৰ নিৰূপণত প্ৰভাৱ বিস্তাৰ কৰা উপাদানসমূহ তলত আলোচনা কৰা হ'ল।

প্ৰতিজন ব্যৱসায়ীয়ে ব্যৱসায় গোটৰ স্থান নিৰ্ণয় কৰাৰ ক্ষেত্ৰত বহুতো উপাদানৰ ওপৰত

বিবেচনা কৰি প্ৰকৃত সিদ্ধান্ত গ্ৰহণ কৰে। এই গোটসমূহে উত্তৰ পূব অঞ্চলকো সামৰি লয় উদ্যোগৰ স্থান নিৰ্ণয়ৰ ক্ষেত্ৰত। এই পাঠৰ অন্তত উত্তৰ-পূব অঞ্চলৰ বৰ্তমান আৰু ভৱিষ্যতৰ উদ্যোগ স্থাপনৰ বাবে স্থান নিৰ্ণয়ৰ সম্পৰ্কে আলোচনা কৰিব।

১৩.৩ ব্যৱসায়িক গোটৰ আকাৰ নিৰূপণত প্ৰভাৱ পেলোৱা মানকসমূহ

উদ্যোগৰ প্ৰকৃতিৰ ওপৰতো নিৰ্ভৰ কৰে ব্যৱসায়িক গোটৰ আকাৰ। উদাহৰণস্বৰূপে লো আৰু ষ্টিল কোম্পানীসমূহৰ আকাৰ বৃহৎ মাত্ৰাৰ হয়। একেদৰেই কিছুমান জন উপযোগী ব্যৱস্থাপনা ৰে'ল আৰু বিদ্যুৎ যোগান আদিও একেদৰেই বৃহৎ মাত্ৰাত স্থাপন কৰা হয়। অন্যহাতেদি যিবোৰ উদ্যোগত ব্যক্তিগত দক্ষতা আৰু পাৰদৰ্শিতাৰ প্ৰয়োজন হয় তেনেবোৰ উদ্যোগ সাধাৰণতে ক্ষুদ্ৰ আকৃতিৰ হয়। হস্তনিৰ্মিত আৰু কলাসুলভ সামগ্ৰীৰ উদ্যোগসমূহো ক্ষুদ্ৰ আকৃতিৰ হোৱা দেখা যায়। বৃহৎ আৰু ক্ষুদ্ৰ উদ্যোগৰ মাজত মজলীয়া উদ্যোগ গঠন কৰা হয়।

আকাৰ নিৰ্ধাৰণ

কেঁচা সামগ্ৰী	উৎপাদন
(১) প্ৰকৃত সম্পদ	(১) উৎপাদনৰ পৰিমাণ
(২) সম্পদৰ পৰিমাণ	(২) উৎপাদনৰ মূল্য
(৩) কৰ্মচাৰীৰ নিয়োগৰ সংখ্যা	
(৪) ভোক্তাৰ পৰিমাণ	
(৫) কেঁচা সামগ্ৰীৰ ব্যৱহাৰৰ পৰিমাণ	
(৬) উদ্যোগৰ সংখ্যা আৰু শক্তি	

উপৰোক্ত উপাদানসমূহ বহলাই আলোচনা কৰা হ'ল—

- **প্ৰকৃত সম্পদ (Net worth) ঃ** প্ৰকৃত সম্পদ মানে হৈছে আদায়ী মূলধন আৰু সংৰক্ষিত পুঁজি লগতে উদ্ধৃত্তসমূহ। প্ৰকৃত সম্পদক ব্যৱসায়কি গোটৰ আকাৰ নিৰূপণৰ বাবে মানদণ্ড হিচাপে ব্যৱহাৰ কৰিব পাৰি। কিন্তু এই ক্ষেত্ৰতো অসুবিধা নথকা নহয়। প্ৰতিটো উদ্যোগৰ ক্ষেত্ৰত মূলধনৰ পৰিমাণ বেলেগ বেলেগ।
- **মুঠ সম্পত্তিৰ আকাৰ (Size of Total Assets) ঃ** ব্যৱসায়িক গোটৰ আকাৰ নিৰূপণৰ আন এটা জনপ্ৰিয় মানদণ্ড হৈছে মুঠ সম্পত্তিৰ আকাৰ। এই পদ্ধতি মতে লাভ-লোকচানৰ হিচাপৰ ওপৰত ভিত্তি কৰি ব্যৱসায়ৰ গোটৰ আকাৰ নিৰূপণ কৰিব পৰা যায়। দৰ স্তৰ পৰিৱৰ্তনৰ লগত মিলাই সম্পত্তিৰ মূল্য নিৰ্ধাৰণ কৰিব পৰা যায়।
- **ব্যৱহৃত কেঁচা সামগ্ৰীৰ পৰিমাণ (Amount of Raw-Materials Consumed) ঃ** এটা ব্যৱসায়ে বাৰ্ষিক কিমান কেঁচামাল ব্যৱহাৰ কৰে তাৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱসায়িক গোটৰ আকাৰ নিৰ্ণয় কৰা দেখা যায়। কিন্তু একেধৰণৰ উৎপাদন কাৰ্যত বিভিন্ন গোট জড়িত হয়।

- **শক্তি ব্যৱহাৰৰ পৰিমাণ (Amount of Power Consumed) ঃ** শক্তি সম্পদৰ ব্যৱহাৰৰ দ্বাৰাও ব্যৱসায় গোটৰ আকাৰ নির্ধাৰণ কৰিব পাৰি। যি কি নহওঁক এটা ব্যৱসায়িক গোট বা প্রতিষ্ঠানৰ মিত্যৱয়িতাৰ উপাদানসমূহেও ব্যৱসায়ৰ আকাৰত প্রভাৱ বিস্তাৰ কৰে। সেই বাবে ইয়াক সদায়েই ব্যৱসায়ৰ মানদণ্ড জোখাৰ সঠিক পদ্ধতি বুলি ক'ব নোৱাৰি।
- **নিয়োজিত শ্রমিকৰ সংখ্যা (Number of Workers Employed) ঃ** কিছুমান ব্যক্তিয়ে ব্যৱসায়ৰ আকাৰ নিৰূপণৰ ক্ষেত্রত কিমানজন ব্যক্তি নিয়োজিত হৈ আছে তাৰ ওপৰত ভিত্তি কৰি কৰে। এই পৰিমাপ সেইসমূহ গোটৰ লগত খাপ খোৱা হ'ব য'ত একে ধৰণৰ উৎপাদিত সামগ্রী আৰু একে পর্যায়ৰ কাৰিকৰী উন্নয়নৰ বাবে য'ত কার্য কৰা হয়।
- **উদ্যোগ বা কাৰখানাটোৰ ক্ষমতা আৰু সংখ্যা (Number and Capacity of Plans) ঃ** এটা ব্যৱসায়িক গোটে বিভিন্ন ধৰণৰ সামগ্রী উৎপাদন কৰিব পাৰে। সেইবাবে আন সামগ্রীসমূহৰ মানদণ্ডৰ আকাৰ নির্ণয় কৰাটো অসুবিধাজনক। উদ্যোগৰ আকাৰ আৰু সংখ্যাৰ দ্বাৰা মানদণ্ড নির্ণয় কৰাটো সুবিধাজনক হোৱাটো দেখা যায়। উদাহৰণস্বৰূপে কপাহৰ উদ্যোগ।
- **উৎপাদনৰ পৰিমাণ (Volume of Output) ঃ** উৎপাদিত বস্তুৰ পৰিমাণৰ দ্বাৰা এটা উদ্যোগৰ প্রকৃত আকাৰ নির্ণয় কৰিব পৰা যায়। যি শৃংখলাবদ্ধ আৰু একেধৰণৰ সামগ্রী পাদন কৰে। উদাহৰণস্বৰূপে চেনী আৰু চিমেণ্ট উদ্যোগৰ ক্ষেত্রত এই ধৰণেৰে আকাৰ য় কৰা হয়।



- **উৎপাদিত সামগ্রীৰ মূল্য (Value of Output) ঃ** যদি উৎপাদিত সামগ্রীৰ পৰিমাণ সহজতে তুলনা কৰা নহয়, তাত উৎপাদিত সামগ্রীসমূহৰ মূল্যৰ দ্বাৰা ব্যৱসায়ৰ আকাৰ নির্ণয় কৰিব পৰা যায়। উদাহৰণ স্বৰূপে গোটসমূহে বিভিন্নধৰণৰ সামগ্রী উৎপাদন কৰে উৎপাদিত সামগ্রীৰ মূল্য অনুসৰি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ব্যৱসায়ৰ গোটৰ আকাৰ নির্ণয়ৰ ক্ষেত্রত ব্যৱহাৰ কৰা তিনিটা মানদণ্ড উল্লেখ কৰক।

i) .....

ii) .....

iii) .....

১৩.৪ ব্যৱসায় গোট আকাৰ নির্ণয় কৰাত প্রভাৱ বিস্তাৰ কৰা উৎপাদনসমূহ

ব্যৱসায় গোটৰ আকাৰ আৰু মিত্যব্যয়িতাসমূহ নির্ণয় কৰাৰ ক্ষেত্রত বিভিন্ন উৎপাদন বিবেচনা কৰা হয়। এজন উদ্যোক্তাই ব্যৱসায় গোটৰ আকাৰ নির্ণয় কৰাৰ ক্ষেত্র বিভিন্ন উপাদান

বিবেচনা কৰা দেখা যায়। ব্যৱসায়ৰ আকাৰ নির্ণয় কৰাত প্রভাৱ পেলোৱা উপাদানসমূহ হৈছে ঃ


- **উৎপাদিত সামগ্রী প্রকৃতি আৰু চাহিদা (Nature and Demand for the Product)** ঃ যদি সামগ্রীসমূহ সহজে নষ্ট হৈ যোৱা ধৰণৰ হয় যেনে— মাছ আৰু আইছক্রীম, তেনে ক্ষেত্রত সামগ্রীসমূহ দূৰৰ পৰা অনা নহয়। এনে সামগ্রীসমূহ স্থানীয় চাহিদাৰ ওপৰত ভিত্তি কৰি বিক্রীৰ বাবে অনা হয়। সেইদৰে যিবোৰ সামগ্রীৰ দ্রুতগতিত ৰুচি আৰু ফেশ্বনসমূহ সলনি হয় তেন্তে সামগ্রীৰ বাবে ব্যৱসায়ৰ আকাৰ ক্ষুদ্র হোৱা উচিত। আনহাতে যিবোৰ সামগ্রী দীর্ঘম্যাদী প্রকৃতিৰ হয় তেনে সামগ্রীৰ বাবে ব্যৱসায়ৰ আকাৰ বৃহৎ হোৱাটো সুবিধাজনক হয়।
- **বিত্ত (Finance)** ঃ ব্যৱসায়ৰ গোটৰ আকাৰ নির্ণয়ত বিত্তৰ প্রাচুর্যতাইয়ো প্রভাৱ বিস্তাৰ কৰে। লোক আৰু তীখা, চিমেণ্ট, সাৰ, জাহাজ নির্মাণ উদ্যোগৰ বাবে বৃহৎ পৰিমাণৰ বিনিয়োগৰ প্রয়োজন। এনে উদ্যোগৰ বাবে সাধাৰণতেই বেছি পৰিমাণৰ সা-সুবিধাৰ প্রয়োজন হয়। যদি কোনো ব্যৱসায়ৰ কম পৰিমাণৰ মূলধনৰ প্রয়োজন হয় তেন্তে ব্যৱসায়সমূহ ক্ষুদ্র আকৃতিৰ হয়।
- **প্রতিদান বিধি (Laws of Return)** ঃ ক্রমহ্রাসমান প্রতিদান বিধি আৰু ক্রমবর্দ্ধমান প্রতিদান বিধিয়েও ব্যৱসায়ৰ আকাৰ নিৰূপণত প্রভাৱ বিস্তাৰ কৰে। যদি প্রতিষ্ঠানটোৱে ক্রমবদ্ধমান প্রতিদান বিধি মানি চলে তেন্তে উৎপাদন বৃহৎ পৰিমাণত হয় কিন্তু ব্যয় হ্রাস হ'ব। যেতিয়া ক্রমহ্রাসমান প্রতিদান বিধি মানি চলা হয় তেন্তে বৃহৎ পৰিমাণৰ উৎপাদনৰ বাবে উচ্চ খৰচ বহন কৰিব লগা হয় সেইবাবে এনে ক্ষেত্রত বৃহৎ মাত্রৰ ব্যৱসায় স্থাপন কৰাও অসুবিধা আহি পৰিব।
- **দক্ষতা আৰু উদ্যোক্তাৰ যোগ্যতা (Efficiency and Ability of the Entrepreneur)** ঃ সঁচা কথা ক'বলৈ গ'লে উদ্যোক্তাৰ যোগ্যতা আৰু দক্ষতাই ব্যৱসায়িক গোটৰ আকাৰ নির্ধাৰণ কৰে। উদ্যোক্তাৰ পৰিশ্রম আৰু দক্ষতাই ব্যৱসায়ক এক উচ্চ পর্যায়লৈ লৈ যাব পাৰে আৰু আকাৰ বৃদ্ধি কৰিব পাৰে।
- **ব্যৱসায়িক বিপদ আশংকা (Business Risk)** ঃ বিপদজনক ব্যৱসায়সমূহ সদায়েই বৃহৎ আকাৰত আৰম্ভ কৰা হয়। কাৰণ ক্ষুদ্র আকাৰত এনে ব্যৱসায়সমূহ কৰিলে চলাই নিয়াত অসুবিধা হয়। গতিকে যিমানেই বিপদ আশংকা বেছি হ'ব সিমানেই ব্যৱসায়ৰ আকাৰ বৃহৎ হোৱা দেখা যায়।
- **পৰিবহনৰ খৰচ (Cost of Transport)** ঃ যেতিয়া দূৰৰ পৰা কেঁচা সামগ্রীসমূহ অনা হয় আৰু উৎপাদিত সামগ্রীসমূহ দূৰলৈ পঠাই দিয়া হয় তেতিয়া পৰিবহন ব্যয় বেছি হয়। এনে ক্ষেত্রত ব্যৱসায়ৰ আকাৰ সৰু হোৱা উচিত।
- **চৰকাৰী নীতি (Government Regulations)** ঃ চৰকাৰৰ নীতিসমূহেও ব্যৱসায়ৰ গোটৰ আকাৰ নির্দ্ধাৰণত সহায় কৰে।

১৩.৫ প্ৰকাম্য প্ৰতিষ্ঠান

ব্যৱসায়িক জগতত যিবোৰ ব্যৱসায় লাভজনক নতুবা মিতব্যয়ী নহয়। সেইসমূহৰ আকাৰ নিম্নতম বা সৰু আকাৰৰ হয়। এখন প্ৰতিষ্ঠানে এই নিম্নতম আকাৰৰে প্ৰতিষ্ঠানটো আৰম্ভ কৰে আৰু ক্ৰমান্বয়ে নিজৰ শক্তি সামৰ্থ অনুযায়ী বৃদ্ধি কৰি গৈ থাকে। এটা পৰ্যায়লৈকে এনে ব্যৱসায়সমূহৰ আয় বা লাভ বৃদ্ধি হৈ থাকে, কিন্তু এটা সময়ৰ পিছত লাভৰ পৰিমাণ হ্ৰাস হৈ অহাটো পৰিলক্ষিত হয়। কিন্তু ইয়াৰ পাছততো যদি প্ৰতিষ্ঠানখনৰ আকাৰ বৃদ্ধি কৰা হয় তেন্তে প্ৰতিষ্ঠানটো অ-মিতব্যয়ী হোৱা দেখা যায়। গতিকে যিটো আকাৰত প্ৰতিষ্ঠানটোৱে সঠিক ব্যয়ৰ যোগেদি সঠিক আয়ত উপনীত হয় তেন্তে প্ৰতিষ্ঠানক 'প্ৰকাম্য প্ৰতিষ্ঠান' বুলি কোৱা হয়।

প্ৰফেচাৰ 'E.A.G. Robinson' ৰ মতে যি সমূহ প্ৰতিষ্ঠান কাৰিকৰী ক্ষমতা আৰু সাংগঠনিক ক্ষমতা সঠিক, উৎপাদন ব্যয় কম আৰু দীৰ্ঘসমূহত এই ব্যয় সমূহ পূৰণ হয় আৰু প্ৰতিষ্ঠানটোৰ আকাৰ বেছি ডাঙৰ বা বেছি সৰু নহয় আৰু ভৱিষ্যতে বৃদ্ধি কৰিব পৰা সুবিধা থাকে। তেন্তে প্ৰতিষ্ঠানক প্ৰকাম্য প্ৰতিষ্ঠান বা (optimum size) বুলি কোৱা হয়।

আমি প্ৰকাম্য প্ৰতিষ্ঠানৰ ধাৰণাটো এটা চিত্ৰৰ দ্বাৰা ব্যাখ্যা কৰিব পাৰো। ইয়াত আমি গড় ব্যয়ৰ দ্বাৰা প্ৰকাম্য আকাৰ নিৰ্ণয় কৰিব পাৰো। প্ৰকাম্য আকাৰ x অক্ষৰ দ্বাৰা আৰু গড় ব্যয় প্ৰতিটো গোটৰ নিৰ্দ্ধাৰণ কৰা হ'ব y অক্ষৰ দ্বাৰা উৎপাদন যদি বৃদ্ধি পায় তেন্তে প্ৰতিটো গোটৰ উৎপাদন ব্যয় হ্ৰাস হয়। P বিন্দুত আমি আটাইতকৈ কম গড় ব্যয়ত উপনীত হম। ইয়াতকৈ যদি প্ৰতিষ্ঠানটোৰ আকাৰ বৃদ্ধি পায় তেন্তে উৎপাদন ব্যয় বৃদ্ধি পাব। গতিকে প্ৰতিষ্ঠান এটাৰ প্ৰকাম্য আকাৰ বা বিন্দু হ'ব P আৰু OM হ'ব প্ৰকাম্য আকাৰ।



প্ৰকাম্য আকাৰ

এটা প্ৰতিষ্ঠানে প্ৰকাম্য আকাৰ লাভ কৰিব তলত দিয়া চৰ্তসমূহত ঃ এটা প্ৰতিষ্ঠানে সকলো সম্পদৰ আৰু উৎপাদনৰ উপাদান ব্যৱহাৰ কৰি সঠিক প্ৰত্যাৰ্পণ পোৱা বা উপনিত

হোৱাকেই প্রকাম্য আকাৰ বুলি কোৱা হয়।

প্রকাম্য আকাৰ নির্দ্ধাৰণ কৰাত প্রভাৱ বিস্তাৰ কৰা উপাদানসমূহ (Factors influencing optimum size of a firm) ঃ

প্রফেছাৰ ৰবিনছনে প্রকাম্য আকাৰৰ ওপৰত এটা বহল বিশ্লেষণ দাঙি ধৰিছিল। তেওঁৰ মতে এটা প্রতিষ্ঠানৰ প্রকাম্য আকাৰ বুলি ক'লে, আকাৰটো কেতিয়াও স্থিৰ নহয়। উৎপাদনৰ বিভিন্ন উপাদান বিত্ত, বজাৰকৰণ, কৌশল, সাংগঠনিক দক্ষতা আৰু বজাৰৰ অৱস্থাৰ লগে লগে সলনি হৈ থাকে। এই উপাদানসমূহ গতিশীল। সময়ৰ লগে লগে এইসমূহ সলনি হৈ থাকে। সেইবাবে প্রকাম্য আকাৰ স্থিৰ নহয়। ব্যৱসায়ীয়ে উপাদানসমূহৰ পৰিৱর্তনৰ লগত সামঞ্জস্য ৰাখি প্রকাম্য আকাৰত উপনিত হ'বলৈ চেষ্টা কৰিব লাগে।

ৰবিনছনৰ মতে প্রকাম্য আকাৰ নির্দ্ধাৰণত প্রভাৱ পেলোৱা উপাদানসমূহ হৈছে—

- কাৰিকৰী শক্তি (Technical Forces)
- পৰিচালনাৰ শক্তি (Managerial Forces)
- বিত্তীয় শক্তি (Financial Forces)
- বজাৰকৰণৰ শক্তি (Marketing Forces)
- বিপদাশংকা আৰু জিৰণী শক্তি [Forces of Risks and Fluctuations (Survival Force)]



চিন্তা-চর্চা কৰক ১

"ব্যৱসায়িক গোট এটাৰ আকাৰে ইয়াৰ সফলতাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰক"। এই বাক্যটিৰ শুদ্ধতাশুদ্ধ আলোচনা কৰক।

.....

.....

.....

.....

১৩.৬ ব্যৱসায় গোটৰ স্থান নির্বাচনৰ নীতি

যিকোনো এটা প্রতিষ্ঠানৰ বাবে ব্যৱসায় এটাৰ স্থান নির্ণয় কৰাটো সহজ নহয়। কিন্তু যেতিয়া এনে সিদ্ধান্ত গ্রহণ কৰা হয় তেতিয়া কিছুমান পৰিণামো দেখা পোৱা যায়। এনে সিদ্ধান্তই কেতিয়াবা ব্যৱসায়ক কৃতকার্য আৰু কেতিয়াবা অকৃতকার্য হোৱা দেখা যায়। সেয়ে ব্যৱসায়ৰ স্থান নির্ণয় কৰোতে তলত দিয়া নীতিসমূহ মানি চলা উচিত।

- ব্যৱসায়ৰ গোটসমূহ এনেকুৱা ঠাইত স্থাপন কৰিব লাগে যাতে সংগঠনৰ সকলো সুবিধাজনক ভাৱে সেয়া আগবঢ়াব পাৰে।

- বৰ্তমান আৰু ভৱিষ্যতৰ কথা মনত ৰাখি ব্যৱসায়ৰ ঠাইসমূহ সুবিধাজনক হ'ব লাগে। যাতে প্ৰয়োজন সাপেক্ষে ব্যৱসায় সম্প্ৰসাৰণ কৰিব পৰা যায়।
- ব্যৱসায়ৰ কৰ্মচাৰীসকলৰ বাবে প্ৰয়োজনীয় সুবিধাসমূহ আগবঢ়াব লাগে। যেনে- জিৰণী ৰুম, কেণ্টিন, শৌচালয় ইত্যাদি। ইয়াৰ উপৰি টেলিফোনৰ বিল, লিফ্‌ট, ইণ্টাৰনেট সেৱা ইত্যাদি, লগতে বেংকিং সেৱা, পৰিবহন, বজাৰ আদি ব্যৱসায় গোটৰ ওচৰত হোৱাটো উচিত।

১৩.৭ ব্যৱসায় গোটৰ স্থানীয়কৰণত প্ৰভাৱ পেলোৱা উপাদান

ব্যৱসায়িক গোটৰ স্থানীয়কৰণত কৰাটো সহজ কথা নহয়। কোন স্থান ব্যৱসায়টো স্থাপন কৰিলে ভাল হ'ব সেয়া স্থিৰ কৰাটো কঠিন। বিভিন্ন ধৰণৰ ব্যৱসায়ৰ বাবে বিভিন্ন স্থানৰ প্ৰয়োজন হয়। যি কি নহওক ব্যৱসায়ৰ স্থানীয়কৰণত বিভিন্ন উপাদানে প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়।

- **কেঁচা সামগ্ৰীৰ প্ৰাচুৰ্যতা (Availability of Raw-Materials) ঃ** কেঁচা সামগ্ৰীৰ প্ৰাচুৰ্যতা উদ্যোগৰ স্থানীয়কৰণৰ বাবে গুৰুত্বপূৰ্ণ উপাদান। এনে কেঁচা সামগ্ৰীসমূহ পৰ্যাপ্ত হ'ব লাগে আৰু মানদণ্ডসমূহ উন্নত হ'ব লাগে। উদ্যোগসমূহ স্থানীয় কেঁচা সামগ্ৰী পোৱা ঠাইৰ ওচৰে-পাজৰে হ'লে ভাল হয়।
- **শ্ৰমিকৰ প্ৰাচুৰ্যতা (Availability of Labour) ঃ** উদ্যোগসমূহৰ স্থানীয়কৰণত শ্ৰমিকৰ প্ৰাচুৰ্যতাইয়ো প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। যদি উদ্যোগক দক্ষ শ্ৰমিকৰ প্ৰয়োজন হয়, তেন্তে উদ্যোগসমূহ শ্ৰমিক কেন্দ্ৰৰ ওচৰত স্থাপন কৰা উচিত।
- **পৰিবহন সেৱা (Transport Facilities) ঃ** পৰিবহন খৰচ মুঠ খৰচৰ এক বৃহৎ অংশ। উদ্যোক্তাই উদ্যোগৰ বাবে স্থান নিৰ্ণয় কৰোতে এনে স্থান নিৰ্বাচন কৰিব লাগে যাতে মুঠ ব্যয় নিম্নতম হয়।
- **শক্তি সম্পদ (Power Resources) ঃ** সস্তা আৰু নিয়মিত যোগান পাব পৰা শক্তিৰ উৎসৰ ওচৰত উদ্যোগসমূহ স্থাপন কৰিব পাৰিলে উদ্যোগটোৰ উৎপাদন ব্যয় যথেষ্ট হ্ৰাস হ'ব পাৰে। শক্তিৰ উৎসসমূহ হৈছে কয়লা, পেট্ৰলিয়াম, তেল আৰু বিদ্যুৎ শক্তি।
- **বিত্ত (Finance) ঃ** বিত্ত হৈছে আটাইতকৈ গতিশীল উপাদান। গতিকে ই উদ্যোগৰ স্থান নিৰ্বাচনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। কিন্তু বিশেষ পৰিস্থিতিত উদ্যোগৰ স্থান নিৰ্ণয়ত একমাত্ৰ বিত্তৰ সুবিধাৰ বা প্ৰাচুৰ্যতাৰ ওপৰত নিৰ্ভৰ কৰিয়েই কৰা হয়। সেইসমূহ হৈছে বিত্তীয় অনুষ্ঠান, যি সমূহে নতুন উদ্যোগ স্থাপনৰ বাবে বিত্তৰ যোগান ধৰে।
- **ভূমি আৰু জলবায়ু (Soil and Climate) ঃ** কেতিয়াবা কেতিয়াবা প্ৰাকৃতিক অৱস্থা ভূমিৰ গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰিও উদ্যোগৰ স্থানীয়কৰণ কৰা হয়।
- **সেৱা অনুষ্ঠানৰ সুবিধা (Nearness to Service Facilities) ঃ** ব্যৱসায় গোটসমূহ, বেংক, বীমা, ডাকঘৰ, টেলিগ্ৰাফ আদিৰ কাৰ্যালয় থকা ঠাইসমূহৰ ওচৰত স্থাপন কৰা

দেখা যায়। লগতে গুদাম, বিজ্ঞাপন এজেন্সী আদিও থাকিলে ভাল হয়।

- **ব্যক্তিগত উপাদান (Personal Factors) ঃ** মাজে মাজে উদ্যোক্তাসকলে ব্যৱসায়ৰ উদ্যোগসমূহ নিজৰ সুবিধা মতে বিশেষ কিছুমান স্থানত স্থাপন কৰে। অর্থনৈতিক সুবিধাতকৈ নিজৰ ব্যক্তিগত পচন্দৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। ভাৰতত বহুতো উদ্যোগ এই ধ্যান ধাৰণাৰ ওপৰত নির্ভৰ কৰি প্রতিষ্ঠা কৰা হৈছে।
- **চৰকাৰী নীতি-নিয়ম (Government Regulation) ঃ** কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে দৰমহা বা মজুৰীৰ নীতি, কাম কৰাৰ সময়, সামাজিক নিৰাপত্তা, কৰ, অনুজ্ঞাপত্র, পেটেণ্ট আদিৰ দৰে সুবিধা বা নীতি-নিয়মৰ আধাৰত ব্যৱসায়ৰ মুঠ খৰচ নির্ধাৰণ হয় সেইদৰে উদ্যোক্তাসকলে য'ত কম বাধা নিষেধ থাকে তাত ব্যৱসায়সমূহৰ স্থাপন কৰিবলৈ আগবাঢ়ি আহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ব্যৱসায়ৰ স্থানীয়কৰণত প্রভাৱ পেলোৱা তিনিটা উপাদানৰ নাম উল্লেখ কৰা।

i) .....

ii) .....

iii) .....

১৩.৮ উত্তৰ-পূব ভাৰতৰ উদ্যোগসমূহ আৰু সিহঁতৰ বর্তমান আৰু ভৱিষ্যত

ভাৰতবর্ষৰ স্বাধীনতাৰ সময়ত (১৯৪৭) অসমৰ গুৰুত্বপূর্ণ উদ্যোগসমূহ হৈছে চাহ আৰু পেট্রলিয়াম, ডিগবৈত তেল শোধনাগাৰ আৰু মার্ঘেৰিটা, লিডু অঞ্চলত কয়লা খনি, লগতে উদ্যোগ আছিল। এই গোটেইখিনিৰ ২০ শতিকাৰ আৰম্ভণিৰ পৰাই স্থাপন কৰা হৈছিল। খাচী আৰু জয়ন্তীয়া পাহাৰত চিমেণ্ট উদ্যোগ আছিল। বর্তমানৰ চেৰাপুঞ্জীত এই চিমেণ্ট উদ্যোগ আছে। কয়লাৰ খনি আৰু খনন কার্য আন কিছুমান অঞ্চলত আছিল। বর্তমান এইসমূহ মেঘালয়ত অৱস্থিত। কমসখ্যক ধানৰ কল, ঘেঁহুৰ মিল, নগৰ অঞ্চলত আছিল। কাপোৰ বোৱা, এৰি-মুগা পালন, বাঁহ আৰু বেতৰ কাম কৰা কিছুমান গ্রাম্য উদ্যোগ এতিয়াও চলি থকা দেখা গৈছে।

চাহ বর্তমানেও অসমৰ সর্ববৃহৎ উদ্যোগ। যাৰ জৰিয়তে এতিয়াও অসমে ভাৰতবর্ষলৈ বিদেশী মুদ্রা আনিবলৈ সক্ষম হৈছে। চাহ উদ্যোগৰ বাবে প্রয়োজন হোৱা মাটি আৰু জলবায়ু অসমত অনুকূল। ডিগবৈৰ তেল শোধনাগাৰ ১৯০১ চনত গঠন কৰা হয় আৰু বঙাইগাঁৱত শোধানাগাৰ স্থাপন কৰে ১৯৭৫ চনত। অৱশ্যে নুনমাটিতো ১৯৫৯ চনতে শোধনাগাৰ গঠন কৰা হৈছিল আৰু ১৯৮৫ চনত নুমলীগড়তো শোধানাগাৰ গঠন কৰা হৈছিল। ইয়াৰ উপৰি, নামৰূপত সাৰকাৰখানা (১৯৭৬) দুলীয়াজানত অসম গেছ কোম্পানী (১৯৭৬), অসম পেট্র

কেমিকেলছ লিঃ আদি গঠন কৰা হয়। এই উদ্যোগসমূহ স্থানীয় কেঁচা সামগ্ৰী আদিৰ ওপৰত ভিত্তি কৰি গঠন কৰা হয়।

সমবায় মৰাপাট কল গঠন কৰা হয়। ১৯৭৭ চনত, অসম সমবায় চেনী কল বৰুৱাবামুণ গাঁৱত স্থাপন কৰা হয় ১৯৫৮ চনত। ১৯৯২ চনত এই উদ্যোগ ব্যক্তিগত খণ্ডলৈ নিয়া হয়।

অসমত প্ৰথম প্লাইউড ফেক্টৰী স্থাপন কৰা হয় ১৯১৮ চনত। বৰ্তমান ইয়াৰ অৱস্থা ভাল নহয়। ইয়াৰ পাছত বোকাজানত চিমেণ্ট কাৰখানা, জাগীৰোডত কাগজ কল আদি স্থাপন কৰা হয়।

অসমৰ প্ৰায়বিলাক উদ্যোগেই ক্ষুদ্ৰ বা মজলীয়া আকাৰৰ হোৱা দেখা যায়। এইসমূহ কৃষি আৰু বনজাত সামগ্ৰী ওপৰত ভিত্তি কৰি গঠন কৰা হয়। কাহ-পিতলৰ বস্তু বনোৱা মৌ, পালন, কাপোৰ-বোৱা আদিও ইয়াৰ অন্যতম কুটিৰ উদ্যোগ। বাঁহ-বেতৰ, মিস্ত্ৰী, কমাৰ, কহাৰ সোণাৰী আদিও কুটিৰ শিল্প দেখা যায়।

উত্তৰ-পূৰ ভাৰতত উদ্যোগিক গোট স্থাপনৰ সম্ভাৱনা আৰু ভৱিষ্যত ঃ

- **বাহিৰৰ সম্পদ আৰু বাহিৰৰ বজাৰ (Outside Resource and Outside Market) ঃ** উদ্যোগৰ স্থানীয়কৰণৰ ক্ষেত্ৰত বাহিৰৰ পৰা সম্পদ অনাতকৈ নিজৰ স্থানীয় সম্পদ ব্যৱহাৰ কৰিব পাৰিলে বেছি সুবিধাজনক হ'ব।
- **স্থানীয় সম্পদ আৰু বাহিৰৰ বজাৰ (Local Resources and Outside Market) ঃ** স্থানীয় ঠাইৰ সম্পদ ব্যৱহাৰ কৰিলে নিয়োগ বৃদ্ধি পায় আৰু বহিঃ ৰাজ্যলৈ ৰপ্তানী কৰিলে আয় বৃদ্ধি হয়।
- **স্থানীয় সম্পদ আৰু স্থানীয় বজাৰ (Local Resource and Local Market) ঃ** যদি স্থানীয় সম্পদ ব্যৱহাৰ কৰা তেন্তে নিয়োগ বৃদ্ধি পায়। ই সম্পদ বৃদ্ধিৰ বাবে উৎসাহ জন্মায় যদি উৎপাদন ব্যয় নিম্ন নহয় তেন্তে তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হোৱা দেখা যায়।
- **বাহিৰৰ সম্পদ আৰু স্থানীয় বজাৰ (Outside Resource and Local Market) ঃ** এই ব্যৱস্থাটো আটাইতকৈ দুৰ্বল বুলি অনুভৱ কৰা হয়। কাৰণ সম্পদসমূহ বাহিৰৰ পৰা অনা হয় আৰু বিক্ৰী কৰা হয় স্থানীয় বজাৰত।

উদ্যোগসমূহৰ স্থানীয়কৰণৰ ক্ষেত্ৰত এটা বিষয়ত বেছিকৈ গুৰুত্ব আৰোপ কৰিব লাগে যাতে উৎপাদিত সামগ্ৰীসমূহৰ স্থানীয় চাহিদা থাকে আৰু স্থানীয়ভাৱে কেঁচা সামগ্ৰীসমূহ লাভ কৰা যায়। যেনে— খাদ্য সামগ্ৰী, চামৰা, ৰবৰ আৰু উপভোক্তাৰ সামগ্ৰী, চাবোন, ডেটাৰজেণ্ট আদি। স্থানীয় কেঁচা সামগ্ৰী আৰু সম্পদৰ ওপৰত ভিত্তি কৰি স্থাপন কৰিব পৰা বা সম্ভাৱনা থকা উদ্যোগ হৈছে—

- টেক্সটাইল।
- কৃষি ভিত্তিক উদ্যোগ।
- অৰণ্যৰ ওপৰত ভিত্তি কৰি কৰা উদ্যোগ, তেল, কাগজ আদি।

- খাদ্য উৎপাদন আৰু পেকেটিং কৰা উদ্যোগ।
- পৰ্যটন উদ্যোগ আৰু ইয়াৰ লগত জড়িত উদ্যোগ।

চিন্তা-চৰ্চা কৰক ২

উত্তৰ-পূব ভাৰতত ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ সম্ভাৱনীয়তা কি?

.....

.....

.....

.....



১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এটা ব্যৱসায়িক গোটৰ কুশলতা আৰু লাভালাভ ইয়াৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে এজন ব্যৱসায়ীৰ দৃষ্টিভংগীৰ পৰা ব্যৱসায়িক গোটটোৰ বিষয়ে অধ্যয়ন কৰা অতি গুৰুত্বপূৰ্ণ। ব্যৱসায়িক গোটৰ আকাৰে ইয়াৰ কাৰ্যক্ষমতাৰ পৰিসৰ বুজায়। ব্যৱসায়িক গোটৰ আকাৰ ইয়াৰ অৰ্থনৈতিক কুশলতাৰ লগতো জড়িত হৈ থাকে। ব্যৱসায়িক গোট এটাৰ আকাৰ এক বিশেষ আকাৰতে অধিক কুশল হ'ব পাৰে। যদি এটা উদ্যোগৰ অন্তৰ্গত সকলো গোটে এই আকাৰ লাভ কৰিব পাৰে, তেনেহ'লে উদ্যোগটোৱে কুশলতাৰ এক বিশেষ স্তৰ পায়।

এজন উদ্যোগীয়ে উদ্যোগ স্থাপনৰ সময়ত ল'ব লগা আন এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছে ব্যৱসায়টোৰ অৱস্থান নিৰ্ণয়। কোনো এক স্থানত ব্যৱসায় এটা স্থাপন কৰি ইয়াক আন এক স্থানলৈ স্থানান্তৰ কৰিলে বহু খৰচ বহন কৰিব লগা হয়। ইয়াৰ ওপৰিও ব্যৱসায়জনে স্থান নিৰ্ধাৰণৰ ক্ষেত্ৰত ভৱিষ্যৎৰ সম্ভাৱনীয়তা আৰু পাৰিপাৰ্শ্বিক দিশত সাল-সলনি হ'ব পৰা কাৰকসমূহো বিৱেচনা কৰিব লাগে।



১৩.১০ অধিক জানিবলৈ

১) Basu C. R, Business Organisation and Management.

২) Saxena S. A, Business Organisation and Management.

৩) Sherlekar S. A, Modern Business Organisation Management.



১৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ i) মুঠ সম্পদৰ আকাৰ।

ii) কেঁচা সামগ্রী ব্যৱহাৰৰ পৰিমাণ।

iii) শক্তি সম্পদৰ ব্যৱহাৰৰ পৰিমাণ।

২ নং প্রশ্নৰ উত্তৰ ঃ

(ক) কেঁচা সামগ্রীৰ প্রাচুর্যতা

(খ) পৰিবহন সেৱা



১৩.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ব্যৱসায় গোটৰ আকাৰসমূহ নির্ণয় কৰাৰ ক্ষেত্রত প্রভাৱ বিস্তাৰ কৰা উপাদানসমূহ কি কি?

প্রশ্ন ২ ঃ প্রকাম্য আকাৰ মানে কি?

প্রশ্ন ৩ ঃ ব্যৱসায় গোট স্থানীয়কৰণত প্রভাৱ বিস্তাৰ কৰা উপাদানসমূহ কি কি?

প্রশ্ন ৪ ঃ উত্তৰ-পূব ভাৰতত উদ্যোগৰ স্থানীয়কৰণৰ ইতিহাস বর্ণনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ঔদ্যোগিক ৰুগ্নতা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ঔদ্যোগিক ৰুগ্নতাৰ অর্থ
১৪.৪ ঔদ্যোগিক ৰুগ্নতাৰ আগজাননী
১৪.৫ ঔদ্যোগিক ৰুগ্নতাৰ কাৰণ
১৪.৫.১ ঔদ্যোগিক ৰুগ্নতাৰ বাহ্যিক কাৰণ
১৪.৫.২ ঔদ্যোগিক ৰুগ্নতাৰ আভ্যন্তৰীণ কাৰণ
১৪.৫.৩ ক্ষুদ্র ব্যৱসায়ৰ ৰুগ্নতাৰ কাৰণসমূহ
১৪.৬ ঔদ্যোগিক ৰুগ্নতাৰ ফল
১৪.৭ সংশোধনী পদক্ষেপ
১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৯ অধিক জানিবলৈ
১৪.১০ অগ্রগতিৰ খতিয়ান
১৪.১১ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঔদ্যোগিক ৰুগ্নতাৰ অর্থ জানিব পাৰিব
- ঔদ্যোগিক ৰুগ্নতাৰ কাৰণসমূহ আলোচনা কৰিব পাৰিব
- ঔদ্যোগিক ৰুগ্নতাৰ ফলসমূহ বিশ্লেষণ কৰিব পাৰিব
- ঔদ্যোগিক ৰুগ্নতাৰ সমস্যা সমাধানৰ পদক্ষেপসমূহ আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

এই অধ্যায়টোত আমি ওদ্যোগিক ৰুগ্নতা সম্পর্কে আলোচনা কৰিম। ওদ্যোগিক ৰুগ্নতা এটি গুৰুত্বপূর্ণ সমস্যা। সেইটো দেশৰ উন্নতিৰ লগত জড়িত। ওদ্যোগিক ৰুগ্নতা উন্নত আৰু উন্নয়নশীল উভয় দেশতে বিদ্যমান। কিন্তু অধিকতৰ বৃদ্ধিৰ হাৰ আৰু উপযুক্ত কর্মনিযুক্তি বজায় ৰখাৰ বাবে ভাৰতৰ নিচিনা উন্নয়নশীল দেশৰ ওদ্যোগিক ৰুগ্নতাৰ সমস্যাসমূহ সমাধান অতি জৰুৰী।

বিগত দশকৰ অর্থনৈতিক সংশোধনৰ ঘোষণাৰ পিছৰ পৰা ঔদ্যোগিক ৰুগ্নতা বৃদ্ধি পাইছে। কেৱল মাথো পৰম্পৰাগত শিল্পবিলাক ক্ষতিগ্রস্ত হোৱা নাই, অভিযান্ত্রিক, ৰাসায়নিক, ৰাবাৰ, চিমেণ্ট, ইলেট্রিকেল আৰু কাগজ শিল্প ও ক্ষতিগ্রস্ত হৈছে ওদ্যোগিক ৰুগ্নতাৰ কাৰণে।

১৪.৩ ঔদ্যোগিক ৰুগ্নতাৰ অর্থ

১৯৮৫ চনত ৰুগ্ন ওদ্যোগিক কোম্পানী আইন, ১৯৪৫ অধিনিয়মিত হৈছিল। এইখন আইন ৰুগ্নতাৰ এটা সংজ্ঞা প্রদান কৰিছে। এই আইন অনুযায়ী ৰুগ্ন ঔদ্যোগিক সংস্থা হ'ল সেইবোৰ প্রতিষ্ঠান যিবোৰৰ সর্বমুঠ লোকচান প্রকৃত মূল্যৰ সমান বা তাতকৈ অধিক হয় এটা বৃত্তীয় বছৰৰ শেষত আৰু সেই বৃত্তীয় বর্ষত আৰু পূর্বৱর্তী বর্ষত নগদ লোকচানৰ সন্মুখীন হয়।

১৪.৪ ঔদ্যোগিক ৰুগ্নতাৰ আগজাননী

ঔদ্যোগিক ৰুগ্নতাৰ কিছুমান আগজাননী তলত দিয়া হ'ল—

১) **পাওনাদায়ৰ হ্রস্বকালীন বৃত্তীয় দায়বদ্ধতা আৰু আইনী দায়বদ্ধতা ঘটাবলৈ তলৰ বিত্তৰ অভাব ঃ** যেতিয়া এটি প্রতিষ্ঠান কেঁচামাল কিনাৰ পাছত অর্থ পৰিশোধ কৰিব নোৱাৰে। শ্রমিকৰ মজুৰি দিব পলম কৰে তেতিয়া এইটো হ'ল এটি প্রতিষ্ঠানৰ ৰুগ্নতাৰ প্রথম চিহ্ন। এইটোৱে যেতিয়া শিল্প প্রতিষ্ঠান সমস্ত আইনী বিধান ভঙ্গ কৰে, আইনী দায়বদ্ধতা যেনে— কর্মচাৰী প্রভিডেণ্ট ফাণ্ডত অৱদান, কৰ প্রদান ইত্যাদি পালন কৰিবলৈ অপাৰগ হয়, তেতিয়া এইটো ঔদ্যোগিক ৰুগ্নতাৰ আৰম্ভ বুলি ক'ব পাৰি।

২) **অত্যাধিক মজুত পণ্য ঃ** অত্যধিক কেঁচামাল, তৈয়াৰী দ্রব্যৰ মজুত হ'ল ঔদ্যোগিক ৰুগ্নতাৰ আৰু এটা আগজাননী, এটি সংস্থায় তৈয়াৰী দ্রব্যসমূহ বিক্রী কৰিবলৈ ব্যর্থ হ'লে বহুত দ্রব্য মজুত থাকি যায়।


৩) **পৰিশোধ অক্ষমতা ঃ** দীর্ঘম্যাদি পৰিশোধিত অক্ষমতা, কিস্তি পৰিশোধত অক্ষমতা অন্য এক ঔদ্যোগিক ৰুগ্নতাৰ পৰিচয়।

৪) **উৎপাদন ক্ষমতাৰ কম ব্যৱহাৰ ঃ** প্রত্যেক উদ্যোগ বর্তি থকাৰ বাবে break-even-point পাৰ কৰিব লাগে। যদি কোনো উদ্যোগে break-even-point একে কম উৎপাদন কৰে, তেতিয়া হ'লে ই ক্ষতিৰ সন্মুখীন হ'ব আৰু ৰুগ্নতাৰ ফালে গতি কৰিব।

৫) **বিনিয়োগৰ ওপৰত ঘূৰাই দিয়া ঃ** এটি উৎপাদন বিভাগে উপযুক্ত অবচয় বিধান বনাবলৈ সক্ষম হ'ব লাগে। বিনিয়োগেৰে ঘূৰাই পাব লাগিলে, মুঠ লাভ এটা প্রতিষ্ঠানত মুঠ বিনিয়োগৰ অনুপাতত ধৰিব লাগিব। Equity মূলধন আৰু সংৰক্ষণ মুঠ বিনিয়োগৰ অন্তর্ভুক্ত হ'ব। বিনিয়োগৰ ঘূৰাই দিয়া হাৰ লগত প্রচলিত সুদৰ হাৰৰ তুলনা এটা প্রতিষ্ঠানৰ স্বাস্থ্যৰ পৰিচায়ক হয়।

৬) **আর্থিক অনুপাত ৰক্ষণাবেক্ষণ ঃ** যদি এটা প্রতিষ্ঠানৰ বর্তমান সম্পত্তি আৰু বর্তমান দায়ৰ অনুপাত ১ ঃ ১ তকৈ কম হয় তেনেহ'লে প্রতিষ্ঠানটোক আমি ৰুগ্ন বুলি ক'ব

পাৰো। অর্থাৎ এইটো এটা প্রতিষ্ঠানৰ লোকমান আৰু তৰলতাৰ হ্রাস বুজায়। ক্রমহ্রাসমান ঋণ সাম্যতা অনুপাত এটি প্রতিষ্ঠানৰ ৰুগ্নতাৰ ফালে ধাবমান গতিকেই বুজায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ঔদ্যোগিক ৰুগ্নতা মানে কি?

.....

.....

১৪.৫ ঔদ্যোগিক ৰুগ্নতাৰ কাৰণ

ভাৰতবর্ষত ঔদ্যোগিক ৰুগ্নতাৰ কাৰণসমূহক সাধাৰণতে দুটা ভাগত ভাগ কৰা হয়— (ক) বাহ্যিক কাৰণসূহ (খ) আভ্যন্তৰীণ কাৰণসমূহ।

১৪.৫.১ ঔদ্যোগিক ৰুগ্নতাৰ বাহ্যিক কাৰণ

বাহ্যিক কাৰণসমূহ হ'ল—

(ক) চৰকাৰ কর্তৃক বিদ্যুৎ কর্তন আৰোপ।

(খ) অনিয়মিত যোগানৰ কাৰণে কেঁচামাল আৰু নিৰেশৰ অভাব।

(গ) ঔদ্যোগিক অনুজ্ঞাপত্র, কৰ আৰোপ, বৈদ্যুতিক শুল্ক, আমদানী ইত্যাদি চৰকাৰী নীতিসমূহৰ বাৰে বাৰে পৰিৱর্তন।

দেশৰ ঔদ্যোগিক ৰুগ্নতাৰ কাৰণে উপৰুক্ত কাৰণসমূহ সমানভাৱে দায়ী।

১৪.৫.২ ঔদ্যোগিক ৰুগ্নতাৰ আভ্যন্তৰীণ কাৰণ

আভ্যন্তৰীণ কাৰণসমূহ হ'ল—

(ক) শিল্পসংস্থাৰ দোষপূর্ণ অৱস্থান।

(খ) বিশেষতে ক্ষুদ্র শিল্প সংস্থাত ত্রুটিপূর্ণ কার্যশালা।

(গ) অদক্ষ উদ্যোক্তা যাৰ কিনা বেচা আৰু carting ৰ একো ধাৰণা নাই।

(ঘ) শ্রমিকৰ মজুৰী, বোনাচ, শিল্প প্রতিষ্ঠানৰ নিয়মৰ ভিত্তিত কিছুমান চাপযুক্ত ঔদ্যোগিক সম্পর্কৰ সৃষ্টি হয় যাৰ ফলস্বৰূপে শ্রমিক সমস্যা যেনে ধর্মঘট, বহিস্কাৰ ইত্যাদিৰ সমস্যাৰ সৃষ্টি হয়।

১৪.৫.৩ ক্ষুদ্র ব্যৱসায়ৰ ৰুগ্নতাৰ কাৰণসমূহ

ওপৰোক্ত ঔদ্যোগিক ৰুগ্নতাৰ কাৰণসমূহ কিছুমান ক্ষুদ্র ব্যৱসায় ৰুগ্নতাৰ কাৰণে দায়ী। এই কাৰণসমূহ হ'ল—

১) **অদক্ষ পৰিচালনা ঃ** বেচিভাগ উদ্যোক্তাই গণ ক্ষুদ্র শিল্প প্রতিষ্ঠান প্রতিষ্ঠা কৰিছে যদিও তেওঁলোকৰ ব্যৱস্থাপনাৰ একো বিশেষ জ্ঞান নাই। এই প্রতিষ্ঠানসমূহৰ উপহিত ব্যয় অধিক, উচ্চ সুদৰ হাৰত ঋণ লয় আৰু অনভিজ্ঞ পৰিচালনায় ব্যয় হ্রাস কৰণত কোনো গুৰুত্ব নিদিয়ে।

২) **পৰিচালনা সম্পর্কীয় নীতিৰ অৱজ্ঞা ঃ** সাধাৰণতে ক্ষুদ্র শিল্প প্রতিষ্ঠানসমূহত অধিক সুদৰ হাৰত মূলধন নিযুক্তি কৰা হয়। ক্ষুদ্র শিল্প প্রতিষ্ঠানৰ উদ্যোক্তাসকলে কম সমাংশ অংশৰে প্রতিষ্ঠানসমূহ আৰম্ভ কৰে আৰু লাভৰ দিনত আভ্যন্তৰীণ বিত্তীয় সম্পদৰ ব্যৱস্থা কৰিবলৈ কোনো চেষ্টা নকৰে। কোনো কোনো সময়ত তেওঁলোকে হ্রস্বম্যাদী ঋণ মধ্যকালীন পণ্যত বিনিয়োগ কৰা দেখা যায়।


৩) **ক্ষমতাৰ কম ব্যৱহাৰ ঃ** এইটো ৰুগ্নতাৰ আন এটা গুৰুত্বপূর্ণ কাৰক হয়। বেচিভাগ ঔদ্যোগতাই কিছুমান কাৰণবশতঃ ক্ষমতাৰ সম্পূর্ণ ব্যৱহাৰ কৰিব নোৱাৰে। যেনে— কার্যকৰী মূলধনৰ অভাব, চাহিদাৰ অভাব, কেঁচামালৰ অভাব। সেইবিলাক ঔদ্যোগ যি স্থায়ীভাৱে ক্ষমতাৰ সর্বোত্তম ব্যৱহাৰ কৰিবলৈ অক্ষম সেইবোৰ লাহে লাহে ৰুগ্নতাৰ ফাললৈ যায়।

৪) **চৰকাৰী নীতিসমূহ ঃ** চৰকাৰী নীতিসমূহ ক্ষুদ্র শিল্প প্রতিষ্ঠানসমূহৰ সম্ভাব্যতা আৰু সফলতাৰ ওপৰত প্রভাব পেলায়। কেতিয়াবা চৰকাৰী নীতিসমূহৰ সলনিৰ ফলত ক্ষুদ্র শিল্প প্রতিষ্ঠানবিলাকৰ কার্যকাৰীতাৰ ওপৰত প্রতিকূল প্রভাব পেলায়। উদাহৰণস্বৰূপে চৰকাৰে ক্ষুদ্র শিল্প প্রতিষ্ঠানৰ দ্বাৰা উৎপাদিত হ'ব লগা সংৰক্ষিত সামগ্রীৰ সংখ্যা কমাই দিয়াৰ ফলস্বৰূপে বহুত ক্ষুদ্র প্রতিষ্ঠান ৰুগ্ন হৈ পৰিছে। এই প্রতিষ্ঠানসমূহে বৃহৎ উদ্যোগ আৰু বহু জাতিক কোম্পানীসমূহৰ লগত প্রতিযোগিতা কৰিবলৈ অসমর্থ হয়।

৫) **চৰকাৰক ক্ষুদ্র শিল্প প্রতিষ্ঠানৰ সহজ অনুমোদন ঃ** ক্ষুদ্র শিল্প প্রতিষ্ঠানসমূহৰ প্রকল্প-প্রস্তাৱসমূহৰ অপ্রকৃত প্রদর্শন কেতিয়াবা প্রতিষ্ঠানসমূহৰ ৰুগ্নতাৰ কাৰণ হ'ব পাৰে। প্রকল্পসমূহৰ কার্যকৰতাক মূল্যায়ন যদি পর্যাপ্ত যন্ত্রৰে বনোৱা নাযায়, বিশেষকৈ আর্থিক কার্যকৰতাৰ বিবেচনাৰে, তেনেহ'লে ক্ষুদ্র প্রতিষ্ঠানসমূহ ধীৰে ধীৰে ৰুগ্ন হৈ পৰিব।

৬) মৃতপ্রায় প্রতিষ্ঠানসমূহ স্ব-পুঁজিৰ ওপৰত নির্ভৰশীল, অর্থাৎ নিজাববীয়া সঞ্চয়ৰ ওপৰত নির্ভৰ কৰিব লগীয়া হয়। এই প্রতিষ্ঠানসমূহে ঋণৰ জৰিয়তে পুঁজি সংগ্রহত অসুবিধা আহি পৰে।

৭) মুখ্য উদ্যোগে সহায়কাৰী উদ্যোগসমূহক পৰিশোধ নকৰাটো ঔদ্যোগিক ৰুগ্নতাৰ এটা কাৰক হিচাবে বিবেচনা কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ঔদ্যোগিক ৰুগ্নতাৰ দুটা কাৰণ কি?

.....

.....

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) চৰকাৰ প্রদত্ত নীতিৰ ঘনাই ঘনাই পৰিৱর্তন হ'ল এটা ..... কাৰক ঔদ্যোগিক ৰুগ্নতাৰ।

(খ) ক্ষমতাৰ ..... ব্যৱহাৰ হ'ল ঔদ্যোগিক ৰুগ্নতাৰ এটা গুৰুত্বপূর্ণ কাৰক।

তালিকা ঃ ৰাজ্য অনুসাৰে ভাৰতবর্ষৰ ঔদ্যোগক ৰুগ্নতাৰ বিশ্লেষণ

STATE	NUMBER OF UNITS		
	Non-SSI	Non-SSI	SSI Unit
Maharashtra	340	59	19,360
WestBengal	216	27	53,451
Uttar Pradesh	170	32	23,286
Andhra Pradesh	225	39	15,460
Gujarat	174	39	6,510
Tamil Nadu	141	34	9,809
Karnataka	110	49	6,937
Kerala	64	17	8,908
Haryana	66	12	2,574
Bihar	55	9	22,702
Madhya Pradesh	91	20	12,070
Orissa	55	7	3,408
Rajasthan	67	17	14,561
Punjab	51	11	2,466
Assam	38	3	10,133
Others	85	45	23,397
Total	1,984	420	2,35,032
	(100)	(100)	(100)

১৪.৬ ঔদ্যোগিক ৰুগ্নতাৰ ফল

ভাৰতৰ দৰে উন্নয়নশীল শ্ৰম উদ্ধৃত্ত অৰ্থনীতিত ঔদ্যোগিক ৰুগ্নতাৰ ফলাফল ভয়াবহ অৱস্থা হ'ব পাৰে। এই ফলসমূহ হ'ল—

তালিকা ঃ ৰাজ্য অনুসাৰে ভাৰতবৰ্ষৰ ঔদ্যোগক ৰুগ্নতাৰ বিশ্লেষণ

১) ঔদ্যোগক প্ৰতিষ্ঠান বন্ধ হ'লে নিবনুৱা সমস্যা বৃদ্ধি হ'ব।

২) ঔদ্যোগিক প্ৰতিষ্ঠানসমূহ বন্ধ হোৱাৰ পৰিস্থিতি হ'লে শ্ৰমিক অশান্তি সৃষ্টি হ'ব।

৩) ক্ষুদ্ৰ প্ৰতিষ্ঠানসমূহত বিনিয়োগ কৰা সম্পদৰ অপচয়।

৪) সম্পৰ্কিত প্ৰতিষ্ঠানসমূহত বিপৰীত প্ৰভাব সৃষ্টি কৰে।

৫) এই ৰুগ্ন প্ৰতিষ্ঠানসমূহত অৰ্থ বিনিয়োগ হৈ থকাৰ কাৰণে ব্যাঙ্ক আৰু বিভিন্ন ঋণ প্ৰদানকাৰী সংস্থাসমূহ ক্ষতিৰ সন্মুখীন হয়।

৬) প্ৰতিষ্ঠানসমূহ বন্ধ হোৱাৰ ফলত উদ্যোক্তা আৰু বিনিয়োগকাৰীসকলে নিৰুৎসাহ হৈ যায়।

তালিকা ঃ ১৪.১

Sl. No.	Name of the State/ UT	Sick Units	Incipient Sick Units	Sick/ Incipient Sick Units	Sick Units among Units having Outstanding Loan (Institutional Sources)
1.	Jammu & Kashmir	0.63	0.20	0.27	0.60
2.	Himachal Pradesh	0.65	0.95	0.92	0.60
3.	Punjab	4.41	6.32	6.03	5.41
4.	Chandigarh	0.00	0.02	0.02	0.00
5.	Uttaranchal	0.33	0.34	0.34	0.23
6.	Haryana	2.90	2.89	2.92	2.86
7.	Delhi	0.47	0.10	0.18	0.28
8.	Rajasthan	2.89	3.11	3.11	2.59
9.	Uttar Pradesh	2.75	2.49	2.57	2.30
10.	Bihar	1.40	1.62	1.61	1.40
11.	Sikkim	0.01	0.01	0.01	0.01
12.	Arunachal Pradesh	0.03	0.04	0.04	0.04
13.	Nagaland	0.01	0.01	0.01	0.02
14.	Manipur	0.41	0.13	0.16	0.43
15.	Mizoram	0.02	0.01	0.01	0.00
16.	Tripura	0.05	0.05	0.05	0.04
17.	Meghalaya	0.04	0.03	0.03	0.02
18.	Assam	0.34	0.40	0.38	0.32

১৪.৭ সংশোধনী পদক্ষেপ

ঔদ্যোগিক ৰুগ্নতাৰসমস্যা বৃহৎ শিল্প প্ৰতিষ্ঠান আৰু ক্ষুদ্ৰ শিল্প প্ৰতিষ্ঠান দুয়ো ক্ষেত্ৰতেই পৃথক। এইটো সাধাৰণতে ক্ষুদ্ৰ প্ৰতিষ্ঠানসমূহৰ প্ৰতিযোগীতামূলক সামৰ্থ আৰু কাৰ্যকৰীতাৰ লগত জড়িত সমস্যা। অথবা ক্ষুদ্ৰশিল্প প্ৰতিষ্ঠানসমূহৰ ৰুগ্নতা ৰোধ কৰিবলৈ কিছুমান বিশেষ প্ৰচেষ্টা ল'ব লাগিব।

এই পদক্ষেপসমূহ হ'ল—

১) আৰ্থিক সম্পদ গঢ়ি তুলিবলৈ এই প্ৰতিষ্ঠানসমূহক বিশেষ নজৰ দিব লাগিব আৰু মধ্যকালীন/দীঘকালীন বিনিয়োগৰ কাৰণে হ্ৰস্বকালীন মূলধন ব্যৱহাৰ কৰিব নালাগে।

২) ক্ষুদ্ৰ শিল্প প্ৰতিষ্ঠানসমূহৰ উদ্যোক্তাসকলক পৰিচালনা সংক্ৰান্ত দক্ষতা বৃদ্ধি কৰিব লাগব প্ৰশিক্ষণৰ মাধ্যমেৰে।

৩) সৰকাৰে দুৰ্লভ কেঁচা সামগ্ৰী বিতৰণ, বজাৰকৰণৰ সুবিধা আৰু বাট্টা প্ৰদানৰ ক্ষেত্ৰত ক্ষুদ্ৰ প্ৰতিষ্ঠানক অগ্ৰাধিকাৰ দিব লাগে। বিশেষকৈ সেইবোৰ প্ৰতিষ্ঠানক যিবোৰে ভাল ফলাফল দেখাবলৈ সমৰ্থ হৈছে।

৪) মূলধনৰ খৰচ কমাব লাগিব আৰু ক্ষুদ্ৰ শিল্প প্ৰতিষ্ঠানসমূহৰ উপহীত ব্যয় কমাবলৈ প্ৰচেষ্টা চলাব লাগিব।

৫) পুঁজি অন্যয়ে ব্যৱহাৰ কৰিব নালাগে। যিহেতু ৰুগ্ন প্ৰতিষ্ঠানসমূহ স্থাপনৰ দ্বিতীয় আৰু তৃতীয় বছৰত প্ৰতিষ্ঠানসমূহৰ অৱসান হয়। প্ৰতিষ্ঠানসমূহক আৰম্ভণীৰ পৰা দেখা ভাল আৰু যন্ত্ৰ লোৱা খুবেই জৰুৰী। এই ধৰণে যিবোৰ কাৰকে, উৎপাদন ক্ষমতাৰ কম ব্যৱহাৰৰ বাবে দায়ী সেইবোৰ পৰীক্ষা কৰি চাব পাৰি আৰু জৰুৰী পদক্ষেপ গ্ৰহণ কৰিব পাৰি।

৬) ক্ষুদ্ৰ শিল্প প্ৰতিষ্ঠানসমূহ সৰ্বোচ্চ মাত্ৰাত মজুত পণ্য বজায় ৰাখিব লাগিব যাতে ব্যয় কমাব পাৰা যায় আৰু উদ্যোগৰ ক্ৰিয়াত প্ৰতিকূল প্ৰভাব পেলাব নোৱাৰে।

৭) ৰুগ্ন ক্ষুদ্ৰ প্ৰতিষ্ঠানসমূহক কম সুদৰ হাৰত ঋণ প্ৰদান কৰিব লাগে।

৮) ক্ষুদ্ৰ প্ৰতিষ্ঠানসমূহৰ কাম ভালকে চলাবলৈ ৰিজাৰ্ভ বেংকে কিছুমান নীতি নিৰ্দেশনা প্ৰস্তুত কৰিব লাগে আৰু এই প্ৰতিষ্ঠানসমূহৰ বাবে সুদক্ষ পৰিচালনাৰ ব্যৱস্থা কৰিব লাগে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ঔদ্যোগিক ৰুগ্নতাৰ ফলসমূহ কি?

.....

.....



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোৰ পৰা আমি ক্ষুদ্ৰ শিল্প প্ৰতিষ্ঠানসমূহত ঔদ্যোগিক ৰুগ্নতাৰ ফলসমূহ জানিলো। ঔদ্যোগিক ৰুগ্নতাৰ কাৰণসমূহ আলোচনা কৰা হৈছে আৰু লগতে সংশোধনী পদক্ষেপসমূহ আলোচনা কৰা হৈছে। ৰাজ্য অনুসাৰে ৰুগ্নতাৰ শতকৰা হাৰ ছুকৰ মাধ্যমে দিয়া হৈছে আৰু অতিৰিক্ত উৎপাদন, ক্ষমতাৰ কম ব্যৱহাৰ ইত্যাদি সম্পৰ্কে আলোচনা কৰা হৈছে। সেই কাৰণসমূহ ঔদ্যোগিক ৰুগ্নতাৰ কাৰণে দায়ী।



১৪.৯ অধিক জানিবলৈ

1) B. Bhatnagar and A Budhiraja (2011), *Entrepreneurship Development & Small Business Management,* Vayu Education of India.

2) Khanka SS (2007), *Entrepreneurial Development*; S Chand & Company; Reprint Edn. 2006 edition.

3) Scarborough and Cornwell (2016), *Essentials of Enterpreneurship & Small Business Management,* Pearson Education India; Eighth edition.

4) Charantimath (2013), *Entrepreneurship Development and Small Business Enterprises*, Pearson EducationIndia; Secondedition.

5) Pathak R.K. and Kalwar M.C.(), Business Organisation and Entrepreneurship Development.



১৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ ঔদ্যোগিক সংস্থাৰ সৰ্বমুঠ লোকচান প্রকৃত মূল্যৰ সমান বা তাতকৈ অধিক হয়। এটা বৃত্তীয় বছৰৰ শেষত আৰু সেই বৃত্তীয় বৰ্ষত আৰু পূৰ্বৱৰ্তী বৰ্ষত নগদ লোকচানৰ সন্মুখীন হয়। তাকে ঔদ্যোগিক ৰুগ্নতা বুলি কোৱা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ বাহ্যিক কাৰক আৰু আভ্যন্তৰীণ কাৰক।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) বাহ্যিক (খ) কম।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) উদ্যোক্তাসকলে নিৰুৎসাহ হৈ পৰে।

(খ) কর্মহীনতাৰ সমস্যা।

(গ) ডাঙৰ শ্রমিক অশান্তি সৃষ্টি হয়।

(ঘ) প্রচুৰ বিনিয়োগ কৰা সম্পদৰ অপচয়।

(ঙ) সম্পর্কিত প্রতিষ্ঠানসমূহত বিৰৰীত প্রভাব সৃষ্টি কৰে।

(চ) বেংকত প্রচুৰ বৃত্তীয় ক্ষতিৰ সৃষ্টি হয়।

১৪.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ঔদ্যোগিক ৰুগ্নতা কি?

প্রশ্ন ২ ঃ ঔদ্যোগিক ৰুগ্নতাৰ আগজাননী সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ ঔদ্যোগিক ৰুগ্নতাৰ কাৰণসমূহ কি? বিশ্লেষণ কৰক।

প্রশ্ন ৪ ঃ ক্ষুদ্র শিল্প প্রতিষ্ঠানসমূহৰ ঔদ্যোগিক ৰুগ্নতা ৰখাবলৈ কিছুমান সংশোধনী পদক্ষেপ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ ক্ষুদ্র ব্যৱসায়ৰ বাবে আনুষ্ঠানিক সহায়

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ বাণিজ্যিক বেংকৰ ধাৰণা

১৫.৪ অন্যান্য উন্নয়নমূলক বিত্তীয় প্ৰতিষ্ঠানসমূহৰ ধাৰণা

- ১৫.৪.১ ইণ্ডাষ্ট্ৰিয়েল ডেভেল'পমেণ্ট বেংক অফ ইণ্ডিয়া (IDBI)
- ১৫.৪.২ ইণ্ডাষ্ট্ৰিয়েল ৰিক'নষ্ট্ৰাকশ্যন বেংক অফ ইণ্ডিয়া (IRBI)
- ১৫.৪.৩ লাইফ ইনচুৰেঞ্চ ক'ৰপৰেশ্যন অফ ইণ্ডিয়া (LIC)
- ১৫.৪.৪ ষ্টেট ফাইনেঞ্চিয়েল ক'ৰপৰেশ্যনচ (SFCs)
- ১৫.৪.৫ ষ্টেট ইণ্ডাষ্ট্ৰিয়েল ডেভেল'পমেণ্ট ক'ৰপৰেশ্যন (SIDC's)
- ১৫.৪.৬ স্ম'ল ইণ্ডাষ্ট্ৰিজ ডেভেল'পমেণ্ট বেংক অফ ইণ্ডিয়া (SIDBI)
- ১৫.৪.৭ এক্সপ'র্ট ইমপ'র্ট বেংক অফ ইণ্ডিয়া (EXIM BANK)
- ১৫.৪.৮ নেশ্যনেল বেংক ফ'ৰ এগ্ৰিকালচাৰ এণ্ড ৰুৰেল ডেভেল'পমেণ্ট (NABARD)
- ১৫.৪.৯ ইণ্ডাষ্ট্ৰিয়েল ফাইনেন্স ক'ৰপৰেশ্যন অফ ইণ্ডিয়া লিমিটেড (IFCI)
- ১৫.৪.১০ ইউনিট ট্ৰাষ্ট অফ ইণ্ডিয়া (UTI)

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৬ অধিক জানিবলৈ

১৫.৭ অগ্ৰগতিৰ খতিয়ান

১৫.৮ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বাণিজ্যিক বেংকবোৰে ক্ষুদ্ৰ উদ্যোগীক প্ৰদান কৰা বিত্তীয় সহায়ৰ প্ৰকাৰসমূহ ব্যাখ্যা কৰিব পাৰিব
- দেশত উদ্যোগীক প্ৰদান কৰা সহায়ৰ সৈতে বিত্তীয় সহায় প্ৰদান কৰা বিভিন্ন বিত্তীয় অনুষ্ঠানসমূহৰ তালিকা কৰিব পাৰিব।

১৫.২ পৰিচয়

এই অধ্যায়টিত আমি কি ধৰণে অন্য বিত্তীয় অনুষ্ঠানে উদ্যোগীক বিত্তীয় সহায় প্ৰদান

কৰে তাৰে আলোচনা কৰিম। আমি ইয়াত বিভিন্ন বিত্তীয় অনুষ্ঠান যেনে— IDBI, IRLI, LIC, SIDBI, NEDFI, NABARD ইত্যাদিৰ আলোচনা কৰিম। এই অনুষ্ঠানবোৰে ক্ষুদ্র উদ্যোগীক বিত্তীয় সহায় আৰু নেতৃত্ব প্রদান কৰে। তেনে উদ্যোগীক চৰকাৰেও বিভিন্ন প্রকাৰৰ সহায় প্রদান কৰে। এই অধ্যায়টিত বাণিজ্যিক বেংক আৰু বিভিন্ন বিত্তীয় অনুষ্ঠানৰ কার্য প্রণালী ব্যাখ্যা কৰা হ'ব।

১৫.৩ বাণিজ্যিক বেংকৰ ধাৰণা

দেশৰ ২৮৮খন অনুসূচীত বাণিজ্যৰ বেংকবোৰত অন্তর্ভুক্ত হয় ভাৰতীয় ষ্টেট বেংক আৰু সংলগ্ন বেংকসমূহ (৮), ৰাষ্ট্রীয়কৃত বেংক (১৯৬) আৰু বৈদেশিক বেংক (২৩)। ১৯৯৪-৯৫ চনত, দহখন বেংকক অনুসূচীত বাণিজ্যিক বেংকৰ মর্যাদা প্রদান কৰা হৈছিল আৰু বেংক অফ ইণ্ডিয়াত নিয়ন্ত্রণ কৰা, বেংক অফ কৰ'ড বাদ দিয়া হৈছিল। দিনাংক ৩১ মার্চ, ১৯৯৫ লৈকে অনুসূচীত বাণিজ্যিক বেংকবোৰৰ শাখা সংখ্যা ৬২,০৬৭ আছিল আৰু তাৰ ভিতৰত ৩৫,০৬৩ খন (৩৬.৫%) গ্রামীন অঞ্চলত আছিল। ১৯৬৯ চনৰ জুলাই মাহত বেংকৰ ৰাষ্ট্রীয়কৰণৰ পাছতহে বাণিজ্যিক বেংকবোৰে অধিক পৰিয়ালত ক্ষুদ্র উদ্যোগসমূহক আর্থিক সহায় প্রদান কৰা আৰম্ভণি কৰিছিল। সাধাৰণতে, বাণিজ্যিক বেংকবোৰে ক্ষুদ্র উদ্যোগসমূহক চলিত মূলধনৰ প্রয়োজন। সম্পর্কীয় সহায় প্রদান কৰে। ক্ষুদ্র উদ্যোগসমূহৰ বিত্তীয় সহায় সম্পর্কত RBI এ কার্য কৰা 'Lead Bank Scheme' এক লক্ষণীয় বৈশিষ্ট্য। এই আঁচনিৰ অন্তর্গত, প্রত্যেক জিলাত বাণিজ্যিক বেংকিঙৰ সুবিধা গভীৰ পৰিমাণে উন্নতি কৰিবৰ বাবে একোটাকৈ বাণিজ্যিক বেংক আৱণ্টন কৰা হৈছে।

১৯৬০ চনত আৰম্ভ কৰা 'Credit Guarantee Scheme' বাণিজ্যিক বেংকে ক্ষুদ্র উদ্যোগক প্রদান কৰা আর্থিক সুবিধাৰ ক্ষেত্রত এক বৃহৎ পদক্ষেপ হিচাপে জনা যায়। আৰম্ভণিতে এই আঁচনি ২২খন জিলাত পৰীক্ষামূলক ভিত্তিত আৰম্ভ কৰা হৈছিল। পিছত এই আঁচনি গোটেই দেশত বিস্তীর্ণ কৰা হৈছিল। কমিটীৰ উপদেশ আৰু নির্দেশনাৰ ভিত্তিত RBI এ SSI বিলাকক বিত্তীয় সুবিধা আগবঢ়োৱাৰ উদ্দেশ্যে বিভিন্ন ব্যৱস্থাৰ এক বিশেষ পেকেজ বা গোটৰ প্রৱর্তন কৰে আৰু SSI বিলাকলৈ পর্যাপ্ত পৰিমাণৰ ঋণ অথবা বিত্তৰ প্রবাহ হোৱাকৈ বেংকিবালকক বিভিন্ন ব্যৱস্থা গ্রহণ কৰাৰ পৰামর্শ আগবঢ়ায় আৰু লগতে ক্ষুদ্র গোটবিলাকত হোৱা সমস্যাসমূহক ৰোধ কৰে।

১৫.৪ অন্যান্য উন্নয়নমূলক বিত্তীয় প্রতিষ্ঠানসমূহৰ ধাৰণা

১৫.৪.১ ইণ্ডাষ্ট্রিয়েল ডেভেলপমেণ্ট বেংক অফ ইণ্ডিয়া (IDBI)

ভি. ভি. ভাট্টে সঠিকভাৱে দেখুৱাইছে যে দেশ এখনত বহলভাৱে বিস্তৃত আৰু বৈচিত্রপূর্ণ উদ্যোগীকৰণৰ প্রক্রিয়াৰ বিকাশৰ ক্ষেত্রত গতিশীল নেতৃত্ব আগবঢ়োৱাৰ

অর্থে দেশখনৰ বাবে এটা কেন্দ্রীয় উন্নয়ন বেংকিং প্রতিষ্ঠানৰ প্রয়োজন। এই উদ্দেশ্য পূৰণৰ বাবে চৰকাৰে ইণ্ডাষ্ট্রিয়েল ডেভেল'পমেণ্ট বেংক অফ ইণ্ডিয়া প্রতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। IDBI ১৯৬৪ চনৰ ১ জুলাই তাৰিখে সংসদৰ এক আইনৰ অধীনত দেশৰ মুখ্য বিত্তীয় প্রতিষ্ঠান হিচাপে স্থাপিত হয়। আৰম্ভণিকালত ই সম্পূর্ণৰূপে ৰিজার্ভ বেংক অফ ইণ্ডিয়াৰ এটা পৰিপূৰক বেংক হিচাপে স্থাপিত হৈছিল। কিন্তু ১৯৭৬ চনৰ ফেব্রুৱাৰী মাহত IDBI এক স্বায়ত্তশাসিত প্রতিষ্ঠান হিচাপে পৰিগণিত হয় আৰু ইয়াৰ মালিকীস্বত্ব ৰিজার্ভ বেংক অফ ইণ্ডিয়াৰ হাতৰ পৰা ভাৰতীয় চৰকাৰলৈ হস্তান্তৰিত হয়।

IDBI এ ক্ষুদ্র উদ্যোগক পুনঃ বিত্তীকৰণ আঁচনিৰ যোগেদি আৰু সীমিত পৰিমাণত, বিলৰ পুনঃ বাট্টা কাৰণ আঁচনিৰ যোগেদি সুবিধা প্রদান কৰে। ১৯৮৮ চনত, IDBI এ উৎপাদনমূলক ব্যৱসায়ত জড়িত ক্ষুদ্র উদ্যোগক অংশপত্র বিধৰ সুবিধা প্রদান কৰিবৰ বাবে National Equity Fund Scheme (NEFS) আৰম্ভ কৰে, যাৰ ব্যয় ৫ লাখ টকাতকৈ অধিক নহয়। IDBI এ নতুন, অতি ক্ষুদ্র আৰু ক্ষুদ্র ব্যৱসায়বোৰক কাল দৈর্ঘ্য ঋণ আৰু চলিত মূলধন প্রদানৰ বাবে তৎক্ষণাৎ সেৱাৰ আঁচনি আৰম্ভ কৰে। শেষত IDBI এ ক্ষুদ্র, অতি ক্ষুদ্র আৰু কুটীৰ উদ্যোগক পৰামর্শ সেৱা দিয়াৰ বাবে Voluntary Executive Corporation Cell (VECC) ৰ গঠন কৰে।

IDBI এ ভূমিকা আৰু অধিক ফলপ্রসূ কৰিবৰ বাবে Narasimham Committee এ IDBI ক প্রত্যক্ষ বিত্তীয়কৰণৰ কার্য ভংগ কৰি উৎসাহমূলক কার্য সম্পন্ন কৰিবৰ বাবে আৰু অন্য প্রতিষ্ঠান যেনে- SFCs, SIDBI ইত্যাদিক পুনঃ বিত্তীয়কৰণৰ ভূমিকা আগগঢ়োৱাৰ পৰামর্শ দিয়ে।

১৫.৪.২ ইণ্ডাষ্ট্রিয়েল ৰিক'নষ্ট্রাকশ্যন বেংক অফ ইণ্ডিয়া (IRBI)

ইণ্ডাষ্ট্রিয়েল ৰিকনষ্ট্রাকশ্যন বেংক অফ ইণ্ডিয়াৰ গঠন ভাৰত চৰকাৰে ১৯৭১ চনৰ এপ্রিল মাহত ভাৰতীয় কোম্পানী আইনৰ অধীনত কৰে। IRBI ৰ গঠন মূল স্বৰূপে দুর্বল উদ্যোগক বিশেষ সাহায্য প্রদান কৰা উদ্দেশ্যে আৰু তেনে কোম্পানীৰ শীঘ্রে পুনগঠন আৰু পুনৰ সংস্থাপনৰ বাবে কৰা হৈছিল। IRBI এ ঔদ্যোগক উন্নয়ন আৰু পুনৰ সংস্থানৰ সেৱা প্রদান কৰা ভাৰতৰ মুখ্য অনুষ্ঠান হিচাপে কার্য কৰে। IRBIৰ পূর্বে IRCI এ দুর্বল উদ্যোগসমূহক সাহায্য প্রদান কৰিছিল।

IRBI এ নিজৰ ক্রিয়াকলাপৰ বিকল্প বৈচিত্রপূর্ণ কৰি তুলিছে আৰু পৰামর্শ সেৱা, বাণিজ্যিক বেংকিং আৰু উপকৰণ লিজ ব্যৱস্থাৰ দৰে সেৱাবোৰো প্রদান কৰে। IRBI ৰ আটাইকেইটা ক্রিয়াকলাপসমূহ দুর্বল উদ্যোগক পুনৰ সংস্থাপন কৰাৰ কার্যৰ লগত জড়িত।

১৫.৪.৩ লাইফ ইনচুৰেঞ্চ ক'ৰপৰেশ্যন অফ ইণ্ডিয়া (LIC)

লাইফ ইঞ্চুৰেঞ্চ ক'ৰপৰেশ্যনৰ গঠন ১৯৫৬ চনত LIC আইনৰ অধীনত ভাৰত চৰকাৰৰ অনুষ্ঠান হিচাপে কৰা হৈছিল। LIC এ সমাজৰ বিভিন্ন বৰ্গৰ বাবে বিভিন্ন প্ৰকাৰৰ বীমাৰ যোগেদি সামাজিক সুৰক্ষা প্ৰদান কৰে।

LIC ৰ বিনিয়োগ নীতিৰ অনুযায়ী বিনিয়োগৰ ৭৫% ধন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰিত পুঁজিত প্ৰেৰণ কৰা হয়। LIC এ ব্যক্তিগত আৰু দলীয় হিতৰ বাবে বিভিন্ন প্ৰকাৰৰ সেৱা প্ৰদান কৰে যেনে- গৃহ নিৰ্মাণ, পানীৰ যোগান, গ্ৰামীন বৈদ্যুতিকীকৰণ ইত্যাদি। LIC এ কোম্পানী খণ্ডৰ অংশ পত্ৰ আৰু ঋণপত্ৰৰ অৱিহনা যোগোৱা কাৰ্য কৰে আৰু লগতে কালদৈৰ্ঘ্য ঋণো প্ৰদান কৰে।

১৯৯৪-৯৫ চনত কোম্পানী খণ্ডক প্ৰদান কৰা সেৱাৰ সংমোদিত ধন ১১৩ কোটি টকা আছিল। ব্যক্তিগত খণ্ডত মুঠ অনুমোদন ৫৭.৮% আছিল, ৰাজহুৱা খণ্ডত ৩৪.১% আছিল আৰু সমবায় সমিতিত ৮% আছিল।

১৫.৪.৪ ষ্টেট ফাইনেঞ্চিয়েল ক'ৰপৰেশ্যনচ (SFCs)

ইণ্ডাষ্ট্ৰিয়েল ফাইনাঞ্চ ক'ৰপৰেশ্যন অফ ইণ্ডিয়াৰ গঠন ১৯৪৮ চনত বৃহৎ আকাৰৰ উদ্যোগক আৰ্থিক সাহায্য প্ৰদান কৰিবৰ বাবে কৰা হৈছিল। বহু পৰিমাণৰ ক্ষুদ্ৰ উদ্যোগক বিত্তীয় সম্পৰ্কীয় প্ৰয়োজনীয়তা পূৰণ কৰাৰ উদ্দেশ্যে ৰাজ্যিক বিত্তীয় কোম্পানী আইন পাৰিত কৰা হৈছিল ১৯৬১ চনৰ ছেপ্টেম্বৰ মাহত। এই আইনৰ অধিনত প্ৰথম SFC ৰ গঠন ১৯৫৩ চনত পঞ্জাব ৰাজ্যত কৰা হৈছিল। বৰ্তমান সময়ত ৰাজ্যত দেশত মুঠ ১৮খন SFC আছে আৰু প্ৰায় প্ৰত্যেক ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত SFC আছে। তাৰ মাজত ১৭খন SFC, SFC আইন ১৯৫১ৰ অধীনত গঠন কৰা হৈছে। কোম্পানী আইনৰ অধিনত ১৯৪৯ চনত Madras Industrial Investment Corporation হিচাপে গঠন কৰা Tamil Nadu Industrial Investment Corporation Ltd. এ এখন সম্পূৰ্ণৰূপে গঠিত SFC হিচাপে কাৰ্য কৰে। SFC ৰ পৰিচালনা IFCI ৰ দৰে একে। ইয়াৰ এক পৰিচালনা পৰিষদ, এজন মুখ্য পৰিচালক আৰু এটা কাৰ্যবাহী কমিটি থাকে। এটা SFC এ নিজৰ কাৰ্যালয় ৰাজ্যৰ বিভিন্ন ঠাইত খুলিব পাৰে।

SFC ৰ মূল কাৰ্যসমূহ হ'ল ক্ষুদ্ৰ আৰু মধ্যম আকাৰৰ উদ্যোগ যেনে মালিকানা, অংশীদাৰিত্ব, সমবায় সমিতি, ৰাজহুৱা আৰু ব্যক্তিগত কোম্পানীক দীৰ্ঘকালীন আৰ্থিক সেৱা প্ৰদান কৰা। SFC ৰ অন্য কাৰ্য হ'ল উদ্যোগিক অনুষ্ঠানৰ ষ্টক, অংশ পত্ৰ, ঋণ পত্ৰ ইত্যাদিৰ বিলিকৰণ প্ৰক্ৰিয়াত সহায় কৰা আৰু তেনে অনুষ্ঠানক ঋণ আৰু আগধন প্ৰদান কৰা। SFC এ ক্ষুদ্ৰ বাহন পৰিচালক, হোটেল, পৰ্যটন উদ্যোগত জড়িত ব্যৱসায়,

হাস্পতাল, ব্যক্তিগত খণ্ডৰ চিকিৎসালয় ইত্যাদিক আর্থিক সাহায্য প্রদান কৰে।

১৫.৪.৫ ষ্টেট ইণ্ডাষ্ট্রিয়েল ডেভেল'পমেণ্ট ক'ৰপৰেশ্যন (SIDC's)

ষ্টেট ইণ্ডাষ্ট্রিয়েল ডেভেলপমেণ্ট ক'ৰপৰেশ্যনচবোৰৰ অন্তর্ভুক্তকৰণ কোম্পানী আইনৰ ১৯৫৬ ৰ অধীনত যাঠী আৰু সত্তৰৰ দশকত ৰাজ্যিক চৰকাৰ নিজা প্রতিষ্ঠান হিচাপে উদ্যোগিক উন্নয়নৰ বৃদ্ধিৰ বাবে কৰা হৈছিল।

SIDC ৰ মূল কার্যসমূহ হ'ল কালদৈর্ঘ ঋণ, কোম্পানীৰ অংশপত্র আৰু ঋণপত্রৰ অৰিহণাৰ ক্ষেত্রত ক্ষতিপূৰণৰ দায়িত্ব আৰু নিশ্চিতিৰ ৰূপত সুবিধা প্রদান কৰা। ইয়াৰ বাহিৰেও তেওঁলোকে উদ্যোগৰ উন্নয়নৰ বাবে বিভিন্ন প্রকাৰৰ বাণিজ্যিক প্রচাৰমূলক সেৱা আগবঢ়ায় যেনে সম্ভাৱনীয়তা বিৱৰণৰ প্রস্তুতি, ঔদ্যোগিক সম্ভাব্যৰ জৰীপ পৰিচালনা কৰা, উদ্যমিতা উন্নয়নৰ কার্যক্রম আৰু উদ্যোগিক ভূমিখণ্ড উন্নয়ন কার্য। কিছু SIDC বোৰে উপকৰণ লীজ ব্যৱস্থা, বাণিজ্য বেংকিং, ভেঞ্চাৰ মূলধন আৰু যৌথ পুঁজিৰ দৰে বিভিন্ন ক্ষেত্রত উদ্যোগবোৰক প্ররেশ কৰাৰ বাবে প্রয়াস চলায়।

দেশত ২৮খন SIDC আছে। ১৯৯৪-৯৫ চনত গুটেইখন SIDC বোলে অনুমোদন কৰা মুঠ সাহায্য ১৫১১ কোটি টকা আছিল আৰু ৯৮৪ কোটি টকা বিতৰণ কৰা হৈছিল।

১৫.৪.৬ স্ম'ল ইণ্ডাষ্ট্রিজ ডেভেল'পমেণ্ট বেংক অফ ইণ্ডিয়া (SIDBI)

ক্ষুদ্র উদ্যোগক বিভিন্ন প্রকাৰৰ আর্থিক আৰু অনা আর্থিক সুবিধা প্রদান কৰিব লগীয়া প্রয়োজনৰ লক্ষ্য ৰাখি ভাৰত চৰকাৰে SIDBI গঠন এক বিশেষ আইনৰ যোগেদি IDBI ৰ অধীনস্থ হিচাপে ১৯৮৯ চনত কৰা হৈছিল। SIDBI এ নিজৰ কার্যকাৰীকৰণ ২ এপ্রিল, ১৯৯০ চনত আৰম্ভ কৰিছিল আৰু ইয়াৰ মুখ্য কার্যালয় লক্ষ্ণৌ চহৰত আছে। SIDBI এ ক্ষুদ্র ব্যৱসায় সম্বন্ধীয় IDBI ৰ ৪০০০ কোটি টকাৰ বাকী লেনদেনৰ নিয়ন্ত্রণ হাতত লয়। SIDBI ৰ প্রাধিকৃত মূলধন ২৫০ কোটি টকা আৰু এই পৰিমাণ ১০০০ কোটি টকালৈকে বৃদ্ধি কৰিব পাৰি।

SIDBI ৰ গুৰুত্বপূর্ণ কার্যসমূহ হ'ল —

(১) চলিত উদ্যোগৰ প্রযুক্তিমূলক উন্নয়ন আৰু আধুনিকীকৰণৰ বাবে পদক্ষেপ আৰম্ভ কৰা।

(২) ক্ষুদ্র উদ্যোগৰ উৎপাদনৰ ঘৰুৱা আৰু আন্তঃৰাষ্ট্রীয় বজাৰত বেচা-কিনাৰ বাবে মাধ্যমবোৰৰ সম্প্রসাৰণ কৰা।

(৩) বিশেষকৈ অর্ধ নগৰীয়া এলেকাসমূহত নিয়োগ প্রদানকাৰী উদ্যোগসমূহৰ বিকাশত ঘটোৱা যাতে ই অধিক নিয়োগৰ সুবিধা সৃষ্টি কৰে আৰু নগৰ অঞ্চললৈ হোৱা প্রব্রজনৰ মাত্রা হ্রাস কৰে।

প্রতিষ্ঠা হোৱাৰ পৰা আৰম্ভ কৰি SIDBI এ প্রতিবছৰে আগবঢ়োৱা অনুমোদন আৰু বিতৰণসমূহ হৈছে ঃ

সাহায্য, অনুমোদন আৰু বিতৰণ

(টকা, কোটি)

Year	*Sanctions*	*Growth Rate%*	*Disbursements*	*Growth Rate%*
1990-91	2408.7		1838.5	
1991-92	2846.0	18.2	2027.4	10.3
1992-93	2908.4	2.2	2145.8	5.8
1993-94	3354.1	15.3	2671.3	24.5
1994-95	4699.3	40.1	3385.3	26.7
Cumulative up to end-March1996	16216.4		12068.2	

১৫.৪.৭ এক্সপর্ট ইমপর্ট বেংক অফ ইণ্ডিয়া (EXIM BANK)

এক্সপর্ট ইনপর্ট বেংক অফ ইণ্ডিয়া যি সাধাৰণ EXIM বেংক নামেৰে জনা যায়, ১৯৮২ চনৰ জানুৱাৰী ১ তাৰিখে IDBI ৰ আন্তঃৰাষ্ট্রীয় বিত্তীয় পক্ষৰ কার্যভাৰ গ্রহণ কৰাৰ অর্থে আৰু লগতে ভাৰতীয় বৈদেশিক বাণিজ্যৰ উন্নীতকৰণৰ অর্থে আমদানীকাৰী আৰু ৰপ্তানীকাৰীসকলক বিত্তীয় সাহার্য্য আগবঢ়োৱাৰ অর্থে প্রতিষ্ঠা কৰা হয়। ই লগতে বাণিজ্যিক বেংকসমূহ আৰু বিত্তীয় অনুষ্ঠানসমূহক তেওঁলোকৰ ৰপ্তানি-আমদানি সম্পর্কীয় বিত্তীয় কার্যকলাপৰ পৰিপ্রেক্ষিতত পুনঃ অর্থনৈতিক সংস্থাপনৰ সুবিধা আগবঢ়ায়।

EXIM বেংকৰ গুৰুত্বপূর্ণ কার্যসমূহ তলত দিয়া ধৰণৰ —

(১) ভাৰতৰ লগতে ভাৰতবর্ষৰ বাহিৰত দ্রব্য আৰু সেৱাৰ আমদানী আৰু ৰপ্তানিৰ ক্ষেত্রত বিত্তীয় সাহায্য আগবঢ়োৱা।

(২) বৈদেশিক দেশসমূহত থকা যৌথ উদ্যোগসমূহক বিত্তীয় সাহায্য আগবঢ়োৱা।

(৩) বৈদেশিক বাণিজ্যৰ লগত জড়িত কোম্পানীসমূহৰ বাণিজ্যিক বেংকিং কার্যকলাপৰ দায়িত্ব গ্রহণ কৰা।

(৪) আমদানী আৰু ৰপ্তানিৰ ব্যৱসায়ৰ লগত জড়িত গোটসমূহক প্রযুক্তিমূলক আৰু প্রশাসনিক সাহায্য আগবঢ়োৱা।

(৫) বিদেশী চৰকাৰ আৰু বেংকসমূহক buyers' credit আৰু lines of credit ৰ সুবিধা আগবঢ়োৱা।

(৬) বিদেশত multilaterally funded project সমূহৰ ক্ষেত্রত ভাৰতীয় ৰপ্তানীকাৰীসকলক আগতীয়া তথ্য আৰু বাণিজ্যিক উপদেশমূলক সেৱা আগবঢ়োৱা।

উন্নীতকৰণ, ৰপ্তানিৰ উদ্দেশ্যেৰে EXIM বেংকে তিনিটা আঁচনি আৰম্ভ কৰিছে। এইবিলাক হৈছে—

(১) উৎপাদন আহিলা বিত্তীয় আঁচনি

(২) ৰপ্তানি মার্কেটিং বিত্ত আঁচনি

(৩) ৰপ্তানি বিক্রেতা উন্নয়ন বিত্তীয় আঁচনি।

১৫.৪.৮ নেশ্যনেল বেংক ফ'ৰ এগ্রিকালচাৰ এণ্ড ৰুৰেল ডেভেল'পমেণ্ট (NABARD)

NABARD এ শিল্পী, গ্রাম্য আৰু কুটীৰ উদ্যোগ আৰু অন্য তেনে কৃষিমূলক কার্যকলাপসমূহৰ বাবে পুনঃ বিত্তীয়কৰণৰ মাধ্যমেৰে উদ্যোগিক বিত্তৰ যোগান ধৰে। ই ৰাজ্যিক কো-অপাৰেটিভ বেংকসমূহক Apex Regional Weaver's মার্কেটিঙৰ বাবে বিত্তৰ যোগান ধৰাৰ উদ্দেশ্যে বা বস্তু উৎপাদন তথা সংগ্রহৰ ক্ষেত্রত চলিত মূলধনৰ যোগানৰ বাবে প্রয়োজনীয় ব্যৱস্থাৱলীৰ সেৱা আগবঢ়ায়। কেৱেলাত তাঁৰ নির্মাণকাৰী সমবায় সমিতিসমূহৰ বিত্তীয় চলিত মূলধনৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰাৰ উদ্দেশ্যে পুনঃবিত্তীয়কৰণৰ সুবিধা আগবঢ়োৱা হয়। NABARD এ সংহত গ্রাম্য উন্নয়ন আঁচনি (IRDP)ৰ অধীনত বিত্তীয় অনুষ্ঠানসমূহক পুনঃবিত্তীয়কৰণৰ সুবিধা আগবঢ়ায়। ই লগতে বেংকসমূহক ৰেচম শিল্পৰ লগত জড়িত কার্যকলাপ যেনে— খেতি, পলুৰ প্রতিপালন আৰু যন্ত্রপাতিসমূহৰ ক্রয়ৰ ক্ষেত্রত আগবঢ়োৱা সীমিতকালীন ঋণৰ বিপৰীতে পুনঃবিত্তীয়কৰণ সুবিধা আগবঢ়ায়। NABARD ৰ লগতে প্রত্যাশিত ব্যৱসায়ীসকলক Margin Money আগবঢ়োৱাৰ উদ্দেশ্যে এটা Soft Loan Assistance Fund Scheme ও আছে।

১৫.৪.৯ ইণ্ডাষ্ট্রিয়েল ফাইনেন্স ক'ৰপৰেশ্যন অফ ইণ্ডিয়া লিমিটেড (IFCI)

ভাৰত চৰকাৰে ১৯৪৮ চনৰ জুলাই মাহত IFCI আইনৰ অধীনত ইণ্ডাষ্ট্রিয়েল ফাইনেন্স ক'ৰপৰেশ্যন অফ' ইণ্ডিয়া লিমিটেড স্থাপন কৰা হয়। কিন্তু ১৯৯৩ চনৰ ১ জুলাই তাৰিখৰ পৰা ইয়াক কোম্পানী আইন ১৯৫৬ৰ অধীনলৈ অনা হয়। IFCI এ ইয়াৰ বিত্তীয় সাহায্য টকা আৰু বৈদেশিক মুদ্রা ঋণৰ মাধ্যমেৰে উদ্যোগিক খণ্ডলৈ সম্প্রসাৰণ, অংশপত্র/ঋণপত্র আৰু guarantee সমূহৰ দায়িত্ব/প্রত্যক্ষ বৰঙণি আৰু লগতে আহিলাপাতি সংগ্রহ, আহিলাপাতিৰ বাবে প্রয়োজনীয় বিত্ত, ক্রেতা আৰু

যোগানকাৰীসকললৈ ঋণ, যন্ত্রপাতিৰ চুক্তি আৰু চুক্তিমূলক বিত্ত আৰু ভাড়া ক্রয় কোম্পানীৰ বাবে প্রয়োজনীয় বিত্তৰ যোগান ধৰে। ই লগতে ইয়াৰ দিল্লীত থকা মুখ্য কার্যালয় আৰু মুম্বাইৰ এটা ব্যুৰুৰ লগত বাণিজ্যিক বেংকিঙৰ সেৱা আগবঢ়ায়। IFCI ৰ বিত্তীয় সম্পদসমূহ তলত দিয়া তিনিটা উপাদান মিলি গঠিত হৈছে— (১) আংশিক মূলধন (২) চুক্তি আৰু ঋণপত্রসমূহ আৰু (৩) অন্যান্য ঋণসমূহ। ইয়াৰ পৰিশোধিত মূলধনৰ পৰিমাণ ১৯৪৮ চনত ৫ কোটি টকাৰ পৰা আৰম্ভ কৰি ১৯৯৫ চনৰ মার্চ ৩১ তাৰিখত ৩৫২ কোটি টকা হয়গৈ IFCI এ ১৯৪৮ চনৰ আৰম্ভণিত ইয়াৰ ঋণদানৰ কার্যসমূহ পৰিমিত মাত্রাত আৰম্ভ কৰিছিল। IFCI ৰ কার্যসমূহ প্রতিবছৰে উন্নত হৈছে আৰু সেই গতিকে ইয়াৰ সাহায্যও বৃদ্ধি পাইছে। ১৯৯৪-৯৫ চনৰ সময়ছোৱাত IFCI ৰ দ্বাৰা অনুমোদিত সাহায্যৰ পৰিমাণ ৫২.৭% লৈ বৃদ্ধি পাই ৫৭১৯ কোটি টকা হৈছেগৈ। সেই একে বছৰত সাহায্য বিতৰণৰ পৰিমাণ ৩১.২% লৈ বৃদ্ধি পাই ২৮৩৯ কোটি টকা হয়গৈ। ১৯৯৫ চনৰ মার্চ মাহৰ শেষলৈকে ক্রমান্বয়ে IFCI ৰ দ্বাৰা অনুমোদনৰ পৰিমাণ ২৪,৫৯৯ কোটি টকালৈ পাইছে যদিও বিতৰণৰ পৰিমাণ সামূহিকভাৱে ১৫,৩৮৭ কোটি টকাহে হৈছে।

সাম্প্রতিক সময়ত, IFCI এ নতুন উন্নয়নমূলক আঁচনি আৰম্ভ কৰিছে। যেনে—

(ক) মহিলা উদ্যোগীসকলৰ বাবে interest subsidy আঁচনি।

(খ) ক্ষুদ্র উদ্যোগবিলাকক মার্কেটিং সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে consultancy fee subsidy আঁচনিসমূহ।

(গ) অতি ক্ষুদ্র, ক্ষুদ্র আনুষংগিক গোটসমূহৰ আধুনিকীকৰণক উদগনি যোগোৱা আৰু

(ঘ) ক্ষুদ্র আৰু মজলীয়া উদ্যোগসমূহত প্রদূষণ নিয়ন্ত্রণ কৰা।

এই কথাত কোনো সংশয় নাই যে IFCI এ বহুৰৰ পৰা বহুৰ ধৰি এক আকর্ষণীয় কার্যদক্ষতাৰ অভিজ্ঞতা লাভ কৰিছে। একে সময়তে এইটোও সঁচা যে ইয়াৰ কার্যসমূহত এনে কিছুমান প্রবাহ ঘটিছে যি বিভিন্ন ক্ষেত্রৰ পৰা সমালোচনাৰ আহ্বান জনাইছে। এইবিলাকৰ ভিতৰত গুৰুত্বপূর্ণ কেতবোৰ হৈছে— (১) IFCI ৰ ঋণদানৰ কার্যসমূহে সম্পদ আৰু মূলধনৰ গুৰুত্বতাক উৎসাহিত কৰে। যদিও ই এক পক্ষপাতমূলক নীতি মানি চলে যি মজলীয়া আৰু ক্ষুদ্র আকাৰৰ গোটসমূহৰ বাবে প্রতিকূল। (২) ঋণৰ অনুমোদন আৰু তাৰ পিছত ঋণৰ পৰিমাণ লাভৰ ক্ষেত্রত অতি বিলম্ব। (৩) IFCI এ অক্ষম ঋণ গ্রহণকাৰীসকলৰ ওপৰত উপযুক্ত নিয়ন্ত্রণ কৰাৰ ক্ষেত্রত ব্যর্থ হয়।


১৫.৪.১০ ইউনিট ট্রাষ্ট অফ ইণ্ডিয়া (UTI)

ইউনিট ট্রাষ্ট অফ ইণ্ডিয়া ১৯৬৪ চনৰ সংসদৰ এক আইনৰ অধীনত প্রতিষ্ঠা হয় যি ক্ষুদ্র বিনিয়োগকাৰীসকলৰ সঞ্চয়সমূহ গোট বিক্রীৰ জৰিয়তে ৰূপান্তৰণ আৰু

সেইসমূহক corporate বিনিয়োগত সংলগ্ন কৰায়। বছৰৰ পৰা বছৰ ধৰি UTI এ বিনিয়োগকাৰীসকলৰ বিভিন্ন খণ্ডৰ প্রয়োজনীয়তা পূৰণৰ অর্থে বিভিন্ন আঁচনি আৰম্ভ কৰিছে। UTI এ লগতে কালভিত্তিক ঋণসমূহ আৰু অংশপত্র /ঋণপত্রসমূহৰ প্রত্যক্ষ বৰঙনিৰ মাধ্যমেৰে corporate খণ্ডক সাহায্য আগবঢ়ায়।

১৯৯৪-৯৫ চনৰ সময়ছোৱাত UTI এ প্রধানকৈ সাধাৰণ বিনিয়োগকাৰীসকলক লক্ষ্য ৰাখি ৯ টা নতুন আঁচনি/পৰিকল্পনা আৰম্ভ কৰে। এইসমূহত অন্তর্ভুক্ত হয় গৃহলক্ষ্মী গোট পৰিকল্পনা, অৱসৰপ্রাপ্তিৰ সুবিধা লাভৰ পৰিকল্পনা, প্রাথমিক সাম্যংশপত্র পুঁজি, ইউনিট আঁচনি ১৯৯৫ (যি corporate বিনিয়োগককাৰীসকলক লক্ষ্য ৰাখি) আৰু ক'লম্বাচ ইণ্ডিয়া পুঁজি।

১৯৪৫-৯৫ চনৰ সময়ছোৱাত corporate খণ্ডলৈ হোৱা সামগ্রিক সাহায্য অনুমোদন আছিল ৭,৬৭৭ কোটি টকা আৰু তাৰে বিতৰণৰ মুঠ পৰিমাণ আছিল ৪,৭৯১ কোটি টকা, ইয়াৰে অনুমোদনৰ তিনি চতুর্থাংশ হ'ল অংশপত্র আৰু ঋণপত্রসমূহৰ underwriting /প্রত্যক্ষ subscriptionৰ মাধ্যমেৰে। ১৯৯৫ চনৰ মার্চ মাহৰ শেষৰলৈকে UTI ৰ দ্বাৰা corporate খণ্ডলৈ সাহায্য অনুমোদন আৰু সাহায্য বিতৰণৰ পৰিমাণ আছিল ক্রমে ৩৯,৬৪২ কোটি টকা আৰু ২৯,২৮৫ কোটি টকা। ১৯৯৪-৯৫ চনৰ সময়ছোৱাত, UTI ৰ দ্বাৰা মুঠ সাহায্য অনুমোদনৰ ন-দহ (৯০.৪%) তকৈও অধিক ব্যক্তিগত খণ্ডৰ পৰা আৰু বাকী (৯.৬%) আহিছিল ৰাজহুৱা খণ্ডৰপৰা। এই ক্ষেত্রত এটা কথা লক্ষ্য কৰাটো অতি গুৰুত্বপূর্ণ যে ব্যক্তিগত খণ্ডই সাহায্যসমূহৰ ক্ষেত্রত ৬.১%ৰ প্রান্তীয় বৃদ্ধি দেখুওৱাৰ লগতে ৰাজহুৱা খণ্ডই এই ক্ষেত্রত এক বৃহৎ ৫৬.৪% ৰ হ্রাসৰ অভিজ্ঞতা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নিম্নলিখিত উক্তিবোৰ সত্য নে অসত্য হয় উল্লেখ কৰক ঃ

(ক) Export Marketing Finance হ'ল EXIM BANK ৰ এক প্রকাৰৰ আঁচনি। (সত্য/অসত্য)

(খ) IDBI এ ক্ষুদ্র উদ্যোগক পুনঃ বিত্তীয়কৰণ আঁচনিৰ যোগেদি সুবিধা প্রদান কৰে। (সত্য/অসত্য)

(গ) IFCI ৰ গঠন জুলাই ১৯৪৮ চনত IFCI আইনৰ অধীনত কৰা হৈছিল। (সত্য/অসত্য)

(ঘ) LIC ৰ গঠন ১৯৫৮ চনত LIC আইনৰ অধীনত কৰা হৈছিল। (সত্য/অসত্য)



১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ক্ষুদ্র উদ্যোগবোৰক নিজৰ অনুষ্ঠান চলাই নিবলৈ পর্যাপ্ত ধনৰ নাটনি হয়। চৰকাৰে বহু সংখ্যক বিত্তীয় অনুষ্ঠানৰ গঠন কৰিছে— দুয়ো কেন্দ্রীয় আৰু ৰাজ্যিক স্তৰত।
- বিত্তীয় অনুষ্ঠানে প্রদান কৰা গুৰুত্বপূর্ণ বিত্তীয় সুবিধাবোৰ হ'ল— কালদৈর্ঘ্য বিত্তীয়কৰণ, পুনঃ বিত্তীয়কৰণ, চলিত মূলধন বিত্তীয়কৰণ, ৰপ্তানি বিত্তীয়কৰণ।
- দেশত ক্ষুদ্র উদ্যোগক সুবিধা প্রদান কৰা মূল উদ্দেশ্য হ'ল সেইবোৰ উন্নয়ন বৃদ্ধি কৰা।



১৫.৬ অধিক জানিবলৈ

১) B. Bhatnagar and A Budhiraja (2011), *Entrepreneurship Development & Small Business Management,* Vayu Education of India.

২) Khanka SS (2007), *Entrepreneurial Development*; S Chand & Company; Reprint Edn. 2006 edition.

৩) Scarborough and Cornwell (2016), *Essentials of Enterpreneurship & Small Business Management,* Pearson Education India; Eighth edition.

৪) Charantimath (2013), *Entrepreneurship Development and Small Business Enterprises*, Pearson EducationIndia; Secondedition.

৫) Pathak R.K. and Kalwar M.C., Business Organisation and Entrepreneurship Development.

১৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য (খ) অসত্য (গ) সত্য (ঘ) অসত্য।



১৫.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ দেশত ক্ষুদ্ৰ উদ্যোগত বিত্তীয়কৰণৰ ক্ষেত্ৰত IDBI বেংকৰ ভূমুকি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ SIDBI ৰ মূল কাৰ্যসমূহ কি কি ? SIDBI এ ক্ষুদ্ৰ উদ্যোগক প্ৰদান কৰা বিভিন্ন প্ৰকাৰৰ সুবিধাসমূহ আলোচনা কৰক

প্ৰশ্ন ৩ ঃ EXIM BANK ৰ গঠন কিয় কৰা হৈছিল ? ভাৰতত ৰপ্তানি আৰু আমদানি ব্যৱসায়ত জড়িত উদ্যোগীক EXIM BANK এ প্ৰদান কৰা বিভিন্ন প্ৰকাৰৰ সুবিধাসমূহ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ IFCI এ ভাৰতত ক্ষুদ্ৰ উদ্যোগক প্ৰদান কৰা অৰ্থিক সুবিধাৰ এক বিৱৰণি দিয়ক।

*** ***** ***



প্ৰসঙ্গ পুথি (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য)

Books:

1) Basu C. R, Business Organisation and Management.
2) B. Bhatnagar and A Budhiraja (2011), *Entrepreneurship Development & Small Business Management,* Vayu Education Of India.
3) Charantimath (2013), *Entrepreneurship Development and Small Business Enterprises*, Pearson EducationIndia; Secondedition
4) Gordon E., Natarajan K., Entrepreneurship Development.
5) Khanka SS (2007), *Entrepreneurial Development*; S Chand & Company; Reprint Edn. 2006 edition.
6) Pathak R.K., Kalwar M.C., Business Organisation And Entrepreneurship Development.
7) Saxena S. A, Business Organisation and Management.
8) Scarborough and Cornwell (2016), *Essentials of Enterpreneurship & Small Business Management,* Pearson Education India; Eighth edition
9) Sherlekar S. A, Modern Business Organisation Management.
10) Sudha S.G, *Fundamentals of Entrepreneurship.*

Website:

1) https://en.wikibooks.org/wiki/Management_ Concepts_and_ Applications/Management
2) https://openpress.usask.ca/entrepreneurshipandinnovationtoolkit/chapter/chapter-1-introduction-to-entrepreneurship/
3) https://pressbooks.bccampus.ca/technicalwriting/chapter/proposals/
4) https://fitsmallbusiness.com/how-to-write-a-business-proposal/
5) https://openpress.usask.ca/entrepreneurshipandinnovationtoolkit/chapter/chapter-5-business-planning/

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড চৌহদ, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিকন সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেড পৰিসৰ, দিশপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? ☐☐☐

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব-শিকন সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিকন উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব-শিকন সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিকন সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিকন সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?
